

# সোণালী

সম্পাদক/অচিন্ত্য দিহিঙ্গীয়া

সোণালী

# সোণাৰি মহাবিদ্যালয়ৰ আলোচনী

পোঃ আঃ সোণাৰি, জিলা শিৱসাগৰ

চতুৰ্থ সংখ্যা

(১৯৮৭-৮৮)

সম্পাদক :

শ্ৰী অচিন্ত্য দিহিঙীয়া

## সোণাৰি মহাবিদ্যালয়ৰ প্ৰকাশিত আলোচনীৰ সম্পাদক সকল

| | | |
|---|---|---|
| ১। | শ্ৰীপুনেশ্বৰ দিহিঙ্গীয়া<br>শ্ৰীসোণবৰ গগৈ | ১৯৭২-৭৩/৭৩-৭৪ |
| ২। | শ্ৰীচন্দন কাকতি | ১৯৮৩—১৯৮৪ |
| ৩। | শ্ৰীমহেশ গগৈ | ১৯৮৬-৮৭ |
| ৪। | শ্ৰীঅচিন্ত্য দিহিঙ্গীয়া | ১৯৮৭ - ৮৮ |

এই সংখ্যাৰ
বেটুপাট শিল্পী — শ্ৰীঅৰুণ বৈৰাগী
ছাপাশাল — মহন প্ৰিন্টিং প্ৰেছ, শিৱসাগৰ
প্ৰকাশক — ছাত্ৰ একতা সভা সোণাৰি মহাবিদ্যালয়

## কৃতজ্ঞতা স্বীকাৰ

আলোচনী খন উলিওৱাতে বিভিন্ন দিশত সহায় সহযোগ আৰু দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে অধ্যক্ষ শ্ৰীগোলাপ বৰগোহাঁই উপাধ্যক্ষ শ্ৰীমুৰেশ দাস আৰু "সোণালী" উপদেষ্টা মণ্ডলীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। প্ৰবন্ধপাতি সমূহ চকুফুৰাই দিয়াৰ বাবে শ্ৰীবিনন্দ মহন, শ্ৰীনবীন কোঁৱৰ, শ্ৰীবাতি প্ৰভা গগৈ, শ্ৰী সোণমাই বৰা, শ্ৰী কংকনা নাথ এই সুধীবৃন্দৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰলোঁ। 'সোণালী'ৰ বাবে শুভাশীষ আগবঢ়োৱা অসম সাহিত্য সভাৰ সভাপতি শ্ৰীমহিম বৰা, আৰু অসম চৰকাৰৰ ৰাজহ বিভাগৰ মন্ত্ৰী শ্ৰীচন্দ্ৰ আৰণধৰা দেৱলৈ আন্তৰিক শ্ৰদ্ধাৰ আঁজলি যাচিলোঁ। বেটুপাতৰ শিল্পী শ্ৰীঅৰুণ বৈৰাগী, সম্পাদনা সমিতিৰ সমূহ সদস্য সদস্যা আৰু মহন প্ৰিন্টিং প্ৰেছৰ সমূহ কৰ্মকৰ্তালৈ আন্তৰিক কৃতজ্ঞতা ও শুভাশীষ থাকিল। সদৌ শেষত বিভিন্ন সময়ত উৎসাহ অনুপ্ৰেৰণা সহায়-সহযোগিতা আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ থাকিম।

সম্পাদক

## মাৰ্জনা

'সোণালী'ৰ বাবে বহুতো প্ৰবন্ধপাতি পাইও আৰ্থিক দুৰৱস্থাৰ বাবে প্ৰকাশ কৰিব পৰা নগ'ল তাৰবাবে উদীয়মান লেখক লেখিকা সকল হতাশ নোহোৱাৰ কামনা কৰি ক্ষমা বিছাৰিছোঁ। আলোচনীখনৰ বিভিন্ন কামত যেনে গল্প-কবিতা-প্ৰবন্ধ ইত্যাদিৰ সংগ্ৰহ নিৰ্ব্বাচন, শুদ্ধৰাণী, পুনৰ পাণ্ডুলিপি কৰা ইত্যাদিৰ বাবে সোণালী উলিওৱাত বহুত পলম হয় তাৰ বাবে সদৌটিৰ ওচৰত কৰযোৰে মাৰ্জনা বিচাৰিলোঁ। এই বছৰ নতুনকৈ নামা কৰণ কৰা 'সোণালী' খনি কিমান উন্নত বা নিম্ন মানদণ্ডৰ হৈছে এইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়; যদিও 'সোণালী'ৰ মানদণ্ড ছাত্ৰ-ছাত্ৰীৰ লিখনিৰ ওপৰত নিৰ্ভৰ কৰিছে, তথাপি অনিচ্ছাকৃত সম্পাদকীয় ভুলত্ৰুটিৰ বাবে সকলো সহৃদয় পাঠকপাঠিকাই ক্ষমাৰ দৃষ্টিৰে চাব বুলি আশা ৰাখিলোঁ।

সম্পাদক

# “সোণালী”ৰ সম্পাদনা সমিতি

সভাপতি :—

শ্ৰীগোলাপ বৰগোহাঁই ( অধ্যক্ষ )

উপদেষ্টা :—

শ্ৰীবিনন্দ মহন ( অধ্যাপক )

শ্ৰীৰবীন কোঁৱৰ ( অধ্যাপক )

শ্ৰীৰতিপ্ৰভা গগৈ ( অধ্যাপিকা )

শ্ৰীসোণমাই বৰা ( অধ্যাপিকা )

সম্পাদক :—

শ্ৰীঅচিন্ত্য দিহিঙ্গীয়া

সদস্য/সদস্যা

শ্ৰীনিত্যানন্দ বাইলুং

শ্ৰীডিম্ব ৰাজকোঁৱৰ

শ্ৰীডিম্বেশ্বৰ কোঁৱৰ

শ্ৰীঅংশুমণি পাল

শ্ৰীশ্যামলিমা ডুৱৰা

## —ঃ জামাল আহমেদলৈ শ্ৰদ্ধাঞ্জলী ঃ—

● * ● * ●

সোণাৰি মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত সহায় সহযোগিতা আগবঢ়োৱা কবি, সাহিত্যিক ✓জামাল আহমেদ লৈ ( মৃত্যু ১৯৮৮ চন ) আমি সম্পাদনা সমিতিৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। উল্লেখ যোগ্য যে ১৯৮৬-৮৭ চনৰ সোণাৰি মহাবিদ্যালয়ৰ আলোচনীত তেখেত। “শান্তিৰ কপৌ জনী” নামৰ কবিতাটি প্ৰকাশ পাইছিল। তেখেতৰ মৃত্যুত আমি গভীৰ দুখ প্ৰকাশ কৰিছো আৰু তেখেতৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক।

শ্ৰীচন্দ্ৰ আৰণধৰা
মন্ত্ৰী,
ৰাজহ, সাহাৰ্য্য, পুনৰ সংস্থাপন আৰু পঞ্জীয়ণ,
অসম, দিশপুৰ

কাৰ্য্যালয়-৮৭০৩১
ফোন ২৮০
বাসভৱন-৮৭১০৭

নং মৰা : সা : ওপু : স ং-৩১/৩৯/১
দিনাংক ইং ৯/১/৮৯

## শুভেচ্ছাবাণী

সোনাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি সুখী হৈছো। এখন সুস্থ সবল সমাজ তথা দেশ গঠণত ছাত্ৰ-ছাত্ৰী সকলৰ ভূমিকা অপৰিহাৰ্য্য। ত্যাগ আৰু আত্মোৎসৰ্গাৰ মনোভাবেৰে শিক্ষা লাভত ব্ৰতী হৈ ছাত্ৰ-ছাত্ৰী সকলেই দেশৰ সু-নাগৰিক ৰূপে গঢ়লৈ উঠিব লাগিব। এই মনোভাৱেৰে ছাত্ৰ-ছাত্ৰীয়ে নতুন অসম গঢ়াত বৰঙনি যোগাব বুলি আশা কৰাৰ লগতে আলোচনীখনিৰ মনোগ্ৰাহীতা কামনা কৰিলো ॥

স্বাক্ষৰ
৯/১/৮৯
( চন্দ্ৰ আৰণধৰা )

প্ৰতি :-
শ্ৰী অচিন্ত্য দিহিঙ্গীয়া,
আলোচনী সম্পাদক,
ছাত্ৰ একতা সভা সোণাৰি মহাবিদ্যালয়।

# শুভেচ্ছা বাণী

সোণাৰি মহাৰিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পৰা "সোণাৰি মহাবিদ্যালয় আলোচনী" প্ৰকাশ ব্যৱস্থা কৰাত আনন্দিত হৈছো। অসমৰ বিভিন্ন মহাৰিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনী সমূহে তৰুন ছাত্ৰ ছাত্ৰী সকলৰ সাহিত্য-সাধনাৰ স্বাক্ষৰ বহন কৰি আহিছে। সোনাৰি মহাৰিদ্যালয় আলোচনী খনিয়ে প্ৰতিশ্ৰুতি সম্পন্ন ছাত্ৰ ছাত্ৰী সকলক সাহিত্য সাধনাৰ বাবে অনুপ্ৰেৰণা যোগাব বুলি আশা কৰিলো। শুভাশীষ সহ

২৯/১০/৮৯

ৰাম গগৈ
উপ-সভাপতি
অসম সাহিত্য সভা।

# শুভেচ্ছা বাণী

প্ৰতি

শ্ৰীমতী কল্পনা বৰুৱা

আলোচনী বিভাগৰ সম্পাদিকা

'সোণাৰি মহাবিদ্যালয়'

"সোণাৰি গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ ঠাই। সংস্কৃতিৰ ঐতিহ্যৰে পৰিপূৰ্ণ এই ঐতিহাসিক স্থানৰ 'সোণাৰি মহাবিদ্যালয়ৰ' ছাত্ৰ একতা সভাই আলোচনী এখনি প্ৰকাশ কৰিব বুলি শুনি আনন্দিত হৈছো। উক্ত আলোচনীয়ে এচাম নতুন সাহিত্যিকৰ সৃষ্টিত বিশেষ বৰঙণি যোগাব বুলি আশা কৰিছো। এই পবিত্ৰ শিক্ষানুষ্ঠানটিৰ লগতে মুখপত্ৰ খনিৰ উজ্বল ভৱিষ্যতৰ কামনা কৰি এগছি বন্তি স্বৰূপ মুখপত্ৰ খনিয়ে উজ্বল আলোকেৰে অঞ্চলটো আলোকময় কৰি তোলক তাকে কামনা কৰিছো।"

শ্ৰী ধীৰেন্দ্ৰ তালুকদাৰ, এম, এ

পাঠশালা ২৯/১০/৮৯

পাঠশালা সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সদস্য

মুগুটীয়া

পাঠশালা ( পিন — ৭৮১৩২৫

জিলা – বৰপেটা।

# শুভেচ্ছা বাণী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰৰ ( ১৯৮৮-৮৯ ) কাৰণে মোৰ শুভইচ্ছা থাকিল। কল্পনাই নিশ্চয় আলোচনীখন সুন্দৰকৈ সজাই পৰাই উলিয়াব, এই ধাৰণা মোৰ হৈছে। ওচৰ পাজৰৰ বুৰঞ্জী প্ৰসিদ্ধ স্থান আৰু কাহিনীৰ পুনৰুদ্ধাৰৰ চেষ্টাও ছাত্ৰ-ছাত্ৰী সকলে চলাব লাগিব। কাষৰৰ বিভিন্ন জনগোষ্ঠীৰ পৰিচয় সূচক আলোচনাও সন্নিবিষ্ট হ'লে ভাল হ'ব।

আলোচনীৰ আৰু ছাত্ৰ ছাত্ৰী সকলৰ সৰ্বমঙ্গল কামনা কৰিলোঁ। জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰত তেওঁলোকে উল্লেখ যোগ্য অৰিহনা যোগাবই, এই কামনাৰে ইতি—

শ্ৰীমহিম বৰা

সোনাৰী
২৯/১০/৮৯

আমোলাপট্টি,
প্ৰতাপ শৰ্মা পথ
[illegible]
৭৮২০০১

# শুভেচ্ছা বাণী

শ্ৰী কুমুদ গোস্বামী
উপসচিৱ
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী ৭৮১০২১

সোণাৰি ছাত্ৰ একতা সভাৰ মুখপত্ৰ লৈ

শুভেচ্ছা

শৰৎকোঁৱৰৰ গীতি কবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ স্মৃতি-বিজড়িত স্থান সোণাৰি। সেই কাব্যোপম, মধুৰ স্থানত সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই সোণাৰিৰ লগতে সদৌ অসমৰে সাহিত্য, সংস্কৃতি আৰু একতাৰ হকে কাম কৰিবলৈ আগবাঢ়ি অহাত আমি সন্তোষ পাইছোঁ। ছাত্ৰ একতা সভাৰ মুখ পত্ৰ খনি সৰ্বাংগসুন্দৰ হৈ প্ৰকাশ পাওক। একতা সভাৰ উদ্যোগত সোণাৰিত পুনৰ 'ধুকুৰ বাঢ়ৈ' হঁতে 'জোনাকী মেল' পাতক এই শুভকামনাৰে ইতি।

কুমুদ গোস্বামী
২৯/১০/৮৯

# চিন্তনীয়



শ্ৰী গোলাপ বৰগোহাঁই
অধ্যক্ষ,
সোণাৰি মহাবিদ্যালয়

অসম তথা অসমীয়া সমাজৰ অনগ্ৰসৰতাৰ উপলব্ধি যোৱা এটা দশকত বাৰুকৈয়ে অনুভূত হোৱাৰ লক্ষণ দেখা যায়। ই নিশ্চয় এটা জাতিৰ বাবে শুভ লক্ষণ। দেশ স্বাধীন হোৱাৰ প্ৰায় অৰ্দ্ধ শতাব্দীৰ পাচতো প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ হৈও অসম ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত বহু পিছ প'ৰি ৰল। চিন্তা নায়ক সকলে এই অনগ্ৰসৰতাৰ কাৰণ সমূহ বিশ্লেষণ কৰি তাৰ নিবাময়ৰ যথাযথ ব্যৱস্থা দাঙি ধৰিছে। কাৰণ সমূহৰ বিস্তাৰিত আলোচনালৈ নাগৈ আমি নিজকে প্ৰতিষ্ঠা কৰিবলৈ হলে কেনেকৈ প্ৰস্তুত হব লাগিব সেইটোৱেই আমাৰ প্ৰথম আৰু প্ৰধান লক্ষ্য হোৱা উচিৎ।

অতীতলৈ ঘূৰি চালে — প্ৰাক্ বৃটিছ যুগৰ ভাৰতবৰ্ষৰ অন্যৰাজ্যৰ অৰ্থনৈতিক পাঠনিৰ লগত অসমত প্ৰচলিত ব্যৱস্থাৰ কিছু অমিল দেখা যায়। আহোম ৰাজত্বত দা-ডাঙৰীয়া সকলক মুদ্ৰাৰে বেতন দিয়াৰ ব্যৱস্থা নাছিল। সাধাৰণ পাইকৰ কথা বাদেই ৰাজবিষয়া সকলেও মুদ্ৰাৰ মুখ কাচিৎহে দেখিছিল। বৃটিছ শাসন আৰম্ভণৰ লগে লগে মুদ্ৰাৰে দৰ্মহা দিয়াৰ ব্যৱস্থা কৰাত — চা-চাকৰি কৰা সকলৰ হাতলৈ ধন সৰবৰাহ হবলৈ ধৰে। লাগতিয়াল সামগ্ৰীৰ উঃভনদী অসমত সচৰাচৰ পাবলৈ নোহোৱা আৰু সংগ্ৰহ কৰিব পাৰিলে নিজকে এক বিশেষ শ্ৰেণীলৈ উন্নীত কৰিব পৰা সম্পদ হিচাপে টকাৰ প্ৰতি ধাউতি বঢ়াটো স্বাভাৱিক। নিত্য ব্যৱহাৰ্য্য লাগতিয়াল সকলো সামগ্ৰী নিজে উৎপন্ন কৰি লব লগা কঠিন কামটো টকা হলে সহজে ইচ্ছানুযায়ী ক্ৰয় কৰি সকলো সামগ্ৰী সংগ্ৰহ কৰিব পৰা ক্ষমতাই সাধাৰণ মানুহ টকাৰ এই যাদুকৰী শক্তি দেখি অবাক দৃষ্টিৰে তাৰপিনে ধাবিত হবলৈ ধৰে। দেখাত এয়া টকাৰ স্বাভাৱিক গুণ। কিন্তু অসমৰ তদনাস্তিন সমাজৰ বাবে এয়া এক অভিনৱ অনুভৱ। এই মুদ্ৰাক পাবলৈ হলে ২/৪ শ্ৰেণী হলেও ইংৰাজী পঢ়ি

কৰ্ট কাছাৰি নাইবা চাহবাগান আদি ব্যৱ-হাৰিক প্ৰতিষ্ঠানত কোনোৰকম মুৰটো সুমুৱাব পাৰিলে নিজকে এক বিশেষ সুবিধা ভোগী শ্ৰেণীলৈ উত্তৰন কৰিব পৰা হয় । বৃটিছ চৰকাৰৰ নতুন ব্যৱস্থাৰ ফলত আঢ়াবস্ত অসমীয়া পৰিয়াল বোৰেও চাকৰি বাকৰিৰ যোগ্যতা নোহোৱাৰ বাবে হাল কোৰ বাই জীৱন নিৰ্বাহ কৰিব লগা হৈছিল । ব্যৱসায় বাণিজ্যৰ বাবে অপৰিহাৰ্য্য মূলধনৰ অভাৱত কাচিৎ দুই এজন অসমীয়াইহে ইয়াত পৰিত্ত হব পাৰিছিল ।

এনে এক আৰ্থসামাজিক অৱস্থাৰ মাজতে জন্ম হৈছিল অসমীয়া মানুহৰ চাকৰিৰ প্ৰতি অসীম ধাউতি যাৰ অবিহনে মানুহ হিচাবে জীৱন নিৰ্ব্বাহ কৰাটো অকল্পনীয় প্ৰায় যেন দেখা দিছিল । যিটো ধাৰনা আজিও অসমীয়া সমাজত বিদ্যমান । পঢ়াশুনা কৰি চাকৰি কৰাই জীৱনৰ একমাত্ৰ লক্ষ্য আৰু সেইলক্ষ্যত উপনীত হব পৰাটো বেই জীৱনৰ কৃতকাৰ্য্যতা হিচাবে পৰিগনিত হৈছিল — এই মনোভাৱৰ পৰ আজিও অসমীয়াই নিস্কৃতি পাব পৰা নাই । প্ৰধানত এনে এক মনোবৃত্তিৰ বাবেই আজি অসমীয়া সমাজখন এক ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হৈছে । চাকৰি মূখী মনোবৃত্তিৰ লগতে পৰালগা শিক্ষা ব্যৱস্থাই যি নিবনুৱা সমস্যাৰ সৃষ্টি কৰিছে — তাৰ পৰা সহজে পৰিত্ৰান পোৱাৰ বাট নোহোৱা যেন লগা হৈছে ।

বৰ্ত্তমান শিক্ষা ব্যৱস্থা বোলোতে আমাৰ মনলৈ শিক্ষন পদ্ধতি আৰু শিক্ষনীয় বিষয়ৰ ওপৰিও অন্য বহু অনুসাঙ্গিক কথা আহে । বৃটিছে এৰি থৈ যোৱা শিক্ষা ব্যৱস্থাৰ আশু সংশোধন কৰি দেশৰ বাবে উপযুক্ত নাগৰিক গঢ়ি তুলিবৰ কাৰণে ভালে কেইখন শিক্ষা আয়োগ গঠন কৰি সংস্কাৰ সাধনৰ চেষ্টা কৰা হল । মোদালিয়াৰ, সৰ্ব্বপল্লী ৰাধা-কৃষ্ণনৰ দৰে বিদগ্ধ পণ্ডিত সকল সাঙুৰথাই থকা শিক্ষা আয়োগবোৰৰ পৰামৰ্শ সমূহ বাস্ত-বায়িত কৰিবলৈ যাওঁতে কেৱল মাত্ৰ অৰ্থা-ভাৱৰ হেতুকেই এই পৰামৰ্শ বিলাক সাল-সলনি কৰি ৰূপায়িত কৰাৰ ফলত শিক্ষাই বৰ্ত্তমানৰ ৰূপ ধাৰন কৰিছে । শেষতীয়াকৈ যি শিক্ষা পদ্ধতি প্ৰচলন কৰা হৈছে তাত প্ৰাক প্ৰাথমিক স্তৰত ৪ ৰ পৰা ৬ বছৰ বয়সলৈ শিক্ষা দিয়াৰ ব্যৱস্থা কৰি ৬ বছৰ বয়সত এজন ছাত্ৰ বা ছাত্ৰীয়ে পঞ্চম শ্ৰেণীত ভৰ্ত্তী হৈ ১৬ বছৰ বয়সত হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়া নিয়ম কৰা হৈছে । এজন শাৰিৰীক আৰু মানসিক ভাৱে সুস্থ ছাত্ৰৰ বিভিন্ন বয়সৰ মানসিক আৰু শাৰিৰীক বিকাশৰ লগত খাপ খোৱাকৈ পাঠ্যপুথিৰ বিষয় বস্তুৰ মান নিৰ্ণয় কৰা হৈছে । কিন্তু অসমৰ দৰে ৰাজ্যত ৫% শিশুৰ বাবেও প্ৰাকপ্ৰাথমিক শিক্ষাৰ ব্যৱস্থা নাই । ফলত অভিভাৱকে (যাৰ ৮০% সন্তিসন্ততিৰ শিক্ষাৰ পথ প্ৰদৰ্শক হিচাবে নিৰক্ষৰ ) খুব বেচি ৫ বছৰ বয়সতে লৰা ছোৱালীক ৬ বছৰীয়া কৰি স্কুলত নাম লগাই দিছে । ৯০% এনে ছাত্ৰ-ছাত্ৰীয়ে ১৪ বছৰ বয়সতে ১৬ বছৰীয়া মগজুৰ ভাৰ লৰ লগীয়া হোৱাৰ ফলত আমি ভৱিষ্যতে কেনে নাগৰিক পাব পাৰো সেইটো চিন্তাৰ বিষয় ।

আমি নিজকে অন্য কিছুমান ৰাজ্যৰ বাসিন্দা সকলৰ লগত তুলনা কৰিবলৈ যাওঁতে মাজে মাজে উজুটি খাব লগা হয় । বৰ্ত্তমান প্ৰচলিত শিক্ষা ব্যৱস্থা সৰ্ব্ব ভাৰতীয় । তেনে-স্থলত পাঞ্জাবী, হাৰিয়ালি বা গুজৰাটী সকল ইমান আগবাঢ়ি যাব পাৰিছে কেনেকৈ ? প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰতটো অসমীয়া সকল তেখেত সকলতকৈ যথেষ্ঠ উন্নত । ইয়াতে বোজা যায় যে ত্ৰুটিপূৰ্ণ শিক্ষাই অসমখন পিছ পৰি থকাৰ একমাত্ৰ কাৰণ নহয় । আমি সকলোৱেই বুজিছো — আমি প্ৰভাৱিত এই প্ৰভাৱনা বোধ কৰিবলৈ হলে আমি আমাৰ পাৰদৰ্শিতা বঢ়াবই লাগিব । বাস্তৱৰ লগত মুখামুখি নোহোৱা শিক্ষা আৰু চাকৰিকে জীৱন নিৰ্বাসৰ একমাত্ৰ অৱলম্বন বুলি আমাৰ অৱচেতন মনত হলেও পুহি ৰখা ভাৱ এই দুইৰ সংমিশ্ৰনত গঢ় লোৱা মনস্তত্বই আমাৰ কৰ্ম্ম বিমুখ মনোভাৱৰ জন্ম দিছে । এইটোৱেই আমাৰ প্ৰগতিৰ প্ৰথম আৰু প্ৰধান আন্তৰাই ।

অসম প্ৰাকৃতিক সম্পদেৰে উত্তৈনদী । অলপতে নিশ্চয় অসমত এটা গেছ ক্ৰেকাৰ ইউনিট আৰু নুমলীগড়ত চতুৰ্থ তেল শোধ-নাগাৰটো স্থাপিত হব । কিন্তু এই খিনি হলেই বা ইয়াতকৈ আৰু বহুত কিছু স্থাপিত হলেও অসমীয়াৰ উন্নতি নহবও পাৰে । শিল্পোদ্যোগ আৰু খনিজ সম্পদৰ ক্ষেত্ৰত বিহাৰ ৰাজ্য বেচ চহকী । কিন্তু সম্যক ভাৱে বিহাৰী সকলৰ অৰ্থনৈতিক অৱস্থা কেনে ? গুজৰাটত তেল শোধনাগাৰ স্থাপিত হোৱাৰ লগে লগে তাৰ ওপৰত নিৰ্ভৰ কৰি চলিব পৰা অজস্ৰ সৰু সৰু উদ্যোগ গঢ়লৈ উঠিল যাৰ ফলত গুজৰাটে পাঞ্জাবকো প্ৰগতিৰ ক্ষেত্ৰত চেৰ পেলোৱাৰ উপক্ৰম হৈছে । অথচ অসমত চাহ উদ্যোগ আৰম্ভ হোৱাৰ ডেৰশ বছৰৰ পাছতো কলঘৰৰ সা-সঞ্জামবোৰ মেৰা-মতি কৰাৰ কেইটা সাধাৰণ কাৰখানা অসমী-য়াই পাতিব পাৰিলো । বৰ্ত্তমানৰ সন্ধিক্ষনত এই বিলাক অনুধাৱন কৰাটো আমাৰ বাবে অতি প্ৰয়োজনীয় ।

যি বুজা যায় আজিৰ পৰা এটা দশক অসমীয়াৰ বাবে — বিশেষকৈ অসমীয়া

ডেকা পাঠক সকলৰ বাবে এটা প্ৰত্যাহ্বানৰ গ্ৰহণ কৰি যদি আমি জয়ী হ'ব পাৰো তেতিয়া আমাৰ ভৱিষ্যত উজ্জ্বল। তাকে কৰিবলৈ হ'লে পৰনিৰ্ভৰশীলতা ত্যাগ কৰি নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ শিকিব লাগিব। সন্মুখত দেখা দিয়া সকলো সুবিধাকে গ্ৰহণ কৰিব পৰাকৈ নিজকে প্ৰস্তুত কৰিব লাগিব। সুবিধা সদায় নাহে। এবাৰ কোনোবাই গছকি ধৰিলে তাৰ পৰা নিজকে মুক্ত কৰা কিমান কঠিন সেইটো অনন্ত আমি সকলো অসমীয়াই বুজিছোঁ।

— + —

# সূচীপত্ৰ


সম্পাদকীয় —

কবিতা শৰাই — ( ১৯৮৬-৮৭/৮৭।৮৮ )

সংজ্ঞা — শ্ৰীপুষ্পধৰ গগৈ।

প্ৰতিশ্ৰুতিৰ বাবে — শ্ৰী অৰুণ কুমাৰ বৈৰাগী।

মোৰ সহযাত্ৰী — শ্ৰীমতী হীৰা গগৈ।

প্ৰতীক্ষা — শ্ৰীমতী অঞ্জুমণি পাল।

কৃষ্ণাঙ্গ কবি বেঞ্জামিন মলাইচি — শ্ৰী অচিন্ত্য দহিঙীয়া।

কুবি শতিকাৰ সন্তান মই — শ্ৰী প্ৰতিমা বৰগোহাঁই।

চহা — শ্ৰী গোলাপ টিপমীয়া।

বিপ্লৱ — শ্ৰী অচ্যুত কোঁৱৰ।

আইৰ বুকুত কাণ থলেই — শ্ৰী ৰাতুল কুমাৰ চেতিয়া ফুকন।

এটি কবিতা — শ্ৰী প্ৰদীপ চন্দ্ৰ বকলীয়াল।

শেষ প্ৰান্তৰ — শ্ৰী বণজু গগৈ

আধাঅকা ছবিখন — শ্ৰী পুৰানন্দ বুঢ়াগোহাঁই।

এইয়ে মোৰ অসম — শ্ৰী ললিত কুমাৰ গগৈ।

বহাগৰ প্ৰথম দিনত — শ্ৰী ধ্ৰুৱৰাজ চাংমাই।

চাহ শ্ৰমিক — মিছ কল্পনা বকৰা।

আইৰ স্মৃতিত — শ্ৰীযুত বিনন্দ মহন্ত। (অধ্যাপক)

মানৱতা — শ্ৰী অনন্ত বৰগোহাঁই।

সনাতন সৃষ্টিৰ জন্ম মন্ত্ৰপাত — শ্ৰী বিজয় গগৈ।

পাৰ্বতি প্ৰসাদ — শ্ৰীমতী কল্পনা বকৰা।

দুটি কবিতা — শ্ৰী প্ৰদীপ চন্দ্ৰ বকলীয়াল।

সহোদৰ — শ্ৰী জিতেন গগৈ।

বাৰিষা — শ্ৰীমতী অনীক্ষা কোঁৱৰ।

ঠিকনা দিলো বন্ধুলগ হ'ম এদিন — শ্ৰী কুমুদ গগৈ।

হুমুনিয়াহ — শ্ৰী বঞ্জু গগৈ।

এমুঠি পোহৰ — শ্ৰী অচ্যুত কোঁৱৰ।

নতুন সুৰুযৰ ৰাঙলী আভা — শ্ৰী কমলী দেৱী।

অন্তৰ ইপাৰে — শ্ৰী কিৰণ শ্যাম।

সকীয়নি — শ্ৰী ধ্ৰুৱৰাজ চাংমাই।

চিৰাশী — শ্ৰী দিগন্ত গগৈ।

কৰ্মফল/ময়ম/এটা বাটৰ সুৰত/বিজ্ঞৰ — শ্ৰী জোতিমা ফুকন প্ৰবক্তা,

O প্ৰবন্ধ O

বেজবৰুৱাৰ সাহিত্য আৰু ব্যক্তিত্ব — শ্ৰী ভদ্ৰ গগৈ ।
ছয়ন অগ্ৰণী ভাৰতীয় বিজ্ঞানী — শ্ৰী টংকেশ্বৰ বৰুৱা
জনসংখ্যা আৰু অৰ্থনৈতিক উন্নয়নৰ সমস্যা — শ্ৰীমতী অঞ্জুমণি গগৈ
পুতল গগৈ এটি চমু পৰিচয় — শ্ৰী বসন্ত গগৈ ।
"জনশ্ৰুতিয়ে গঢ়া বুৰঞ্জীৰ তথ্য" — শ্ৰী ভুপেন গগৈ ।
বিজ্ঞান আৰু মানৱজাতি — শ্ৰী নবেশ্বৰ কুৰ্মী ।
মানৱদেহত এণ্ডোক্ৰিন গ্ৰন্থি আৰু হৰমনৰ ভূমিকা — শ্ৰী অভিনৱ কোঁৱৰ ।
যুগৰ শিল্পী জ্যোতি প্ৰসাদ আগৰৱালা — শ্ৰী মালিমা চাংমাই ।
ৰনৰচনা এখেচাদৰ পাড়ীয়ে মাকলৈ লিখা চিঠি — শ্ৰী ভিমেশ্বৰ কোঁৱৰ ।
এটা নতুন সংগঠনৰ জন্ম : 'আবা' — শ্ৰী অৰ্পন কুমাৰ বৰুৱা ।
জ্ঞান পিপাসু ৺কৃষ্ণ কান্ত সন্দিকৈ — শ্ৰী প্ৰতিমা বৰগোহাঁই ।
সাম্প্ৰতিক যুৱ মানসিকতা আৰু ইয়াৰ কেইটামান কাৰক — শ্ৰী প্ৰদীপ চন্দ্ৰ বৰুলিয়াল ।
বিহুগীতত জাতীয় জীৱনৰ বৈশিষ্ট্য — শ্ৰী বসন্ত জ্যোতি কোঁচ ।
( ৰচনা ) গৌতম বুদ্ধ — শ্ৰী কিৰণ শ্যাম ।
OH ; ZHENG — মিচ্ পাপৰি গগৈ ।

O গল্প O

আইৰ অসুখ — শ্ৰীমতী বঞ্জুমণি শইকীয়া ।
ক্ষয় ৰোগ — শ্ৰীমতী ৰতিপ্ৰভা গগৈ (প্ৰৱক্তা)
'ৰঙাজৰা' — শ্ৰী জুৰি দেৱী ।
( এক মিনিটৰ গল্প ) বিস্তুপে ছুমাৰা বাপ — শ্ৰী শৰৎ পাংগিং ।
স্নেহ — মিচ্ মাধু দেৱী ।
বেঁগিং — শ্ৰী কুমুদ গগৈ ।
অসম গৌৰৱ — মিচ্ মামণি গগৈ ।

সম্পাদকীয় প্ৰতিবেদন ।
সম্পাদকীয় প্ৰতিবেদন ( ১৯৮৭-৮৭ ) চন ।
সম্পাদকীয় প্ৰতিবেদন ( ১৯৮৮-৮৯ ) চন ।


অন্য এক সম্পাদকীয়

# দুটা সাময়িক চিন্তা ঃ

(১) সাম্প্ৰতিক কালৰ কবিতা আৰু দুৰ্বোধ্যতাৰ বাবে :— সাম্প্ৰতিক কালৰ কবিতা আৰু ইয়াৰ দুৰ্বোধ্যতা সম্পৰ্কে লেখিবলৈ যাওঁতে প্ৰথমে কবিতাৰ সম্পৰ্কে থুলমূল সংজ্ঞা দিবলৈ প্ৰয়াস কৰিছো । কবিতাৰ সংজ্ঞা এক এষাৰতে দিব পৰা নাযায় । সেয়ে বহুতো লেখকে কবিতাৰ সংজ্ঞা নথকাই উচিত বুলি মন্তব্য দিয়ে অৰ্থাৎ Definitions are nonsense" আনহাতে কবিতাৰ সম্পৰ্কে বিভিন্ন কবিৰ বিভিন্ন সংজ্ঞা পাওঁ । কবি Words worth ৰ মতে Poetry is the spontenous overflow of powerful feelings It takes origin from imotion recollected in trangul lity." অৰ্থাৎ কবিতা শক্তিশালী অনুভূতিৰ স্বাভাৱিক ক্ষৰণ । আকৌ কলাবিদৰ মতে Poetry, the best words in the best order. মেথিউ আৰ্নল্ড নামৰ কবিজনে কবিতাক জীৱনৰ সমালোচনা বুলি মন্তব্য কৰিছে — Poetry is at bottom a criticism of life under the condition fined for such a condition by the laws of poetic truth and poetic beauty. ৰসৰাজ বেজবৰুৱাৰ মতে "কবিতা, প্ৰকৃতিৰ কামনাসিক্ত সৌন্দৰ্য্য বলিত কল্পনা প্ৰয়াসী কবিৰ মূৰ্ত্ত অভিব্যক্তি" । কবি হীৰেন ভট্টাচাৰ্যই কবিতাত কৈছে —

ভঙা কলিজাত কোনে বিনায়
কবিতা মোৰ দুৰ্খৰ খ্ৰতুৰ প্ৰপাহ খৰিকাজাই ।

সাম্প্ৰতিক কালৰ কবিতা সম্পৰ্কে কবি ৰবীন্দ্ৰ ৰবাই কৈছে — চিৰন্তন আভাস থকা আৰু সমকালীন চিন্তা চেতনাদীপ্ত কবিতাকহে আধুনিক আখ্যা দিব পাৰি । সময়ে নিচিহ্ন কৰি থৈ যাব নোৱাৰা যুগে যুগে মানৱ জীৱনৰ ভাৱ অনুভূতি অথবা জীৱনক দোলা দি যাব পৰা কবিতাকহে আমি আধুনিক বুলি আখ্যা দিব পাৰো "।

ছন্দৰ বন্ধনমুক্তি আধুনিক কবিতাৰ আন এক বৈশিষ্ট । Elezabeth Drew যে কৈছে — "Mordern poets are particularly fond of assonance, a chiming of vowel sound only." এই সম্পৰ্কত কবি ৰবীন্দ্ৰ ৰবাদেৱৰ "তৰুণ কবিৰ ভবিষ্যত" নামৰ প্ৰবন্ধ এটা লিখা কথা এষাৰ অতি গুৰুত্বপূৰ্ণ " .... ... .... তৰুণ কবি সকলে ছন্দৰ বন্ধন মুক্তিক ছন্দবিহীন বুলি ধৰি লোৱাত ভাবৰ সংগতি আৰু শব্দৰ ব্যঞ্জনাৰ ক্ষেত্ৰত সফল হব পৰা নাই ।" মুক্তক ছন্দৰ সফলতাৰ সম্পৰ্কে এষাৰ পাওঁতে কৈছে — কথাৰতৰা আৰু সংগীতৰ ক্ষেত্ৰতো মুক্তক ছন্দৰ প্ৰযোজ্য হয় ।

সম্প্ৰতি আধুনিক কবিতাক লৈ পাঠক সমাজৰ মাজত এক দুৰ্বোধ্যতাৰ প্ৰৱনতা দেখিবলৈ পোৱা যায়। ছন্দৰ বন্ধনমুক্তি, প্ৰতীক আৰু দুৰ্বোধ্য শব্দৰ ব্যৱহাৰ আদিয়ে হয়তো আধুনিক কবিতাক পাঠক সমাজৰ কাৰণে দুৰ্বোধ্য কৰিছে। বহুতো পাঠকে হয়তো দুৰ্বোধ্যতাৰ কাৰণে আধুনিক কবিতাৰ ওচৰ চাপিব নোখোজে। আধুনিক কবিতাৰ প্ৰতি বৰ্ত্তমান পাঠক সমাজ বিমুখ হোৱাটো বৰ্ত্তমান কবিতা সাহিত্যৰ বাবে ভয়ংকৰ কথা। ভাল কবিতাই ভাল পাঠক সমাজ গঢ়ি লয়। এনেই কবিতা পঢ়া ব্যক্তিকে ভাল পাঠক বুলিব নোৱাৰি — যদি কবিতা পঢ়ি কবিৰ কাব্যিক অনুভূতি উপলব্ধি কৰিব নোৱাৰে। সেয়েহে কবিতাৰ জনপ্ৰিয়তা মানে কবিতাৰ সম্পৰ্কে সম্যক জ্ঞান থকা পাঠকৰ মাজত হোৱা জনপ্ৰিয়তা। বৰ্ত্তমান আধুনিক কবিতাই সীমিত সংখ্যক পাঠকৰ মাজতহে জনপ্ৰিয়তা লাভ কৰিব পাৰিছে।

আধুনিক কবিতাৰ ভৱিষ্যত এক ছয়া ময়াৰ মাজত। ইয়াৰ ভৱিষ্যতে কেনেকুৱা নিৰ্ণয় কৰিব নোৱাৰি। যিয়ে নহওক এই সম্পৰ্কে সমগ্ৰ পৃথিৱীতে বিৰাট সমালোচনাও হৈছে। এই তৰুণ কবি সকলৰ পৰিপক্ক বা অপৰিপক্ক হৃদয়ৰ পৰা ওলাই অহা এই কবিতা সমূহক পাঠক সমাজৰ উদাসীনতাৰ পৰা ৰক্ষা কৰাটো সকলো সংস্কৃতিবান সমাজৰে কৰ্ত্তব্য। ইয়াৰ বাবে লাগিব আধুনিক কবিতা সম্পৰ্কে আলোচনা-বিলোচনা, বিভিন্ন সমালোচক কাৰৰ বিশ্লেষণাত্মক প্ৰবন্ধ ইত্যাদি। আনহাতে কবি সকলৰ বাবেও ব্যাপক অভিজ্ঞতা আৰু সুদীৰ্ঘ অনুশীলনৰ প্ৰয়োজন অনস্বীকাৰ্য্য।

বৰ্ত্তমান কবিতা হ'ল কবি আৰু পাঠকৰ দ্বৈত সৃষ্টি। পাঠক সকলৰ উৎসাহেই কাৱকলৰ বাবে প্ৰেৰণা। আমি জানো কবিৰ সমস্যা কেৱল ব্যক্তিগত সমস্যা নহয়। ই দেশ-কাল-পাত্ৰৰ সমস্যা। সেয়েহে কবিৰ কবিতা পৰিস্থিতিৰ দাস। ইলিয়তৰ মতে কবিতা দুৰ্বোধ্য হব লাগে। কিন্তু এই ক্ষেত্ৰত সকলো কবি একমত নহয়। আমকি পাবলো নেৰুদাই ইলিয়তৰ কবিতা দুৰ্বোধ্যতাৰ কাৰণে ভাল নেপাবে বুলি ভেৰেতৰ ডায়েৰিত লিখি থৈ গৈছে। নেৰুদাৰ মতে পাঠকক কবিতাৰ পৰা বঞ্চিত কৰা অনুচিত। আনহাতে পাঠকৰ স্তৰলৈ কবি নামি যাবলগীয়া হোৱাটোও চিন্তনীয় বিষয়। সমালোচক নলিনীধৰ ভট্টাচাৰ্যৰ মতে পাঠককহে কবিৰ স্তৰলৈ আনিবলৈ যত্ন কৰিব লাগে।

বহুতো সমালোচকৰ প্ৰবন্ধত পঢ়িবলৈ পাওঁ সত্তৰ দশকৰ পৰা কবিতা জগতত যি সকল কবিয়ে বিচৰণ কৰিছে সেই সকলৰ সৰহভাগেই সাম্য বাদৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁলোকৰ কবিতাত সমাজ সচেতনতা আৰু জীৱনৰ কদৰ্য্যতাৰ চিত্ৰপট ফুটাই তোলাত সাৰ্থক হৈছে। ভাৰতৰ আন কোনো প্ৰান্তত একে সময়তে ইমান সমাজ সচেতন কবি ওলোৱা নাই বুলিও বহুতে মন্তব্য কৰিছে। এইটো আমাৰ সকলোৰে বাবে গৌৰৱৰ কথা। কিন্তু এই কবিতাৰ দিকবিদিক দেখুৱাই পাঠক সমাজৰ মাজত কাব্যিক আলোড়ন সৃষ্টি কৰিব পৰাটোহে আচল কথা।

বৰ্ত্তমান অসমৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে সাম্প্ৰতিক অসমীয়া কবিতাত মনোনিবেশ কৰা দেখা যায়। কিছুমানক হয়তো আধুনিক কবিতাৰ দুৰ্বোধ্যতাই আকৃষ্ট কৰিছে। অনেক ছাত্ৰ-ছাত্ৰী কবিতাৰ প্ৰতি প্ৰেম আৰু আধুনিক কবিতাৰ সম্পৰ্কে যথাযথ জ্ঞান আহৰণৰ কাৰণে আধুনিক কবিতা জগতত বিচৰণ কৰিছে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে চৰ্চা, অনুশীলন আদিৰ বলত ভাল কবিতা সৃষ্টিয়ে প্ৰবীণ লেখকৰ মনত আশাৰ সঞ্চাৰ কৰিব পাৰিছে। ছাত্ৰ-ছাত্ৰী সকলৰ এই ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ মুখপত্ৰখনেই যথেষ্ট অনুপ্ৰেৰণা আৰু অৰিহণা যোগাইছে বুলি কোৱাৰ থল আছে।

## যুৱ মানসিকতাৰ স্খলন আৰু ইন্ধন ঃ

এক বিংশ শতিকালৈ আৰু মাত্ৰ এটা দশক বাকী। গোটেই বিশ্বজুৰি বিংশ শতিকাৰ প্ৰভাতী পখীৰ গীত শুনিবলৈ সকলোৱে উদ্বিগ্ন। বিংশ শতিকাৰ প্ৰভাতী পখীয়ে কেনেধৰণৰ গীত গাব ভাবলৈ সকলোৰে মন ভাৱাক্ৰান্ত হৈছে। সম্প্ৰতি পাৰিপাৰ্শ্বিক প্ৰদূষণ বিশ্বযুদ্ধৰ আশংকা ইত্যাদিয়ে মানুহৰ মনত শংকাৰ ভাব সৃষ্টি কৰিছে। এহাতে বিজ্ঞানৰ উন্নতি সচাঁ কিন্তু আনহাতে মানৱজাতিৰ ধ্বংসৰ পথও সুগম হৈছে। বৰ্ত্তমান সমাজত চলি থকা বিভিন্ন সমস্যাই মানৱ জাতিৰ উত্তৰণৰ ক্ষেত্ৰত হেঙাৰ স্বৰূপ হৈছে।

বৰ্ত্তমান যুৱমানসিকতাৰ সম্পৰ্কে কাকতে পত্ৰই বহুতো কথা পঢ়িবলৈ পাওঁ কিন্তু যুৱমানসিকতাৰ নৈতিক স্খলনৰ মূলতে কি সেই বিষয়ে আমি পঢ়িবলৈ নেপাওঁ এইবিলাকতে এষাৰ কথা মনলৈ আহিছে আজি কালি পৰীক্ষাত বেয়া হোৱা যিকোনো ছাত্ৰক কিহত বেয়া হ'ল বুলি সুধিলে, ঘপকৈ কৈ দিয়ে ইংৰাজীত বুলি কিন্তু সেইজন ছাত্ৰই যে অসমীয়া বা বুৰঞ্জীতো বেয়া কৰে সেইটো উল্লেখ কৰে জানো? বদনাম হয় ইংৰাজীৰ। বৰ্ত্তমান সমাজৰ যিকোনো বিশৃংখল পৰিস্থিতিৰ বাবে যুৱ মানসিকতাকহে দোষ দিয়া হয়। কিন্তু এই ক্ষেত্ৰত বয়োজ্যেষ্ঠ সকলে যে দোষী সেইটো অনস্বীকাৰ্য্য। যুৱমানসিকতাৰ অৱনতিৰ কাৰণে প্ৰবীণ সকলৰ মানসিকতাৰ বেহ ৰূপটো কেনেকুৱা চিন্তা কৰাটো প্ৰয়োজন। এইটো স্বীকাৰ কৰিব লাগিব যে প্ৰবীনস কলৰ পথৰ অনুগামী নবীন সকল।

বৰ্ত্তমান আমাৰ দেশৰ ৰাজনৈতিক আকাশখন অতি দূষিত। ৰাজনৈতিক আকাশখন দূষিত কৰিছে প্ৰবীন ৰাজনীতিবিদ সকলে। বৰ্ত্তমান আমাৰ দেশৰ ডাঙৰ সমস্যা, এহাতে সাম্প্ৰদায়িকতা, খাদ্য সমস্যা, নিবনুৱা সমস্যা, আনহাতে ক্ষমতাৰ অভিযাত্ৰি। এহাতে পাৰিপাৰ্শ্বিক প্ৰদূষণ, আনহাতে বিজ্ঞানৰ নিতে নতুন কৌশলৰ আবিষ্কাৰ।

এহাতে প্ৰতিযোগ সংগ্ৰামৰ তুৰ্য্য নিনাদ আনহাতে বৰ্ণ বৈষম্যৰ গোমাল হাতৰ কদৰ্য্য নৃত্য। এহাতে চিৰন্তন মানৱীয় মূল্যৰ অন্তৰ্দ্ধান আনহাতে নতুন নতুন কৌশলৰ আমদানি।

বৰ্ত্তমান দেশৰ বহুমুখীয়া সকলৰ ৰাজনৈতিক দুৰ্নীতি আৰু এই দুৰ্নীতিয়ে জনসাধাৰণক শিকাইছে টকাই আল্লাউদ্দিনৰ বন্তী। বৰ্ত্তমান আমাৰ দেশৰ মানসিক ভাৱে দুৰ্ব্বল কৰিবলৈ কেচা সামগ্ৰী আগবঢ়াইছে পশ্চিমীয়া সকলে আৰু ইয়াৰ বাবে সহায় কৰিছে দেশৰ মানুহে। সেয়েহে বৰ্ত্তমান ভাৰতত ব্লুফিল্ম আৰু ড্ৰাগছৰ চোৰাং কাৰবাৰ অবাধ গতিত চলি আছে। আৰু তাৰ বাবে বলি হৈছে যুৱমানসিকতা।

আজি ভাৰতত মাদক দ্ৰব্যৰ অভাৱ নাই, ড্ৰাগছৰ অভাৱ নাই প্ৰত্যেক দিনাই আমদানি হৈছে নাৰ্কটিকচ হেলুচিনজেনচ, ষ্টিমুলেণ্টচ চিডাটিভচ ইত্যাদি জাতীয় ড্ৰাগছবোৰ। এই ড্ৰাগচ আৰু ব্লুফিল্মৰ প্ৰভাৱ, আৰ্টফিল্মতকৈ কমাৰ্চিয়েল ফিল্মৰ প্ৰয়োজন ইত্যাদিয়ে যুৱ সমাজৰ নৈতিক চৰিত্ৰ স্খলন হোৱাত ইন্ধন যোগাইছে। অৱশ্যে যুৱক-যুৱতীয়ে স্বকীয়তা হেৰুৱাই পেলোৱাতো চিন্তনীয় বিষয়। কোনোবাই কিবা এটা দেখুৱালেই তাক গ্ৰহণ কৰিব লাগে আচলতে সেইটো নহয়। সেয়েহে এই ক্ষেত্ৰত যুৱ-যুৱতীৰ আত্ম সচেতনতা আৰু সুস্থ মানসিকতাৰ অভাৱ বুলি যি কোনো ব্যক্তিয়েকব। পাশ্চাত্যীয়া প্ৰভাৱেই বা অন্য অপৰাধ মূলক প্ৰভাৱৰ পৰা ৰক্ষা পাবলৈ যুৱক সকলক লাগিব আত্ম সচেতনতা, যৌক্তিক জ্ঞান, মনৰ দৃঢ়তা আৰু সুস্থ মানসিকতা। দেশৰ সকলো প্ৰকাৰ উন্নতি যিহেতু যুৱক-যুৱতী সকলৰ সক্ৰিয় ভূমিকাৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে যুৱক-যুৱতী সকল উক্ত গুণৰ অধিকাৰী হোৱাটো বাঞ্ছনীয়।

এজন সংযমী আৰু সুস্থ মানসিকতাৰ যুৱকে বৰ্ত্তমান সমাজত হৈ থকা কিছুমান ঘটনা যেনে— নাৰীৰ প্ৰতি অশালীন ব্যৱহাৰ, যৌন সংযমহীনতা, অতিপাত মদপান কৰি বিভিন্ন অনুষ্ঠান ইত্যাদিত উৎপাত কৰা, ড্ৰাগচকালচাৰ, জিনচ কালচাৰ আদিত গা মন ঢালি দিয়া আদি কাৰ্য্যৰ বাবে কেতিয়াও আগবাঢ়ি নাযায়। কবি Words worth যে কৈছে—

" ... .... .... .... We must run glittering like a brook in the open sunshine, or we unblest, The wealthiest man among us is the best; No grandeur now in the nature or in book Delights us. Rapine, avarice, cupense, This is idolatry, and these are adore ;"

আমি যিবোৰ আয়ত্ত কৰিব লাগে আমি সেইবোৰ নলওঁ। আমি মিছা ধাৰণাৰ বশৱৰ্ত্তী হৈ জীৱন কটাইছো। সেয়েহে আজি সমাজত সুস্থমানসিকতাৰ বিপৰীতে অসুস্থ মানসিকতাই গা কৰি উঠিছে।

যুৱমানসিকতাৰ স্খলন কেৱল ধনতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাতহে সীমাবদ্ধ এনে নহয়। বিশ্বৰ প্ৰথম সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ যুৱক সকলবো দিক্ বিদিক শূণ্য হৈ পৰিছে। কমিউ-নিজমৰ প্ৰতি তেওঁলোক উদাসীন হোৱা দেখা যায়। তেওঁলোক ভোগ বিলাসত অতি মত্ত। আনকি চীন দেশৰ যুৱক সকলৰ ওপৰতো বেছিকৈ জিনচ কালচাৰ আৰু আমেৰিকান ডিস্ক' মিউজিকৰ প্ৰভাৱ পৰা দেখা যায়। তেওঁলোকৰ বাবে এতিয়া মাওচেতুঙত কৈ মাইকেল জেকচন বা এলভিচ প্ৰিষ্টলিৰ গুৰুত্ব বেছি। কিন্তু পশ্চিমৰ দেশ সমূহৰ হতাশাৰ চাৰিত্ৰিক বৈশিষ্ট ভাৰতৰ লগত নিমিলে। পশ্চিমত প্ৰাচুৰ্য্যই যুৱক সকলক হতাশ কৰিছে আৰু আমাৰ দেশত অভাৱ গ্ৰস্ততাৰ কাৰণে হতাশাত ভূগিছে।

শ্ৰী অচিন্ত দিহিঙীয়া
আলোচনী সম্পাদক
হা. এ. স. সোণাৰি মহাবিদ্যালয়

# কবিতা

শৰাই

# কবিতা

## সংজ্ঞা

শ্ৰীপুষ্পধৰ গগৈ
প্ৰথম বাৰ্ষিকী স্নাতক ( কলা )

গাতে লুকায় হৃদয় ছায়া মূৰ্ত্তি মানুহৰ
চিৰাল ফাট মেলা হৃদয়
বাষ্পমেঘৰ জোঙাল উপত্যকাখনত
নাচে কিৰীলি পাৰি
নিজৰ গাটোকে খামোচমাৰি ধৰি ভূতৰ জাকটোৱে
হয়তো ।
সেউজী পাতৰ ছাঁ বিচাৰি ।

লৌহ নদীৰ পিঞ্জৰাত
বিভ্ৰান্ত হাতৰ মুঠি ছায়াৰ লহৰিত
এতিয়া—
এযুৰি শুভ্ৰ ৰঙৰ পখীয়ে
দিগন্তৰ কয় কথা
দেউকাত সেউজীৰ ৰংবোৰ ওলমি ৰয় ।

## 'প্ৰতিশ্ৰুতিৰ বাবে'

শ্ৰীঅৰুণ কুমাৰ বৈৰাগী
দ্বাদশ শ্ৰেণী

তোমালোকৰ মৌ বৰষা শব্দবোৰ
উৰি ফুৰে আকাশত বতাহত
জাকৈ জাকৈ জাকি মাৰি ফুলজাৰি হৈ।
আৰু আমি ?
পৃথিবীৰ বোকাত মাটিত।
অন্ধকাৰ গলিত
অৰণ্যৰ আদিম আন্ধাৰত।
আকাশ বাণী টি ভি চেলুলয়ড ৰভা ঘৰ
সকলোতে তোমালোকৰ শব্দবোৰে
আমাক অহৰহ আমন্ত্ৰণ কৰে।
হায়! আমাৰ শব্দবোৰৰ ফাঁচি হ'ল
সিহঁত যে মুৰে মুখুলে!
আমাৰ কঙাল ভাগিছে, বুকু ভাগিছে
আশাবোৰে উচুপি কান্দিছে।
ভুপালত বহু ৰাষ্ট্ৰীয় বনিজৰ বেহাত
আমাৰ জীৱনবোৰ মদাৰ ফুল হ'ল
ভাৰত মহাসাগৰত তোমালোকৰ উত্তাল ধ্বনিত
আমাৰ কলিজাটো কান্দি উচুপি ৰল
আমাকো জীয়াই থাকিবলৈ দিয়া মানুহৰ দৰে
তোমালোকো মানুহ হোৱা ভাই
চয়তানটোৰ গতিক ৰুদ্ধ কৰি দিয়া
মৌ বৰষা শব্দবোৰ এতিয়া বন্ধ কৰা
আমাক প্ৰতিশ্ৰুতি দিয়া
সুন্দৰ আৰু সংস্কৃতিৰ সচাঁ প্ৰতিশ্ৰুতি
আৰু তোমালোক বিশ্বস্ত মানুহ হোৱা
ভাই মানুহ হোৱা।

## মোৰ সহযাত্ৰী

শ্ৰীমতী হীৰা গগৈ
প্ৰাক্ বিশ্ববিদ্যালয় প্ৰথম বাৰ্ষিক ছাত্ৰী (কলা)

জন্মান্তৰ পথ পৰিমক্ৰোত
ক্লান্ত দেহ আৰু শান্ত মনৰ
ছাঁয়াৰ দৰে কায়াৰ মোহৰ বন্দী
সহযাত্ৰী মাথো মোৰ
কুল আৰু বজ্ৰপ্ৰায় সুদৃঢ় প্ৰত্যয়।

অগণিত শতাব্দীৰ মৌন ক্ৰন্দন
সৃষ্টি হয় প্ৰশান্তৰ লবণ উদক
অৱজ্ঞাৰ হলাহল পান কৰি কৰি
হৈ পৰোনীলকণ্ঠ সাগৰ তীৰত
সেই বেলা জীৱনৰ সহযাত্ৰী মোৰ
শিখাৰূপে জ্বলি থকা আত্মজ প্ৰত্যয়।

পাখিকা বিহীন হৈ ত্ৰিশংকুৰ দৰে
শূন্যত ওলমি ৰয়
কল্পনাৰ সাম্ৰাজ্য সিদিন',
স্বইচ্ছাৰে কিনি লোৱা
পৰাধীন শিকলিৰ খাৰু
অৰ্গলিত কপাটৰ ৰুদ্ধকক্ষ মাজে
আহত অভিমান বোৰে
উচুপি উচুপি কান্দে



মুক্তিৰ ক্ষণ গণি গণি
সেই বেলা জীৱনৰ সহযাত্ৰী মোৰ
ৰক্ত বীজ ৰূপী সেই সংকল্প নিশ্চয়।

ব্যৰ্থ জন্মা উল্কা প্ৰায় আদ বাটতেই
জ্বলি জ্বলি শেষ হয়
জড়তাত আশ্ৰয় বিচাৰি
সময়ৰ শিখা লিপি হৈ,
উপাসা পাষান হয়
সেৱকৰ বোৱা প্ৰশস্তিত,
প্ৰত্যাখ্যান দাবাগ্নিত ছাঁই হয়
ফিনিক্স ৰূপত,
সেই বেলা জীৱনৰ সহযাত্ৰী মোৰ
আন্ধাৰৰ তৰণিত জন্ম লোৱা
উষাৰ পোহৰ -- -- -- ।

## প্ৰতীক্ষা

শ্ৰীমতী অঞ্জুমণি পাল
স্নাতক প্ৰথম বাৰ্ষিক ( বিজ্ঞান )

বন্ধু অপেক্ষা কৰা
মুক্তি কামী জনতাৰ
হেৰুৱা হাঁহি ঘূৰাই আনিবলৈ
তুমিয়েইতো সিহঁতক
পোহৰৰ সন্ধান দিছিলা ।

হিংসাৰ দাবানল ছিঙি
অন্যায়ৰ বিৰুদ্ধে
শোষণৰ বিৰুদ্ধে
যুঁজিবলৈ তুমিয়েই জানো
নাছিলা দিয়া তোমাৰ
সেই মহান বাণী !
আজি কিয় বন্ধু
দিশহাৰা জনতাৰ
চিঞৰত কামিহাড় ওলোৱা
ছবি দেখি হৈছা বিচলিত ?
ধৈৰ্য্য ধৰা বন্ধু,
আজি সকলোৱে মিলি

ষড়যন্ত্ৰকাৰী, শোষণকাৰী
দালালৰ কবলৰ পৰা
নিৰীহ জনতাক
উদ্ধাৰি আনিবৰ হ'ল ।

বন্ধু তুমিতো জানাই
মাউথে উঠিলে গুড়ি
পকুৰাবো মৰণ নাই ।

গতিকে আমি একত্ৰিত হৈ
অহিংসাৰ হকে যুজি
শান্তি আনি স্থাপিম
তেতিয়া তুমি বিচৰা
নীলা আকাশৰ তলত
সমবেত জনতাৰ
উৎফুল্লিত মুখৰ হাঁহি
নিশ্চয় দেখিবলৈ পাবা ।

সিদিনা ষড়যন্ত্ৰকাৰী, শোষণকাৰী
মষিমূৰ হ'ব
সকলোৱে একমুখে
মানৱৰ জয় গান গাব
বন্ধু, অপেক্ষা কৰা
সেই দিনটোলৈ
বন্ধু,ময়ো আছো বৈ
তাৰেই প্ৰতীক্ষাত ।



## কৃষ্ণাঙ্গ কবি বেঞ্জামিন মলাইচি

শ্ৰীঅচিন্ত্য দিহিঙীয়া

'I only regret that I have but one life to lose for my Country"

— Nathan Hale

নিজম পৰি থকা
নৈ খনৰ পাৰত
আকাশখন থমকি ৰ'ল
ক'লা মাটিত ৰঙা তেজৰ দাগ
মাটিৰ মিঠা প্ৰেমৰ
আভাসৰ আলিঙ্গন

নাইবা
কণ্ঠৰ স্ফুলিংগ
মুক্ত তেজৰ আখৰত
অৱগাহন কোণৰ কাকলি
তুমি জীয়াই আছা
বেঞ্জামিন মলাইচি
নীলাভ আকাশৰ তলত

কিম্বা
কোনোবা অচিন পাহাৰৰ শিখৰত
পৰশমণিৰ অশ্ৰু থৈ

মানসিক অন্তৰ্দ্বন্দ্বৰ দুহাত চুমি
তুমি শুই আছা
তেজৰ চেকুৰাত
কোনোবা শ্যামল বননিত
চকুৰ মণিত ছাঁ-ফুল
নিঃসহায় পৃথিৱী
বেঞ্জামিন নিগ্ৰ' কৃষ্ণাঙ্গ
কিন্তু-তেজবোৰ
তেজৰ দৰে ৰঙা

তোমাৰ আঙুলিৰ পৰশবোৰ
সুবিশাল পৃথিৱীৰ
পৱনে পৱনে
কাৰ হৃদয়ৰ অশ্ৰুনদী
বহ্নিমান বতাহৰ ঢৌৱে ঢৌৱে
মলাই-চি ম-লা-ই-চি ... ... ।
তুমি জীয়াই আছা
বিমূৰ্ত্ত ৰজনীৰ ক্ষণ গণি-গণি
দোভাগ ৰাতি ।

## কুৰি শতিকাৰ সন্তান মই

শ্ৰীপ্ৰতিমা বৰগোহাঁই
স্নাতক দ্বিতীয় বাৰ্ষিক

কুৰি শতিকাৰ সন্তান মই
নিশা উজাগৰে থাকো
লুইত পৰীয়া ভাই সকলৰ
মৃত সঞ্জীৱনী গান শুনো ।

আহাৰ নেপাই কান্দে কোনোবাই
নিশ্চয় সি মোৰ ভাই
বস্ত্ৰ নেপাই কান্দিছে কোনোবাই
নিশ্চয় তাই মোৰ বাই ।

পলসৰ মাজত পোতখাই গ'ল
ককাৰ ( দেউতাৰ ) কীৰ্ত্তন ঘোষা
পুৰা গধূলী নশুনা হ'লো
বুঢ়ী আইৰ সাধু কথা ।
কেৱল শুনি থাকো—
নিৰ্যাতিত, নিপীড়িত, লুণ্ঠিত জনতাৰ
আৰ্ত্ত চিৎকাৰ,
হায় ! কি বিভৎস !

## চহা

শ্ৰীগোলাপ টিপমীয়া
স্নাতক দ্বিতীয় বাৰ্ষিক

জন্ম জন্মান্তৰে পৰা
লাঞ্ছিত
শোষিত ।

সৃষ্টিৰ মহিমাময়
সৌন্দৰ্যৰে মন্দিত
তুমি চহা ।

তোমাৰ মহিমা অপাৰ
অসাধাহীন চেষ্টাৰ ।

হে মহান
তুমি পাথেয় পথিক
কৰা নিৰ্ণয় জীৱনৰ দিশ ।

দুৰ্বাৰ শক্তি লৈ দুবাহুত
হে মহান তুমি নতুন সুৰুয ।



## 'বিপ্লৱ'

শ্ৰীঅচ্যুত কোঁৱৰ
স্নাতক মহলা ২য় বাৰ্ষিক

বিপ্লৱ বিপ্লৱ বিপ্লৱ
মাখো বিপ্লৱ
আনিব নোখোজে মোৰ
ক্ষুদ্ৰ মনে
শাসনৰ
ভুৱা শিষ্টলতা ।।

আৰু নামানে
অন্যায় অধৰ্ম্মী
পুৰণি উৱলি যোৱা
সামাজিক প্ৰথা ।

যুগৰ লগে লগে
খোজ মিলাব খোজা
মোৰ বিপ্লৱী মনে
নামানে ভেদা ভেদ
নামানে জাতি ভেদ
সকলোকে দেখে একে
সকলো সমান ।।

অধৰ্ম্মী অন্যায়
নকৰে সহ্য
অসমী আইৰ সন্তান মই,
অজান পৃথিৱীত
মিলাই দিব খোজে
মোৰ বিপ্লৱী মনে
উচ্চকাংক্ষী অধৰ্ম্মী মানৱৰ
উচ্চ অভিলাষ ।।

## আইৰ বুকুত কাণ থলেই ।

শ্ৰীবাতুল কুমাৰ চেতিয়া ফুকন

আইৰ বুকুত কাণ থলেই শুনো
কলিজাৰ মাত
উচুপনি ৰোৱ থুপ খাই আছে তাত
ভোগালিতো ভোগ নাই, আছে ভোক
আৰু আছে বানে ধোৱা মুকলি পথাৰ
চিৰাল কটা বুকু
লক্ষিমীও নাই তাত
    আইৰ বুকুত কাণ থলেই শুনো
    কলিজাৰ মাত ।

মেজিৰ জুই জ্বলে, ফিৰিঙতি উৰে
কিৰিলি পাৰে ক্ষমতা বিলাসী সহোদৰে ।
টেকেলীত সান্দহ নাই, আছে সন্দেহ
আৰু আছে ঘুণে ধৰা সম'জৰ মলঙা সম্প্ৰীতি !
যুদ্ধ পৰ্ব্বৰ আখৰা দেখিও
বাধা দিয়ে কোনে তাত
    আইৰ বুকুত কাণ থলেই শুনো
    কলিজাৰ মাত ।

শতাব্দীৰ সমদল যাত্ৰা
উশৃঙ্খল তৰুণ যুৱক ।
পাপ আৰু পুণ্যৰ বীজগণিতীয় যোগবিয়োগত
উত্তৰ শূন্য পাই
ত্ৰিশঙ্কু হ'ল ৰজাজন ।
তথাপি যেন অভিমণ্যু
অফুৰন্ত অদম্য শক্তি
সহস্ৰ বীৰৰ বল গাত
    আইৰ বুকুত কাণ থলেই শুনো
    কলিজাৰ মাত । ●

( বিঃ দ্ৰঃ - সোণাৰি শাঃ সাঃ সভাৰ ৰূপালী জয়ন্তী অধিবেশনৰ কবি সাম্মলনত পঠিত )



## এটি কবিতা

শ্ৰীপ্ৰদীপ চন্দ্ৰ বকলীয়াল
স্নাতক ১ম বাৰ্ষিক ।

ঘড়ীটোৰ টিক্ টিক্ মাতত
    সাৰ পাই উঠিল যুগ দেৱতা,

যুগৰ পিঠিত—
    নতুন এখনি ছবি, এটি চোলা

বাৰে ৰৰণীয়া এই চোলাটোৰ মাজত
    হিংস্ৰ দৃষ্টিৰে চোপলৈ আছে
    এটি চিকাৰী বাঘ ।

তাৰ লক্ষ্য—
    নিৰ্জন পথেৰে ঘুৰি অহা
    ছালছিগা ভিক্ষাৰীৰ জাক ॥ ●

## শেষ প্ৰান্তৰ

শ্ৰীৰণজু গগৈ
স্নাতক ২য় বাৰ্ষিক

এইটো কুৰি শতিকাৰ শেষ প্ৰান্তৰ
সন্মুখত ধ্বংসস্তুপ ;
সভ্যতাৰ আবৰ্জনা ধুই নিয়া
প্ৰগতিৰ গতিক ধুলিসাৎ কৰি দিয়া
    যুদ্ধৰ বিভীষিকা ।

বিজ্ঞানৰ অত্যাচাৰী গতিত গঢ়ি উঠা
এইখন সভ্যতাৰ বধ্যভুমি,
ধনৰ কৰাল গ্ৰাসত ক্ষণ গণা
য'ত লাহ বিলাহৰ টি, ভি, ভি, চি আৰ
ৰাজ প্ৰসাদত 'এয়াৰ কন্দিছন' আৰু—
আৰু
সভ্যতাৰ ধুলিৰ মাজত
তিল তিলকৈ পোট যোৱা', নিষ্পেষিত জনতাৰ
শ্বাসৰুদ্ধ, ভয়াৰ্ত চিঞৰ ।

মুক্তিৰ প্ৰয়োজনত ৰাজপথত
বস্ত্ৰহীন জনতাৰ মিছিল বান্ধে
পেটত গামোচা বান্ধি
লাখুটিত ভৰ দি বাটকুৰি বাই,
এই শতিকাৰ সভ্যতাই এনেকৈয়ে আগবাঢ়ে ।
এইটো কুৰি শতিকাৰ শেষ প্ৰান্তৰ । ●

## আধা আঁকা ছবিখন

শ্ৰীপুৰ্ণানন্দ বুঢ়াগোহাঁই
স্নাতক ৩য় বাৰ্ষিক, বিজ্ঞান

মানসপটৰ ছবিখন
আধা আঁকা হ'ল ।
অতৃপ্ত মোৰ বাসনা ॥

অগতিশীল থাগৰিৰ তুলিকা !
তুপাণি কিম্বা জঠৰ ॥

অকালতে পাপৰি খহিল ।
মোৰ প্ৰেম পাৰিজাতৰ ॥

নিশেষ নিঠৰুৱা হৃদয় ফুলনি
সৌৰভ আজি হেৰুৱালে ॥

দেউকা মোৰ ভাঙিল
মোৰ মন মইনা ।
তুপৰতেই অন্ধকাৰ ॥

জীৱন স্তুৰুযৰ জ্যোতি লুপ্ত ।
ঢাকিলে ব্যৰ্থ ডাৱৰে ॥

জোনটিও হৰি নিলে
শত বিদ্ৰুপৰ দানৱে ॥

অস্থিৰ প্ৰাণ, মমতা আঁতৰিল ।
নয়ন মোৰ সেমেকালে ॥

আধা বোৱা আজি মোৰ
সপোন মিঠা গামোচা ॥



## এইয়ে মোৰ অসম

শ্ৰীললিত কুমাৰ গগৈ
স্নাতক ২য় বাৰ্ষিক

সেউজীয়া গছবন য'ত পোৱা যায়,
সেউজী পাহাৰে য'ত চালে চকু ৰয়;
জিৰ্ জিৰ্ জুৰি যাৰ চিৰ লগৰীয়া
এইয়ে মোৰ অসম দেশ ৰূপ বিনন্দীয়া ।

বিহঙ্গই পুৱতিত সুৰবোৰ বিলোৱা
কাণ্ডিৰ কুৱলী ফালি জোনটি ওলোৱা,
সোন গুটিবোৰে য'ত মেলা পাতি ৰয়
এইয়ে মোৰ অসম দেশ ।

ভাদ মাহত য'ত মিঠা কলৰৱ
গীত মাত সকলোতে শঙ্কৰ মাধৱ ।

ভোগৰ ভোগালি বিহু কঙালৰো অভাৱ নাই
এইয়ে মোৰ অসম দেশ, চিৰ চেনেহী আই ।

ঋতুৱে ঋতুৱে যি নতুন সাধুকথা কয়
বহাগী আহিলে বুলি লুইতেও গায় ।

গছ-বন তৰু-তৃণই নৱ ৰূপত
অসমী আইক সজায় নতুন সাজত ।

এইয়ে মোৰ অসম দেশ ৰূপ অতুলন,
কোন জানো খনিকৰে কৰিলে সৃজন ।

## বহাগৰ প্ৰথম দিনত

শ্ৰীঋতুৰাজ চাংমাই
একাদশ শ্ৰেণী

বিধতাই আঁকি দিয়া
তোমাৰ কপালত বেদনাৰ
ৰঙা দাগ বোৰ,
আইয়ে বোৱা গামোচাৰে
আলফুলে মচি মচি
আজি বহাগৰ প্ৰথম দিনত ।

মইও টুকি থলো
স্বপ্নাৰ্ত্তৰ তুচকুৰে বৈ অহা
মোৰ চকুৰ পানী বোৰ,
উকা গামোচা খনত
কোনেও নেদেখিলে
কোনেও নপঢ়িলে
তাতেই লুকাই থকা
মোৰ জীৱনৰ শ্ৰেষ্ঠ কবিতাটো ।

# চাহ শ্ৰমিক

মিছু কল্পনা বৰুৱা
স্নাতক ২য় বাৰ্ষিক ক'লা

চাহ গছৰ মাজে মাজে
পাতটোকে সিহঁতে
ৰদে-বতাহে, ৰৰষুণে,
চাহ শ্ৰমিক সিহঁত।

কলম কটাৰীৰ আগটোৰে
নিগৰে সিহঁতৰ দেহৰ
কেঁচা কেঁচা ঘাম ৰোৰ,
তাত যেন লুকাই আছে
সিহঁতৰ কেঁচা তেজ ৰোৰ।

নাই দুখ, নাই ভাগৰ
চাহ শ্ৰমিক সিহঁত
অপমৃত্যু সৰ্প দংশনত
মৃত্যু সিহঁতৰ অচিন ৰোগত।

পাতটোকে সিহঁতে
জীয়াই থকাৰ আশাতে
ৰংদিয়ে চাহ পাতত,
যেন বুকুৰ তেজ ঢালি।

কোৰ খনৰ প্ৰতি চাবতে
এৰি পৰে যেন একোটুকুৰা
কেঁচা মঙহ সিহঁতৰ—।

সিহঁত চাহ শ্ৰমিক
নিম্ন স্থান সমাজত
মালিক বৰ্গই বিচাৰে
সিহঁতৰ উন্নতি
সন্তৰীয়া বোলছবিৰে
সামান্য উপাৰ্জ্জিৰে।

সিহঁতেও আশা কৰে
জীয়াই থকাৰ সুবিধাকনৰ,
সিহঁতৰ সপোন ৰোৰ
সপোন হৈয়ে ৰয়
শ্ৰমদান কৰে, কিন্তু প্ৰতিদিনে।

লুণ্ঠিত সিহঁত— অপমানিত!
সিহঁতৰ শ্ৰমেৰে পুষ্ট
ভোগ কৰে মালিক বৰ্গই
বঞ্চিত হৈ আছে হিহঁত
জীয়াই থকাৰ
প্ৰকৃত সুবিধাৰ পৰা,
চাহ শ্ৰমিকহে সিহঁত।

# কবিতা

শৰাই

## কবিতা

# আইৰ স্মৃতিত

শ্ৰীযুত বিনন্দ মহন
অধ্যাপক, অসমীয়া বিভাগ
এম, এ

মোক আয়ে কথা কয়
এতিয়াও মাজে মাজে
যেতিয়া
মই থাকো নিজৰ মাজত ।

মই আইক লগ পাওঁ
তাহানিৰ পছলিত,
শৰতৰ নীলা সেই আকাশ তলত
আহাৰৰ হুপৰীয়া জিলিঘন সশব্দ বনত ।
আমাৰ মাজত থাকে এখন দূৰৈৰ গাওঁ
বাঁহ আৰু তামোলৰ এখন ভকন গাওঁ
অকোৱা পকোৱা পদূলি
জিকা ফুলা ধুনীয়া আবেলি
সজাল সেউজ ধাননিৰ ওপৰেদি
বৈ অহা এজাক পছোৱা ।
মই তাতে মোৰ আইক
এতিয়াও কেতিয়াবা
লগ পাওঁ
আবেলি পৰত ।
আইৰ ককালত লোৱা
ৰঙা বিহাখনে,
ককালৰ কুজত থোৱা হাতখনে,
কপালৰ ঘামেদি ভ্ৰুলৈকে বৈ অহা
ৰঙা ফোঁট টোৱেদি,
এই বোৰ সকলোৱে
বেৰি ধৰি মোক সোধে
মোৰ নিজা মনৰ খবৰ
তাত মোৰ আয়ে পায়
নিতে শুধি নতুন খবৰ
মোৰ মনৰ মাজত
— — — — -
— — — —
মোৰ এই প্ৰবাসত
আইক মই লগ পাওঁ
সেই ধন গাঁৱৰ মাজত ।

# মানৱতা

তুমি,
আছানে মোৰ কাষত
শুনিবলৈ আস্ফালিত শিশুৰ ক্ৰন্দন
সিহঁত কোন —— কাৰ
তুমি
মাতিবানে সিহঁতক এবাৰ
অস্তিত্বৰ বিশুদ্ধ গোলাপৰ
বীজ সিঁচিবলৈ।
তুমি
পাহৰি গ'লানে দয়া, মানৱতাহীন
পশুত্বৰে মালা গ'থা
সেই কাল ৰাত্ৰিবোৰ।
তুমি
এতিয়াও আছানে নিৰ্বিকাৰে
মানুহৰ মগজৰ ওপৰত
শোহনীয়া, ঘৰচীয়া পশুৰ
তৃষিত কণ্ঠই পোৱা
ব্যাকুল প্ৰশান্তি ···· চাই!
দিবানে শক্তি সিহঁতক,
নৰখাদক ইঁতৰ বক্ষ বিচাৰি
প্ৰেম আৰু মৰ্যাদাৰ
বগা পাতাকা উৰুৱাবলৈ ·· ······ —···
বিবেকৰ আকাশত ;
সিহঁত, স্বাৰ্থলোভীৰ গৰ্হিত আঘাতত
ধৰাশায়ী এজাক মানৱীশিশু,
য'ত তুমি আৰু মই
এবাৰ মাতিব পাৰিম। ❖❖

শ্ৰীঅনন্ত বৰগোহাঁই
অসমীয়া বিভাগ
১ ম বাৰ্ষিক।



# ঃ সনাতন সৃষ্টিৰ জন্ম-যন্ত্ৰণাত ঃ

বিজয় গগৈ
স্নাতক মহলা
( কলা )

সিহঁতে
আও দিয়ে মুখা পিন্ধি
মুখস্থ বচন মাতে কেৱল —
সমতা, স্বাধীনতা, শান্তি ইত্যাদিৰ ···ীঁ।
সিহঁতে —
মুকলি বতাহ বলা দেখি
গুমৰি উঠে —
অসুস্থ কৰি বা সহস্ৰ শোষিতে
হাড়লা শৰীলত
লঘোনীয়া খং লৈ.
কেচাঁই থাঁতী হৈ
আজলী আইক
অসুস্থ কৰি তোলে।
হেৰ' লুণ্ঠিত দেশৰ
বঞ্চিত মানুহ
আগবাঢ়ি আহ
এই দানবিক শক্তিৰ
মেৰ ঘৰ ভাঙি
বিপক্ষে দিবলৈ
কালজয়ী যুঁজ।
তইঁতে বিদ্ৰোহ কৰ্

সনাতন সৃষ্টিৰ বাবে
নিপীড়িত জনতাৰ বাবে
আগবাঢ় আগবাঢ়
নিৰ্ভীক ভ'ৰে
হাতত তুলি ল
স্বজনৰ ৰক্তেৰে সিক্ত
শুকান মাটি।
যাৰ হাতত আছে
ইতিহাস
দৃঢ়বদ্ধ হাতৰ মুষ্টিত আছে
মুকলি আকাশ
যাৰ কণ্ঠত আছে
মুক্তিৰ শঙ্খ।
ভয় নাই
তহঁতৰ বুকুৰ জুইত
গলি যাব
লোহাৰ শলাকা,
আতঁৰ হব
আজলী আইৰ
দীৰ্ঘ দিনৰ
দুখ আৰু যাতনা।

(গীতি কবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ সোঁৱৰনত)

## পাৰ্বতি প্ৰসাদ

শ্ৰীমতী কল্পনা বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক
ক'লা শাখা

পাৰ্বত্তি প্ৰসাদ, পাৰ্বত্তি প্ৰসাদ
কলা সংস্কৃতিৰ পূজাৰী তুমি
পাৰ্বত্তি প্ৰসাদ ;
গীতেই আছিল তোমাৰ জীৱনৰ
এটি নিশ্বাস ।
নহয় কেৱল শিল্পী
অ ছিলা এজন কবি
সাহিত্যিক, গীতিকাৰ,
অভিনেতা আৰু ভাওৰীয়া
শিল্পী সুৰকাৰ ।
ৰচনা কৰিলা তুমি
লখিমী, সোণৰ সোলেঙ,
লুইতী, ভগা টোকাৰীৰ সুৰ ;
গুণ গুণনি, খেল ভঙা খেল,
শুকুলা ডাৱৰ ঐ কহুৱা ফুল ।
ফুটাই তুলিলা কবিতাত
আই নাম, ধাই নাম
বৰগীত, বনগীতৰ সুৰ ;
কবিতাৰ ভাষা কৰিলা সৰল
যেন মাত এটি শিশুৰ ।
জন্ম দিলা তুমি
'সৰু চৰাই' বাগিচাত
'জোনাকী মেল'ৰ ,
এটি শাখাৰ ৰূপ
সাহিত্য সভাৰ ।
শুনিলা বজোৱা পেপা
ভৰ ডুপৰীয়া
গৰখীয়া আইত তলত
আঁকিলা সুৰদী গীত
পুৱাৰ পৰীৰ
ফুল, বনত ।
কহুঁৱা বনৰ শুকুলা শোভা
আঁকিলা তুমি,
কবিতাৰ ৰূপত ;
দেখিলা কতনা নিয়ৰৰ কণা
পুৱা হুৱৰিৰ
কেঁচা পাতত ।
কৰিলা বন্দনা শৰত কালৰ
দেও ৰাজ হাঁহৰ কলনাদৰ ;
'শুকুলা ডাৱৰ ঐ কহুৱা ফুল' আৰু
শেৱালীৰ সুবাসৰ ।
ডাৱৰৰ যুঁজত সুৰুয জিলিকালা
এন্ধাৰক কৰবালৈ
আঁতৰাই পঠালা
একোটি বাক্যই প্ৰকাশ কৰা
একোটি চিত্ৰ মনোমোহা



সেয়েহে তোমাৰ লিখনিক বোলে
'যাদুকৰী তুলিকা' ।
ভাও দিলা 'চক্ৰ ধ্বজ সিংহ'ত
লাচিত বৰফুকনৰ
ৰাখি গ'লা নাম তুমি
'ৰূপহী' নিৰ্মান কৰি
কথাছবি জগতত ।
বিচাৰিছিলা 'সোণৰ সোলেঙ'
বহি সোণাৰিৰ
সোণালী পামত
গৰিমা গীতি গালা
বুঢ়া লুইতৰ
ৰূপহী সোঁতত ।
গীতৰ সুৰীয়া কবিতা ৰচনা কৰি
'গীতি কবি' হ'লা
শৰতৰ ৰূপে ৰখানি তুমি
'শৰত কোঁৱৰ' নাম পালা ।
গাই যাব সকলোৱে
তোমাৰ গৰিমা গীতি
বিচাৰি পাব তোমাক
তোমাৰ 'গীতি কবিতা'ত ।
কৰিলা চহকী তুমি
অসমীয়া সংস্কৃতি
সঁচাকৈয়ে তুমি
সংস্কৃতিৰ পূজাৰী
তুমি – তুমি পাৰ্বতি প্ৰসাদ । ❋

## দুটি কবিতা

শ্ৰীপ্ৰদীপ চন্দ্ৰ বৰুলীয়াল
স্নাতক দ্বিতীয় বাৰ্ষিক

বন্ধু;
বতাহৰ গতি নিৰীক্ষণ কৰি
হাত সাৰটি থাকিলেই জানো হ'ব ?
আহা বন্ধু;
আমি সকলোৱেই
প্ৰলয় ধুমুহাৰ মাজতো
অভগ্ন হৃদয়েৰে
একতাৰ ডোলেৰে বান্ধি
দুৰ্ম্মদদুৰাহু দাঙি
পিশাচইতৰ মাজত তাণ্ডৱ নাচো ।
সেই নৃত্যৰ ছন্দে ছন্দে
হতাশা, গ্লানিৰ কালিমা ধুই
আমি নতুন আশা গঢ়ো
বোকাৰ ফুল
যুগৰ বুকুত
পদুম হৈ । ❋

# স হো দ ৰ

শ্ৰীজিতেন গগৈ
স্নাতক ১ম বাৰ্ষিক ( ক'লা )

তাইক চিনি পোৱানে ?
নৱ যৌৱনা চহৰ খনিৰ
গলিয়ে গলিয়ে
আৰু আলিয়ে পদূলিয়ে
বাটে পথে ঘূৰি ফুৰা ছোৱালী জনী ?
তাইক তুমি নোপোৱানে চিনি ?
এমুঠি আহাৰ আৰু
অকনমান আশ্ৰয়ৰ বাবে নিজকে
স্বল্পবস্ত্ৰা অভিসাৰিকা সজাবলৈ যোৱা
সেই যে ছোৱালী জনী ?
তাইক যদি লগ পোৱা
কবা চোন ?
অন্তৰৰ সঁচা মৰম
স্নেহ আৰু বেদনাৰ ভাগী হ'বলৈ
ৰৈ আছে তাইৰে
এজন সহোদৰ পঙ্গু ভাই ।

## বাৰিষা

শ্ৰীমতী অনীক্ষা কোঁৱৰ
একাদশ শ্ৰেণী

ভেকুলীৰ দৰে উতলা মন মোৰ
নাঙলে মাটি চুই উৰ্বৰা জুখি চাই
মনত হেজাৰ সোনালী সপোন
দেহত কিমান বল ? — ...............
ফাগুনত পলাশৰ ৰং ছটিয়াই
প্ৰিয়া মোৰ বহাগত আহিছা
সেইবাবে আকাশ পদূলিত মোৰ
"ৰাম ধনু তোৰণ"
মৰমৰ শব্দ লিপিবদ্ধ তাত—"স্বাগতম্" ।
আকাশ, মাটিত আজি সমৃদ্ধ হয়
সেই বাবে বিজুলীৰ চিক মিক নাচোন
ইন্দ্ৰ বৃত্তই বিহু নাম গাই
ডাৱৰে বজাই ঢোল - পৃথিৱীৰ জয় ।
বদ আৰু মলয়া বতাহ
পখীৰ কণ্ঠত সুমধুৰ সংগীত
ধৰনীত কিমান ফুল ?
আৰু সেই বাবে সোনাতলি পথাৰত
হলোৱা ডেকা,
সোণজনী মনোৰমা গাভৰু ৰোৱনী,
মনৰ দাপোনত তুমি ৰূপৱতী প্ৰতিমা;
আহা ? কি যে আনন্দ ; কি যে শিহৰণ
বৰষা প্ৰিয়া মোৰ বাৰিষা মুখল ধাৰে
মৰম অমিয়া,
তুমি মোৰ বহল বুকুৰ ।



## ঠিকনা দিলো বন্ধু লগ হ'ম এদিন

শ্ৰীকুমুদ গগৈ
স্নাতক ১ম বাৰ্ষিক

ঠিকনা দিলো বন্ধু, লগ হ'ম এদিন
এতিয়া আমি সকলোৱে নিসঙ্গ
দুয়োৰে বুলি ক'বলৈ সত নাযায়
আমি বুলি কোৱা নাই, সেইবাবে
দুয়োৰে বুলিও কোৱা নাই ।
মাথোন এখন দেশ আছে দুয়োৰে " সিমানেই
কোনেও তুলি নধৰো কাকো,
কলিজাৰ আসনত আকোৱালি নলওঁ কোনেও,
মুখা মুখি হ'লে শেতা হাঁহিৰে সোধো... ...ভাল?
দিনটোলৈ সিমানেই ·
এনেদৰে ভাগি আছে দিনে দিনে মানুহৰ ঘৰ
আমি নাভাবোঁ মানুহেই মানুহৰ আশ্ৰয়
জীৱনেই সুখ-দুখৰ দিনৰ ঘৰ ।
শিল, বালি, ইটাৰে জানো সজা যায় মানুহৰ ঘৰ ?
মানুহৰ প্ৰতি মানুহৰ বিশ্বাস, সততা ?
তাতেহে মানুহৰ ঘৰ গঢ় লয়
আৰু মানুহক ভাল পোৱাৰ মানৱিক প্ৰৱনতা ।
ঘৰ নথকা অঘৰীৰে ঘৰ জানো হয় ?
ঠিকনা দিলো বন্ধু লগ হম এদিন
ঘৰ এখন পাতিম
মানুহৰ ঘৰ—শ্যামল ভূমিত
মানুহৰ ঘৰ ।

## হুমু নিয়াহ

শ্ৰীবনজু গগৈ
স্নাতক ৩য় বাৰ্ষিক ( ক'লা )

মই খেতিয়কৰ ল'ৰা
বাৰিষাৰ বাবেই মই বাট চাই ৰওঁ
মোক লাগে এমুঠি শস্যৰ প্ৰচুৰতা ।
বাৰিষা আহে আৰু যায়
বাৰিষাৰ জ্যোতি কনাই খেতিয়কৰ বাবে
সৃষ্টিৰ তৰঙ্গ সিচেঁ ।
খেতিয়কৰ টোপনি নাই । খেতিৰ পথাৰত
কামৰ আহৰিও নাই ।

---

কেতিয়াবা ধ্বংসৰ ধুমুহা লৈ
বাৰিষা আহে । পথাৰৰ সৌন্দৰ্য উটাই নিয়ে ।
প্ৰলয় আহে । মুখ শুকাই টেমি যেন হয়
খেতিয়কৰ বাজহাড় জঠৰ হৈ ।

---

মোৰ খেতিৰ পথাৰ খন
প্ৰকৃতিৰ ৰক্ষ এখন ঘৰ
তাত প্ৰতিকূল ধুমুহা বলে
প্ৰচণ্ড শিলা বৃষ্টি হয়,
তথাপি তাতেই বিচাৰো মই
এবুকু পলসৰ উৰ্বৰা ।

... ... ... ... ... ...

এইবাৰ ভাবিছিলো শস্যবোৰ ভাল হ'ব
চিনাকি বাটৰ দুবৰি বনবোৰ
লাজত ৰঙা পৰি যাব ;
ক'তা ? সিয়ো হ'ল এটি স্বপ্নিল সপোন
সপোনৰ সমাধিত মাথো ৰ'ল
নিথাল নিস্তব্ধ ভৰা শ্মশানৰ
কেঁচাখৰিৰ অৰ্ধজ্বলিত
কেৱল এখিনি এঙাৰ ।

## এমুঠি পোহৰ

শ্ৰীঅচ্যুত কোঁৱৰ
স্নাতক ৩য় বাৰ্ষিক ( কলা )

প্ৰভাতৰ এমুঠি পোহৰ সোমাই আহে
মোৰ কোঠাৰ খিৰিকি খনেদি ;
নতুন পোহৰত নিঃশেষ হয়
আন্ধাৰ নিশাৰ অনেক ক্ষুধা
অন্ধ গলিৰ নৰক বাস ।
নিস্পেষিত, নিপীড়িত, নিৰাহাৰ জীৱন্ত কংকাল
ক্ৰন্দসী পৃথিবীৰ অস্ফুট দুমুনিয়াহ ।
দীৰ্ঘ আন্ধাৰ পথ
শত শত ঠগ প্ৰৱঞ্চনা
ডুব যায় পোহৰ সমুদ্ৰত ।
দুখ লাঞ্চনা, অপমান গঞ্জনা
শোষন মুক্তিৰ গান গোৱা
যাতনা নিৰ্মিত এই জীৱন দুৰ্গৰ
কদ্ধ দুৱাৰ মুক্ত হয় ;
পোহৰৰ সমদল
আগবাঢ়ি আহে
নিৰ্ভিক পদক্ষেপে
নৱ জন জীৱনৰ নতুন প্ৰান্তত
উজ্বলি উঠে
মধুৰ হাঁহিৰ ৰেখা ।
এয়েই সময় ... ... .. ...
নতুন আশাৰ সঞ্চাৰ,
নতুনৰ জয় গান গোৱাৰ,



কলাগুৰু বিষ্ণু ৰাভাৰ সোঁৱৰনত

## নতুন সূৰুযৰ ৰাঙলী আভা

শ্ৰীকুন্নুমী দেৱী
স্নাতক ১ম বাৰ্ষিক

হে, মহান বিষ্ণু ৰাভা
প্ৰদীপ্ত সূৰ্য্যৰ তুমি,
ৰাঙলী আভা ।
তোমাৰ সাহসেই
জনতাৰ আশা,
তোমাৰ শৌৰ্য্যই
জনতাৰ ভাষা ।
অন্ধকাৰ অমানিশাই
নিৰাশ্ৰয় কৰা মন,
যেতিয়া হৈ পৰে দিশ হাৰা
তুমি জানো তেতিয়াই
নিদিয়ানে আশা ?
অন্নহীন সৰ্বহাৰাৰ তুমি দেৱতা,
সংগ্ৰামী জনতাৰ তুমি
কমৰেড্ ৰাভা,
তোমাৰ কণ্ঠৰ দিপ্তীয়ে
জগাই তোলে নৱ প্ৰেৰনা
হে, কলাগুৰু বিষ্ণু ৰাভা
এতিয়া', কিমান ৰাতি'
তুমি গোৱা জীৱনৰ গানত
জ্বলিছে আশাৰ চাকি ।
একতা সম্প্ৰীতিৰ বাক্যোনেৰে,
এতিয়াও তুমি আমাৰেই প্ৰদৰ্শক,
সুৰৰ দেউল এতিয়াও ভঙা নাই .
হহাঁ, নচা, ছবি অকাঁ
এতিয়াও নিঃশ্চিহ্ন হোৱা নাই ।
হে, বীৰ বিপ্লবী ৰাভা.
তোমাৰ আদৰ্শই আনক,
নতুনত্ব — —
জগাই তোলক,
অগ্নি চেতনা
য'ত দেখা পাম আমি
ন সূৰুযৰ ৰাঙলী আভা ।

—+—

## ॥ জন্মৰ ইপাৰে ॥

শ্ৰীকিৰণ শ্যাম
স্নাতক দ্বিতীয় বাৰ্ষিক
অসমীয়া বিভাগ।

মাতৃৰ গৰ্ভত থকাৰ কালত
জনতাৰ মুখবাগৰা কথা নোশুনাৰ
আগতেই — —
মোৰ বাবে প্ৰাণ আছিল —
আছিল অত্যন্ত সুখৰ, সুন্দৰৰ
আৰু আজি — —
আজি মই পৃথিৱীৰ সকলোৰে এজন.
সকলোবোৰ কথাৰ মাজত মোৰো
— — — — এটা কথা থাকে ;
জন্মৰ পাছত মোৰ বন্ধুগণৰ লগত
উমলি জামলি ফুৰোঁতে ভাবিছিলোঁ
জীৱন মানেই সুখ সকলো প্ৰাণীও
— — — সুখী নিশ্চয়!
কিন্তু আজি — — —
আজি মই মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ
সমাজত আজি দেখিছোঁ উচ্চ নীচ,
ভিন পৰ, আজি মই দেখিছোঁ সমাজৰ ;
সমাজৰ দুটা দিশ এটা যদি নৰ
আনটো নাৰী, এটা ভাল এটা বেয়া।
নীচৰ বিৰুদ্ধে উঁইহঁকবাৰ দৰে
তলে তলে গাঁত খান্দি বিয়পী পৰিছে
চাৰিওফালে উচ্চ মাতব্বৰবোৰ।
বিদেশীৰ নামত দেশীক ধৰি,
বিদেশীৰ প্ৰসাদেৰে দেৱীক পূজা কৰি
বিদেশীকেই সেৱা কৰি
দেশক ৰসাতললৈ নিলি।
নহয় বুলি বুকু ডাঙি কোৱা ;
হেৰা ডেকালৰা — —
— — — হেৰা অসমীয়া
হাজাৰ শ্বহীদৰ ৰঙা কেঁচা তেজ.
প্ৰতিটো তেজৰ টোপালৰ মূল্য দিব পাৰিম
বুলি, যদি তুমি বুকু ডাঙিও কোৱা
তেন্তে তুমি পাগল, মাথোঁ পাগলেৰে ভৰি
গুৰনি কৰিছে এইখন ধৰণী।
হাজাৰ যুৱক অজি নিস্তব্ধ
কিয়?
ভয়ত, লাজত, অপমানত, নে আৰু কিবা?
জীৱনৰ শদ্ধিয়া বেলা মই দেখা নাই,
যদি কোনোবাই দেখিছে,
মৰ্মে মৰ্মে উপলব্ধি কৰিছে
অতীত জীৱনৰ, তেওঁৰ যোগ-বিয়োগ।
অতীতৰ ভুলৰ বাবে তেওঁ শান্তি নাপায় ;
কিন্তু জীৱনৰ বেলি ডুবাৰ সময়ত
অতীত ভুলৰ ৰোমন্থনেৰে
তেওঁ অনুতপ্ত হ'ব।
সেয়ে .... .... .... ....
এতিয়াই নিজকে শুদ্ধ কৰি
সমাজলৈ যোগাৰ সম্ভাৰ দিয়া
আইয়ে মাথোঁ বাট চাই আছে
এবাৰ চাবৰ বাবে—
তোমাৰ যোগৰ টোপোলাটো।



## সকীয়নি

শ্ৰী ঋতুৰাজ চাংমাই
উচ্চতৰ মাধ্যমিক
২য় বাৰ্ষিক
কলা শাখা

সময়ক বিশ্বাস নকৰিবা
ই অতি নিষ্ঠুৰ
কোনে জানে
সুখৰ প্ৰতিটো হাঁহি
আৰু মূহুৰ্তই
কেতিয়া কঢ়িয়াই আনে
দুখৰ ধুমুনিয়াহ
আৰু অশ্ৰু বাৰি ধাৰা
সময়ক নঠগিবা
কোনে জানে
ই কেতিয়া এপাত
শেল হয়
বুকু ভেদা!
সময়ক নঠগিবা
বিশ্বাস নকৰিবা
কাহানিও

## তিৰাশী

শ্ৰী দিগন্ত গগৈ
স্নাতক ১ম বাৰ্ষিক
কলা শাখা

এতিয়াও আমি পাহৰা নাই
তিৰাশীৰ কথা
কি দৰে কঁপি উঠিছিল
পৃথিৱীৰ মাটি
মূৰৰ ওপৰৰ আকাশ, বতাহ।
চোতালৰ হৰৰি উভালি পৰিছিল
ফুলবোৰ সৰি পৰিছিল মাটিত
ঢলি পৰিছিল চোতালত মানুহ
কণ কণ হিয়াৰ অবোধ শিশু!
এতিয়াও আমি হাঁহিব পৰা নাই প্ৰাণখুলি
কথা পাতিব পৰা নাই হিয়া উজাৰি
ইজনে সিজনৰ লগত
ভয়, শংকা আৰু অবিশ্বাসত।
কেঁচা তেজ মাটিত পেলাই
হাবিয়ে বননিয়ে ঘূৰি ফুৰিছিল
তিৰাশীৰ জীৱনটো ঘূনীয়া হোৱাৰ ভয়ত।

★ ★

## কৰ্মফল

কৰ্মশালা
কৃষকৰ কৰ্মশালা — এয়া — সোণগুটিৰ পথাৰ ।
আবেলিতে ঘুৰি অহা কলী ছাগলীজনীৰ ওকোন্দ ওহাৰত
চাকি পেলোৱা - স্নুকষটোও মুখ লুকুৱাই গুচি আহিল
নবানিৰ মাজৰ পৰা ।

— —

## মৰম

মৰমবোৰ য'তে তাতে পোৱা হেনো বৰ টান
ঠগ খোৱা— পাহাৰে চকিত চাৰনিটোৱে মুৰভুলি চালে,
কলে : 'মৰম'ৰ দাম হেনো বৰ বেছি ।
ভটিয়নী স্তম্ভিত মৰমবোৰ— জাঙৰি হৈ উটি যায়
ৰং খোৱা পানীত হৃদয়খন আচাৰি ধুলে ;
কলিজাৰো যে জীয়া ৰঙ : বেঙুন বৰনীয়া ।

— —

## এটা বাটৰ স্তৱক

এইটো বাটেৰেই আমি অহাযোৱা কৰিছিলো নিতৌ ।
আন্ধাৰ হ'ল, মই তোমাক হত্যা কৰিলো ।
পোহৰত নিজক চালো :ময়ে হত্যা হ'লো
কিন্তু মই এইটো নুবুজিলো :
মই নে তোমাক, তুমি নে মোক প্ৰথমে হত্যা কৰিলা !

— —

## নিজস্ব

ৰদ পছ জোপাৰ পৰা একোচ পভিনী ৰ'দ
'জ্যোতি'ৰ কলমৰ নিভৃত কোলাত
লৈ ফুৰিছো
কিমান দিনবা— হৃদয় বাখে !

— —

জোতিমা ফুকন ।
প্ৰৱক্তা প্ৰাণীবিদ্যা বিভাগ

প্ৰবন্ধ

# বেজবৰুৱাৰ সাহিত্য আৰু ব্যক্তিত্ব

শ্ৰীতনু গগৈ
স্নাতক ২য় বাৰ্ষিক, অৰ্থনীতি বিভাগ ।

দৃঢ় প্ৰতিষ্ঠিত সাহিত্যিক প্ৰতিভা; প্ৰশংসনীয় সাংস্কৃতিক অৱদান, ব্যক্তিত্ব ইমান মহান, আমোদলগা জীৱন, অতুলনীয় স্বদেশ প্ৰীতিৰে সাহিত্যাৰথী ৰসৰাজ বেজবৰুৱাৰ জীৱন আদৰ্শ অসমীয়া পক্ষে শ্ৰদ্ধাৰ পাত্ৰ ।

অসমীয়া সাহিত্যত নৱজাগৰণ সৃষ্টি কৰিলে বৈষ্ণৱযুগে আৰু সমৃদ্ধি কৰিলে 'জোনাকী' যুগে। ৺বেজবৰুৱাও আছিল তিনি-জন ব্যক্তিৰ ভিতৰত এজন, যি জনে জোনাকী যুগৰ লগত আত্ম উৎসৰ্গা কৰিছিল। বেজ-বৰুৱাই এই যুগতে সাহিত্যৰ বিভিন্ন দিশৰ প্ৰতি মনোনিৱেশ কৰিছিল। বেজবৰুৱাৰ সাহিত্য যি প্ৰতিভা তাক মূল্যায়ন কৰি অসমীয়া সাহিত্যৰ সিংহপুৰুষ প্ৰবৰ ৺ডিম্বেশ্বৰ নেওগে কৈছিল "মুঠতে প্ৰায় আধা শতিকা (১৮৮৮-১৯৩৮) বেজবৰুৱা অসমীয়া সাহিত্যৰ মুকুট নিপিন্ধা সম্ৰাট আছিল, আৰু এইদৰে সুদীৰ্ঘকাল মহা প্ৰয়োভৱে অসমীয়া সাহিত্যৰ অধিনায়কত্ব কৰা ব্যক্তি বৰ্তমান সাহিত্যতে কিয়, শঙ্কৰদেৱৰ পাছত নাই বুলিয়েই কব পাৰি" ।

পুৰণি সাধুকথা, মৌখিক ভাৱে চলি অহা আখ্যান, উপাখ্যান আদি গল্প, নাটক, জীৱনী, উপন্যাস তত্ত্বমূলক আলোচনা এই কেইটাই বেজবৰুৱাৰ সাহিত্যৰ প্ৰধান ভাগ। অসমীয়া সমাজ আৰু ভাষা সংস্কৃতি, দেশপ্ৰেম আদি বেজবৰুৱাৰ এই সাহিত্যৰাজিৰ মাজতে নিহিত হৈ আছে। বেজবৰুৱাৰ উপস্থাপন ৰীতি উচ্চ খাপৰ। তেওঁ লৌকিক চৰিত্ৰত অলৌকিকতা প্ৰদান কৰি সাধাৰন কেতবোৰ শব্দৰ পাঠনিৰে জকমক কৰি তুলিছে আৰু সাজপাৰ পিন্ধাইছে যিবোৰে আমনি নিদি, আমোদহে দিছে। তেওঁ যি আলঙ্কাৰিক প্ৰয়োগ সেই আলঙ্কাৰিক প্ৰয়োগেৰে তেওঁৰ সকলো ৰচনাকে হাস্যৰসত পেলাই অতি মধুৰ আৰু তত্ত্বমূলক ৰচনাকো সৰস কৰি পেলাইছে। তেওঁৰ প্ৰকৃত সাহিত্যত মৰ্যাদা

হাস্যৰসৰ ওপৰত ভিত্তি কৰি দিয়া হয়। সৰল হাস্যৰস ব্যঙ্গোক্তি আৰু বুদ্ধিদিপ্ত হাস্যৰস এই তিনিটা প্ৰধান ভাগত তেখেতৰ সাহিত্যত ভাগ কৰিছে। বেজবৰুৱাৰ প্ৰতিটো বাক্যই একোটা হাঁহিৰ খোপা। তেওঁ নিজেই কৈছিল— "এই পৃথিৱীত মাত্ৰ তিনিজন মানুহে হাঁহিব জানিছিল। প্ৰথমজন পুৰনি কলীয়া গ্ৰীচদেশৰ, নাম এৰিষ্ট' কেনিচ, দ্বিতীয় জন আছিল স্পেইনৰ নাম চাৰ ডেন্টিচ আৰু তৃতীয় জন বুলদেশৰ নাম চুইকুট। এওঁলোকৰ উপৰিও চতুৰ্থ এজন আছে। সেইজন বেজবৰুৱা স্বয়ং"।

বেজবৰুৱাৰ লেখা আৰম্ভ 'লিতিকাই' জোনাকীৰ প্ৰথম অৱস্থাতে। দ্বিতীয় বছৰ জোনাকীত তেওঁ কৃপাবৰ বেজবৰুৱা নাম লৈ 'কাকতৰ টোপোলা' মেলে, আৰু তৃতীয় বছৰত নিজে সম্পাদনা কৰি তেখেতৰ একমাত্ৰ উপন্যাস 'পদুম কুঁৱৰী' খণ্ড খণ্ডকৈ প্ৰকাশ কৰে। সত্যনাথ বৰাই গুৱাহাটীৰ পৰা সম্পাদিত জোনাকী কাকত' ও তেওঁৰ সৰু সৰু গল্প 'আঙ্কি' 'চেনিচম্পা' 'কোলাককা' 'জয়ন্তী, 'পুত্ৰবান পিতা' প্ৰকাশ হয়। এইদৰে তেওঁ জোনাকী কাকতৰ এজন নিয়মীয়া লেখক হিচাবে পৰিগনিত হয় আৰু সেই সময়তে সাধাৰণ মানুহক হহুৱাই থাকিব পৰা ক্ষমতা নতুন লেখনীত প্ৰকাশ পালে। তেওঁ কেতবোৰ চৰিত্ৰত ভুল উচ্চাৰণ, কিছুমান বাকদোষ, কিছুমান বিদেশী শব্দক অসমীয়া শব্দৰ মাজত সুমুৱাই ভুল উচ্চাৰণ, দেখুৱাই হাস্যৰসৰ সৃষ্টি কৰিছিল।

সাহিত্যক ধুনীয়া কৰে শব্দালঙ্কাৰে বাক্য অলঙ্কাৰে। তাৰো উপৰিও সাহিত্যক ধুনীয়া কৰে অৰ্থালঙ্কাৰে। বেজবৰুৱাই সুন্দৰ উপমা প্ৰয়োগ কৰি হাস্যৰসৰ সৃষ্টি, কৰিছে। 'পুত্ৰবান পিতা' গল্পত মূৰত এডালিও চুলি নাই বুলি তপা মূৰক বুজাইছে আৰু তানপুৰাৰ খোলাটো "পালিচ" কৰাদি কোনোবাই যেন মূৰটো চিকু মিকীয়াকৈ পালিচ কৰি থৈছে। এনেবোৰ কথাই আনক হঁহুৱাই আৰু সাহিত্য কৰো গৌৰৱ বঢ়ায়।

তেওঁৰ সাহিত্যৰ অন্যতম দিশ হল ব্যঙ্গাত্মক ৰচনা। মানুহৰ সমাজৰ পৰা দোষ আঁতৰাবলৈ, শিক্ষা দিবলৈ আৰু চৰিত্ৰ সংশোধন কৰিবলৈ ব্যঙ্গাত্মক ৰচনাক মহৌষধ বুলিব পাৰি। এই ব্যঙ্গাত্মক বাক্যত আমি হাঁহো, হাঁহি হাঁহি আত্ম লাঘৱ মাত্ৰ ম্ৰিয়মান হৈ থকা হওঁ। ইয়াতেই ইয়াৰ বিশেষত্ব। হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়া কীৰ্ত্তন 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' লম্বোদৰ বৰাৰ 'সদানন্দৰ কলাঘুমটি' আদি ব্যঙ্গ ৰচনা, সেইবিলাক যি পন্থা লৈছে বেজবৰুৱাই সেই পন্থা লোৱা নাই।

"As laughter emerges with man from the mints of antiquity it seems to hold a dagger in its hand" অৰ্থাৎ হাঁহি হাঁহি আমি দেখিম যে ই প্ৰকৃততে হাতত এখন অস্ত্ৰ হে লৈ আহিছে। তেওঁ একেবাৰে সৰ্বসাধাৰন লোকৰ পৰা উচ্চ অভিজাত্য সকলোকে ব্যঙ্গাত্মক ৰচনাৰ যোগেদি উপদেশ কৰিছে।

কাকতৰ টোপোলাত "অসমীয়া ডাঙৰ জাতি' বুলি প্ৰশংসাৰ চলেৰে নিন্দা কৰি বুদ্ধিনিষ্ট হাস্যৰসৰ সৃষ্টি কৰিছে। ঠিক তেনেকৈ বৰবৰুৱাৰ বিয়া প্ৰবন্ধত বৰ্জ্জনীয় কিছুমান সামাজিক ৰীতি বিবাহ চুক্তি হিচাবে দিছে—

(১) "জোৰোন পিন্ধাৰ দিনাৰ পৰা চন্দ্ৰ দিবাকৰ থাকে মানে শহুৰৰ ঘৰৰ সৈতে মোৰ ঘৰ অশ্ব মহিষ হ'ব লাগিব"।

(২) "জোঁৱাই শহুৰৰ মাজত কেতিয়াও কোনো কালে ভাও বা আন সিদ্ধায় পকান্নৰ চলাচল নহ'ব।

(৩) শহুৰৰ টিকনি থাকিব লাগিব" ইত্যাদি।

মুঠতে অসমীয়া হঁহুৱালে, অসমীয়া কান্দিছে শিকিছে আৰু বুজিছে বেজবৰুৱাৰ লিখনিৰ পৰা। তেওঁ হাস্যৰসৰ প্ৰধান উদ্দেশ্য আছিল মানুহক আকৰ্ষন কৰিবলৈ আৰু সগৌৰৱেৰে তেওঁ উদ্দেশ্য সাধনত জয়ী হয়।

অসমীয়া সাহিত্যৰ গল্পৰ বিশেষকৈ চুটিগল্পৰ বুৰঞ্জী অধ্যয়ন কৰিলে প্ৰথম নাম লব লগীয়া হয় বেজবৰুৱাৰ। বিষয় বস্তুৰ ফালৰ পৰা চুটি গল্পক চাৰিটা শ্ৰেণীত বিভক্ত কৰিব পাৰি।



১) চৰিত্ৰ প্ৰধান ২) পৰিবেশ প্ৰধান ৩) আখ্যান প্ৰধান, আৰু ৪) কাৰ্য্য প্ৰধান। বেজবৰুৱাৰ গল্প এইদৰে বিভাজন কৰি উলিওৱা কষ্টসাধ্য, কাৰণ তেওঁ কোনো নিৰ্দিষ্ট নীতি মতে গল্প লিখা নাই আৰু তেওঁ কোনো ঠাইতে চুটি গল্প ইঙ্গিতো দিয়া নাই। বেজবৰুৱাই তেখেতৰ বহুতো গল্পক সাধুকথাৰেহে আখ্যা দিছে। সেয়েহে আমি বেজবৰুৱাৰ গল্পৰ বিভাজন এনেকৈ আমি কৰিব পাৰো— জয়ন্তী, নাওলুচন্দ্ৰ দাস, ভেমপুৰীয়া মৌজাদাৰ, মিলাৰামৰ আত্মজীৱনী আদি চৰিত্ৰ প্ৰধান, নকওঁ, ভদৰী, জলকুঁৱৰী, কণ্যা আদি পাৰিপাৰ্শ্বিকতা প্ৰধান, আমালৈ নাপাহৰিবা, পুত্ৰবান পিতা, লাওখোলা, মালতী, কনকলতা আদি আখ্যান প্ৰধান। কাৰ্য্য প্ৰধান গল্প বেজবৰুৱাৰ নাই বুলিলেও নহয়। ডাঃ সত্যেন শৰ্ম্মা দেৱে লিখিছে "পণ্ডিত মনাই' গল্পত চিলটীয়া পণ্ডিতৰ আমানুষিক হত্যাকাণ্ডকৈও পণ্ডিতৰ ৰান্ধনী ঘৰত বোন্দাবাবাজীৰ অবাধ চলা ফুৰাৰ বিৱৰণহে বেছি' মৈদাম, চোৰ, ভোমকেৰোলা, শিৱপ্ৰসাদ, আমাৰ সংসাৰ, যেনেচোৰ তেনে টাঙোন আদি কোনো শ্ৰেণীভুক্ত কৰিব পৰা নহয়, কিন্তু বেজবৰুৱাৰ সকলো গল্প বা কাহিনীৰ ভেটি হল সমাজৰ ৰীতি নীতি আৰু সামাজিক আচাৰ ব্যৱহাৰ।

এই প্ৰসঙ্গত বেজবৰুৱাৰ গল্প সমন্ধে হেমবৰুৱাদেৱে কৰা মন্তব্য প্ৰানধান যোগ্য

Bejboruah gave so much of free reens to factionsness that he cannot justly be credited with artistic restraint or with integrity of imagination and inner contiguity of the me" ৰচনাৰ ফালৰ পৰা চাবলৈ গলে বেজবৰুৱাৰ চুটি গল্প আৰু সাধুকথাৰ সীমা বৰ সোলোক ঢোলোক।

আত্মবিবৃত্তিমূলক, সংলাপনাত্মক, বৰ্ণনাত্মক আৰু পত্ৰমূলক এই চাৰি প্ৰকাৰে গল্পৰ প্ৰকাশ ভঙ্গী ভাগ কৰা দেখা যায়। বেজবৰুৱাই প্ৰথম তিনিটা পন্থা অৱলম্বন কৰিছে আৰু ঠায়ে ঠায়ে তিনিওটা লগ লাগিছে একেটা গল্পতে। বিষয়ৰ পৰা বিষয়ান্তৰলৈ গৈ প্ৰাসঙ্গিক অপ্ৰাসঙ্গিক সকলো কথাকে সামৰি লোৱা ব্যঙ্গ আৰু সৰল সৰল হাস্য ৰসৰ সৃষ্টি উপমাৰ আধিক্য আৰু জাতীয় বৈশিষ্ট্যই বেজবৰুৱাৰ গল্পৰ প্ৰকাশ ভঙ্গীত বিশিষ্টতা দান কৰিছে। তেওঁ এই সৰু বৰ গল্পবোৰ সাধুকথাৰ কুকি, জোনবিৰি, বেজবৰুৱাৰ কাকতৰ টোপোলা বেজবৰুৱাৰ ভাৰৰ বুৰবুৰণি, সুৰভি, কৃপাবৰ বৰবৰুৱাৰ ওভটনি এই কেইখন পুথিত বহুত সাধু, বহুত ৰসৰচনা আৰু বহুত গল্পৰ আকাৰত সোমাই আছে।

'কদমকলি' বেজবৰুৱাৰ 'হলেও হক নহলেও নহওক বুলি লেখা কবিতাৰ সংকলন। এই কবিতাবোৰৰ কেতবোৰ কবিতাই বেজবৰুৱাৰ উচ্চ কাব্যিক প্ৰতিভাৰ পৰিচয় দাঙি ধৰে। তেওঁৰ জীৱনত কবিতাৰ আৰম্ভ কেনেকৈ হ'ল তাক তেওঁ নিজেই কৈছিল যে যেতিয়া তেওঁ এচেম্বলি কলেজৰ ৩য় বাৰ্ষিকত পঢ়ে তেতিয়া বাইৰণ, শ্যেলী, কীটছৰ কবিতাবোৰ আৰু কবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কবিতাৰ মাজত ডুব যায়। তেখেতে কৈছে—— মোৰ মনৰ বহল পথাৰখন বাইৰণৰ কবিতাই কোমলালে, শ্যেলীৰ কবিতাই হালবালে, কীটছৰ কবিতাই মৈয়ালে আৰু ৰবীন্দ্ৰৰ কবিতাই এনে কৰিলে যে তাত লাহী ধানৰতো কথাই নাই, বিহমনা, কোটকোৰা, পথৰুৱা বিহলঙনি চোৰাতকে আদি কৰি যিহবে গুটি হওক পৰিলেই ভৰ ভৰকৈ গজি " মোক চা " " মোক চা " কৈ উঠিব। তেওঁ গোটেই জগত আনন্দময় দেখিলে— I slept and dreamt that life was beauty.

এইদৰে তেওঁৰ মনত কবিতাৰে তোলপাৰ লগা থাকোতেই পৰিল সুৰতীৰ প্ৰেমত। লিখিছিল কবিতা পঠাইছিল বঙালী কাকতত চপাবৰ বাবে। কিন্তু উত্তৰ পালে "আপনাৰ কবিতাটি ছপাইবাৰ অৰ্থে ফেৰৎ পাঠাইলাম," আৰু আনজনৰ পৰা উত্তৰ পালে "আপনাৰ কবিতাটি আমাৰ বেষ্ট পেপাৰ বাস্কেটে যত্ন পুৰ্ব্ব ৰেখে দিয়েছি"। ইয়াৰ পিছত বন্ধ কৰিছিল কবিতা লিখা সাময়িক ভাৱে। পিছত তেওঁ ১৯১৩ চনত কদমকলিত কিছুমান কবিতা থুপাই প্ৰকাশ কৰি উলিয়াই।

বীন বৰাগী, মালতী, বৰ আৰু সৰু আদি বেজবৰুৱাৰ প্ৰবাসী মনে বিচাৰিছে—

"গা বীন গা, অমৃত সঙ্গীত, ক্ষাকালে মেলক কুঁছি
প্ৰবাস ভাগৰ আঁতৰি পলাওক,
মুখৰ ওলাওক হাঁহি॥"

তেওঁৰ অন্তৰৰ পৰা কেতিয়াবা নিজৰি নিজৰি জাতীয় জীৱন, অন্তৰৰ কৰুণ সুৰ, প্ৰেমৰ দৰ্শন; আৰু কেতবোৰ কবিতাৰ মাজেদি ব্যঙ্গোক্তি কৰিবলৈ এৰা নাই। 'চুমা' কবিতাটিত শ্যেলীৰ প্ৰেমৰ দৰ্শন আৰু অৱশেষ কবিতাত শেলীৰ কৰুণ সুৰ শুনা যায়। 'ভ্ৰম' কবিতাত ধুনীয়াকৈ সৌন্দৰ্য্যৰ কৌতুহল সৃষ্টি কৰিব পাৰিছিল। 'প্ৰেম', ৰাঁহী আদি ভাৱ মধুৰ কবিতা, ধনবৰ ৰতনী, ৰতনীৰ বেজাৰ, নিমাতী কন্যা, আদি সাধু আৰু মলিতাৰ সুৰ শুনা যায়। বৃন্দা চন্দ্ৰাৱলী সংবাদত বৃন্দা চন্দ্ৰাইয়ে কথা কয় ইংৰাজী অসমীয়াৰ হিন্দুস্থানীৰ খিচুৰীত। তাত বুদ্ধিদীপ্ত ভাৱে কৈছে — Steal the flute pay him back in his own coin অৰ্থাৎ ফুটা কেইটাত মাটি সুমুৱাই মাৰি দিয়া জইন"। ইয়াত কবিয়ে ব্যঙ্গোক্তি কৰিছে। তেওঁৰ সকলোবোৰ সৰু বৰ কবিতাৰ মাজেদি চন্দই যোৱাই যোৱাই গতি কৰিছে। বেজবৰুৱাৰ গভীৰ অনুভূতি আছে বহুতৰে মাজত আৰু আছে ভাৱ প্ৰৱণতা যাৰ ওপৰত ভিত্তি কৰি কবি বেজবৰুৱাৰ ৰোমাণ্টিক কবিৰ স্পষ্ট প্ৰভাৱ ধৰিব পাৰি।



নাট্যকাৰ হিচাবে বিশেষ খ্যাতি অৰ্জন কৰিব নোৱাৰিলেও তেওঁ অসমীয়া সাহিত্যলৈ নাট্য সাহিত্যৰ যি অৱদান আগবঢ়ালে সি প্ৰশংসনীয়। 'লিটিকাই' নামৰ সৰু নাট খনি প্ৰথম ৰচনা কৰে। তাৰোউপৰি 'নোমল' 'পাচনি', 'চিকৰ-পতি আৰু নিকৰ-পতি', লিখি উলিয়াই। তাৰ পিছত লিখে বুৰঞ্জী মূলক নাটক 'জয়মতী গদাধৰ' বেলিমাৰ আৰু 'চক্ৰধ্বজ সিংহ'। এই নাট লিখি তেখেতে অসমীয়া সাহিত্য চহকী কৰাৰ উপৰিও নাট্যকাৰ হিচাবে তেখেতে খ্যাতি লাভ কৰিলে। নাট্যকাৰ হিচাবে খ্যাতি লভিবলৈ বিচৰা কথা তেওঁ জীৱন সোঁৱৰণত এনেকৈ বৰ্ণাইছে, শ্যেক্সপীয়েৰৰ হেমলেট, কিংজন, হেনৰি আৰু মিড্ চামাৰ নাইট্ ছড্ৰীম কলেজত মোৰ পাঠ্য আছিল। ভাবিলোময়ো তেনে অপূৰ্ব্ব নাট খনচেৰেক অসমীয়াত ৰচনা কৰি অসমীয়া সাহিত্য ভঁৰালত যুগমীয়া কীৰ্ত্তি থৈ যাম। ইয়াকে ভাবি প্ৰথমতে হেমলেটৰ আৰ্হিত 'হেমচন্দ্ৰ নাম দি এখন নাট লেখিবলৈ মনস্থ কাৰ ভাৰতীয়া ভাৰতীয় নীৰ নামবোৰ থিক কৰি প্ৰথম মঞ্চ দুটা কি তিনিটা দৰ্শন লেখি পেলালো। আকৌ ভাৱসাগৰত আন ঢৌ উঠিল - হেমচন্দ্ৰক সেইখিনিতে 'দম' লবলৈ এৰি থৈ মিডছামাৰ নাইটছড্ৰীমৰ নিচিনা আন এখন নাট ৰচনাত হস্তক্ষেপ কৰিলো। এইখনৰ নামাকৰণ হল 'দিনৰ সপোন'। ইয়াৰো এটুকুৰা বাচি থৈ এৰি আন কিবা

এটা চোৎ খৰ মাৰিলো। বেজবৰুৱাৰ এই নাট্য সাহিত্যই সেইসময়ত জাগৰণ আনিছিল।

পদুম কুঁৱৰীয়েই বেজবৰুৱাৰ একমাত্ৰ উপন্যাস। এই উপন্যাসখনিও বুৰঞ্জীৰ লগত কল্পনাৰ বোল হাঁনি সোনত সুৱগাৰ চৰাৰ দৰেই হৈছে। শ্ৰীপদ্মধৰ চলিহা দেৱে কৈছে "ঘটনা-স্থলীৰ পৰস্পৰ চৰিত্ৰ অঙ্কণ, প্লটৰ ক্ৰমবিকাশ করুণ, ৰৌদ্ৰ বীৰ, বিভৎস হাস্য বিভিন্ন ৰসৰ মধুৰ সমাবেশ কৰি বুৰঞ্জীৰ আলম লৈ এটি ওখ ধৰণৰ উপন্যাসিক অৱদান তেওঁ দি থৈ গ'ল।

তেওঁৰ জীৱনীমুলক ৰচনা হৈছে 'মোৰ জীৱন সোঁৱৰণ, দীননাথ বেজবৰুৱাৰ জীৱনী, শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ ইত্যাদি। মহৎ আদৰ্শ বিপুল অধ্যয়ন আৰু সমাজিক আচাৰৰ প্ৰতি তেওঁৰ মনোভাৱ ইমান ধুনীয়া আৰু প্ৰকটভাৱে প্ৰকাশ হোৱা দেখা যায় তেওঁ ৰচনাসমূহ অধ্যয়ন কৰিলে। তেওঁৰ মন আছিল স্বাধীনচেতীয়া— "মই গোঙোৰা স্বভাবৰ মনুষ্য, স্বাধীনতাহীন-ভাতকৈ মোৰ মৃত্যু শ্ৰেষ্ঠতৰ বুলি মই ভাবি আহিছো"। এই ভাৱ আৰু সংকল্প ওলাইছিল যে মই স্বাধীন ভাৱে পৰিশ্ৰম কৰি এমুঠি ভাত, পৰৰ গোলামী কৰি নখাম। তেনেহলেই মই তৰি যাম। স্বাধীন ব্যৱসায় বা চেষ্টাত মই যদি বৰ ডাঙৰ হ'ব পাৰো ভালেই, নহলে নাই। ...... সেই দেখি মই আসাম গবৰ্ণমেন্টৰ বচা চাকৰি নললো। বেজবৰুৱাই আনকি তেওঁৰ নিজৰ ঘৰুৱা কথাকো খুলাখোলাকৈ ব্যক্ত কৰিছে। যেতিয়া তেওঁৰ পত্নীয়ে প্ৰশ্ন কৰাত তেওঁ কৈছিল "লেখিবৰ সময়ত মই ঘৰুৱা আৰু পৰুৱা কথাবোৰ বাচি উলিয়াব নোৱাৰো এয়ে মোৰ দোষ"। .... ---- আকৌ বৰ আচৰিত কথা যে ইমানবোৰ শিক্ষকৰ তলত মোৰ বিদ্যা শিক্ষা ঘটিছিল, কিন্তু প্ৰকৃত শ্ৰদ্ধা ভক্তি বা ভালপোৱাৰে এজনেও মোৰ মন আকৰ্ষন কৰিব নোৱাৰিছিল'। ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে অসমীয়া ভাষা উন্নতি সাধনী সভালৈ পৰিবৰ্ত্তন কৰিলে। তেওঁৰ দুই এজন বন্ধুৰ লগ লাগি কলিকতা অসমীয়া চাহ মেলক। আৰু বেজবৰুৱাই এই সভাৰ সম্পাদক হয়। ৺চন্দ্ৰকুমাৰৰ প্ৰথম আৰু প্ৰধান সংযোগত জোনাকী কাকত উলিয়াই সেই বছৰৰে মাঘ মাহত। শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ পুথিৰ যোগেদি যি সমালোচনা মূলক দৃষ্টিভংগীৰে গুৰু দুজনাৰ বৈষ্ণৱমতক প্ৰতিষ্ঠা কৰিছে তেনে সুস্থ সমালোচনামুলক জীৱনী গুৰু দুজনাৰ বিষয়ে আৰু দ্বিতীয় খন নাই। তাৰ লগে লগে অসমৰ বৈষ্ণৱ সত্ৰসমুহৰো এটি বুৰঞ্জী তেওঁ দাঙি ধৰিছে। বেজবৰুৱাৰ যি ব্যক্তিত্ব সেই ব্যক্তিত্ব জনসমাজৰ মাজত ধৰা দিছে তেখেতৰ সাহিত্যৰ প্ৰতিভাৱে।

# ছজন অগ্ৰগণী ভাৰতীয় বিজ্ঞানী

শ্ৰীটঙ্কেশ্বৰ বৰুৱা
প্ৰৱক্তা গণিত বিভাগ।

বৃটিছ উপনিবেশ চৰকাৰ অধীনত ১৮ শতিকাৰ মাজ ভাগত ভাৰতত স্কুল, কলেজ আৰু বিশ্ববিদ্যালয় স্থাপন হয় আৰু তাৰ পাছৰেপৰা অৰ্থাৎ ১৯ শতিকাৰ পৰাহে ভাৰতত বিজ্ঞান শিক্ষাৰ ক্ৰমোন্নতি দেখা যায়। তথাপিও কুৰিশতিকালৈকে বিজ্ঞান জগতত ভাৰতীয় বিজ্ঞানীৰ মানদণ্ড তেনেই নগন্য নহয়। এজন বিজ্ঞানীৰ খ্যাতি কেৱল সেইদেশৰ বাবেই নহয় নিশ্চয় বিশ্বৰ বাবেই। "The Development of Science in India From Anciant Iradition to 21st Century" নামৰ এক প্ৰবন্ধ যোগে The Chicago Museum of National History ত এজন আমেৰিকান বিজ্ঞানীয়ে ছজন অগ্ৰগণী ভাৰতীয় পদাৰ্থ বিজ্ঞানীৰ কথা বিশেষভাৱে উল্লেখ কৰিছে। আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃতিপ্ৰাপ্ত এই কেইজন বিজ্ঞানীৰ বিষয়ে চমুকৈ আলোকপাত কৰিছো।

উল্লেখিত বিজ্ঞানী কেইজন হ'ল— জগদিশ চন্দ্ৰ বসু, প্ৰফুল্ল চন্দ্ৰ ৰায়, চন্দ্ৰ শেখৰ ভেঙ্কটৰমণ, সত্যেন্দ্ৰ নাথ বসু, মেঘনাথ চাহা আৰু হোমি জাহাংগীৰ ভাবা।

জগদীশ চন্দ্ৰ বসু— জন্ম ১৮৭৯ চনত পূবৱঙ্গত বৰ্ত্তমান বাংলাদেশ। আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা তেওঁ প্ৰথম জন ভাৰতীয় বিজ্ঞানী। তেওঁ বি. এছ, ছি আৰু ডি. এছ ছি ডিগ্ৰী লয় ক্ৰমে ১৮৮৪ আৰু ১৮৯৬ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা। বসুৱে ১৮৮৪ চনত কলিকতালৈ আহি প্ৰেচিডেন্সি কলেজত প্ৰথম ভাৰতীয় পদাৰ্থ বিজ্ঞানৰ প্ৰফেচৰ হিচাপে নিযুক্তি পায় আৰু ১৯১৫ চনত অৱসৰ লয়। ১৯১৭ চনত তেওঁ কলিকতাৰ Bo instu'e অৰ পৰিচালক হয় আৰু ইয়াক তেওঁ লণ্ডনৰ Royal institute অৰ ৰূপ দিয়ে। ১৯১৭ চনত তেওঁক নাইট উপাধি প্ৰদান কৰা হয় আৰু ১৯২০ চনত of the Royal Society মনোনীত হয়।

তেওঁ গৱেষণাৰ প্ৰথম পৰ্যায়ত বিদ্যুত চুম্বকীয় বিকিৰণত পোহৰৰ ধৰ্ম্ম সমূহৰ ব্যাখ্যা কৰে পাছত অৰ্দ্ধ পৰিবাহী পদাৰ্থই গ্ৰহণ কৰা ধৰ্ম্মবোৰ বিচাৰ কৰিছিল। ১৯৮৫ চনত প্ৰথম বাৰৰ বাবে তেওঁ টান বেৰেদি (Solid Walls) বিদ্যুত চুম্বকীয় নিৰ্দ্দেশ এঠাইৰ পৰা আনঠাইলৈ অনাতাঁৰে কেনেকৈ প্ৰেৰণ কৰিব

পাৰি তাক প্ৰমাণ কৰি দেখুৱাইছিল। পাছৰ ৩০টা বছৰ তেওঁ 'Plant Physiology' (দেহতত্ব) ৰ বিষয়ে গৱেষণা কৰিছিল। গতিকে তেওঁ উদ্ভিদ দেহতত্ববিদ সকলৰো প্ৰথমজন ব্যক্তি। তেওঁৰ প্ৰভাৱত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে ১৯৩১ চনত Our Universe নামৰ স্কুলীয়া পাঠ্যপুথি ৰচনা কৰিছিল। বসু নিজেই এজন কবি আছিল আৰু বঙালী সাহিত্যৰ আলোচনীত বহুতো প্ৰবন্ধ প্ৰকাশ কৰিছিল।

প্ৰফুল্ল চন্দ্ৰ ৰায়— জন্ম ১৮৬১ চনত পূৰ্ববঙ্গত। তেওঁ কলিকতাৰ Metropoliton কলেজত দুবছৰ পঢ়াৰ পাছত ছাত্ৰবৃত্তি পাই ১৮৮৫ Edinburgh University লৈ যায় আৰু অজৈৱ ৰসায়নৰ ওপৰত গৱেষণা কৰি ডি, এছ, ছি ডিগ্ৰী লয়। ১৮৮৯ চনত তেওঁ কলিকতাৰ প্ৰেচিডেন্স কলেজত প্ৰৱক্তা হিচাবে নিযুক্তি পায় আৰু সোনকালেই ৰসায়নৰ প্ৰফেচৰ হয়। ১৯১৯ চনত তেওঁক নাইট উপাধি প্ৰদান কৰা হয়। তেওঁ প্ৰেচিডেন্সি কলেজৰ অধ্যক্ষৰ সহায়ত এটা উন্নত ৰসায়নগাৰ সেই কলেজতে প্ৰতিষ্ঠা কৰে আৰু পৰ্য্যায় বৰ্ত্ত তালিকাত নথকা কিছুমান মৌলৰ বিষয়ে গৱেষণা আৰম্ভ কৰে। গৱেষণাৰ ফলত দেখিলে যে Mercurous Nitrite এটা যৌগ আৰু ই স্ফটিক অৱস্থাত অস্থিৰ (unstable)।

ৰায়ে পুৰণি ছাত্ৰ কিছুমানৰ সহযোগত Bengal Chemical, Pharmacutical works Ltd, Bengal Pottery works, the Culcutta soap works, The Bengal enamal works আদি অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। তেওঁক সেয়েহে ভাৰতীয় ৰাসায়নিক বিজ্ঞানৰ জন্মদাতা বোলা হয়। তেওঁ History of Hindu Chemistoy নামৰ প্ৰবন্ধ সংকলন দুটাখণ্ডত প্ৰকাশ কৰি থৈ গৈছে।

চন্দ্ৰশেখৰ ভেঙ্কটৰমণ জন্ম ১৮৮৯ চনত তামিলনাডুৰ টিৰোচিয়া পল্লিত। তেওঁ বিশাখা পট্টমৰ হিন্দু কলেজৰ পৰা বি, এ আৰু মাদ্ৰাজৰ প্ৰেচিডেন্সি কলেজৰ পৰা এম. এ ডিগ্ৰী লয়। ১৯০৭ চনত তেওঁ ভাৰতীয় বিত্তীয় বিভাগৰ এটা চাকৰিত যোগ দিয়ে আৰু কলিকতাত Indian Association for Cultivation of Science নামৰ অনুষ্ঠান গঢ়ি চাকৰিৰ সময়ত আগত আৰু পাছত গৱেষণা পৰিচালনা কৰে। ৰমণে ১৯১৭ চনত University College of Science ত পালিত প্ৰফেচৰ হিচাপে নিযুক্তি পায়। তেওঁ Nature, the philosophical Mayazine আৰু Physical Review আদিত ২৫ খন কাকত প্ৰকাশ কৰিছিল।

তেওঁৰ গৱেষণা শব্দ তৰঙ্গ আৰু সঙ্গীতৰ বাদ্যযন্ত্ৰৰ ওপৰত প্ৰসাৰ লাভ কৰিছিল। যাৰ বাবে তেওঁ Fellow of the Royal Society মনোনীত হয়। ৰমনৰ গৱেষণাৰ উল্লেখযোগ্য অৱদান হ'ল ৰমণ পৰিঘটনা (Ramman effect)। ৰমণ পৰিঘটনাৰ মূল বিষয়বস্তু হৈছে কোনো বস্তুৰ অণুত যদি পোহৰৰ সংঘাত হয়, তেন্তে পোহৰৰ কম্পন সংখ্যা হয় বৃদ্ধি পাব নহয় হ্ৰাস পাব ফলত পোহৰৰ বিকিৰণ ঘটিব। এই পৰিঘটনা আৱিষ্কাৰৰ বাবে তেওঁক নাইট উপাধি দিয়া হয় আৰু ১৯৩০ চনত পদাৰ্থ বিজ্ঞানৰ নবেল বঁটা পায়।

সত্যেন্দ্ৰ নাথ বসু- জন্ম ১৮৯৪ চনত কলিকতাত। ১৯১৫ চনত গণিত বিষয়ত তেওঁ প্ৰথম শ্ৰেণীত এম, এছ, ছি ডিগ্ৰী লয়। তেওঁ ১৯১৬ চনত University College of Science ত প্ৰৱক্তা হিচাপে নিযুক্তি পায়। ১৯২১ চনত তেওঁ কলিকতা এৰি Dacca University ত বিভাৰ হয়। তিনিবছৰৰ পাছত তেওঁ আইনষ্টাইনলৈ হাতে লিখা 'Plancks Law' আৰু 'Light Quantum Hypothsis' সমালোচনাৰ বাবে পঠাইছিল, ইয়াত তেওঁ বিদ্যুত চুম্বকীয় প্ৰকল্পৰ সহায় নোলোৱাকৈ কৃষ্ণবস্তুৰ বিকিৰণ নীতি নিৰ্ণয় কৰিছিল। আইনষ্টাইনে তেওঁৰ কাৰ্য্যত মনোমোগ্ধ হৈ দুবছৰৰ বাবে ফ্ৰান্স আৰু জাৰ্মানিত অধ্যয়নৰ বাবে চুটিৰ ব্যৱস্থা কৰি দিছিল। তেওঁ ইউৰোপৰ পৰা ঘূৰি আহি Dacca University ৰ পদাৰ্থ বিজ্ঞানৰ মূৰব্বী হয়হি। ১৯৫৮ চনত তেওঁ Fellow of the Royal Society মনোনীত হৈছিল।

মেঘনাথ চাহা— জন্ম ১৮৯৪ চনত পূৰ্ববঙ্গত। তেওঁ কলিকতাৰ প্ৰেচিডেন্সি কলেজত Undergraduate training লয় আৰু প্ৰথম প্ৰকাশনতে ১৯১৮ চনত ডি, এছ, ছি ডিগ্ৰীৰ বাবে উপযুক্ততা লাভ কৰে। তেওঁৰ গৱেষণাৰ বিষয়বস্তু আছিল বিদ্যুৎ চুম্বকীয় তত্ত্ব আৰু বিকিৰণ চাপ। ১৯১৯ চনত উন্নত গৱেষণাৰ বাবে চাহাই লণ্ডন আৰু বাৰ্লিনলৈ



যায়। ঘূৰি আহি ১৯২৩ চনত এলাহাবাদ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ প্ৰফেচাৰ হয়। তেওঁ ১৯২৮ চনত Fellow of the Royal Society মনোনীত হয়।

চাহাৰ মুল বৈজ্ঞানিক অৱদান হ'ল Theory of hightemperature ionization and its application to Steller atmosphere and Spectral Classification, তেওঁ ১৮৪৮ চনত কলিকতা বিশ্ববিদ্যালয়ত Institute of Nucler Physics প্ৰতিষ্ঠা কৰে পাছত যাক Saha Institute নামে জনা যায়। তেওঁ Science and Culture আলোচনীৰ যোগে উদ্যোগীকৰণ, জলবিদ্যুত আৰু নিউক্লিয়াৰ শক্তি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আধুনিকীকৰণ আদিৰ বিষয়ে বহুতো প্ৰবন্ধপাতি প্ৰকাশ কৰিছিল। ১৯৩৮ চনত তেওঁ পৰিকল্পনা আয়োগৰ সদস্য হৈছিল। চাহা ৰাজনৈতিক ভাবে সক্ৰিয় আছিল। ১৯৫১ চনত নিৰ্দলীয় সদস্য হিচাপে লোকসভালৈও নিৰ্বাচিত হৈছিল। ১৯৫৬ চনত হৃদৰোগত আক্ৰান্তহৈ চাহাৰ মৃত্যু হয়।

হোমি জাহাংগীৰ ভাবা- বোম্বেৰ এটি আভিজাত পৰিয়ালত ১৯০৯ চনত এই বিজ্ঞানীজনৰ জন্ম হৈছিল। আধুনিক জগতৰ পাৰমানবিক অনুষ্ঠান স্থাপনত হোমি ভাবাৰ উল্লেখযোগ্য অৱদান আছে। হোমি ভাবাই ১৯২৭ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ Caius College ত নাম ভৰ্ত্তি কৰে আৰু ১৯৩০ চনত যান্ত্ৰিক বিজ্ঞানত প্ৰথম শ্ৰেণী লাভ কৰে। তাৰ পাছত তাত্বিক পদাৰ্থ বিজ্ঞানৰ Theo-

retical Physics গৱেষণাৰ ছাত্ৰ হিছাপে যোগ দিয়ে। তেওঁ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ কেভেন্দিছ গৱেষণাগাৰত মহাজাগতিক ৰশ্মিৰ (Cosmic ray) অৱশোষণত ইলেকট্ৰন ধাৰা বৃষ্টিৰ (electron showers) ভূমিকা সম্পৰ্কে তথ্য আগবঢ়াই ১৯৩৫ চনত পি, এইচ, ডি লয়।

১৯৩৭ চনত হোমি ভাবাই তাইটলাৰ নামৰ এজন বিজ্ঞানীৰ সৈতে এটা বিখ্যাত গৱেষণামূলক প্ৰবন্ধ লিখে। তাতে তেওঁলোকে বেগী মৌলিক (Primary) ইলেকট্ৰন পদাৰ্থৰ মাজেৰে গতি কৰিলে কিমান সংখ্যক ধনাত্মক আৰু ঋণাত্মক গৌণ ইলেকট্ৰণ উৎপাদিত হয় তাক গণনা কৰে। ১৯৩৯ চনত হোমি ভাবা ভাৰতলৈ উভতি আহে। ১৯৪০ চনত তেওঁ বাংগালোৰত থকা ভাৰতীয় বিজ্ঞান অনুষ্ঠানত (Indian Insitute of Science) প্ৰথমে ৰিডাৰ আৰু ১৯৪২ চনত প্ৰফেচৰ নিযুক্ত হয়। ৩১ বছৰ বয়সতে তেওঁ Fellow of the Royal Society মনোনীত হয়। ১৯৪৫ চনত তেওঁ টাটা ইনষ্টিটিউটৰ পৰিচালক হিচাপে যোগদান কৰি ভাৰতত বিজ্ঞানৰ এটি নতুন দিশ মুকলি কৰে। টাটা ইনষ্টিটিউটত বৰ্ত্তমান গণিত, মহাজাগতিক ৰশ্মি আৰু উচ্চ-শক্তি পদাৰ্থ বিজ্ঞানৰ ওপৰত গৱেষণা হয়। ১৯৫৪ চনত তেওঁক ভাৰত চৰকাৰে পাৰমানৱিক আয়োগৰ সচিব নিযুক্ত কৰে। তেওঁক ভাৰত চৰকাৰে পদ্ম বিভুষণেৰে সন্মানিত কৰে। ১৯৫৫ চনত UNO ই আহ্বান কৰা পাৰমাণৱিক শক্তিৰ শান্তিমূলক ব্যৱহাৰৰ ওপৰত হোৱা প্ৰথম আন্তঃৰ্জাতিক সভাত তেও সভাপতি নিযুক্ত হয়। ইয়াৰ পাছত ভিয়েনাত নতুনকৈ স্থাপিত হোৱা International Atomic Energy Commission তেওঁক প্ৰথম ৰাজ্যপাল নিয়োগ কৰে। ১৯৫৭ চনত ট্ৰম্বেৰ পাৰমাণৱিক কেন্দ্ৰ আনুষ্ঠানিকভাৱে স্থাপিত হয়। ইয়াক ১৯৬৭ চনৰ পৰা Bhaba Atomi Research Centre নামেৰে নামাকৰণ কৰা হয়। হোমি ভাবা আছিল ভাৰতীয় পৰমাণু বিজ্ঞানৰ জনক। তেওঁ কঠোৰ পৰিশ্ৰমৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ বহুতো উচ্চ পদবীত থাকিলেও সদায় বিজ্ঞানীয়েই আছিল। হোমি ভাবাই এখাৰ কথা কৈছিল। অসীম ধৈৰ্য্য, অপৰিসীম উৎসাহ আৰু নিজৰ ওপৰত বিশ্বাস এই তিনিটা গুণ যি জনৰ নাই তেওঁ বিজ্ঞানৰ কৃতী ছাত্ৰ হোৱা অতি টান। কেৱল প্ৰতিভাৰ বলতেই বিজ্ঞানী হব নোৱাৰি। হোমি ভাবাৰ মৃত্যু হয় এটা বিমান দুঘটনাত ১৯৫৫ চনৰ ২৪ জানুৱাৰীত। এই ছয়োজন ভাৰতীয় বিজ্ঞানীৰ মহান আদৰ্শেৰে ভাৰতৰ ন বিজ্ঞানী সকলে ভাৰতৰ বিজ্ঞান জগতত সমৃদ্ধিশালী কৰি তোলাত নিশ্চয় প্ৰেৰনা সোণাৰ।

(Matnematics today আৰু Bijsan Jeati ৰ সহায়ত) ❉×❉

# জনসংখ্যা আৰু অৰ্থনৈতিক উন্নয়ণৰ সমস্যা

শ্ৰী মতী অঞ্জুমণি গগৈ
স্নাতক ২য় বাৰ্ষিক।
কলা শাখা।

অৰ্থনৈতিক উন্নয়ণৰ লক্ষ্য হ'ল দেশৰ জনসমষ্টিৰ আয় উপাৰ্জ্জন বঢ়াই জীৱন নিৰ্বাহৰ মানদণ্ড উন্নত কৰা। দেশ এখন আয় উপাৰ্জনৰ উৎপাদন, জনসংখ্যা বৃদ্ধিৰ অনুপাতত বাঢ়ে তেনেহলে তাৰ ফলত অশুভ পৰিনতিৰ আশংকা নাথাকে। কাৰণ তেতিয়া আয় উৎপাদন জনমুৰি পৰি মানো লগে লগে বাঢ়িব জনসংখ্যা বৃদ্ধিয়ে বৰ্ত্তমান বিশ্বৰ সকলোবোৰ দেশৰ চিন্তাশীল লোকক অধিক চিন্তিত কৰি তুলিছে। জনসংখ্যা বৃদ্ধিৰ গতি আৰু ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক জনসংখ্যা বিস্ফোৰণ আখ্যা দিয়া হৈছে। এই আলোচনাত আমি ভাৰতলৈ আঙুলিয়াব পাৰো। ভাৰতবৰ্ষৰ বৰ্ত্তমান জনসংখ্যা ৮০ কোটি। বৰ্ত্তমান পৃথিৱীৰ প্ৰতি সাত জন লোকৰ ভিতৰত এজন ভাৰতীয়। ভাৰতৰ প্ৰতি ১ দশমিক ২ চেকেণ্ডত ১টা প্ৰতিমিনিটত পঞ্চাশটা, প্ৰতি ঘন্টাত ৩০০০টা আৰু প্ৰতি দিনে সত্তৰ হাজাৰটা শিশুৰ জন্ম হয়। প্ৰত্যেক বছৰেই প্ৰায় ২৬ নিযুতলোক ভাৰতৰ জনসংখ্যাৰ সৈতে যোগ হয়। স্বাধীনতা লাভ কৰাৰ সময়ত ভাৰতৰ জনসংখ্যা যিমান আছিল বৰ্ত্তমান জনসংখ্যা আৰু দুগুন হ'ল ভাৰতৰ জনসংখ্যাৰ বিস্ফোৰণৰ এটা উল্লেখযোগ্য হ'ল যে ১৯৪৭ চনৰ পৰা ১৯৮৮ চনৰ ভিতৰত আমাৰ দেশৰ জনসংখ্যা যিমান বাঢ়িল সেই সংখ্যা বৰ্ত্তমান অষ্ট্ৰেলিয়াৰ মুঠ জনসংখ্যাৰ সৈতে সমান। অথাৎ জনসংখ্যাৰ ফালৰ পৰা চাবলৈ গলে যোৱা ৪১ বছৰৰ ভিতৰত ভাৰতৰ ভিতৰতে আন এখন ভাৰতবৰ্ষ সৃষ্টি হ'ল। ২০০১ চনত ভাৰতৰ জনসংখ্যা হবগৈ ৯৮৬ নিযুত বা ৯৮ কোটি ৬০ লাখ। ভাৰতৰ জনসংখ্যা বছৰি প্ৰায় ৩.৩ শতাংশকৈ বৃদ্ধি পাইছে। ই অতি ভয়ানক কথা। ভাৰতৰ জনসংখ্যা বৃদ্ধিয়ে অৰ্থনৈতিক উন্নয়নত যি সমস্যাৰ সৃষ্টি কৰিছে তাৰ দুটামান প্ৰধান কাৰণ আঙুলিয়াব পাৰি।

জনসংখ্যা আৰু নিয়োগ পৰিস্থিতি অভিপাত হাৰত বৃদ্ধি পোৱা জনসংখ্যাৰ ফলত ভাৰতৰ নিয়োগ পৰিস্থিতি জটিল হৈছে আৰু নিয়োগহী-ভাৰ সংখ্যা ক্ৰমে বৃদ্ধি পাইছে। বৃহৎ সংখ্যক নিবনুৱা থকা দেশ হৈছে ভাৰতবৰ্ষ। স্বাধীনতা পাছত ভাৰতত নানা কলকাৰখানা স্থাপন আৰু বিবিধ কৰ্মমুখী আচনি লোৱা স্বত্বেও নিয়োগৰ সুবিধা প্ৰয়োজন অনুসাৰে বঢ়া নাই। গতিকে নিবনুৱা সমস্যা দ্ৰুতগতিত বাঢ়িছে। নিবনুৱা সমস্যাই দৰিদ্ৰতা সংখ্যা বঢ়াইছে। বৰ্ধিত জনসংখ্যাৰ কাৰণে দেশৰ উৎপাদন বিহীন উপভোক্তাৰ সংখ্যা ১৯৬১ চনৰ ২৫১ নিযুতৰ পৰা ১৯৭১ চনত ৩৬৮ নিযুতলৈ বৃদ্ধি পাইছে। ১৯৮৪ ৮৫ চনত কৰ্মহীন লোকৰ সংখ্যা ৪৫ নিযুত। বৰ্ত্তমান ৫০০ নিযুত বা

৪০ কোটি লৈ বৃদ্ধি পাইছে। উৎপাদন বিহীন উপভোক্তাৰ ভৰন পোষণ আৰু নিবনুৱাক সংস্থাপন আৰু দায়িত্ব বহনত দেশৰ সমৃদ্ধ প্ৰয়োগ হোৱাত অৰ্থনৈতিক উন্নয়নত বাধাৰ সৃষ্টি হৈছে।

**জনসংখ্যা আৰু খাদ্য সামগ্ৰীৰ যোগান :—** জনসংখ্যা বৃদ্ধিৰ লগে লগে খাদ্য সমস্যা বাঢ়িছে খাদ্য শস্যৰ উৎপাদনৰ ক্ষেত্ৰত দেশে আত্মনিভৰশীলতা লাভ কৰিছিল যদিও সি ক্ৰমাৎ সি বিফল হৈ গৈ আছে। আমাৰ উত্তৰ পূৰ্বাঞ্চলত যিখিনি খাদ্য উৎপাদন হয় সেইখিনিৰে বছৰটোৰ আধাও নাযায়। দেশে এনেকুৱা শক্তিকাৰ প্ৰথমাদ্ধত উপনীত হবলৈ সাজু হৈ থকাৰ পৰতো খাদ্য উৎপাদন চাহিদা মতে নোহোৱা বাবে বৰ্দ্ধিত জনসংখ্যাৰ চাহিদা পুৰাবলৈ আন দেশৰ খাদ্য আমদানী কৰিব লগা হৈছে। ফলত আমাৰ কষ্টোপাৰ্জিত বৈদেশিক বিনিময় মুদ্ৰা খৰছ হৈছে।

**জনসংখ্যা আৰু জাতীয় আয় :—** জনসংখ্যা বৃদ্ধিয়ে ভাৰতৰ জাতীয় আয় বৃদ্ধিত বাধা প্ৰদান কৰিছে। ভাৰতৰ বাৰ্ষিক জনমূৰি আয় গঢ়ে মাত্ৰ ৬০০০ টকা। অন্যহাতে জনসংখ্যা পৰিমাণৰ তুলনাত জনমূৰি আয় তেনেই কম।

**জনসংখ্যা আৰু সমাজ কল্যাণ :—** বৰ্দ্ধিত জনসংখ্যাৰ কাৰণে দেশৰ লৰা ছোৱালীৰ সংখ্যা বৃদ্ধি পোৱাত সিহঁতৰ ভৰন পোষন আৰু শিক্ষাৰ যাৱতীয় সুবিধাৰ প্ৰদান কৰিব লগীয়া হোৱাত প্ৰতিবছৰে ২৫০ কোটি টকা ব্যয় হৈছে। ইয়াৰ উপৰিও শিক্ষাৰ চিকিৎসা সেৱা আদিৰ বাবে বহুতো অৰ্থ ব্যয় হোৱাত অৰ্থনৈতিক উন্নতিৰ বাধাৰ সৃষ্টি হৈছে।

জনসংখ্যাৰ বৃদ্ধিয়ে মূলধন গঠনতো বাধাৰ সৃষ্টি কৰিছে। কাৰণ ভাৰতৰ দৰে দৰিদ্ৰতা কবলত পৰা দেশ এখনে জনমূৰি আয়ৰ (আয়ৰ) অধিকাংশই ভোগব্যয় আৰু খাদ্য আদিৰ বাবেই খৰচ হয়। গতিকে তেনেক্ষেত্ৰত সঞ্চয়ৰ কথা চিন্তা কৰিবই নোৱাৰি। এনেদৰে জনসংখ্যা বৃদ্ধিয়ে অৰ্থনৈতিক উন্নয়নত ব্যাঘাট জন্মাইছে।

ইয়াৰ উপৰিও জনসংখ্যা বৃদ্ধিয়ে পৰিবেশ দূষিতকৰণ কৃষি আৰু আবাস ভূমিৰ সমস্যা; গৃহ নিৰ্মাণৰ অসুবিধাৰ সৃষ্টিত হৈছে। সাধাৰণতে গাওঁ অঞ্চলতকৈ উন্নত অঞ্চলত উদ্যোগ আদিৰ স্থাপন হোৱাৰ বাবে তেনে অঞ্চলতেই সৰহসংখ্যক লোকে বাস কৰে। ফলত সেই অঞ্চলৰ পৰিবেশ একেবাৰেই বেয়া হয়। ল'ৰা ছোৱালীবিলাক দূষিত পৰিবেশত বাস কৰাৰ বাবে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িব নোৱাৰে। সকলো ল'ৰা ছোৱালীয়ে দিনৰ দিনটো নানা ধৰণৰ কামত নিয়োজিত হব লগা হয়। ফলত তেওঁলোকৰ শাৰীৰিক অক্ষমতা, বুদ্ধিহীনতা হৈ পৰে। এনে সকলোবোৰ দিশৰ পৰা বিবেচনা কৰিলে জনসংখ্যা বৃদ্ধি ৰোধ কৰাটো নিতান্তই প্ৰয়োজন। পৰিয়াল একোটাৰ সুখ সমৃদ্ধি, অৰ্থনৈতিক স্বাচ্ছন্দ্যতা যে সীমিত পৰিয়ালেহে সম্ভৱ; তাক উপলব্ধি কৰিব নোৱাৰিলে জনসংখ্যা নিয়ন্ত্ৰণৰ তাৎপৰ্য বুজিব নোৱাৰি।

# পুতুল গগৈ এটি চমু পৰিচয়

শ্ৰীজগত গগৈ
স্নাতক ৩য় বাৰ্ষিক

অসমৰ পৰা বিদেশী বহিস্কাৰ কৰিব লাগে এই সংকল্পৰে সম্প্ৰীতিৰ এনাজৰীয়ে 'আছু' আৰু গণসংগ্ৰাম পৰিষদৰ আহ্বানত গণআন্দোলন ছুনিবাৰ গতিৰে চলি আছে। দগমগাই জ্বলি থকা একুৰা জুইৰ প্ৰচণ্ড উত্তাপৰ মাজত এটি জাতিৰ আওঁচিৎকাৰ। মাথো একাকাৰ কৰি এমুঠি অসমীয়াই পৃথিবীত থিয় হৈ মুৰ দাঙি জীয়াই থকাৰ মৰণ পণ সংগ্ৰাম সেই সন্ধিক্ষণৰ প্ৰতিটো পুৱাযেন তেজৰঙা সেমেকা হৈ উঠিছিল। আই মাতৃৰ চৰণৰ যুগলত দুৰ্দ্দান্ত প্ৰতিভাধাৰী সন্তানৰ স্পন্দনহীন দেহ আৰু জ্ঞাত অজ্ঞাত শ্বহীদৰ তেজৰ তুমুৰলি বুক। ১৯৮২ চনৰ ১০ জুন, এটা অভিশপ্ত বছৰৰ আৰু কাল অমানিশা নমাই অনা এটা দিন।

যিটো দিনে কাঢ়িয়াই আনিছিল সোণাৰীবাসী বাইজলৈ দুজন শ্বহীদৰ বুকুৰ তেজেৰে লিখা অসমীয়া জনগনৰ এটি সংহতি প্ৰসিদ্ধ ইতিহাসৰ পাঢ়ৰঙী চুখিলা পাত শ্বহীদ পুতুল গগৈ আৰু শ্বহীদ ইমতিয়াজ উদ্দিন আহমেদ।

এখন গণতান্ত্ৰিক দেশত সামৰিক বাহিনীৰ অত্যাচাৰৰ চুড়ান্ত নিদৰ্শনৰ বলী হৈ কুঁহি কোমল দেহ বহু আশা আৰু প্ৰতিশ্ৰুতি কলিতে মৰহে এটি অভিশপ্ত আবেলিৰ বুকুত ৰাক্ষসী টাওকাকৰ বক্ষত অস্তমিত সূৰ্য্যটোৰ সৈতে স্তিমিত হৈ পৰিছিল এই মহান দুজনা।

এই মহান জাতীয় শ্বহীদ দুজনাৰ বিষয়ে আপোনালোকৰ আজি এই পবিত্ৰ দিনত সোণমেৰীয়া সোঁৱৰণী বুটলি এটি চমু পৰিচয় দাঙি ধৰিলো।

শিৱসাগৰ জিলাৰ বৰ্ত্তমান চৰাইদেউ মহকুমাৰ অন্তৰ্গত কাকতিবাৰী বৰ্ত্তমান 'পুতুল নগৰ' বুলি সকলোৰে পৰিচিত। শ্ৰী যুত ফনীন্দ্ৰনাথ গগৈ আৰু শ্ৰীমতী ইন্দ্ৰেশ্বৰী গগৈৰ সুমলীয়া পুত্ৰ শ্বহীদ পুতুল গগৈৰ জন্ম হয়। ১৯৫৭ চনৰ ২৬ অক্টোবৰ (১৯৭৯ শকৰ ৯ কাতি) শুক্ল পক্ষৰ চতুৰ্থী তিথিৰ এটি শুভমুহূৰ্তত। জন্ম স্থানতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি মাহমৰা ডিপ্লিং হাইস্কুলত হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰি সোণাৰি মহাবিদ্যালয়ত উচ্চ শিক্ষাৰ বাবে নাম লগায়। মৃত্যুৰ আগমুহূৰ্ত্তত তেওঁ উক্ত মহাবিদ্যালয়ৰ পৰা স্নাতক মহলাৰ চুড়ান্ত বাৰ্ষিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। পঢ়াশুনাত তেওঁ বৰ তীক্ষ্ণ বুদ্ধি সম্পন্ন নহলেও মধ্যমীয়া আছিল। শ্বহীদৰ পিতৃ ডিপ্লিং চাহ বাগিচাৰ কৰ্ম্মচাৰী সমাজৰ লগত নিবিড় সম্পৰ্ক থকা ব্যক্তি। মাতৃ শ্ৰীমতী ইন্দ্ৰেশ্বৰী গগৈ শান্ত আৰু বৰ মৰমীয়াল সৰৱৰহী মহিলা।

শ্বহীদ জনৰ জেষ্ঠ ভাতৃ শ্ৰীদিলিপ গগৈ ও সহীন স্বাৱলম্বী মানসিকতাৰ যুৱক। অৱশ্যে তেওঁ সংসাৰিক জীৱনৰ পাতনি মেলি বৰ্ত্তমান

ব্যৱসায়তে ব্যস্ত শ্বহীদ জনাৰ পৰিয়ালত দদাইয়েক খুৰীয়েকৰ ওপৰিও ককদেউতাক আৰু আইতাকো আছে।

শ্বহীদ পুতুল গগৈ আছিল শান্ত মনৰ এটি সৰল স্বাস্থ্যৰ অধিকাৰী সংগ্ৰামী যুৱক তেওঁ খেলাধুলাতো আগ্ৰহী আছিল। শৰীৰ চৰ্চাৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিছিল। ৱেল লিফটিঙকে আদি কৰি কুংফু, কাৰাটি আদি শিকিছিল আৰু শেষলৈ পিছৰ চামক ঘৰতে নিজে শিকাইছিল। তেওঁ ডিঃ বিঃ বিঃ কলেজ টুৰ্ণামেণ্টত ৱেট লিফটিঙত ৫ম হৈছিল। ইয়াৰবোপৰি গড়গাওঁ মহাবিদ্যালয়ত শৰীৰ চৰ্চা প্ৰতিযোগিতা বিচাৰকৰ আসনো এবাৰ দখল কৰিছিল।

সকলো ক্ষেত্ৰতে আগ্ৰহী পুতুল গগৈ সকলোৰে জনপ্ৰিয় আৰু অতি মৰম লগা আছিল। সভা সমিতি, সাংস্কৃতিক অনুষ্ঠান, জাতীয় সংগঠন সমূহৰ লগত এটা ঘনিষ্ঠ সম্পৰ্ক আছিল। তাৰ এটি বিৱৰণ তলত ডাঙি ধৰা হ'ল।

১৯৭৮ চনৰ সোণাৰি মহাবিদ্যালয়ৰ খেল বিভাগৰ সম্পাদক, ১৯৭৯ চনত উক্ত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপসভাপতি আছিল। অসম জাতীয়তাবাদী যুৱছাত্ৰ পৰিষদৰ একেবাৰে সোণাৰি শাখাৰ সভাপতি আৰু কাকতিবাৰী শাখাৰ সম্পাদক শিৱসাগৰ জিলা সমিতিৰ সমাজসেৱা বিভাগৰ সম্পাদক, শিৱসাগৰ জিলা জাতীয়ৰক্ষী বাহিনীৰ অধিনায়ক আছিল। ইয়াৰ ওপৰিও স্থানীয় ক্লাব সংঘৰ লগত নিবিড়ভাৱে জড়িত আছিল। উল্লেখযোগ্য যে শ্বহীদ পুতুল গগৈ সোণাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ লগত এটা এৰাব নোৱাৰা সম্পৰ্ক আছিল।

শ্বহীদ পুতুল গগৈ যদিও আমাৰ মাজত নাই, তথাপি তেওঁৰ আদৰ্শ আৰু তেওঁৰ মহান ত্যাগৰ নিদৰ্শন আমাৰ মাজত সদায়ে থাকিব আৰু প্ৰেৰণা দি থ'ল সমগ্ৰ অসমবাসীক আৰু লগতে সোণাৰী মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু সোণাৰী বাসীৰ বাইজৰ সদায়েই প্ৰেৰণাৰ উৎস হৈ ৰব।

— × —

# " জনশ্ৰুতিয়ে গৰকা বুৰঞ্জীৰ তথ্য "

শ্ৰীভুপেন গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক
কলা শাখা ( অসমীয়া বিভাগ )

বুৰঞ্জীৰ তথ্য সম্পৰ্কে প্ৰমানিত মত পোষন কৰা সহজ কাম নহয়, কাৰণ কিছুমান বুৰঞ্জীৰ তথ্য বিজ্ঞান সন্মত ভাৱে চালি জাৰি চালে দেখিবলৈ পাও যে গুটি যেন লগা পতানো ডলাৰ আগত উৰি যায়। আকৌ কিছুমান কেকেতেনোৱা (পতনোৱা) যেন লগা ধাৰৰ পৰাও জঠঙা চাউল ওলায়। জনশ্ৰুতি বা কিম্বদান্তিৰ পৰাও ভালেমান বুৰঞ্জীৰ তথ্য আহৰণ কৰিব পৰা যায়। সেই বুলি তেনে ধৰণৰ সকলো জনশ্ৰুতিকে বিনা দ্বিধাই মানি লব নোৱাৰিব কিছুমানৰ মত বিৰোধ থাকিবই। উদাহৰণ স্বৰূপে থাওকতে থকা জিজৈখনা বা দ্বিজৈ খনাকে আঙুলিয়াব পাৰি।

বৰ্ত্তমান আমাৰ ক্ৰমোন্নতিৰ পথত আগবঢ়া সোণাৰী নগৰৰ নামটিৰ বুৰঞ্জী নিমাত যদিও "কাল সংহতি" পন্থাৰ ভকতীয়া বিৱৰণ মতে সোণাৰী সম্বন্ধে এটি ধাৰণা কৰিব পাৰি যথাক্ৰমে ডিহিং সত্ৰাধিকাৰ শ্ৰী শ্ৰী জগন্দন দেৱ ৰাজৰোষত পৰি নিৰ্ব্বাসিত হওতে তাত কাৰ'ৰ বহুদাম নামৰ এজন শিষ্যজাতে বাতৰি পাই নাৰেৰে গৈ প্ৰভু ঈশ্বৰক লৈ আহগৈ। সেই আতাই আছিল সোণাৰী কাম কৰি জীৱিকা চলোৱা লোক। তেওঁৰ শৰীৰ দীঘল নেজিয়া হোৱাৰ বাবে তেওঁক দলৌ সোণাৰী বুলিও কোৱা হৈছিল। (অন্য কাৰণতো বুলিব পাৰি) বৰ্ত্তমান সোনাৰী নগৰৰ ওচৰতে থকা তাওকাক নৈয়ে আতাই ঘৰ সোনাৰি নগৰৰ আশে পাশে আছিল বুলি ভাবিবৰ থল আছে। তদুপৰি চে-ৰায়ডয় বা চৰাইদেউত ৰাজধানী হোৱাৰ পৰা অভয়পুৰ অঞ্চলৰ বিভিন্ন গাওঁ যেনে চুঙ্গি, লুখুৰাখন, বাহবাৰী, লংপটীয়া, ভজো, চফ্ৰাই নাফুক আদিৰ ঠাই জন বসতিপূৰ্ণ হোৱাটো স্বাভাবিক। গতিকে উপৰোক্ত সোনাৰি শালৈ যাও বোলাৰ ঠাইত পাছলৈ কেৱল সোনাৰিলৈ যাও বোলাৰ হ'লগৈ তাৰ পৰাই সোনাৰি নামৰ উৎপত্তি হোৱা বুলি ধাৰণা ওপজে।

আইদেউ পুখুৰীৰ সন্দৰ্ভত যদিও বুৰঞ্জী নিমাত জনশ্ৰুতিয়ে কোৱাৰ মতে এই পুখুৰীটো স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ বৈমাত্ৰেয় নাফুকী আইদেউৰ নামেৰে খন্দাইছিল। ডঃ লীলা গগৈৰ "বুৰঞ্জীয়ে পৰশানগৰ'ত ইয়াৰ সংক্ষেপে এটি বিৱৰণ দিছে। আহোমৰ ৰীতি মতে ৰজাৰ মাক হলে ৰাজমাও দেউত', ৰাণী হলে আইচু দেউতা, ৰজা বা ডাঙৰীয়া বিষয়াৰ জীয়েক হলে আইদেউ বোলাৰ নিয়ম ৰজাৰ মাহীমাক হোৱাৰ বাবে নাফুকত কিছুমান পাইকৰে সৈতে মাটি বাৰী ভোগ কৰিবলৈ পাইছিল সেই সুত্ৰে এই গৰাকী কুৱঁৰীক নাফুকী আইদেউ বোলা হৈছিল সেই নামেৰে বাৰী আৰু পুখুৰী, অৱশ্যে বাৰীখন কোন খিনিত আছিল সঠিককৈ কোৱা টান এই ঠাইত ভালেমান ৰজাৰ দিনীয়া বাৰীৰ ঢাপৰ

চিন দেখিবলৈ পোৱা গৈছে। বৰ্ত্তমান আইদেউ আলিৰ কাষতে পুখুৰীটোৰ ঈশান কোনত আইদেউৰ মৈদামটো অৱস্থিত। ৰাজ আভিজাত্যৰ গৰ্বেৰে গৰিত হোৱা এই গৰাকী আহোম কুৱৰীৰ ঐতিহ্য আজিও উঠন বুকুৰে সৈতে মৈদামটি অৱহেলিত অৱস্থাত আছে। ইয়াৰ বুকুত বিদেশীয়ে ধন সোণ খান্দি নিয়া এটা প্ৰকাণ্ড কুণ্ড। ইও এটা যেন বগাবঙালে অসমী আইক ধৰ্ষিতা কৰাৰ কলঙ্কৰ চিন। বুঢ়া লোকে কোৱাৰ মতে wood নামৰ চাহাব এজনে মৈদামৰ অমূল্য সম্পদ বোৰ খান্দি নিছিল হেনো। বৰ্ত্তমান ৺প্ৰফুল্ল চন্দ্ৰবৰুৱাৰ (জয়মতী কথাছবিৰ নায়ক ৺ফুলু বৰুৱাৰ জেষ্ঠ ভ্ৰাতৃ) চাহ বাগিছাৰ কল ঘৰৰ সন্মুখতে কপোৱালী পানীৰে জিলিকি আছে। মৈদামটো বৰ্ত্তমান অৱক্ষয় অৱস্থাত ইয়াক খহাই চাহ গছ ৰোৱাৰ আঁচনি লৈছে।

আইদেউ মৈদামৰ সমান্তৰালকৈ ৰেল লাইনৰ উত্তৰকালে এটি সৰু আনটি ডাঙৰকৈ দুটি মৈদাম আছে। বৰ্ত্তমান চাহ গছ এজোপা কাষতে থকাৰ বাবে চাঁমৰ মৈদাম বোলে। এই মৈদাম দুটিৰ বিষয়ে এটি ধুনীয়া কিম্বদন্তি আছে। ইয়াৰ মতে মৈদামটো কোনোবা পানী ফুকন এজনৰ মৈদাম আছিল। ফুকন ডাঙৰীয়া বসন্ত ৰোগত অন্তিম শয্যাত থাকোঁতে পুতেক ধোমঢোপালে পিতৃৰ বিষয়ৰ বাবে ৰজাক প্ৰাৰ্থনা কৰেগৈ। ৰজাই পৰীক্ষা কৰাৰ চলেৰে বৰ বিহেৰে কৰোৱা এখন চাদৰ বাপেকৰ গাত দিবলৈ দি পঠালে। কিন্তু এই কাপোৰ বাপেকৰ গাত্তদি তেওঁ পিতৃৰ বিষয় খাবলৈ নাপালে। ৰজাই সুবিচাৰ কৰি পুতেকক হত্যা কৰি বাপেকৰ ওৰিৰ পথানৰ ফালে মৈদাম দিয়ে। এতিয়াও এই ডাঙৰ মৈদামটো কাষতে এটিসৰু মৈদাম আছে।

পেহীপুখুৰী নামটো বুৰঞ্জীত উল্লেখ নাই যদিও জনশ্ৰুতিৰ মতে এইপুখুৰী স্বৰ্গদেউ গদাধৰ সিংহই খন্দাইছিল। লৰা ৰজাৰ ভয়ত গদাপানি পলাই ফুৰোতে এদিন ৰজাৰ চৰে তেওঁক পাও পাও অৱস্থা হৈছিল। এনে সঙ্কত জনক অৱস্থাত এগৰাকী পৌঢ়া তিৰোতাই ঘৃলি এটাত কাপোৰ তিয়াই আছিল। গদাপানিয়ে সেই তিৰোতা গৰাকীক পেহী বুলি সম্বোধন ধৰি বিপদৰ পৰা ৰক্ষা কৰিবলৈ কলে। লুকাবলৈ এটি সৰু জৰাটেঙাৰ পুলিৰ বাদে একো নাছিল তাৰ ভিতৰতে গদাক শুৱাই তাত এড়িয়া খনিয়াকে আদি কৰি তিওৱা কাপোৰ বোৰ মেলি দিলে আৰু নিজে থিয় মেখেলা পিন্ধি আঁতৰি যাওতেই ৰজাৰ চৰে তিৰোতা গৰাকীক গদাৰ বিৱৰণ দি এটা মানুহ দেখিছিল নেকি সুধিলে তিৰুতা গৰাকীয়ে উৎসাহিত হৈ উত্তৰ দিলে তেনেকুৱা শকত আৱত মানুহ এজন বৰ বেগাই এই ফালেদি গল বুলি কৈ গদাৰ প্ৰাণ ৰক্ষা কৰিলে।



কৃতজ্ঞতাৰ চিন স্বৰূপে স্বৰ্গদেউ গদাধৰ সিংহই এই অচিনাকী পেহীৰ নামেৰে পুখুৰীটো খনাইছিল। এই পুখুৰী আজিও পেহীপুখুৰী গাৱঁৰ মাজত আছে। অসম বিধান সভাৰ উপাধ্যক্ষ শ্ৰীযুক্ত ভদ্ৰেশ্বৰ বুঢ়াগোহাঁই ডাঙৰীয়া ইয়াৰ সংৰক্ষিত ব্যৱস্থা হাতত লৈছে।।

উপৰোক্ত তথ্য সমূহ যদিও বিজ্ঞান সন্মত বুৰঞ্জী সভ্যতাৰ প্ৰমান পোৱা নাযায়। তথাপিও মানৱ আক্ৰমন প্ৰতিহত কৰাৰ আচিলা লৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ অসমত খুটি পোতাৰ দিনলৈকে জনসাধাৰণৰ মুখত ৰগুৱা বাই অহা পৰম্পৰাগত কিম্বদন্তি বুলি প্ৰমানিত হৈছে।

— × —

## 'প্ৰতিক্ৰিয়া'

"স্বদেশ প্ৰেম কেতিয়াও ক্ষন্তেকীয়া অনুভূতিৰ বহিঃ প্ৰকাশ হব নোৱাৰে, বৰং ই জীৱন জোৰা শান্ত প্ৰকাশহে"

— এ, ই, ষ্টিভেন।

"যিটো বিপ্লৱে ৰক্ষা কৰিব নোৱাৰে সেই বিপ্লৱৰ কোনো মূল্য নাই"

— লেনিন।

"দুৰ্যোগ হব বুলি ভয় কৰাৰ কাৰণ নাই। পৃথিৱীত কিবা কৰি থৈ যাম বুলি ভাবিলে সকলো বিপদ নেউচি তুমি আগবাঢ়া। সত্যৰ সন্মুখীন হোৱা প্ৰতিক্ৰিয়ালৈ পৰোৱা নাই।"

— কেথেৰিন মেন্‌চফিল্ড

"আমি কিমান পাইছোঁহি সেইটো বিশ্বৰ কোনো ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল আমি কোন দিশত গতি কৰিছো সেয়াহে।"

— হ'লমচ

"সাহিত্যহীন সমাজ পঙ্গু, বৰ্বৰ আৰু সমাজৰ লগত সম্পৰ্ক নথকা সাহিত্যক্ষীণ দুৰ্বল।"

— কৃষ্ণকান্ত সন্দিকৈ

# বিজ্ঞান আৰু মানৱজাতি

শ্ৰী নৰেশ্বৰ কুৰ্মী
স্নাতক তৃতীয় বাৰ্ষিক
( বিজ্ঞান শাখা )

মানুহৰ কামনাৰ অন্ত নাই । মানুহে সদায় নোপোৱাটো পাবলৈ, নেদেখাক চাবলৈ বিচাৰে । তাৰ ফলত প্ৰকৃতিৰ বুকুৰ সৰ্বস্ব উদঘাটন কৰি আৰু প্ৰতিটো উপকৰণ আহৰণ কৰি সুখ সমৃদ্ধি বৃদ্ধি কৰাৰ লগতে প্ৰকৃতিৰ বুকুত মানুহৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে ।

সত্যৰ আৱিষ্কাৰেই হল বিজ্ঞান । প্ৰকৃতিৰ বুকুত থকা নানা সত্য উদ্‌ঘাটন কৰাই হ'ল বিজ্ঞান । এই বিজ্ঞান হৈছে বৰ্ত্তমান সভ্যতাৰ জন্মদাতা বিজ্ঞানৰ অবিহনে বৰ্ত্তমান সভ্যতা হাত ভৰি নথকা মানুহৰ দৰে হ'ব । বিখ্যাত বিজ্ঞানী T H, Huxley ৰ মতে 'science is nothing but trained and organised common sense'.

প্ৰাচীন কালতো যদিও মানুহৰ লগত বিজ্ঞানৰ সম্পৰ্ক আছিল তথাপিও সেই বিজ্ঞানতকৈ মানুহৰ আগত ধৰ্মই প্ৰভাৱশালী আছিল, ফলত বিজ্ঞানে তাৰ প্ৰকৃত পৰিচয় দিব পৰা নাছিল । নিউটন, গেলিলিও আদিৰ জীৱন চৰিত্ৰ আলোচনা কৰিলেও ইয়াৰ সাম্যক জ্ঞান পাওঁ । গেলিলিও তেওঁৰ মতবাদৰ বাবে নাস্তিক বুলি ঘৃণা কৰা হৈছিল । জৰ্জ ষ্টিফেনছৰ ৰেলগাড়ীক ভূত-প্ৰেতৰ কাৰ্য্য বুলি আখ্যা দিয়া হৈছিল ।

অতীতৰ ভেটিত বৰ্ত্তমান গঢ়ি উঠে । গতিকে অতীতৰ কিছুমান ভুল বৰ্ত্তমান বিজ্ঞানে শুধৰাই বৰ্ত্তমান অৱস্থা পাইছে । উনবিংশ শতিকাৰ পৰাহে মানুহে বিজ্ঞানৰ আৱিষ্কাৰ সমূহ সত্য বুলি মানি লোৱাৰ প্ৰৱণতাই গা কৰি উঠে ।

আজিৰ বিজ্ঞানে পৃথিৱীৰ সকলো ঠাইতে সকলো ক্ষেত্ৰতে সকলো সময়তে প্ৰভাৱ বিস্তাৰ কৰিছে । তথাপি বৰ্ত্তমান যুগত বিজ্ঞানে যে উন্নতিৰ চৰম সীমা পাইছে তাক কব নোৱাৰি । কাৰণ বিজ্ঞানৰ সহায়তে আজিৰ মানৱে যিমান সুক্ষ্মতম বস্তুকে আৱিষ্কাৰ নকৰক, সৃষ্টিৰ ৰহস্য ভেদ কৰিবলৈ কোনো সময় হোৱা নাই ।

বিজ্ঞানে জগতত তাৰ নিজৰ স্থান প্ৰতিষ্ঠা কৰিব পাৰিছে জুই আৰু লোহা আৱিষ্কাৰৰ দিনৰে পৰা । বাষ্পৰ অসীম শক্তিৰ, প্ৰভাৱ মানুহৰ বোধগম্য হোৱাত বিভিন্ন আৱিষ্কাৰৰ পথ সুগম হ'ল । ৰেলগাড়ীৰ প্ৰচলন হৈ দীঘলীয়া পথবোৰ চমু কৰিলে । পেট্ৰল আৱিষ্কাৰ হোৱাৰ পাছত পেট্ৰল ইঞ্জিন ওলাল । বৰ্ত্তমান বিজ্ঞানৰ আৱিষ্কাৰৰ ফলত মানুহে কম সময়তে পৃথিৱীৰ ইমুৰ-সিমুৰৰ লগত যোগা-যোগ ৰক্ষা কৰিব পাৰে । মুঠৰ ওপৰত যাতায়তে পৃথিৱীখন ঠেক আৰু ক্ষুদ্ৰ কৰিলে বুলি কব পাৰি । ৰকেটৰ সহায়েৰে ১ ঘন্টাত' আকাশী যানেৰে এদিনত বিশ্ব পৰিভ্ৰমণ কৰিব পাৰি ।



কাকত আৰু ছপাশালৰ আৱিষ্কাৰৰ ফলত মানুহে অকল যে বিদ্যা-শিক্ষা লাভ কৰিছে এনে নহয় । প্ৰত্যেৰ বুকুত জ্ঞান সঞ্চিত কৰি অন্য জন্মান্তৰলৈ পুৰুষৰ পৰা হস্তান্তৰ কৰিব পৰা হ'ল । অন্যহাতেদি বিশ্ব সংস্কৃতি আৰু সভ্যতা গঢ়ি তুলিবলৈ বিশ্ব মানৱক ভ্ৰাতৃ বুলি আকোৱালি লবলৈ আগবাঢ়ি যাবলৈ সমৰ্থ হ'ল । টেলিফোন, টেলিপ্ৰিন্টাৰৰ দ্বাৰা খবৰ বাতৰি সোনকালে পঠাব পৰা হ'ল ।

বিজুলী শক্তিৰ আৱিষ্কাৰে যান্ত্ৰিক জগতক নৱ-উন্মেষৰ সৃষ্টি কৰে । বৃহৎ উদ্যোগে গঢ়ি তুলি, নিতৌ নৱ-উৎপাদনৰ সভ্যতাক ক্ষিপ্ৰ গতিৰে আকোৱালি লৈ গৈছে । শীতত উত্তাপৰ উম লৈ গৰমত শান্তিৰ বা, ছাটি লৈ আৰামেৰে কৰ্ম, অনুশীলন, কৰিবলৈ বিজুলী পাংখা, শীত তাপ নিয়ন্ত্ৰিত যন্ত্ৰই আমাক উদ্যম আৰু প্ৰেৰণা যোগাইছে । দেহৰ ক্লান্তি দূৰ কৰণত সহায় কৰিছে ।

টাইপ ৰাইটাৰে অফিচ, কৰ্ট কাছাৰীৰ কাম সহজ কৰিছে, কম্পিউটাৰৰ সহায়ত সুক্ষ্মাতি সুক্ষ্ম গণনাকো ত্ৰুটি নোহোৱাকৈ আয়ত্তৰ অধীনলৈ আনি নিভু'লভাৱে গণনাকাৰ্য্য কৰিব পৰা হৈছে । গ্ৰামফ'নৰ আৱিষ্কাৰে সংগীতৰ মধুৰ মাধুৰী উপভোগ কৰাইছে । বোলছবিয়ে মানৱ জীৱনৰ ঘটনা বাজিক কম সময়ৰ ভিতৰত ছাব পৰা কৰিছে । ইয়াৰ উপৰিও সংগীতৰ অমিয়া ধাৰাৰে হৃদয়লৈ প্ৰশান্তি আনি দিছে । তদুপৰি সু গায়ক গায়িকা, অভিনেতা-অভিনেত্ৰী সকলক শ্ৰেষ্ঠলোকৰ গীত, অভিনয় নৃত্য আদি আমাৰ চকুত ভাঙি উপভোগ কৰাত সহায় কৰিছে ।

আজিৰ বিজ্ঞানে সৌৰশক্তি আৰু মহাজাগতিক শক্তিক আয়ত্তৰ অধীনলৈ আনি বিশ্বৰ কল্যাণত প্ৰয়োগ কৰিব পৰিছে । মহাকাশ যানৰ উদ্ভাৱনে গ্ৰহ গ্ৰহান্তৰ পৰ্য্য বেক্ষণ কৰি পৃথিৱীক আৰু উন্নত কৰাত সহায় কৰিছে ! চন্দ্ৰৰ বুকুত মানুহে অৱতৰণ কৰিছে । জলবায়ু নিয়ন্ত্ৰণৰ অধীনলৈ অনাৰ প্ৰচেষ্টা চলোৱা হৈছে । মহাকাশ যান আৰু কৃত্ৰিম উপগ্ৰহই যোগা যোগ ( ৰেডিও, টেলিভিছন ) মাধ্যম উন্নতৰ কৰি তুলিছে ।

খাদ্য বস্তুত থকা খাদ্য-প্ৰাণ, স্নেহ পদাৰ্থ শৰ্কৰা আদিৰ ব্যাখ্যাই আমাক কোনবিধ খাদ্য ভাল, কোনবিধ বেয়া আৰু কিয় বেয়া আদিৰ বিষয়ে জানিবলৈ দিছে, তাৰ ফলত বহুতো ৰোগৰ পৰা মানুহ ৰক্ষা পৰিছে । কৃষি ক্ষেত্ৰত বিজ্ঞানে এক উল্লেখযোগ্য ৰৰঙনি যোগাইছে । নানা ধৰণৰ কৃষিৰ যন্ত্ৰপাতি আৰু সাৰৰ প্ৰয়োগ খাদ্য-বস্তু বেছিকৈ উৎপাদন কৰাত সহায় কৰিছে । সেইদৰেই চিকিৎসা বিজ্ঞানৰ নন আৱিষ্কাৰে মানুহৰ পৰমায়ু বৃদ্ধি কৰি মৃত্যুৰ হাৰ কমাই পেলাইছে । মানুহে মৰণৰ

লগত সংগ্ৰাম কৰিবলৈ সমৰ্থ হৈছে। মেলেৰিয়া, যক্ষ্মা, কেন্সাৰ আদিৰ চিকিৎসা পদ্ধতিৰ আৱিষ্কাৰে মানৱ জাতিক বহুদূৰ আগুৱাই লৈ গৈছে। কৃত্ৰিম তেজ সংশ্লেষণ, কৃত্ৰিম হৃদপিণ্ডৰ, সংযোজন, জিনৰ সংশ্লেষণ আৰু প্ৰতিস্থাপন আদি টেষ্ট টিউবত প্ৰাণৰ সঞ্চাৰ কৰি মানুহ সৃষ্টিকৰ্ত্তা হোৱাৰ পথত আগ বাঢ়িছে।

"অভাৱেই আৱিষ্কাৰৰ মূল" বিজ্ঞানৰ আৱিষ্কাৰ আৰু ক্ৰমোন্নতিৰ ইতিহাসত দেখা যায় যে, মানুহে কিছু পৰিমাণে প্ৰয়োজনৰ তাড়নাত আৰু কিছু পৰিমাণে মানুহৰ সহজাত প্ৰবৃত্তিৰ বাবে অসীম ৰহস্য উদ্‌ঘাটন কৰিবলৈ যাওঁতেই বিজ্ঞানৰ জন্ম হয়।

বৰ্ত্তমান যুগত বিজ্ঞানেই সভ্যতাৰ পথ প্ৰদৰ্শক স্বৰূপ। বিজ্ঞানৰ আৱিষ্কাৰ নোহোৱা হলে আজিও সভ্যতাৰ অন্য এক স্তৰতহে থাকিলহেঁতেন। মানুহৰ জীৱনত প্ৰকৃতিদত্ত স্বাভাৱিকতাৰ ঠাই বিজ্ঞানৰ ব্যস্ততাই অধিকাৰ কৰিছে। বিজ্ঞানে মানুহৰ অকল শাৰিৰীক শ্ৰমেই লাঘৱ কৰা নাই, ই মানুহৰ অন্তৰৰ দয়া মায়া স্নেহ মমতা, সংশয় ভীতি আদিৰ ক্ষেত্ৰ ক্ৰমে সংকীৰ্ণ হৈ পৰিছে।

আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সাজ পাৰ, বেজী, সূতা, চিলাইকল আদিৰ যোগান ধৰিছে বিজ্ঞানে, ঘৰ-দুৱাৰ সজাব সজুলি টিনপাত, গজাল, লোহা, বিলাতীমাটি আদিত বিজ্ঞানৰে দান। মূঠৰ ওপৰত বাতি পুৱা শুই উঠাৰ পৰাই বিজ্ঞানৰ ওপৰতে আমি নিৰ্ভৰ কৰিছো।

বিজ্ঞানে মানুহক এনে এটা স্তৰত উপনীত কৰাইছে যে, য'ত মানুহৰ শক্তি পৰীক্ষাৰ এক শীতল যুদ্ধ চলিছে। দ্বিতীয় মহাসমৰৰ ধ্বংস লীলাৰ ভয়াবহতাই তাৰ জলন্ত নিদৰ্শন। এই মহাসমৰে নাগাছাকি, হিৰোছিমাৰ ওপৰত যি তাণ্ডৱ লীলা চলালে তাৰ স্মৃতি মানুহে এতিয়াও পাহৰিব পৰা নাই আন এটা দিশলৈ লক্ষ্য কৰিলে দেখা পায় যে বিজ্ঞানে মানুহৰ হাতৰ কাম কাঢ়ি লৈ অন্য এক শ্ৰেণীক কৰ্মহীন, কৰি তুলিছে, ফলত দৰিদ্ৰ বোৰ দৰিদ্ৰহৈ গৈছে আৰু ভিকাৰীত পৰিণত হৈছে। বিজ্ঞানৰ যি দৰে কল-কাৰখানা বৃদ্ধি পাইছে সিমানে মানুহৰ স্বাস্থ্য ভাগি পৰিছে কল কাৰখানাৰ ফলত বায়ু দূষিত হৈছে আৰু তাৰ আৱৰ্জনাৰ ফলত সৃষ্টি হোৱা পৰিবেশ মানৱ-জাতিৰ বাবে ভয়ঙ্কৰ বিপদ কঢ়িয়াই আনিছে।

ডাৰউইনে কৈছিল— বিজ্ঞানে মানুহৰ চিন্তা শক্তিক এনে ভাৱে বৃদ্ধি কৰিছে আৰু শাৰিৰীক শ্ৰম এনে ভাৱে কমাই তুলিছে যে এসময়ত মগজুৰ বৃদ্ধি হৈ হৈ মানুহৰ মূৰটো ডাঙৰ হৈ পৰিব আৰু হাত-ভৰিৰ চালনা নোহোৱাৰ বাবে চিয়া হৈ যাব আৰু কুষ্মাণ্ড সদৃশ হ'ব "। ইয়াত অতিৰঞ্জনৰ দোষ থাকিলেও ই যে এটা বাস্তৱ সমস্যাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে ই ধ্ৰুৱ।



সদৌ শেষত ইয়াকে কব পাৰি যে বিজ্ঞান দৈত্যও নহয় ঈশ্বৰো নহয়; ই মানুহৰ এক অপূৰ্ব সৃষ্টি। বিজ্ঞানক দানৱ বুলি ভাবিলে সমগ্ৰ পৃথিৱী নিৰৰ্থক যেন লাগে আৰু বিজ্ঞানৰ মহৎঅৱদানক ঈশ্বৰৰ কাৰ্য্য বুলি ভাবিলে দানৱ ৰূপক একেবাৰেই দেখা পোৱা নাযায়।

— + —

## 'প্ৰতিক্ৰিয়া'

"তোমাৰ আচাৰ ব্যৱহাৰ যদি নীচ হয় তেন্তে তুমি উচ্চ আৰু উদাৰ মনৰ অধিকাৰী হব নোৱাৰা।"

— ভেৰ্মা।

"সেউজীয়া গছবোৰ আকাশৰ বুকুত পৃথিৱীয়ে আঁকা একো একোটা অনুপ কবিতা।"

— খলিল জিব্ৰাণ

# মানৱ দেহত এণ্ডোক্রিন গ্রন্থি আৰু হৰমনৰ ভুমিকা ।

শ্ৰী অভিনৱ কোঁৱৰ
স্নাতক ৩য় বাৰ্ষিক ( বিজ্ঞান )

মানৱ দেহত একপ্ৰকাৰৰ গ্ৰন্থি আছে । এই গ্ৰন্থিবিলাকে অতি প্ৰয়োজনীয় এবিধ গুন সম্পন্ন দ্ৰব্য ক্ষৰণ কৰে । এই দ্ৰব্যৰ নাম হৈছে হৰমন ( Hormone ) । এই হৰমন মানৱ দেহত কোনো নলীয়েদি বাহিৰ নহৈ তেজৰ লগত মিহলি হয় আৰু এইদৰে তেজৰ লগত মিহলি হোৱা কাৰ্য্যক অন্তঃক্ষৰন বা অন্তঃস্ৰাৱ বোলা হয় । যি বিলাক গ্ৰন্থিয়ে এই হৰমন ক্ষৰন কৰে তাক অন্তস্ৰাৱী গ্ৰন্থি বা এণ্ডোক্ৰিন গ্ৰন্থি বোলা হয় । মানৱ দেহত কেইবা প্ৰকাৰৰ অন্তঃস্ৰাৱী গ্ৰন্থি আছে । মানৱ দেহত থকা প্ৰধান অন্তঃস্ৰাৱী এণ্ডোক্ৰিন গ্ৰন্থি সমূহ হৈছে –

(ক) পিটুইটাৰী গ্ৰন্থি (Pituitary Gland) এইবিধ গ্ৰন্থিৰ ঠাই হৈছে মস্তিকৰ ঠিক তল ভাগত। এই গ্ৰন্থিৰ কাৰ্য্যক্ষমতালৈ লক্ষ্য কৰি ইয়াক দুই ভাগত ভাগ কৰা হৈছে । যেনে— পূৰ্ববৰ্ত্তী পিটুইটাৰী গ্ৰন্থি ( Anterior Pituitary Gland ) এই বিধ গ্ৰন্থি দেখাত সৰু হলেও ইয়াৰ কাৰ্য্যক্ষমতা অসীম । ইয়াৰ পৰা কেইবা প্ৰকাৰৰো হৰমন ক্ষৰন হয় । প্ৰধানকৈ এই হৰমনৰ দ্বাৰা মানৱ দেহৰ যৌন গ্ৰন্থিৰ বৃদ্ধি কাৰক, দুগ্ধকাৰক আদ্ৰিনাল নিবাৰক হৰমন গোনাড নিবাৰক হৰমন, বৰ্ণোদ্দীপক হৰমন আদিয়ে প্ৰধান ।

বৃদ্ধি কাৰক হৰমনৰ ( Growth Hormone ) এই মানৱ দেহৰ শাৰীৰিক বৃদ্ধি হয় । এই বিধ মানৱ দেহত থাকিলে শৰীৰ বৃদ্ধি আৰু বৃদ্ধি হয় । বুদ্ধি বৃত্তি বঢ়াতও এই হৰমনে ভাগ লয় । দুগ্ধকাৰক হৰমনৰ প্ৰভাৱত নাৰীৰ স্তনৰ গাখীৰ বৃদ্ধি হয় । এই হৰমনৰ অভাৱত নাৰীৰ স্তনত গাখীৰ হব নোৱাৰে । আদ্ৰিনাল হৰমনৰ প্ৰভাৱত মানৱদেহত আদ্ৰিনাল দুটা আৰু গোনাড হৰমনৰ প্ৰভাৱত গোনাড দুটা নিয়ন্ত্ৰিত হয় । বৰ্ণোদ্দীপক হৰমনৰ প্ৰভাৱত মানৱ দেহত বং নিয়ন্ত্ৰন হয় । সেই দৰে পাশ্চাৎবৰ্ত্তী ( Posterior Pituitary Gland ) পিটুইটাৰী গ্ৰন্থিৰ পৰা দুই প্ৰকাৰৰ হৰমন উৎপন্ন হয় সেইয়া হল "অক্সিটোচিন, আৰু পেট্ৰোচিন । অক্সিটোচিনে জৰায়ুৰ পেশীৰ সংকুচন ঘটায় । পেট্ৰোচিনে শৰীৰত তেজৰ চাপ বৃদ্ধি কৰে আৰু প্ৰস্ৰাৱ ভাৱ নাইকীয়া কৰে ।

পিটুইটাৰী গ্ৰন্থিৰ নিস্ক্ৰিয়তাৰ ফলত মানৱ দেহত নানা ধৰনৰ বেমাৰে দেখা দিব পাৰে । এই গ্ৰন্থিৰ হৰমন উৎপাদন ক্ষমতা লোপ পালে ক্ষয়ৰোগ আদিও হব পাৰে । নাৰীৰ মাসিক স্ৰাৱ বন্ধ হব পাৰে, স্তনত গাখীৰ নাইকীয়া হব পাৰে, ৰতিশক্তি লোপ পায়, চুলি সৰে । যৌনাঙ্গত যৌনকেশৰ চকুৰ ভ্ৰূযুগন পাতল বা নাইকীয়া হব পাৰে ।

(খ) থাইৰয়েড গ্ৰন্থি :— মানৱ দেহৰ ডিঙিৰ সন্মুখ ভাগত এই গ্ৰন্থিয়ে অৱস্থান কৰে এই গ্ৰন্থিৰ দ্বাৰা উৎপন্ন হোৱা হৰমনে মানৱ দেহৰ দৈঘ্য নিৰুপন কৰে । ইয়াৰ নিস্ক্ৰিয়তাৰ ফলত মানুহ চাওতা হয় । নাৰীৰ ৰজঃ



কষ্ট বা ঋতুস্ৰাৱ অনিয়মীয়া হৈ পৰিব পাৰে । মনোদৈহিক বিকাশ সাধন আৰু দেহৰ দহন কাৰ্য্যৰ লগত এই গ্ৰন্থিৰ নিগূঢ় সমন্ধ আছে । গৰ্ভৱতী অৱস্থাত এই গ্ৰন্থিৰ আকাৰ বৃদ্ধি হয় ।

থাইমাছ গ্ৰন্থি : ( এই গ্ৰন্থি মানৱ দেহৰ বুকুৰ মাজত লুকাই থাকে । শিশু অৱস্থাত এই গ্ৰন্থি স্পষ্ট থাকে কিন্তু যৌৱন কাল পোৱাৰ লগে লগে এই গ্ৰন্থিটো ক্ষয় প্ৰাপ্ত হৈ চিনিব নোৱাৰা হয় । এই গ্ৰন্থিৰ পৰা ক্ষৰিত হৰমনে যৌন গ্ৰন্থিৰ দ্ৰুত বিকাশত বাধা দিয়ে ।

চুপ্ৰানিয়েল গ্ৰন্থি :— মূত্ৰ যন্ত্ৰৰ (kidney) ওপৰ ভাগত চুপ্ৰাৰিনেল গ্ৰন্থিৰ অৱস্থান । এই গ্ৰন্থিটোৰ যৌনিক সম্পৰ্ক কি, দেহ তত্ববিদ সকলে এতিয়াও ভালদৰে জানিব পৰা নাই । এই গ্ৰন্থিৰ বাহিৰৰ যিটো আৱৰন তাৰ বৃদ্ধিৰ ফলত মানুহৰ ( পুৰুষ ) যৌনিক আকাশ পক্কতা আহিব পাৰে । সেইদৰে নাৰীৰ ক্ষেত্ৰত পুৰুষৰ লক্ষনে দেখা দিব পাৰে । এই গ্ৰন্থিৰ মজ্জাৰ পৰা নিঃক্ষৰিত হৰমনে তেজৰ চাপ বঢ়ায় আৰু কলিজাৰ স্পন্দন বৃদ্ধি কৰে ।

অণ্ডকোষ :— বৈজ্ঞানীক তথ্য সমূহৰ পৰা জনা যায় যে পিটুইটাৰী গ্ৰন্থি আৰু অণ্ডকোষৰ সম্পৰ্ক অভেদ্য । পিটুইটাৰী অনুপ্ৰেৰনা অবিহনে অণ্ডকোষ পুং হৰমন (Male Hormone ) উৎপাদন কৰিব নোৱাৰে ।

ডিম্বাশয় :— পুৰুষৰ অণ্ডকোষৰ দৰে নাৰীৰ ডিম্বাশয়ত পিটুইটাৰী গ্ৰন্থিৰ পৰা অনুপ্ৰেৰণা লাভ কৰে । সেই গ্ৰন্থিৰ অনুপ্ৰেৰণা নাপালে ডিম্বাশয়ে স্ত্ৰী-হৰমন ( Female Sex Hormone ) উৎপাদক কৰিব নোৱাৰে ডিম্বাশয়ে দুই ধৰনৰ হৰমন ক্ষৰন কৰে এষ্টিন ( Oestrin ) আৰু প্ৰজেষ্টিৰ বা লিউটিয়েল ( Luteal ) । স্তনযুগলৰ পৰিপুষ্টি সাধন আৰু ঋতুস্ৰাৱ এই এষ্টিন নামৰ হৰমনৰ প্ৰভাৱত হয় । ভ্ৰূনক জৰায়ু গৰ্ভত প্ৰোথিত কৰা স্তনযুগলত দুগ্ধ সঞ্চাৰ কৰা আৰু গৰ্ভা অৱস্থাত নাৰীৰ ঋতুস্ৰাৱ বন্ধ থকা আদি কাৰ্য্য সংঘটিত হয় প্ৰেজিষ্টিৰ বা লিউটিয়েল হৰমনৰ প্ৰভাৱত ।

এই দৰে মানৱ দেহত থকা এণ্ডোক্ৰিন গ্ৰন্থি আৰু তাৰ পৰা উত্তৰ হোৱা বিভিন্ন গ্ৰন্থি সমূহে বিভিন্ন ধৰনৰ হৰমন ক্ষৰন কৰি মানৱ জীৱনৰ যথেষ্ঠ ভুমিকা লয় ।

( সহায় লৈ )

— × —

"সুন্দৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰ মাতে,
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে"।

# যুগৰ শিল্পী জ্যোতি প্ৰসাদ আগৰৱালা।

শ্ৰী নীলিমা চাংমাই।
স্নাতক ২য় বাৰ্ষিক।
কলা বিভাগ।

'ফুলিছে সহস্ৰ ফুল
কত যুগ ধৰি,
গাবহি অনন্তকাল কুলিয়ে অমিয়া,
বিলাব সৌৰভ ফুলি শত ফুল-কলি
তথাপিতো নহব যে শেষ
অতৃপ্ত হিয়াৰ মোৰ সৌন্দৰ্য্য সাধনা'।

কবিৰ প্ৰাণৰ আকুল আবেগেই কবিতাৰ ৰস, সৌন্দৰ্য্য-পিয়াসী হৈছে জ্যোতিৰ মন; সেই বিংশ শতাব্দীৰ অসমীয়া যুগমানস আৰু সংস্কৃতি সাধনা যদি কোনো একক ব্যক্তিৰ প্ৰতিভাৰে প্ৰতিফলিত হৈছে তেনে হলে সেই জনা হৈছে জ্যোতি প্ৰসাদ আগৰৱালা। অসমৰ নৃত্য-গীত নাট আৰু কাব্যত অসমীয়া সংস্কৃতিৰ জীৱনত যি অভিনৱত্ব আনি সৰ্ব্বভাৰতীয় আৰ্য্য সংস্কৃতিৰ লগত সমগ্ৰ অসমীয়া জাতিক সাঙুৰি দি সুকুমাৰ কলা সাধনাৰ বাট প্ৰশস্ত কৰি দিলে সেই জনা মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ পাছতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদকে বুলিব পাৰি। সেই জ্যোতি প্ৰসাদৰে জ্যোতি প্ৰপাতত অৱগাহন কৰি অসমীয়া কলা-সুলভ মনে মুক্ত সংস্কৃত মনৰ উদাৰ আনন্দ চিৰকালৰ কাৰণে হৃদয়ঙ্গম কৰিবলৈ সক্ষম হ'ল। অকল সক্ষমেই নহয় নৃত্য-গীত, নাট, কাব্যত নিজকে বিলীন কৰি দি অসমীয়াৰ প্ৰাণে বিশ্ব প্ৰকৃতি খনকো আঁকোৱালি লবলৈ সাধনাত নিবিষ্ট হ'ল। শিল্পী জ্যোতি প্ৰসাদৰ সৌন্দৰ্য্য পিপাসু মনে প্ৰকৃতিৰ বিচিত্ৰতাৰে মণিমুগ্ধ হৈ নিৰুপমা অসমক লুইতৰ পাৰে-পাৰে বন-বননিৰ অন্তৰে অন্তৰে গুহা-গহ্বৰৰ বক্ষে-বক্ষে. শিল্পী সুন্দৰৰ খোৰাক বিচাৰি জীৱনটো ছন্না-পাত কৰিলে। সমাজত সৌন্দৰ্য্য ৰাজনীতিত সৌন্দৰ্য্য, গীত-মাতত সৌন্দৰ্য্য, ভাৱনাত-সৌন্দৰ্য্য, চলনে-ফুৰনে শয়নে-সপোনে সৌন্দৰ্য্যৰে মহিমা বিচাৰি যিজনে আজীৱন সুন্দৰকে আৰাধনা কৰি গ'ল সেই জনা অসমৰ নট সূৰ্য্য জ্যোতি প্ৰসাদ নহৈ কোন হ'ব পাৰে; সেয়েহে তেওঁৰ প্ৰত্যেক খন নাটকৰে প্ৰতিভা, নাটকীয় চৰিত্ৰৰ জীৱন-যৌৱন জাতীয় মানদণ্ডৰ দ্বাৰা



প্ৰস্ফুটিত।

অসমত জ্যোতি প্ৰসাদৰ জন্ম নোহোৱা হলে অসমীয়া সংস্কৃতিয়ে কোন পথে গতি কৰিলেহেঁতেন তাক কোৱা টান। জ্যোতি প্ৰসাদে জন্ম গ্ৰহণ কৰিছিল অসমীয়া সংস্কৃতিৰ মহা সন্ধিক্ষণত।

পাঁচশ বছৰৰ আগতে মহাপুৰুষ শংকৰ মাধৱে অন্যায় অধৰ্মৰ বিৰুদ্ধে যুজি ভাষা -সংস্কৃতিত নতুনকৈ প্ৰাণ-প্ৰতিষ্ঠা কৰিছিল, ঠিক তেনেকৈয়ে বিদেশী শাসনৰ হেঁচাত পৰি লুপ্ত হৈ যাব খোজা শংকৰ দেৱৰ অসমীয়া সংস্কৃতিক জ্যোতিৰ নৱ জ্যোতিৰে আলোক পাত কৰি যাহ কাষ্টিৰ পৰশেৰে নতুনকৈ জীয়াই তুলিলে; অকল শিল্পী মন এটা লৈয়েই নহয়, বহুমুখী প্ৰতিভালৈ জন্ম গ্ৰহণ কৰিছিল জ্যোতি প্ৰসাদে। সৰুৰেপৰাই সাহিত্য নৃত্য গীত সুকুমাৰ কলাৰ প্ৰতি এটা প্ৰবল ধাউতি লৈ বয়স পচকিছিল। সেয়ে বাল্যকালৰ পৰাই ফুটি উঠিছিল অতুলনীয় প্ৰতিভা।

শিক্ষা সাং কৰি পালেগৈ ডেকা বয়স। উচ্চ শিক্ষাৰ কাৰণে বিলাতলৈ যাত্ৰা কৰিলে। কিন্তু বিলাতত কিছুদিন থকাৰ পাছত এটা বিৰাট খেলি-মেলিয়ে দেখা দিলে। বাপেক মাকৰ ইপ্সিত উচ্চ শিক্ষা লাভ কৰা নহয় সঙ্গীত চৰ্চাতহে মনোনিৱেশ কৰিবলৈ আৰম্ভ কৰিলে।

প্ৰাশ্চাত্য সঙ্গীত চৰ্চা কৰাৰ পাছতেই নিজৰ ভিতৰতে আকৌ অসন্তুষ্টিৰ ভাৱে প্ৰবল ভাৱে পীড়িবলৈ ধৰিলে। জাতীয় কলা সংস্কৃতি কাৰণে অন্তৰত প্ৰচণ্ড জোৱাৰ উঠিল। বিশ্ব-বিখ্যাত শিল্পী এপেষ্টে ইনে ভাস্কৰ্য্য কথা শৈলী দেখি বিস্ময় মানিলে। আজিৰ বিশ্ব-স্থাপত্যৰ ৰৌপিক সকলতা আৰু স্তুপৰ সমা-বেশেৰে ৰচনা কৰিব খোজা মদানিষ্ট স্থাপত্যৰ সৌন্দৰ্য্যৰ আদিম প্ৰকাশ শ্ৰীমন্ত শংকৰৰ নাম ঘৰতে আছে। মহাপুৰুষৰ স্থাপত্য-ভাস্কৰ্য্যৰ প্ৰতিভাৰ ভৱিষ্যতিক দৃষ্টিভঙ্গীয়ে জ্যোতি প্ৰসাদক নিজৰ পাত চিকুটি গম লবলৈ শিকালে। সেই অভিজ্ঞতায়ে জ্যোতি প্ৰসাদক নামঘৰৰ বৰ থাপনাৰ ওচৰলৈ টানি আনিলে। পিছত নিজেই কৈছিল পশ্চিমীয়া শিক্ষা পাই অহংকাৰত অন্ধলা হৈ ঘৰৰ প্ৰতিভাক চিনি নাপাই ফুৰা মোৰ মনটোৰ সকলো অহংকাৰ সেই দিনা ধুলিসাৎ হৈ গ'ল; সেই দিনাৰ পৰাহে মই অসমীয়া হবলৈ আৰম্ভ কৰিলোঁ; মোৰ ভিতৰৰ চাহাবটো ওলাই লৰ মাৰিলে।

ইউৰোপত কেইবছৰ মান কাল কটাই অসমৰ জ্যোতি অসমলৈ ঘূৰি আহিল। সংস্কৃতিৰ প্ৰগতিৰ বৰ ভেটি ঐতিহ্যক সেৱা জনাই শঙ্কৰদেৱৰ দেশৰ উঙলি যাব খোজা কলা কৃষ্টিক সঞ্জীৱন কৰিবলৈ বুলি চাহ বাগিছাৰ মালিকৰ আলাসৰ লাক হৈ ওচৰ চুবুৰীয়া গাঁৱলীয়া বাইজৰ ঘৰে ঘৰে মজিয়াত নিজেই ডুখৰি পীৰা পাৰি বহি ললেগৈ।

প্ৰথম যৌৱনতে জ্যোতি প্ৰসাদে দেখিলে অসমৰ পাৰ্ব-চহৰে বঙালী নাট, বঙালী গীত পুথিয়ে-পোখা মেলিলে। বিপ্লৱী শিল্পীৰ মনত বিদ্ৰোহে জাগি উঠিল, শোণিত কুঁৱৰীৰ সৃষ্টি হ'ল। সেইয়া প্ৰথম যৌৱনৰ ফাগুনী বতাহত উৰি অহা হেজাৰ-বিজাৰ সপোনৰ কল্পনা মধুৰ প্ৰতিছবি। পদদলিত জাতিটোৰ সেই কালৰ ভদ্ৰলোক সকলৰ কাৰণে ৰুচি-বোধক গাৱঁলীয়া সুৰৰ গীত মাতেৰে বজিতা খুৱাই শোণিত কুঁৱৰীতে অসমীয়া সংগীতৰ প্ৰথম বিপ্লৱ আনে। এই শোণিত কুঁৱৰী নাটকৰ ভিতৰেদিয়েই জ্যোতি প্ৰসাদে অসমীয়া নৃত্য গীতৰ নৱ সঞ্জীৱনীৰ সপোন দেখে। এইয়া বিদেশলৈ যোৱাৰ আগৰে কথা।

তাৰ পিছতেই প্ৰচণ্ড বৈপ্লৱিক চিন্তা-ধাৰাৰ সৃষ্টি কাৰেঙৰ লিগিৰী অসমীয়া নাট্য সাহিত্যৰ উজ্জ্বলতম আলোকপ্ৰপাত। ইয়াৰ চৰিত্ৰ, কল্পনা, ৰচনা শৈলী আৰু মনস্তাত্ত্বিক দৃষ্টি ভঙ্গী অভিনৱ অপূৰ্ব। এনে যুগান্তকাৰী বৈপ্লৱিক জীৱন দৰ্শনৰ প্ৰতিছবি কোনো অসমীয়া নাটকতে ফুটাই তুলিব পৰা নাছিল, আৰু আজিও পৰা নাই।

তৰ বয়সতে লিখা 'লভিতায়ো' দেশা-ত্মবোধৰ অসাধাৰণ চানেকা দাঙি ধৰিছে। লভিতাখন চিত্ৰাভিনয়ৰ কাৰণে লিখাইছিল আৰু চিত্ৰ ৰূপ দিবলৈও চিন্তা কৰিছিল। লভিতাৰ মাজেদি নাট্যকাৰে দাসত্বৰ শৃংখল মুকলি কৰিবলৈ দেশৰ ডেকা দলৰ মাজত বিদ্ৰোহৰ লেলিহান জুইৰ ফিৰিঙতি মেলি দিছিল।

কথাছবি জয়মতী'। কথাছবি কেনেকৈ নিৰ্মাণ কৰে তেনে কোনো ধাৰণা নোহোৱা এচাম মানুহক লৈ 'জয়মতীক' চিত্ৰৰূপ দিব, ই কম আত্মবিশ্বাস আৰু সাহসৰ কথা নাছিল। দুই এজনৰ বাহিৰে কোনেও 'মুভি' কেমেৰা দেখা নাছিল বৰ আচৰিত হ'ব লাগে। 'জয়মতী' কথাছবি চিত্ৰৰূপ দিয়াত বহুতো অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। এই-দৰেই 'চিত্ৰবন' প্ৰতিষ্ঠা কৰি হাজাৰ-বিজাৰ অসুবিধাৰ সন্মুখীন হৈও 'জয়মতীক' চিত্ৰৰূপ দি অসমীয়া সমাজে ভাবিব নোৱাৰা কাৰ্য্য কথা ছবিৰ পথ প্ৰদৰ্শন কৰি যি অৱদান দিলে তাক কোন অসমীয়াই পাহৰিব?

নতুন যুগৰ বন্তি জ্বলাওঁতা জ্যোতি প্ৰসাদ আছিল সঁচাকৈ পৰা বিপ্লৱী। জ্যোতি প্ৰসাদে আবেগময়ী সপোনৰ মাজেদিয়েই নহয় নিৰ্মম বাস্তৱ আৰু কৰ্ত্তব্যৰ মাজেদিয়েই উপলব্ধি কৰিছিল অসমীয়া সংস্কৃতিৰ ভয়াবহ ৰূপটো। দেখি ধ্বংসোন্মুখী, মৃত্যু-মুখী সংস্কৃতিৰ মাজত থিয় হৈ। নতুন ৰূপেৰে উপলব্ধি কৰিলে পথত স্তূপীকৃত হোৱা আৱৰ্জনাক পৰিস্কাৰ কৰিব লাগিব। তাৰ পাছতহে সৃজন আৰু নিয়ন্ত্ৰণৰ সময় যি সময়ত, যি ক্ষণত কোটি কোটি জনতাই উপলব্ধি কৰিব



পাৰিব যে-সুন্দৰৰ উপাসনাইহে মানৱ সভ্য-তাৰ পূৰ্ণ পৰিচয়, সংস্কৃতিৰ পূৰ্ণ বিকাশ-যি সংস্কৃতিয়ে অকল জাতিকেই নহয়, দেশকে নহয়, গোটেই বিশ্বৰ অগ্নি শুদ্ধ কৰি চিৰসুন্দৰৰ বেদীৰ ওচৰলৈ লৈ যাব পাৰে। এয়া বিশ্ব শান্তি বা মৈত্ৰীৰ সপোন নহয় জানো? সেয়েহ এহাতে বিদ্ৰোহৰ মহাগ্নি জ্বলাই আনহাতে শঙ্খ নিনাদ কৰি নিষ্পেষিত; নিৰ্য্যাতিত কোটি কোটি জনতাক কৈছিল "সাজু হ'বৰে হ'ল ডেকা ল'ৰা সাজু হ'বৰে হ'ল"।

আকৌ মধ্যযুগীয়া ৰোমান্টিক পৰিবেশ এটাৰ মাজেদি হলেও মানুহৰূপী ৰাক্ষসবোৰৰ অবিচাৰ অনাচাৰত অতীষ্ঠ হৈ 'কাৰেঙৰ লিগিৰীত' ভেখেতৰ সপোনৰ সৃষ্টি সুন্দৰ কোঁৱৰৰ মুখেদি কোৱাইছিল প্ৰলয় হ'ব-হওক প্ৰলয়ৰ আৱশ্যক হৈছে। শতাব্দী ধৰি গোট খাই থকা আৱৰ্জ্জনাবোৰ ধুই সমাজক নিৰ্ম্মল আৰু পবিত্ৰ কৰিবলৈ এক প্ৰলয়ৰ অতি আৱশ্যক হৈছে, মই সেই প্ৰলয়ক আজি আহ্বান কৰিছো মোৰ জীৱনলৈ, সমাজৰ জীৱন লৈ ফল স্বৰূপে সুদৰ্শনৰ যোগেদি সৃষ্টি হ'ব চিৰ সুন্দৰ সংস্কৃতিৰ মহামন্ত্ৰ।

মোৰে জীৱনৰে সখা কৃষ্ণ তই
বজাব কি সুৰে বেন্থ,
কপালতে তোৰ কোনে আঁকি দিলে ইন্দ্ৰ ধনু।
সুৰৰে জিজিৰী পিন্ধালি মোক

## সুৰৰে জিজিৰী

জ্যোতি প্ৰসাদে সুৰত প্ৰাচ্য আৰু পাশ্চাত্যৰ এনে এটা অপূৰ্ব্ব সমন্ধ ঘৰ অভিনৱ সৃষ্টি কৰিছিল যি সৃষ্টিয়ে আজি অসমীয়াক নতুন নতুন সুৰেৰে চহকী কৰিলে জ্যোতি প্ৰসাদে অকল নতুনৰ সৃষ্টি কৰিয়েই ক্ষান্ত হোৱা নাছিল, গাঁৱত পৰি থকা থলুৱা লোক গীত; বন গীত, বিয়া নাম, আইনামকো পোহৰলৈ উলিয়াই অসমৰ সুৰ জগতলৈ বিপ্লৱ আনি সুৰ অমৃতৰ সোঁৱতী সুঁতি বোৱালে।

'জয়মতী' কথাছবিৰ নৃত্যৰ লগত সংযোগ কৰা 'হেন মহা দিব্য বন দেখিলন্ত ত্ৰিনয়ন-দিব্য কন্যা আছে একভাত" এই সুৰটি শুনিলে গা-নাচি উঠে। খোল, তাল, কালি, পেপা, মেগেৰা, দবা, শঙ্খ, বৰকাঁহ, আদি খাটি অসমীয়া বাদ্যযন্ত্ৰৰ লগত হাৰমণি-য়ম, চেতাৰ, বাঁহীৰে যি বিৰাট সমন্বয় ঘটায় "শুন শুনৰে শূৰ বৈৰী প্ৰমাণা" সুৰেৰে ঐক্য-তান বাদনৰ যি নতুন সুৰৰ সৃষ্টি কৰিলে সেইটোৰে অসমীয়া সংগীতত কম বিপ্লৱ অনা নাই। তাৰ পাছৰ পৰাহে সেই কালৰ সংগীতজ্ঞ সকলে খোল-তাল আদি গাঁৱৰ বাদ্যযন্ত্ৰকো নগৰৰ মঞ্চত বজাবলৈ প্ৰয়াস পালে। কথা ছবিখন সমাপ্ত কৰি মাতৃ বিয়োগত লিখা।

"জাগা জননী মোৰ

জননী মোৰ জাগা ।
বিকশিত জীৱনৰ পছমৰ এপাহিতে
জননী মোৰ জাগা জাগা" ।

এই গীতৰ সুৰটোত মাতৃ-বিয়োগত পুত্ৰৰ অন্তৰৰ কাপোন আৰু ব্যাকুলতা সহজে ফুটি উঠে, শ্ৰোতাই হয়তো আজিও পাহৰা নাই ।

'জয়মতী' কথা ছবিখনৰ শেষত গীত-টোৱেও মঞ্চ ত্যাগ কৰি অহা দৰ্শকক যেন সোঁৱৰাই দিয়ে —"লুইতৰে পানী বাবি অ' বই দেশে-বিদেশে নগৰে-চহৰে জয়াৰে-বাতৰি ফুৰিবি ক'ই" ।

তাৰ পাছত ৪২ চনৰ কথা । ভাৰতৰ জীৱন মৰণ সন্ধিক্ষণৰ স্পষ্ট প্ৰতিচ্ছবি-হস্কৃতিৰ ৰূপত দেখিবলৈ পায় শিল্পী মনে প্ৰমাদ গণিলে, ফ'ল স্বৰূপে সুৰৰ জিজিৰী পিন্ধা শিল্পাৰ অন্তৰাত্মাই গৰ্জি উঠিল ।

আগ্নি বৃষ্টি আহিব লাগিছে
গৰজে বজ্ৰপাত ।
শিলবৃষ্টি ভূমিকম্প
হব উল্কা পাত
বিশ্ব বিজয়ী নৱ জোৱান ।

লগে লগে মহাগ্নিৰ ফিৰিঙতি জলাই বিদ্ৰোহৰ শিখানিৰে শিখি গল-বজ্ৰগম কণ্ঠেৰে গাই গাই ওলাই আহিল —

কোন ক'ত আছ আহ অ' ডেকা ল'ৰা
সম্মুখ ৰণত হ থিয়,
মাতৃ পূজাৰ ভাগ লবলৈ
বেলি কৰ কিয় ?

আনহাতে জ্যোতি প্ৰসাদ জনতাৰো নেতা আছিল ।

"জনতা তোৰ প্ৰাণত
মনৰো মনত
শিল্পী যে মই
লুকাই আছোঁ ।
তোৰ সপোনৰ কত ছবিত
কত যে ফুল বাছোঁ,
লুকাই আছোঁ" ।

জনতাৰ ওপৰত আস্থা ৰাখি জনতাৰ মাজত নিজক বিলাই দি মহাপ্ৰলয়ৰ তাণ্ডৱ নৃত্যক মধিমূৰ কৰিবলৈ বুলি জনতাক আহ্বান কৰিছিল । —"লুইতৰ পাৰৰে আমি ডেকা লৰা
মৰিবলৈ ভয় নাই,
পুৰোহিত যদি থিতাতে আঁতৰি
ত্ৰাসতে মুচ্ছা যায়
আমি আগবাঢ়ি ডিঙি পাতি পাতি
তেজেৰে বলি শাল যামে বোলাই" ।

এইদৰেই মহা-মনীষাৰ শিল্পী জ্যোতি প্ৰসাদে সংস্কৃতিৰ পোহৰেৰে হুস্কৃতি নাশ কৰি নতুন জ্যোতিৰে আলোকপাত কৰিবলৈ পাতনি মেলিছিল —"ৰূপান্তৰে মাথো জগত ধুনীয়া কৰে এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ" ।

জ্যোতি প্ৰসাদে সংস্কাতক "কৃষ্ণ সংস্কৃতি" বুলিছিল । ধ্বংস আৰু সৃষ্টি এহাতে



এহাতে হুস্কৃতি নাশ কৰিবলৈ মহাৰণৰ পাতনি আনহাতে সংস্কৃতি সৃষ্টিৰ মহা আয়োজন । "জীৱনৰ সকলো ক্ষেত্ৰতেই অহিংসা প্ৰয়োগ কৰিব পাৰিলে মানৱ সংস্কৃতিৰ পূৰ্ণ বিকাশ হ'ব । সকলো অৰ্থনৈতিক, সামাজিক সমস্যা মীমাংসা হোৱাৰ পিছত অহিংসাৰ বাটেদিয়েই মানৱে মহা প্ৰগতিলৈ যাত্ৰা কৰিব পাৰিব" । জ্যোতি প্ৰসাদে কল্পনা কৰিছিল এই পৃথিৱী খনক শিল্পীৰ পৃথিৱীলৈ ৰূপান্তৰ কৰিবলৈ য'ত থাকিব শান্তি মৈত্ৰী আৰু চিৰ সুন্দৰৰ কথা । কিন্তু বিপ্লৱৰ ধ্বনিৰ অগ্নিবীণাৰ ঝঙ্কাৰ জগতক শুনাবলৈ নৌ পাওঁতেই তেওঁৰ ভাষাত "মমৰ দৰে পুৰি পুৰি শেষ হৈ গল" ।

কবিৰ প্ৰাণৰ আকুল আবেগেই কবিতাৰ ৰস, সৌন্দৰ্য্য পিয়াসী জ্যোতিৰ মনত এই আবেগৰ সোঁত অভিনৱ সংগীতৰ সুৰেৰে সন্ধিয়া লুইতৰ সোনোৱালী পানীত তিৰবিৰণি তুলি বৈ আছে । জ্যোতিয়ে এদিন নিজে গাইছিল — "সন্ধিয়া লুইতৰ পানী সোণোৱালী নগৰে চহৰে বাবি ঐ বৈ" ।

তেজপুৰত ৺আনন্দ চন্দ্ৰ আগৰৱালা-দেৱৰ ঘৰৰ পৰা ব্ৰহ্মপুত্ৰৰ বুকুত মাৰ যোৱা সূৰ্য্যৰ ৰাঙলী আভাৰ তিৰবিৰণিত আজিও যেন জ্যোতিৰ সংগীতৰ কঁপনিবোৰ কঁপি কঁপি সাগৰৰ ফালে বৈ গৈ আছে আৰু অসমৰ সৌন্দৰ্য্য পিয়াসী সকলক কৈ আছে —

"ৰূপহ কোঁৱৰৰ চুমা পৰশতে,
লাজুকী কুঁৱৰী মৰহি যায় ।
সোণুতে সুৰগা আহি সানি দিলে,
গোলাপী গালতে ৰঙে চৰাই ।
সপোনৰে সখা আহি দিলে দেখা,
দিয়া সখি দিয়া হিয়া বিলাই" ।

জ্যোতি প্ৰসাদৰ দেশ প্ৰেমৰ তেজেৰে ৰাঙলী হিয়াখনি তেওঁৰ গীতি কাব্যৰ মধুৰ ৰচনাত চিৰজীৱি হৈ থাকিব আৰু অসমীয়া কবি শিল্পীয়ে যুগে যুগে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাৰ অঞ্জলী দি সোঁৱৰিয়েই থাকিব, । সেয়েহে জোনাকী যুগৰ জ্যোতি আজি মৰি ও অমৰ ।

= অন্ত =

ৰস ৰচনা

# এম্বেচাদৰ গাড়ীয়ে মাৰুতীলৈ লিখা চিঠি

শ্ৰীভিম্বেশ্বৰ কোঁৱৰ
স্নাতক মহলা

মৰমৰ
মাৰুতী

তাং ২৮।১১।৮৮
সোণাৰি ষ্টেণ্ড

মৰম লবা। বিশ্বকৰ্মা কৃপাত বৰ্ত্তমান মোৰ কণ্ডিচন ভালেই আছে। তুমি দিয়া গ্ৰীটিংচখন পালো। জানা মাৰুতি বৰ্ত্তমান মই 40. K. Mত চলিবলৈ অলপ অসুবিধা পাইছো কাৰণ যোৱা ২৫ তাৰিখে মোৰ অলপ এক্সিডেন্ট হল। এক্সিডেন্ট মানে বৰ এটা ডাঙৰ নহয় কিন্তু। তুমি আ'ক চিন্তা নকৰিবা। মাত্ৰ মোৰ হেদ লাইটৰ চচ্‌মা যোৰ ভাঙিছে। তথাপি সোণাৰি বড়া গেৰেজত এক্স-ৰে কৰি বৰ্ত্তমান হৰি সিংৰ ওচৰত ট্ৰিটমেণ্ট লৈ আছো। গেৰেজৰ মেকানিক কেইজনৰ মতে সোনকালেই আৰোগ্য হম। মাৰুতী তুমি বাৰু সিদিনা কৰবালৈ গৈছিলা নেকি? মই লাহতী ত্ৰাদাছৰ পৰা দেখিছিলো। সিদিনা তোমাক জি, এম, চি. লগত ক'চিন হওতে কথা পতা দেখিছিলো। মই কিন্তু এইবোৰ ভাল পোৱা নাই। যোৱা কালি ভেনেট আহি তোমাৰ কথা কৈছে। অশোক লিল্যেণ্ড টাটাৰ লগত হলি গলি কৰাটো মই প্ৰচণ্ড কৰা নাই। তোমাৰ যদি মোক লগ কৰিব লগা থাকে তেতিয়া তুমি সোণাৰি ভজো তিনি আলিৰ দিশৃলৈ আহিবা মই তাত প্ৰায় ডিজেল লওঁ।

মাৰুতি তোমাৰ ওপৰত মোৰ বিশ্বাস হেৰাই গৈছে। তুমি সিদিনা মাটি নিয়া শক্তিমানৰ লগত 'ন' পাৰ্কিং''ত বৈ কথা পাতি আছিলা। ট্ৰাফিক পুলিচৰ মাৰ পাই আতৰি আহিলা। লাজ নালাগিল তোমাৰ শক্তিমানৰ লগত কথা পাতিবলৈ। বহুতৰ মুখত তোমাৰ বদনাম শুনিছো। তুমি ভজো ভেনেট কেইখনৰ লগত একে লগে বহি পেট্ৰল লোৱাটো মই সহজ ভাবে লব নোৱাৰো। তুমি মন কৰিবা মাৰুতী ভেনেটতকৈ মোৰ ইনকাম বহুত বেছি। তুমি এইবোৰ নকৰিবা মাৰুতী তোমাৰ চিন্তাত মই কেতিয়াবা ব্ৰেকফেল হৈ যাম। এই কেইদিন ডিজেল লবলৈও এৰি দিছো। তোমাৰ কথা ভাবোতে মই ভজো দলংত এক্সিডেন্ট হম যেন লাগে। মোক খবৰ দিব লগা থাকিলে কমি ট্ৰেভেলচ্‌ৰ হাতত দি পঠাবা।

মাৰুতী ট্ৰাফিকক সদায় মানি চলিবা। ৰঙা লাইটলৈ লক্ষ্য কৰিবা। স্পীদ 4 0 K M কৈ বেছি নিদিবা। বি: নাই। আজিলৈ আহোঁ।

ইতি
তোমাৰ এম্বেচাদৰ
সাপেখাতী গেৰেজ

( ৰস ৰচনা )

# এটা নতুন সংগঠনৰ জন্ম : 'আবা'

শ্ৰীঅৰ্পণ কুমাৰ বৰুৱা (প্ৰবক্তা)

পোটেইখন ওখল মাখল। অহা আহিছে, যোৱা গৈছে। ট্ৰাকত, বাচত, খোজেৰে, ৰিক্সাত, ঠেলাত সক চকা লগোৱা গাড়ীত, কাবোবাৰ কান্ধত উঠি বা ধৰি, চুচৰি বাগৰি জুপিয়াই-জাপিয়াই, পেংলৈ আহিয়েই আছে, গৈয়েই আছে। এই অহা যোৱাৰ কাৰণটো হ'ল আজি বৃহৎ জকাইচুক পথাৰৰ ঠিক সোঁমাজত এটা নতুন সংগঠনৰ জন্ম হব। সংগঠনটো হ'ল 'সদৌ অসম ভিখাৰী সংগঠন' ( All Assam Beggars Association ) চমুকৈ অসমীয়াতে (?) 'আবা'।

বৰ্ত্তমান দেশত এনে কোনো অনুষ্ঠান প্ৰতিষ্ঠান নাই য'ত একোটা বা ততোধিক শ্ৰমিক সংগঠন নাই। বিভিন্ন চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠান বাদেই, নাপিত, মুচি, ৰিক্সা, ঠেলা, ধোবা, গৰখীয়া, ম'হৰখীয়া আদি সকলোৰে সংগঠন আছে, নাই কেৱল ভিখাৰীসকলৰহে। আনকি বিজুলী বাত্তিৰ দৰে প্ৰতিষ্ঠানৰ বোলে ১৭টা নে ১৯টা শ্ৰমিক সংগঠন আছে, তথাপি ৰাইজ মম, কেৰাচিন কিনি হাৰাবাণ। এইবোৰকে দেখি শুনি দেখাক দেখি উঠিল গা কেতুৰিয়ে বোলে মোকো খা' বুলি 'হে-ৰাম ভিখাৰীৰ ( 'হে ৰাম' নামটো আঁমহে দিয়া, অনবৰতে 'হে-ৰাম' 'হে-ৰাম' কৰি থাকে বাবে ) মনতো এটা বুদ্ধি খেলালে বোলে সকলোৱেই কিবা এটা সংগঠন কৰি নিজৰ নিজৰ ৯৫ দফীয়া, ১৫০ দফীয়া বা ততোধিক দাবীৰে হোৱাই নোহোৱাই চৰকাৰক জ্বলা-কলা খুৱাইছে, নাই কেৱল আমাৰ ভিখাৰীবোৰৰহে। অসমত ভিখাৰীৰ সংখ্যাও নিচেই পৰিমৰা নহয়, যদিও তাৰ শতকৰা ৯৫ ভাগ অসমৰ বাহিৰৰ। অৱশ্যে 'হে-ৰাম' ভিখাৰী খাটি অসমৰে। সি অৱশ্যে এনেই ভিখাৰী হোৱা নাই। অলপ পঢ়াশুনাও আছে। মাজতে ঘৰত কিবা খকা-খুন্দা লাগি ফৌজত সোমালগৈ। 'টেইনিং' টোৰ পৰা ওলায়েই দিলে পথায় সেই সময়ৰ বাংলাদেশৰ যুদ্ধলৈ। তাতে যেনিবা হাত দুখন হেৰুৱাই ঘৰৰ ল'ৰা ঘৰলৈ আহি দেখে যে মাটি বাৰী সকলো ৰবলুইতৰ বুকুত। দুটা বছৰতে বহুত ওলট-পালট হৈ গ'ল। বাকী পৰিয়াল পতিজনৰ কোনো খবৰ নাই, কোনেও একো কবও নোৱাৰে। গতিকে সি সেই দিনাৰ পৰা 'হাত কটা ভিখাৰী'টো হ'ল।

এতিয়া সেই 'হে-ৰাম' ভিখাৰীয়েই এই সংগঠনটো খুলি চৰকাৰক নিজৰ দাবী পূৰণৰ বাবে হেঁচা দিবলৈ এই সভাখন আহ্বান কৰিছে। এই বিষয়ে এদিন স্থানীয় নেতাজনৰ লগত আলোচনা কৰোতে তেওঁৱেই টকা পইচা দি গোটেই অসমতে প্ৰচাৰ চলাই মানুহ গোটাবলৈ পৰামৰ্শ দিলে। তেওঁৰ মনত ভাব

মানুহ অলপ বেছিকৈ গোট খালে আজি কেইবা বছৰে কৰলৈ সুবিধা নোপোৱা মনত খুপ খাই থকা কথাখিনি কৈ মনটোত অলপ শান্তি পোৱা যাব।

যিহওক, সভাৰ আহবায়ক 'হে-ৰাম' ভিক্ষাৰীয়ে যথসময়ত মুকলি পথাৰতে টেবুল-চকী হুজোৰামান নেতাজীৰ ঘৰৰ পৰাই অনাই সভাৰ কাম আৰম্ভ কৰিলে। ওপৰুক্ত নেতাক সভাপতি পাতি লৈ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতে টোকাৰী গীত গাই ফুৰা অন্ধ মানুহজনে টোকাৰী গীত এটাও বজালে। তাৰ পাছত বহুত আলোচনা বিলোচনাৰ পাছত নিম্নোক্ত প্ৰস্তাৱকেইটি গ্ৰহণ কৰা হ'ল।

১। ভিক্ষাৰী সকলক পইচা দিলে নিম্নতম ৫'০০ টকা আৰু চাউল-পাত দিলে নিম্নতম ১কিলোগ্ৰাম পৰিমাণত দিবলৈ চৰকাৰে জনসাধাৰণক বাধ্য কৰিব লাগে। আৱশ্যক হলে আইনৰ সংশোধন কৰিও এই ব্যৱস্থা কৰিব। লাগে।

২। ভিক্ষাৰীসকলে কাবোবাৰ পদুলিত মাত দিয়াৰ পাছত গৃহস্থই ভিতৰৰ পৰা বাহিৰলৈ আহিবলৈ লগা সময়ডকৈ বেছি সময় লগালে আৱশ্যকীয় ক্ষতিপূৰণ ( Haltins charge ) দিবলৈ চৰকাৰে জনসাধাৰণক বাধ্য কৰাব লাগে।

৩। অসম চৰকাৰে অসমৰ সকলো ভিক্ষাৰীকে থকা ঠাইৰ সুবিধা দিব লাগে। বিশেষকৈ গুৱাহাটীত নিৰ্মাণ কৰা আনন্দৰাম বৰুৱা সেঁতুৰ তলভাগ আমাৰ বাবে আচুতিয়াকৈ সংৰক্ষণ কৰিব লাগে।

৪। বিহু, পূজা, ঈদ, বৰদিন আদিত জাতি ধৰ্ম্ম বিশেষে কাপোৰ কানি প্ৰদান বিশেষকৈ জাৰৰ দিনত গৰম কাপোৰ বাধ্যতামূলক ভাবে দিব লাগিব।

৫। ৰেল, জাহাজ, মাৰনাও, গাড়ী আদিত ভিক্ষাৰীৰ বাবে বিনামুলীয়া যাত্ৰাৰ সুবিধা দিয়া।

৬। কাম কৰিব পৰা ভিক্ষাৰী সকলক কোনোবাই কাম কৰাৰ কথা কলে চৰকাৰী আইনমতে আৱশ্যকীয় শাস্তি প্ৰদান।

৭। আজি গঠন কৰা এই সংগঠনৰে পইনা লৈ কণা, খোৰা, বোবা, কলা. এখন হাত বা ভৰি-দুইখন হাত বা ভৰি নথকা, গোধা, বুঢ়া বেমাৰী ইত্যাদি ভিক্ষাৰী সংগঠনৰ জন্ম হলে চৰকাৰে স্বীকৃতি প্ৰদান কৰিব নোৱাৰিব।

৮। অলপ শিক্ষা দীক্ষা থকাখিনিক বিদেশত ফুৰিবলৈ যোৱাৰ সুবিধা প্ৰদান কৰা।

৯। 'আন্তৰ্জাতিক ভিক্ষাৰী বৰ্ষ' এটা উদ্‌যাপন কৰিবৰ বাবে ৰাষ্ট্ৰসংঘক হেঁচা দিবলৈ কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰোৱা।

১০। কেতিয়াবা টানে আপদে চোৰ-চাপ্ৰাচী, ঠগবাজী কৰি খোৱাসকলক আৰক্ষীয়ে আটক কৰিলে বিনা বিচাৰে মুক্তি প্ৰদান।

১১। মদ, ভাং, কানি. চৰচ, আদি খোৱা



সকলৰ বাবে সুলভ মুল্যত চৰকাৰী দোকানৰ জৰিয়তে সেইবিলাক যোগান ধৰা।

১২। অসমৰ স্থায়ী ৰাজধানী এই জকাইচুক পথাৰতে স্থাপন কৰা, ( এনে ধৰণৰ সমাধান কৰিব নোৱাৰা, কিন্তু জনসাধাৰণক আকৰ্ষণ কৰিব পৰা দুটামান প্ৰস্তাৱ লগত দিয়া হৈছে )

ইয়াৰ পাছত আৰু প্ৰস্তাৱ পালে বিবেচনাৰ বাবে সুবিধা ৰখা হ'ল। প্ৰস্তাৱ সমূহ 'হে-ৰামে' পাঠ কৰি দিয়াৰ পাছত সকলোৰে হাত চাপৰিত জকাইচুক পথাৰ তল-ওপৰ, হাত নথকাই ভৰিৰে যু জাইছে।

ইয়াৰ পাছত বেলত খোলাকটি হুটুকুৰা লৈ গান গোৱা ভিক্ষাৰী ছোৱালী জনীয়ে এটা হিট হিন্দী গান গালে।

সভাৰ কাম প্ৰায় চমু চাপিবৰ হ'লত 'হে ৰাম' ভিক্ষাৰীয়ে কবলৈ ধৰিলে 'হে বিভিন্ন শ্ৰেণীৰ ভিক্ষাৰী বন্ধুসকল, আমাৰ ওপৰুক্ত প্ৰস্তাৱ সমূহ ৰাজধানীত দিবলৈ যাবৰ বাবে আৱশ্যকীয় ১১ জন প্ৰতিনিধিৰ খা- খৰছাৰ বাবদ আপোনাসৱৰ হাতত যি আছে মুক্ত হস্তে দান কৰক'। সেই বুলি এখন ফটা লুঙিজাতীয় কাপোৰ সভাপতিৰ টেবুলৰ সন্মুখৰ মাটিত পাৰি দিয়া হ'ল আৰু লগে লগে ১০ পইচা, ৫ পইচাৰ এটা জনজননি উঠিল। ( এই সময়তে সভাস্থলীত এটা মৃদু খিকখিকনি )।

তাৰ পাছত 'হে-ৰামে' উক্ত দাবী সমূহ পুৰণ নহলে কি ব্যৱস্থা লোৱা হব তাৰ বৰ্ণনা দাঙি ধৰি সভাপতিৰ অনুৰোধ ক্ৰমে। 'হে ৰামে' ঘোষণা কৰিলে। প্ৰথমতে আমাৰ দাবী পূৰণ কৰিবলৈ চৰকাৰক সোতৰ দিন সময় দিম। সেইখিনি সময়ত চৰকাৰে যদি কিবা আশ্বাস দিয়ে তেন্তে সেই আশ্বাসতে আমি বিশ্বাস নেপেলাই ২৫ জিনমানৰ পৰা ২৪ ঘন্টীয়া, ৫০ ঘন্টীয়া, ১৫০ পৰা ৪০০-৫০০ ঘন্টালৈকে ক্ৰমান্বয়ে অসম-বন্ধ আদি ঘোষণা কৰিম। আমি আশাকৰো বন্ধবোৰ কাগজত ওলালেই ঠিকমতেই বন্ধ হয় যেতিয়া সেই বোৰ পৰ্য্যায়ত আমি কৃতকাৰ্য্য হম, সেইবোৰত কোনো কাম নহলে নেতা ঘেৰাও, ধৰ্ণা; বিমান পৰা যায় ৰাতি খাই দিনত নাখাই আমৰণ অনশন, সিমানতো নহলে কেন্দ্ৰীয় চৰকাৰৰ ঘৰৰ ওচৰত বট গ্লাবত ধৰ্ণা, মুকলি সভা, অনশন আদি, প্ৰচাৰ অভিযান, জনমত গঠন দেৱাল লিখন আদিবোৰ পৰ্য্যায়ক্ৰমে সময়ে সময়ে কাৰ্য্যকৰী কৰা হব। মই পুনৰ আপোনালোকলৈ আহ্বান জনাও যে আমাৰ দাবীবোৰ সহজে পুৰণ নোহোৱাটো আগতেই জনা কথা, গতিকে আন্দোলন দীঘলীয়া হব। সেই সময়ত যিহেতু কণা, কুঁজা, লেঙুৰা ভেঙুৰ মানুহবিধে হিংসাৰ আশ্ৰয় লব নোৱাৰে যেতিয়া আমাৰ আন্দোলন সম্পূৰ্ণ অহিংস

হব। অন্যহাতে হিংসাৰ আশ্ৰয় ললে চৰকাৰে বিদেশী শক্তিৰ হাত থকাৰ কথা কয় যেতিয়া অহিংস হিচাবে থাকি আমাৰ আন্দোলন যে সম্পূৰ্ণ স্বদেশী তাক প্ৰমাণ কৰিম।" এইবাৰ 'হে ৰাম' কাণ তাল মৰা হাত তালিৰ মাজত বহি পৰিল। ইয়াৰ পাছত সভাপতিৰ বহুমূলীয়া মন্তব্য তথা উপদেশেৰে সভাৰ কাম ইমানতে সামৰা হল। জকাইচুক পথাৰ পুনৰ নিজম পৰিল।

সভাপতি নেতাই সভাৰ সাফল্য দেখি 'হে ৰাম' ভিক্ষাৰীক টিপতে নিজৰ লগত মাতি লৈ গ'ল কিবা বোলে ভিতৰৰা কথা আছে।

— + —

# প্ৰবন্ধ

# জ্ঞান পিপাসুঃ

## ৺কৃষ্ণ কান্ত সন্দিকৈ

শ্ৰী প্ৰতিমা বৰগোহাঁই
স্নাতক তৃতীয় বাৰ্ষিক
কলা – ১৯৮৯ চন

"ব্যক্তিত্বত যি জন সুগভীৰ, চৰিত্ৰ যাৰ সুনিৰ্মল আদৰ্শ যাৰ জ্ঞান সাধনা, প্ৰচাৰ বিমুখিতা যি জনৰে বৈশিষ্ট, মনত যি জনে সুদৃঢ় জ্ঞান লিপ্সা যাৰ অপূৰনীয় আৰু অতুলনীয়. যি জনে পণ্ডিতৰ সমালোচনা স্পষ্ট আৰু বিচাৰ প্ৰণালী যুক্তি সঙ্গত অনুসন্ধিৎসা যি জনৰ জীৱন ব্ৰত, অধ্যয়ন যাৰ মনৰ খোৰাক, পাৰ্থিব খ্যাতিৰ প্ৰতি যিজনে অনাসক্ত সেইজন অসাধাৰণ গৱেষক ব্যক্তিয়ে — কৃষ্ণ কান্ত সন্দিকৈ ."

কৃষ্ণ কান্ত সন্দিকৈ সমগ্ৰ অসমৰে চিনাকী এজন মহান পণ্ডিত । এই মহান ব্যক্তিজনৰ জন্ম হৈছিল ১৮৯৮ চনৰ ২০ জুলাইত । ঘৰ আছিল যোৰহাট জিলাত । যোৰহাটেই আছিল তেওঁৰ জন্মভূমি তথা জীৱনৰ শেষ নিশ্বাসৰ ভূমি । মাতৃৰ নাম আছিল নাৰায়নী সন্দিকৈ আৰু পিতৃৰ নাম আছিল ৰাধাকান্ত সন্দিকৈ । সৰুৰে পৰা জ্ঞান পিপাসু সন্দিকৈ আছিল সহজ সৰল । অযথা তেওঁ সৰুৰে পৰা সময় নষ্ট কৰা নাছিল ; অধ্যয়নৰ সাধনাত অচল-অটল ভাৱে থাকি লক্ষ্যত উপনীত হবলৈ চলোৱা ঐকান্তিক প্ৰচেষ্টা দৃঢ় ভাৱে সৰুৰে পৰা আছিল । সেয়ে তেওঁৰ প্ৰবল ইচ্ছা অধ্যয়নৰ সাধনাৰ ফলত জীৱনৰ প্ৰতি পদক্ষেপতে জয়লাভ কৰিবলৈ সক্ষম হৈছিল । সন্দিকৈ ডাঙৰীয়াই প্ৰাথমিক বিদ্যালয় নপঢ়াকৈ হাইস্কুলত নাম লগায় । ১৬ বছৰ বয়স নোহোৱাৰ বাবে তেওঁ হাইস্কুলত শেষান্ত পৰীক্ষা পঢ়ামতে দিবলৈ নাপালে ফলত দুটা বছৰ ঘৰতে নানা পুথি অধ্যয়ন কৰি কটাব লগা হয় । প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী "কটন" কলেজ'ত নাম লগায় । ১৯১৭ চনত কলিকতাৰ সংস্কৃত কলেজৰ পৰা সংস্কৃতত প্ৰথম শ্ৰেণী অনাৰ্চলৈ বি, এ পাছ কৰে আৰু ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বৈদিক শাখাত প্ৰথম শ্ৰেণী লাভ কৰি এম. এ পাছ কৰে । সংস্কৃত কলেজৰ পৰা বি, এ পাছ কৰোতে প্ৰসন্ন কুমাৰ সৰ্বাধিকাৰী সোণৰ পদক পায় আৰু বৃত্তি ও লাভ কৰে । এইখিনি শিক্ষাৰে জ্ঞান লিপ্সাৰ মনত সন্তোষ দিব পৰা নাছিল । সাত সাগৰ তেৰ নদী অতিক্ৰম কৰি ১৯২০ চনত লণ্ডনলৈ যায় । তাত তেওঁ সংস্কৃতত "ডক্টৰেট" ডিগ্ৰী লোৱাৰ ইচ্ছা আছিল যদিও ব্যক্তিগত অসু-

বিধাত পৰি অক্সফোৰ্ড বিশ্ব বিদ্যালয়ৰ পৰা সন্দিকৈ দেৱে "মৰ্ডাণ হিষ্টাৰী" ত ডিগ্ৰীলৈ পেৰিচলৈ যায়। ইয়াৰ পাছত প্ৰায় চাৰিবছৰ কাল ফ্ৰান্স আৰু জাৰ্মানিত কটায়। ফ্ৰান্স আৰু জাৰ্মানিত থাকোতে তেওঁ মিউজিয়ম আৰু লাইব্ৰেৰীত অধ্যয়ন কৰিছিল। ইচ্ছা কৰা হলে এই কেইটা বছৰত সন্দিকৈ দেৱে কেইবাতাও ডিগ্ৰী লব পাৰিলহেঁতেন, কিন্তু ডিগ্ৰী সন্মানৰ লিপ্সাত ডুব নগৈ জ্ঞানৰ লিপ্সাত নিজকে নিয়োজিত কৰি জ্ঞান পিপাসুৰৰ পোশাকোৰ অতি দকৈ পিপোৱাই লৈছিল। ইয়েই এইজনা মহান ব্যক্তিৰ ব্যক্তিত্বৰ পৰিচয় দিয়ে, জ্ঞানৰ তৃষ্ণাময়ী কৃষ্ণকান্ত সন্দিকৈ দেৱে পেৰিছ বিশ্ববিদ্যালয়ত নাম লগাই যদিও কোনো ডিগ্ৰী লোৱাৰ ইচ্ছা নাছিল। এক মাত্ৰ ফৰাচী ভাষা সাহিত্য কথা জানিবৰ বাবে নাম ভৰ্ত্তি কৰিছিল। ইয়াৰ পিছতে তেওঁ ইউৰোপলৈ যায়।

পণ্ডিত সন্দিকৈ দেৱে বিভিন্ন ঠাই স্বচক্ষে দৰ্শন কৰি জীৱন্ত চিত্ৰ চাই চাই, মানুহৰ জীৱন্ত বিৱৰণী লাভ কৰি, প্ৰত্যক্ষ জ্ঞান আহৰণ কৰি মুক্ত আকাশৰ তলত মুক্ত অৱহাৱাত, মুক্ত বহল পৃথিৱীখনৰ অভিনৱ কাৰুকাৰ্য্য, ৰং ৰূপ প্ৰানোচ্ছল ভাৱানুভুতি মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰি মানৱ সমাজ খনত নানা ভাষাৰ নানা পুথি, প্ৰবন্ধ আৰু গল্প লিখিয়ে সমগ্ৰ বিশ্ব চহকী কৰি থৈ গৈছে। ছাত্ৰ অৱস্থাতে বহুত প্ৰবন্ধ আলোচনী আৰু বাতৰি কাকত প্ৰচাৰ কৰি আলোচনী আৰু কাকতৰ মূল্য বহুতকেই বঢ়াইছিল। যি বিলাকৰ যোগেদি মানুহৰ মন জয় কৰি নেপথ্যৰ অভিনেতা হৈ নিজকে চিনাকী দিছিল ভৱিষ্যতে সাহিত্যিক হোৱাৰ। কলেজীয়া ছাত্ৰ-ৱস্থাতে সন্দিকৈ ডাঙৰীয়াই অতি সুন্দৰ কেইটামান মৌলিক প্ৰৱন্ধ লিখিছিল। সেই বিলাক তলত উল্লেখ হ'ল।

১/ বি এ পঢ়ি থাকোতে "সংখ্যা দৰ্শন" বুলি এটা দীঘলীয়া প্ৰবন্ধ লিখে। এই প্ৰৱন্ধটো 'আলোচনীত" চপা হৈ যায়।

২/ এই একে সময়তে আন এটা গভীৰ প্ৰবন্ধ লিখে "ভাৰতীয় চিন্তা" এই প্ৰৱন্ধটো প্ৰকাশ পায় "সন্মিলন প্ৰৱন্ধাৱলী"ত প্ৰথম ভাগত।

৩/ এম এ পঢ়ি থাকোতে আন এটা দীঘলীয়া মৌলিক প্ৰৱন্ধ লিখে "প্ৰাচীন বেবিলনৰ বেদ"। এইটো প্ৰকাশ হয় 'সন্মিলন প্ৰৱন্ধাৱলীৰ' দ্বিতীয় ভাগত।

৪/ ইউৰোপৰ ভাষা আৰু সাহিত্য (চেতনাৰ দুটা খণ্ডত প্ৰকাশ ১৯২৬)

৫/ গ্ৰীক ভাষা (বাঁহী) — ১৯২৬

৬/ জাৰ্মানিৰ জ্ঞান সাধনা (মিলন) ১৯২৭



৭/ অনুবাদৰ কথা (চেতনা)—১৯২১।

৮/ কচ অভিনয় (বাঁহী) - ১৯২৬।

এই কেইটা প্ৰৱন্ধ জ্ঞান পিপাসু কৃষ্ণ কান্ত সন্দিকৈদেৱে ইউৰোপত থকা অৱস্থাত লেখা প্ৰবন্ধ।

ইউৰোপৰ পৰা ঘুৰি আহি তেওঁ বহুতো দাৰ্শনিক মূলক প্ৰবন্ধ, পুথি লিখে। পণ্ডিত সন্দিকৈদেৱে অকল অধ্যয়নৰ চাৰি সীমাৰ ভিতৰতে আৱদ্ধ থাকিছিল এনে নহয়। সাংসাৰিক হিচাবে কাৰ্য্য নিৰ্ব্বাহৰ পাকত পৰি তিকৰাল চাহ বাগিছাতো এক প্ৰকাৰৰ কৰ্মচাৰী আছিল। এই বাগিছাত তেওঁ ব্যক্তিগত পাৰ্গতালীয়ে কোনো বেমেজালী নোহোৱাকৈ কামবিলাক চলাই গৈছিল। এইদৰে বাগানৰ ব্যস্ততাৰ মাজতে তেওঁ 'নৈষধ চৰিত্ৰ'ৰ অনুবাদ আৰু ব্যাখ্যা আদি লেখা আৰম্ভ কৰে।

৵ তুলসীনাৰায়ণ শৰ্ম্মা আৰু যজ্ঞেশ্বৰ শৰ্ম্মাৰ অনুৰোধ ক্ৰমে ১৯৩০ চনৰ অক্টোবৰ মাহত 'জগন্নাথ বৰুৱা কলেজ'ৰ অধ্যক্ষৰ ভাৰ সাদৰেৰে গ্ৰহণ কৰে। ১৯৩০ চনৰ অক্টোবৰ মাহৰ পৰা জগন্নাথ বৰুৱা কলেজখন উন্নতি কৰাৰ লগতে দৃঢ় প্ৰতিজ্ঞা, বুকু ভৰা আশালৈ অবিৰাম ভাৱে প্ৰচেষ্টা চলালে। সন্দিকৈ দেৱে পৰাজয়ৰ গ্লানিক ভৰিৰে গচকি সাফল্য গিৰিশৃঙ্গত পদাপৰ্ণ কৰিলেগৈ। এই জগন্নাথ বৰুৱা কলেজ হ'ল অসমৰ প্ৰথম বেচৰকাৰী কলেজ আৰু ইয়াতে বি. এ শ্ৰেণী খোলাৰ কিছু দিনৰ পিছতে অসমত প্ৰথম বি, কম শ্ৰেণী অধ্যক্ষ কৃষ্ণ কান্ত সন্দিকৈ সমস্ততে খোলা হয়। তেতিয়া অসমত শিক্ষা নীতি শামুকৰ গতিত আছিল। কষ্টৰ জোৱাৰ মথিমূৰ কৰি এইজন ব্যক্তিয়ে ভাল পাইছিল আৰু শিক্ষাৰ প্ৰসৰতাই তেওঁৰ মনত আনন্দৰ জোৱাৰহে তুলিছিল। সেয়েহে যোৰহাট কলেজত আই—এ ( Higher Seconday ) শ্ৰেণীৰ ছাত্ৰ সকলৰ কাৰণে ফ্ৰেন্স ভাষাৰ শ্ৰেণী এটা খোলে ১৯৩১ চনত। শিক্ষা জীৱন সংগ্ৰামী সন্দিকৈ দেৱৰ শক্তিয়ে মানৱ সৃষ্টি বিকাশত যেন প্ৰতিদ্বন্দ্বিতাহে কৰিছিল। জ: ব: কলেজৰ প্ৰতিজন ছাত্ৰকে পাঠ্য পুথি লব্ধ জ্ঞান গভীৰ হবলৈ দৃঢ় হবলৈ আৰু বাস্তৱ অভিজ্ঞতা লাভ কৰিবলৈ সদায় শ্ৰেণীৰ ভিতৰত উৎসাহ দিছিল আৰু ইয়াৰ ফলতেই তেওঁৰ ছাত্ৰসকল অসীম আগ্ৰহ, অনন্ত, উৎকণ্ঠাত পৰিতৃপ্ত হৈছিল। যাৰ ভৱিষ্যতে জ: ব: কলেজৰ ছাত্ৰৰ পৰীক্ষাৰ ফলাফলে সমগ্ৰ অসমতে বিজয়ৰ গৌৰৱ ধ্বজা উৰুৱাইছিল চালুকীয়া অৱস্থাতেই।

"যোগ্য ভোগ্যা বসুন্ধৰা" নামৰ কথাষাৰ সন্দিকৈ দেৱৰ পাত বাৰুকৈয়ে খাতি

খাইছিল । এখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বই তেওঁক জুলুকা কৰিব পৰা নাছিল । ১৯২৭ চনৰ পৰা এহাতে 'নৈষধ চৰিত্ৰ' নামৰ অতি জটিল সংস্কৃত মহাকাব্য খন গৱেষণা চলাই আৰু আনহাতে জগন্নাথ বৰুৱা কলেজৰ গধুৰ দায়িত্ব অধ্যক্ষৰ বাবটি ও লয় । মহান মহান পণ্ডিত সকলৰ মাজত এষাৰ কথা ( সংস্কৃত বচন ) আছে 'নৈষধ বিদ্যাপনকলৰ ঔষধ' । এনে কঠিন কাম কৰিবলৈ মহাপণ্ডিত সন্দিকৈ দেৱৰ গাত সংসাহস আছিল । সময়ৰ সমষ্টিয়েই জীৱন বুলি সময়ক অবাধতে পুলকি যাবলৈ সুযোগ দিয়া নাছিল । ১৯৩৪ চনত এই মহাকাব্য 'নৈষধ চৰিত্ৰ' খন প্ৰকাশ কৰে সাত বছৰ কাল অধ্যয়ন কৰি এইজনা ব্যক্তিৰ জীৱনৰ দ্বিতীয় কীৰ্তিস্তম্ভ হ'ল Tasastilaka and Indian Culture ( যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি ) নামৰ গৱেষণা পূৰ্ণ সমালোচনা মূলক গ্ৰন্থখন । এই গ্ৰন্থখন ১৯৪৯ চনত প্ৰথম প্ৰকাশ হয় । সন্দিকৈ দেৱৰ 'যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি'ৰ সম্বন্ধে পেৰিচ বিশ্ববিদ্যালয়ৰ সংস্কৃত অধ্যাপক এল, ৰনোৱে সমালোচনা কৰিছিল । ফ্ৰেন্স একাডেমিৰ অন্তৰ্গত 'Academic des Inscriptionet Belles Letters, অৰ মুখপত্ৰত ।

"— পিটাৰচনৰ টোকা এটাৰ বাহিৰে যশস্তিলক সম্বন্ধে একোৱেই লেখা হোৱা নাছিল । সন্দিকৈ ডাঙৰীয়াৰ আগ্ৰহ অতি মন কৰিবলগীয়া । তেওঁৰ গভীৰ পাণ্ডিত্য প্ৰায় পোন্ধৰ বছৰৰ আগতে শ্ৰীহৰ্ষৰ নৈষধ চৰিত্ৰতে প্ৰকাশ পাইছিল এতিয়া তেওঁ 'যশস্তিলক' গ্ৰন্থখন প্ৰচলিত হিন্দু কৃষ্টিৰ স্মৃতিৰ লগত সন্মিলিত কৰিলে এইটো ডাঙৰ লাভ ।"

জ্ঞানী পিপাসু কৃষ্ণকান্ত সন্দিকৈ দেৱৰ তৃতীয় কীৰ্তিস্তম্ভ হ'ল সেতুবন্ধ । ১৯৫৮ চনৰ পৰা "সেতুবন্ধ" মহান গ্ৰন্থখন লিখিবলৈ প্ৰস্তুতি চলাই আৰু ১৯৭৪ চনৰ লগে লগে শেষ হয় । সত্য আৰু সুন্দৰৰ সাধক সন্দিকৈ দেৱৰ তিনিখন মহান গ্ৰন্থৰে সমগ্ৰ ভাৰতলৈ চিৰদিনৰ বাবে অৱদান কৰি থৈ সাধনাৰ সুবিমল মন্দিৰ সুন্দৰ ভাৱে সজাই দিলে । এনে গ্ৰন্থৰ অৱদানৰ ফলত শিক্ষাৰ মানৱ সমাজ খন শিক্ষাৰ প্ৰসাৰতা সুন্দৰৰ পৰা সুন্দৰলৈ, খণ্ডতাৰ পৰা পূৰ্ণতালৈ, অন্ধকাৰৰ পৰা পোহৰলৈ, মৃত্যুৰ পৰা অমৃতলোকলৈ, অনিত্যতাৰ পৰা চিৰন্তনলৈ গতিকৰাৰ জ্যোতিৰ্ময় পথ প্ৰদৰ্শন কৰি দেখুৱাই সন্দিকৈদেৱৰ জ্যোতিৰ মাধুৰ্য্যৰে মানৱ সমাজখন গৌৰাৱান্বিত কৰি তুলিছে । যি তিনিখন ( নৈষধ চৰিত্ৰ, যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি আৰু সেতুবন্ধ ) গ্ৰন্থৰ বাবে ভাৰতবাসী তথা অসমবাসীয়ে হাবাথুৰি খাই ফুৰিব লগা হৈছিল । সেই তিনিখন অসমীয়া ৰাইজে হাতৰ কাষতে পালে । সেয়ে আমি তেওঁৰ অৱদানলৈ চালে অসমৰে নহয়, ভাৰতৰে নহয়, সমগ্ৰ জনসাধাৰণৰ ভিতৰে সাহিত্য জগতত লাভ কৰা উচ্চ স্থানৰ আগশাৰীৰ লোক বুলি অভিহিত কৰিব পাৰোঁ । যিজন ব্যক্তিয়ে জ্ঞান সাগৰত আক্লান্ত ভাৱে জ্ঞানবস্তুৰ সন্ধানত সাতুৰি সাতুৰি জ্ঞানৰ শীৰ্ষ বিন্দুত উপনীত হবলৈ সক্ষম হৈছিল সেইজন ব্যক্তিৰ ব্যক্তিত্ব সম্বন্ধে বৰ্ণনা কৰাটো টান । অসমীয়া আৰু বঙালী ভাষাক বাদ দি তেওঁ এঘাৰটা ( ১১টা ) ভাষা সুস্পষ্টকৈ কব আৰু লিখিব পাৰিছিল । সেই এঘাৰটা ভাষা হল --- ১/ ইংৰাজী ২/ সংস্কৃত ৩/ পালি ৪। প্ৰাকৃত ৫/ ফ্ৰেন্স ৬/ জাৰ্মান ৭/ ইটালিয়ান ৮/ স্পেনিচ ৯/ লেটিন ১০/ গ্ৰীক ১১/ ৰাচিয়ান ।

অভিনয়ৰ প্ৰতিত আছিল সন্দিকৈ আছিল পাকৈত । জ্ঞানলিপ্সা সন্দিকৈদেৱে ডেকাকালত কেইবাখন নাটক কৰি সুখ্যাতি লাভ কৰিছিল । প্ৰয়োজন অনুসাৰে মাজে সময়ে প্ৰম্পট কৰে । এদিন এখন নাটকত সন্দিকৈ ডাঙৰীয়াই প্ৰম্পট কৰি আছিল ঠিক তেনে অৱস্থাত নাটকৰ দূতৰ চৰিত্ৰ এটা অভাৱ হোৱাত হঠাতে হাতৰ প্ৰম্পটৰ কিতাপ দলিয়াই স্কীনৰ মাজেদি হুয়োখন হাত আগবঢ়াই কৈছিল 'যিবা আজ্ঞা মহাৰাজ'

ধৰ্ম্মৰ প্ৰতিও আছিল সন্দিকৈ দেৱৰ শ্ৰদ্ধা আৰু ভক্তি । তেওঁ কোনোটো ধৰ্ম্মকে কাম বেছি পৰিমানে ভাল পোৱা নাছিল । জ্ঞান সাধনা সন্দিকৈ দেৱে জ্ঞানতকৈ নৈতিকতাৰ ওপৰত বেছি শ্ৰদ্ধা আৰু ভক্তি তেও চক্ৰোক্লিচৰ এষাৰ বচন মনত দকৈ সাঁচ দি গৈছিল । "জ্ঞানতকৈ ন্যায় পৰায়নতা উৎকৃষ্টতৰ" । নিৰৱ অধ্যয়নশীল নিজৰ লক্ষণ সমূহ হ'ল --- ১/ আত্মা বিশ্লেষণ ২/ আত্মা সমালোচনা আৰু ৩/ অতীতক তেওঁ সদায় পাহৰিব খোজে ৪/ নিজৰ কাম আৰু পদবীৰ কাৰণে তেও নিজে যত্ন নকৰে আৰু সেই খোবৰ প্ৰতি হাবিয়াসো নাছিল । ডাণ্টেৰ এটা বাণী সনিদকৈদেৱে বৰ ভাল পাইছিল ; সেয়া হ'ল No il mondon remore oltho che Lin flato di Yento ইয়াৰ অৰ্থ হ'ল --- ( পাৰ্থিৱ খ্যাতি বতাহৰ নিশ্বাসৰ বাহিৰে একো নাই ) ইয়াৰ পৰা ইয়াকে অনুমান কৰিব পাৰি যে তেওঁ নিচলা অসমৰ, নিচলা ভাৰতৰ পৰা সন্মান পদকলৈ নিজক সন্তোষ্ট কৰাতকৈ অধ্যয়নৰ এটা গৱেষনাই এটা জাতিক এখন সাহিত্য

ক্ষেত্ৰত পিছপৰা দেশত, সাহিত্যত চহকী কৰাটোৱেই আছিল মূল উদ্দেশ্য। বিশেষকৈ অসম তথা ভাৰতৰ নিচিনা এখন দেশক।

১৯৪৮ চনৰ পৰা ১৯৫৭ চনলৈকে অসমৰ প্ৰথম বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য্যৰূপে বিশেষ বিশেষ যোগ্যতাৰে নিবহ নিপানীকৈ কাৰ্য্য বহুলোকে প্ৰশংসা কৰি নানা ভাৱে কৈছে। ছচিয়েলিষ্ট পাটিৰনেতা অশোক মেহতা দেৱে সন্দিকৈ দেৱৰ লগত কথা হৈ যি মন্তব্য দাঙি ধৰিছিলে সেয়া আছিল " ভাৰতত এনে বিশাল ব্যক্তিত্ব সম্পন্ন উপাচাৰ্য্য লগ পোৱা নাই।" আকৌ ১৯৫১ চনৰ জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন উৎসৱত দীক্ষান্ত ভাষন দিওঁতে মহাভাগ ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনে বক্তৃতা আৰম্ভ কৰি সন্দিকৈ দেৱৰ সম্পৰ্কে এই বুলি কয় " Your vice chancellor is not only a vice chancellor but also a great scholar " ( আপোনালোকৰ উপাচাৰ্য্য এগৰাকী অকল উপাচাৰ্য্যই নহয় এজন মহৎ পণ্ডিতো। ) আকৌ ১৯৪৭ চনত জগন্নাথ বৰুৱা কলেজত প্ৰাচ্য বিদ্যা সম্পৰ্কে এটি বক্তৃতা দিবলৈ বিশেষ ভাৱে আমন্ত্ৰিত হৈ আহিছিল ভাৰত বিখ্যাত ভাষাতত্ত্ববিদ পণ্ডিত ডঃ সুনীতি কুমাৰ চট্টোপধ্যায়। তেওঁ কয় — শ্ৰীকৃষ্ণ কান্ত সন্দিকৈৰ দৰে এগৰাকী মহৎ প্ৰাচ্য বিদ্যা পণ্ডিত আপোনালোকৰ কলেজৰ অধ্যক্ষ হৈ থাকোতেই মোক ইয়ালৈ বক্তৃতা দিবলৈ মাতি অনাত মই বৰ অপ্ৰতিভ হৈ পৰিছোঁ — সন্দিকৈ দেৱে উপাচাৰ্য্য হিচাবে কাৰ্য্যৰ যথাৰ্থ সমালোচনা বিলাক সাদৰে গ্ৰহণ কৰিছিল। ব্যক্তি সন্দিকৈ আৰু উপাচাৰ্য্য সন্দিকৈ এই দুয়োজনক সানমিহলি হবলৈ দিয়া নাছিল বুলি ইয়াৰ পৰাই প্ৰমান পাওঁ এবাৰ বিশ্ববিদ্যালয়ৰ ক'টৰ বছেৰেকীয়া সভাত উপাচাৰ্য্যৰ কাৰ্য্যৰ ওপৰত চোকা সমালোচনা কৰা হৈছিল। অধ্যাপক অজিত কুমাৰ শৰ্ম্মাই কথাৰ প্ৰসঙ্গতে এদিন সুধিছিল — উপাচাৰ্য্য হিচাবে চোকা সমালোচনা কৰাত আপুনি কেনে পায়? তেতিয়া সন্দিকৈ দেৱে উত্তৰত কলে 'তুমি মোক সমালোচনা কৰা নাই'

গুৱাহাটী বিশ্ববিদ্যালয় ভাইচ চেন্সেলাৰ-ক হে কৰিছিল।'

ইমান ব্যস্ততাৰ মাজতো তেওঁ নিজৰ দেহটোৰ প্ৰতি চোকা নজৰ ৰাখিছিল। সৰ্ব্বাঙ্গীন উন্নতিৰ সম্পন্ন জীৱন যাপন কৰিবলৈ সু স্বাস্থ্যৰ গৰাকী হব পাৰিছিল। নিজৰ প্ৰচেষ্টাত সেয়ে — তেওঁ সুখৰ ঠাই জীৱন কৰ্ম্মৰ মন্দিৰ; সেই মন্দিৰত আমি সুন্দৰৰ সৌন্দৰ্য্যৰ উপলব্ধি কৰিব পাৰিছো। শিক্ষা উৰাৰ ক্ষেত্ৰটো আছিল, আটোম টোকাৰি। জ্ঞানী পিপাসা সন্দিকৈ দেৱে বগা সাজ পোছাক বৰ ভাল পাইছিল। প্ৰতি মূহুৰ্ত্ততে বগা সাজে তেওঁ মন আকৰ্ষণ কৰে। সেয়েহে তেওঁক প্ৰায় বগা সাজ পোছাকত দেখা পোৱা



গৈছিল, মাত কথাবোৰ আছিল অমায়িক আৰু মন্ত্ৰ মোহাৱদৰে। মানুহক তেওঁ কেতিয়াও অন্তৰত আঘাট দিয়া নাছিল, মাত কথা আচাৰ ব্যৱহাৰত মানুহৰ অন্তৰ জয় কৰিছিল। জ্ঞান সাধক সন্দিকৈ দেৱৰ মাত কথাত যেন তেওঁৰ অতিথি বিলাকে হেপাহৰ অমৃত পানহে কৰিছে।

ফুলৰ প্ৰতিও আছিল বৰ আকৃষ্ট। অধ্যয়নৰ পৰা বিৰত থকা সময় কণ তেওঁ প্ৰায় ফুলৰ লগত পৰম বন্ধুৰদৰে ক্ষন অতি বাহিত কৰে। আপোন বাগিছাখনত ফুলি থকা নানা ফুলে জ্ঞান বীৰ সন্দিকৈ দেৱক মুক্ত আকাশৰ তলত, ধাৰাৰ বুকুত পুষ্পাৰ সুবিমল স্নিগ্ধমধুৰ শুভ্ৰতাই চিত্তহৰণকাৰী এক স্বপ্ন ৰাজ্যৰ সৃষ্টি কৰে। অনাবিল আনন্দৰ নিজৰা বোৱাই পোকে খৰা পুষ্পাৰ পাতবোৰ, ফুলবোৰ চুৰি এখনৰে কাটি কাটি আঁতৰাই ফুলৰ সৌন্দৰ্য্য আৰু বেছি বঢ়াইছিল। এই খিনি কৰিয়ে তেওঁ ক্ষান্ত নাছিল — ৰাতি টৰ্চ মাৰি ফুল চাই বৰ ভালপায় আৰু ফুলৰ মাজে মাজে মনটোক ফুলৰ সুবাসেৰে সুবাস বুটলি মন প্ৰাণ জুৰাইছিল। অনেক পুতেক জীয়েকৰ বিয়াটো ৰভাৰ তলত থাকিবলৈ পাহৰি ফুলৰ কাষত থকা হে দেখা পোৱা গৈছিল।

জ্ঞান-ৰত্ন সন্দিকৈ দেৱে কিবা এটা কৰিম বুলি ভাবিলে শেষ নোহোৱা পৰ্য্যন্ত লাগিয়ে থাকে। কেতিয়াবা অধ্যয়ন কৰোতে কৰোতে বহুত ৰাতি হয়, তেতিয়া খোৱা শুৱা অনিয়মিত হৈছিল। সেয়ে তেওঁ নিজকে ভয় খোৱাৰ ইচ্ছাৰে তেওঁৰ ঘড়ীটো ২/৩ঘন্টা আগবঢ়াই থয়। অধ্যয়ন সাধক সন্দিকৈ দেৱে তিনিটা ভাগত একোটা নিৰ্দিষ্ট সময়ত — কেতিয়াবা বহি কেতিয়াবা থিয়হৈ আৰু কেতিয়াবা শুই শুই পঢ়িছিল। সকলো পৰা জ্ঞানবীৰ সন্দিকৈ দেৱে সময়ৰ মূল্য ইমান বেছি বুলি ভাবিছিল কেনেবাকৈ এদিন বা এবেলা সময় এনেই খৰচ কৰিলে সেই সময় কন হয়তু পুনৰ ঘূৰাই পোৱাটো অসম্ভৱ আৰু নোৱাৰাটোৱেই জীৱনৰ এটা ধাৰা বুলি ধৰি লৈছিল। জ্ঞান সাধনাৰ অৱস্থাত তেওঁক কিছুমান সৰু সুৰা ঘটনাইও জুমুৰি দিব পৰা নাছিল সেয়ে এবাৰ ভূমিকম্প আহোঁতে লগুৱা এজনে সন্দিকৈ ডাঙৰীয়াক কলেগৈ — 'দেউতা, দেউতা ভূমিকম্প আহিছে! উত্তৰত জ্ঞানমগ্ন সন্দিকৈ ডাঙৰীয়াই কৈছিল বহিবলৈ দে গৈ যা।'' অধ্যয়নত কিমান মগ্ন আছিল ইয়াতে আমি প্ৰমান পাওঁ। জ্ঞানবীৰ ৰাধাকান্ত সন্দিকৈ দেৱে পাণ্ডিত্য ঐশ্বৰ্য্য আৰু সন্মানৰ অধিকাৰী কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক কৈছিল — "মই আৰু এটা লাইব্ৰেৰীহে কিনিলো।" ইয়াৰ পৰা আমি জ্ঞানচৰ্চা সন্দিকৈ দেৱক "এৰিষ্টক্ৰেট" আছিল বুলিও বুজিব পাৰো।

উচ্চশিক্ষাৰ বাবে সন্দিকৈ দেৱে মহান পণ্ডিত সকলৰ উৎসাহ ও প্ৰেৰণা নোপোৱা নহয়। ছাত্ৰ জীৱন আৰম্ভনীৰ পৰাই স্বনামধন্য নবীনচন্দ্ৰ বৰদলৈৰ পৰা সন্দিকৈ দেৱে যি

অনুপ্ৰেৰণা পাইছিল ঠিক তেনেদৰে বৰদলৈদেৱৰ ব্যক্তিত্বত তেওঁ মুগ্ধ হৈছিল। ডঃ কুমাৰ ভূঞা আছিল সন্দিকৈ দেৱৰ Friend, Philosopher and Guide ১৯১৫ চনৰ পৰা ১৯১৬ চনলৈকে ডঃ ভূঞাদেৱে সন্দিকৈ দেৱক প্ৰতিটো ক্ষনতে বৰ সহায় কৰিছিল, গতিকে সন্দিকৈ দেৱে ডঃ ভূঞাক গোটেই জীৱনই তেওঁ সম্ভাৰ আৰু শ্ৰদ্ধা ৰাখে।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ও আছিল উচ্চ শিক্ষাৰ লোৱাত উৎসাহ উদ্‌গনিৰ বাহক সেয়ে জ্ঞানসাধক সন্দিকৈ ডাঙৰীয়াই বেজবৰুৱা দেৱে দিয়া প্ৰতিখন ইংৰাজী চিঠি অতি আগ্ৰহেৰে পঢ়ে আৰু সযত্নৰে ৰাখি থৈছিল।

ডঃ বানীকান্ত কাকতিৰ লগতো স্বনাম ধন্য সন্দিকৈ দেৱৰ পৰম হিতৈষী বন্ধু আছিল।

তেওঁলোকৰ হয়োজনৰে মিলা প্ৰীতিও পৰস্পৰ সম্ভাৰ গঢ়ি উঠিছিল ছাত্ৰ অৱস্থাৰ পৰাই। অভিজ্ঞতাৰ বাহিৰেও সাহিত্য আৰু ভাষতত্ত্ব দুয়ো বিষয়তে গভীৰ পাণ্ডিত্য থকা কাকতিদেৱে 'অসমীয়া বিভাগৰ ঘাই অধ্যাপক নিযুক্ত হোৱাত বিশ্ববিদ্যালয়ৰ অসমীয়া অসমীয়া শিক্ষাৰ গুৰিৰে পৰা মৰ্যাদা বঢ়াইছিল। জ্ঞান পিপাসু সন্দিকৈ দেৱৰ সান্নিধ্যতা।

কৃষ্ণকান্ত সন্দিকৈ একালে যেনেকৈ জ্ঞানবীৰ আছিল আনকালে তেনেদৰে 'দানবীৰ'ও আছিল। সেয়ে তেওঁ যিবিলাক অতি দুষ্প্ৰাপ্য আৰু মূল্যবান গ্ৰন্থৰ পৰা সন্দিকৈ দেৱে জ্ঞান লাভ কৰিছিল সেই বিলাক গ্ৰন্থ তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ নামত উচ্চৰ্গা কৰি থৈ গৈছে। অৱশ্যে তেওঁ তিনিটা চুক্তি মতে গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰদান কৰে।

প্ৰথম চুক্তি হল —— বিশ্ব বিদ্যালয়ে তেখেতৰ মৃত্যুৰ এমাহৰ ভিতৰত কিতাপখিনি লৈ যাব লাগিব।

দ্বিতীয় চুক্তিৰ মতে এই কিতাপখিনি বিশ্ববিদ্যালয়ৰ পুথিভঁৰালত এটা সুকীয়া শাখাৰূপে তেখেতৰ নামত সংৰক্ষণ কৰিব লাগিব।

তৃতীয় চুক্তি মতে — এই শাখাৰ কিতাপবোৰ বাহিৰলৈ দিয়াৰ ব্যৱস্থা হব নোৱাৰিব কিন্তু আৱশ্যকমতে অধ্যয়ন কৰিবলৈ আৰু প্ৰসঙ্গ আলোচনা কৰিবৰ কাৰণে লাইব্ৰেৰীৰ চৌহদতে ব্যৱহাৰ কৰিবলৈ পাব।

অধ্যয়নৰ সাধনাত সমগ্ৰ জনসাধাৰণৰ মাজত চমকপদ লগোৱা এই জনক পদ্মশ্ৰী নলিনীবালা দেৱীয়ে তেওঁৰ 'অলকানন্দা'ত কবিৰ ভাষাত এইদৰে কৈছে — "মহীয়ান দানবীৰ পিতৃৰ সন্তান"।

নোহোৱা মাথোন তুমি অসম গৌৰৱ ভাৰত গৌৰৱ তুমি! বিশ্বৰ জ্ঞান মন্দিৰত।" সঁচাকৈ এইজনা মহান পণ্ডিতৰ জীৱন সৰ্বসাধাৰণ মানুহৰ লগত মিলা জীৱন নহয়।

সন্দিকৈ দেৱৰ জীৱনত আমি পাওঁ এটা "জ্ঞান পিপাসু" মন আৰু জ্ঞান আহৰণৰ কাৰণে আজীৱন সাধনাৰ অধ্যৱসায় ভাষা শিকাৰ আদমনীয় আগ্ৰহ আৰু জ্ঞান লাভৰ কাৰণে বিভিন্ন ভাষাৰ পুথিৰ অধ্যয়ন সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰে বৈশিষ্ট্য।

— x —

এটি পৰ্য্যালোচনা :—

# সাম্প্ৰতিক যুৱ মানসিকতা আৰু ইয়াৰ কেইটামান কাৰক

সাম্প্ৰতিক কালত যুৱ মানসিকতাই এক ব্যাপক ৰূপ ধাৰণ কৰিছে বুলি ক'ব পাৰি। যুৱমানসিকতাৰ এই অধোগতি কোনো মতেই মানৱ সভ্যতাৰ বাবে মংগল জনক হ'ব নোৱাৰে। ইতিমধ্যে এই বিষয়টোৰে বিভিন্ন ধৰণৰ আলোচনা সমালোচনাৰে বাতৰি কাকত, আলোচনী আদিৰ বিভিন্ন লেখনিত শিৰোনামা লাভ কৰিবলৈ সক্ষম হৈছে। তথাপি মনঃস্তাত্বিক দিশৰ সহায় অবিহনে যুৱমানসিকতা গঠনৰ সকলো দিশৰ আলোচনা কৰাটো সম্ভৱ পৰ হ'ব নোৱাৰে। সেয়ে এই প্ৰবন্ধৰ জৰিয়তে আমি সম্প্ৰতি আমাৰ যুৱক-যুৱতী সকলৰ মাজত গঢ় লৈ উঠা বিকৃত যুৱ মানসিকতাৰ এক থূলমূলীয়া আলোচনা কৰিব বিচাৰিছো। অৱশ্যে এই খিনিতে পুনৰাই কওঁ যে - সাম্প্ৰতিক কালৰ এই স্খলন মূখী যুৱ মানসিকতাত ঘৃতাহুতি চলা কাৰক সমূহ আলোচনাৰ বাবে মনস্তাত্বিক দিশৰ প্ৰয়োজন। গতিকে মনঃস্তত্ব অধ্যয়ন নকৰা মোৰ দৰে এজন ছাত্ৰৰ বাবে আজিৰ অধঃপতিত যুৱ মানসৰ সকলো দিশ আলোচনা কৰা অতি দুৰুহ কাম। সেয়ে ইয়াত সকলো বিলাক আলোচনা কৰা সম্ভৱ নহ'ব পাৰে। তথাপি যিমান দূৰ সম্ভৱ তাকে আলোচনা কৰিবলৈ চেষ্টা কৰিম। যদিহে মোৰ অজানিতে কিবা ভুল হৈ যায় তেন্তে পাঠক সমাজে যেন তাক শুধৰাই দিয়ে তাৰ বাবে অনুৰোধ থাকিল।

আজিৰ যুগ বিজ্ঞানৰ যুগ। বিজ্ঞানৰ প্ৰভূত: সাফল্য লাভৰ লগে লগেই বৰ্ত্তমানৰ মানৱ গোষ্ঠীৰ শিক্ষা দীক্ষাৰে উন্নত হৈ উঠিছে। কিন্তু আচৰিত নহৈ নোৱাৰি যে বৰ্ত্তমান যুগৰ মানুহে ক্ৰমাগত শিক্ষা দিক্ষাৰে শিক্ষিত হৈও বহু যুগৰ আগৰ অশিক্ষিত অজ্ঞ মানৱ সমাজৰ লোকৰ দৰে এক সুস্থ নৈকিতাৰ গৰাকী হ'ব পাৰিছেনে? সাম্প্ৰতিক কালৰ যুৱক যুৱতি সকলৰ উশৃংখল মানসিকতাই এসময়ত সমগ্ৰ পৃথিবীৰে মানৱ গোষ্ঠীক মানসিক ভাৱে পংগু কৰি নুতুলিবনে? কেনে বিলাক কাৰণত সাম্প্ৰতিক যুৱ মানসে অধঃপতনৰ ফালে অগ্ৰসৰ হৈছে? তাৰ কাৰণে দায়ী কোন? ইত্যাদি প্ৰশ্নৰ এটা স-হুত্তৰ দিয়া আমাৰ দৰে ছাত্ৰ ছাত্ৰী সকলৰ বাবে অতি কঠিন কাম। সেয়ে অশ্লীলতাৰ প্ৰতি সাম্প্ৰতিক যুগৰ যুৱ মানস আকৰ্ষিত হোৱাৰ সকলো ধৰণৰ প্ৰশ্নৰ উত্তৰ আমাৰ মানবীয় পণ্ডিত, সাহিত্যিক, লেখক, মনঃস্তত্ববিদ সকলে আগবঢ়াবলৈ চেষ্টা কৰিব বুলি আশা কৰিলো।

আমি মনঃস্তত্ত্ববিদ নহয়। এই কথা আগতেই স্বীকাৰ কৰিছো। তথাপি আজিৰ যুগৰ যুৱক যুৱতী সকলৰ মানসিক দিশটো যে অতি বেয়াকৈ ৰুগ্ন হৈ পৰিছে তাৰ সুস্পষ্ট প্ৰমান আমাৰ মাজতেই বহুত সময়ত পোৱা যায়। যুৱক যুৱতী সকল যে উশৃংখল মান-

সিকতাৰ দ্বাৰা বহু সময়ত বিপথে পৰিচালিত হৈছে সেয়া আমাৰ নিজস্ব অভিজ্ঞতাৰ পৰাই বুজিব পাৰি।

বাৰু; আপুনি যদি পঢ়ি আছে তেন্তে আপুনি পঢ়ি থকা স্কুল বা কলেজ খনতে দুই এটা অধঃ পতিত যুৱ মানসিকতাৰ উদাহৰণ অলপ ধৈৰ্য্য সহকাৰে মন কৰক চোন! ধৰি লওঁক ঘণ্টা পৰাৰ লগে লগে শ্ৰেণী শিক্ষক জনে আপোনাৰ শ্ৰেণীত পাঠদানৰ বাবে সোমাল। সেই সময়ত শ্ৰেণীৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত এটা মৃদু গুঞ্জন চলি আছে। তেতিয়াই আপুনি মন কৰিলে বহু সময়ত দেখিব যে — সেই গুঞ্জন ধ্বনিৰ মাজত কোনোবা এজন ছাত্ৰই শিক্ষক জনক কেন্দ্ৰ কৰি এটা ইতিকিং সূচক মন্তব্য দিছে নাইবা শিক্ষক জনৰ হাত মুখৰ ভঙ্গী সেই ছাত্ৰজনৰ ওচৰত প্ৰতিফলিত হৈছে। ইয়াৰোপৰি স্কুল কলেজসমূহত নতুনকৈ অহা ছাত্ৰ-ছাত্ৰী সকলে নাম ভৰ্ত্তি কৰাৰ সময়ত এনে অধঃ পতিত যুৱ মানসিকতাৰ উদাহৰণ পোৱা যায়। সেই সময়ত নতুনকৈ স্কুল বা কলেজত ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰী সকলক পুৰণি ছাত্ৰ-ছাত্ৰী সকলে কৰা ৰেগিং নামৰ অত্যাচাৰটো এটা বিকৃত যুৱ মনসিকতাৰ জলন্ত উদাহৰণ। কিয়নো ৰেগিংএ কেৱল নতুন ছাত্ৰ-ছাত্ৰী সকলৰ উচ্চ শিক্ষা আহৰনৰ প্ৰবল ধাউতিকে বহু সময়ত নিঃশেষ কৰে এনে নহয়; বহু সময়ত ই ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰবল মতানৈক্য (বহু সময়ত প্ৰাণৰ সংশয় পৰ্য্যন্ত হয়গৈ) আনি দিয়াৰ লগতে ছাত্ৰ সংগঠনৰ সম্প্ৰীতিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে।

আপুনি এনে ধৰণৰ উশৃংখল নৈকিতাৰ উদাহৰণ বিচাৰিলে বহুত পাব। ইয়াৰ সত্যা-সত্য নিৰূপন কৰিবলৈ আপুনি আপোনাৰ নিচেই কাষতে থকা চহৰখনৰ চাৰি আলিটোত চিনেমা হ'লটোত নাইবা পাণৰ মাজত থকা তিনি আলিটোত কিছু সময় মন কৰক চোন! দেখিব এই প্ৰবন্ধও উল্লেখ কৰা কথাবোৰৰ এশ ভাগেই সত্য।

সম্প্ৰতি যুৱক যুৱতী সকলৰ বিকৃত মানসিকতাত প্ৰভাৱ পেলোৱা কাৰক সমুহৰ বিশ্লেষন কৰিবলৈ গ'লে আমি সকলো বিলাক কাৰক বিচাৰি উলিয়াব নোৱাৰিলেও থোৰতে কিছুমান কাৰণৰ কথা উল্লেখ কৰিব পাৰো। তাৰে ভিতৰত প্ৰধানত: আমি আমাৰ প্ৰচলিত সমাজ ব্যৱস্থাকে জগৰীয়া কৰিব পাৰো। কিয়নো আমাৰ এই সমাজ ব্যৱস্থা বৈষম্য পূৰ্ণ, অস্বুস্থ, বিশৃংখল আৰু প্ৰতিযোগী সমাজ ব্যৱস্থা। এই সমাজ ব্যৱস্থাত উচ্চ নীচৰ প্ৰবল ভেদাভেদ বহু ক্ষেত্ৰতেই আমাৰ দৃষ্টি গোচৰ হয়। আমাৰ সমাজ ব্যৱস্থাত আছে আৰ্থিক বৈষম্য, হতাশা, উদ্বেগ, অৱসাদ ধৰ্ম্ম অধৰ্ম্মৰ সু বিচাৰ এই সমাজ ব্যৱস্থাত বিৰল দৃষ্টান্ত মাথোন। ই এক ৰক্ষনশীল



সমাজ ব্যৱস্থা। সেয়ে যৌৱনৰ তেজে ভগ-ৰগাই উঠা যুৱক যুৱতী সকলৰ মনত সময়ত বিদ্ৰোহৰ ভাৱ জাগৰিত হয় আৰু এই বিদ্ৰোহেই সময়ৰ পাভত অনুশাসনহীনতাৰ ৰূপত আত্ম প্ৰকাশ কৰা দেখা যায়। এই সমাজ ব্যৱস্থাৰ দ্বাৰা উৎপত্তি হোৱা অৱসাদ, হতাশা, উদ্বেগ দুঃচিন্তাই এফালে যেনেকৈ যুৱক যুৱতী সকলক পলায়ন বাদী কৰি তুলিছে ঠিক তেনেকৈ কঠোৰ মনোভাৱাপন্ন নৃশংসও কৰি তুলিছে।

যুৱক যুৱতী সকলৰ এই নৈতিক স্খলনৰ বাবে অন্য হাতে আমি অভিভাৱক সকলৰ দায়িত্ব হীনতাক দোষী বুলিব লাগিব। কিয়নো যিহেতু আমাৰ অভিভাৱক সকলৰ এক বৃজনসংখ্যকেই অশিক্ষিত অৱস্থাত আছে। সেয়ে বহুসময়তে বহু অভিভাৱকে যুৱক যুৱতী সকলৰ অপৈনত বয়সতে যুৱক যুৱতী সকলৰ প্ৰতি তেওঁলোকৰ দায়িত্ব শেষ ভাবি অধিক স্বতন্ত্ৰতা প্ৰদান কৰে। যিটো যুৱক যুৱতী সকলৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে এক বিৰাট অন্তৰাই স্বৰূপ হৈ পৰিছে। ইয়াৰোপৰি যুৱক যুৱতী সকলৰ মানসিক ৰোগৰ উৎপত্তিত প্ৰভাৱ পেলোৱা আন এটা প্ৰধান কাৰণ হৈছে অপৈনত বয়সতে যুৱক যুৱতী সকলে ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হোৱাটো। এই ক্ষেত্ৰত এই টোকে ক'ব পাৰি যে আজিৰ যুৱক যুৱতী সকলৰ মানসিকতাত ৰাজনীতিয়ে প্ৰভাৱ বিস্তাৰ কৰাৰ মুলতে আছে ৰাজনৈতিক নেতা সকলৰ দুৰভিঃসন্ধি। ৰাজনৈতিক দল সমূহে নিজ দলৰ জয় লাভ তথা হব পৰা বদনাম সমূহৰ পৰা বাচি থাকি জনগনৰ ওচৰত অধিক আস্থাশীল হোৱাৰ উদ্দেশ্য আগত ৰাখি সুস্থ মানসিকতা আৰু ব্যক্তিত্ব পুৰ্ণ যুৱক যুৱতী সকলক দলভূক্ত কৰে। এইটো অনস্বীকাৰ্য্য যে ৰাজনৈতিক দল সমূহৰ যুৱক যুৱতী সকলৰ প্ৰতি থকা এই খোলোপ দৃষ্টিয়ে আজিৰ যুৱ মানসিকতাক বহু পৰিমানে বিপথে পৰিচালিত কৰিছে।

তদুপৰি সাম্প্ৰতিক কালৰ যুৱ মানসিকতাত প্ৰভাৱ পেলোৱা কাৰক সমূহৰ ভিতৰত আমি লঘু চিনেমা, বিকৃত বিজ্ঞাপন, যুৱক যুৱতী সকলৰ অশ্লীল সাহিত্যৰ প্ৰতি থকা অনুৰাগ, অমাৰ্জ্জিত সাজ পাৰ, খোজ কাটল নিচাযুক্ত ঔষধৰ সেৱন, মাদক দ্ৰব্য সেৱন, ধুমপান আৰু মানসিক ব্যস্ততাৰ অভাৱক অন্তভুক্ত কৰিব লাগিব। বহু ক্ষেত্ৰত দেখা যায় যে যুৱ মানসিকতাক পংগু কৰাৰ প্ৰকৃত উদ্দেশ্য নাথাকিলেও ব্যৱসায়ীক মুনাফা লাভৰ বাবেই বোলছবি পৰিচালক সকলৰ এটা অংশই সস্তীয়া পৰ্য্যায়ৰ নগ্ন তথা অন্যান্য ধৰণৰ যৌন কামনাৰ গোন্ধ থকা বোলছবি প্ৰস্তুত কৰে। সেই বোলছবি সমূহ বিভিন্ন স্থানত কোমল মতীয়া যুৱক যুৱতী সকলে উপভোগ কৰে। তাৰ ফলশ্ৰুতি স্বৰূপে যৌনতাৰ প্ৰতি কোমল মতীয়া যুৱক যুৱতী সকল বেছিকৈ আকৰ্ষিত হোৱা দেখা যায় আৰু যুৱ মানস অতি বেয়াকৈ স্খলন মুখি হৈ পৰিছে। অন্যহাতেদি ব্যৱসায় জগতৰ পৰিসৰ দিনে দিনে বৃদ্ধি হৈ

আহিছে। তাৰ লগে লগেই ব্যৱসায়ী সকলে আৱশ্যকীয় বিজ্ঞাপন প্ৰচাৰৰ মাধ্যমেৰে উৎপাদিত সামগ্ৰী সমূহৰ চাহিদা বৃদ্ধি কৰিবলৈ চেষ্টা কৰে। এই ক্ষেত্ৰত ব্যৱসায়ী সকলে এনে বিজ্ঞাপন বিলাকত বেছিকৈ উলংগ নাৰীৰ বিকৃত দেহ ভঙ্গিমা প্ৰকাশ কৰি গ্ৰাহকৰ মনোযোগ আকৰ্ষন কৰিব বিচাৰে। এইটো অপ্ৰিয় হলেও সত্য যে এনে বিকৃত বিজ্ঞাপনে কেৱল মাত্ৰ যুৱ মানসকে পংগু কৰিয়ে ক্ষান্ত নাথাকি আমাৰ নাৰী সমাজৰ নাৰীত্বকও চৰম ভাৱে অৱজ্ঞা কৰিছে।

এই কাৰক সমূহৰ উপৰিও সাম্প্ৰতিক কালৰ যুৱ মানসিকাত প্ৰভাৱ পেলোৱা আন এটা গুৰুত্বপূৰ্ণ কাৰক হৈছে যুৱক যুৱতী সকলৰ অশ্লীল সাহিত্যৰ প্ৰতি থকা প্ৰবল অনুৰাগ। আজিৰ যুগত বহুতো বে সুৰীয়া লেখকৰ আৱিৰ্ভাৱ হৈছে। এনে বে সুৰীয়া লেখকৰ দ্বাৰা ৰচিত আলোচনী নাইবা অন্যান্য বহুতো সাহিত্য পুথিয়ে যুৱক যুৱতী সকলক প্ৰকৃত পথৰ সন্ধান দিয়াৰ পৰিৱৰ্তে উশৃঙ্খল, নৃশংস, যৌন কামোৰ্ত্তেজক তথা বিছিন্নতা বাদৰ ফাললৈ ঠেলি দিয়ে। এই খিনিতে এইটো উল্লেখ কৰা ভাল হ'ব যে ইয়াত অশ্লীল সাহিত্য হিচাবে কেৱল মাত্ৰ যৌন বিষয়ক ইঙ্গিত বহনকাৰী পুথি সমুহকে ধৰি নলৈ ৰহস্যোপন্যাস অপৰাধ কাহিনী সম্বলিত পুথি সমূহকো অন্তভুক্ত কৰা হৈছে। কিয়নো এই ৰহস্যোপন্যাস বা অপৰাধ মূলক কাহিনী বোৰত উল্লেখ থকা হিংসাত্মক "খুন জখমৰ" ৰোমাঞ্চকৰ কাহিনী অধ্যয়ন কৰাৰ পাছত তেওঁলোক প্ৰতিশোধ পৰায়ন হৈ পৰাৰ লগতে সু নিপুন কৌশলী অপৰাধীৰ বীৰত্বৰে সৈতে অতিপাত ভাৱে একাত্মীয়তা গঢ়ি তোলে। সেয়ে যুৱক যুৱতী সকলে আৱশ্যক অনুসৰি অপৰাধ মূলক কাণ্ড কাৰখানাত লিপ্ত হ'বৰ বাবে অনুপ্ৰেৰনা লাভ কৰিব পাৰে। তাৰোপৰি যৌন বিষয়ক ইঙ্গিত বহন কৰা পুথি সমূহৰ ব্যাপক প্ৰচাৰ আৰু চাহিদা কোমল মতীয়া যুৱক যুৱতী সকলৰ মাজত বৃদ্ধি পাই আহিছে। এই বাস্তৱ বিমুখী, বাস্তৱ বিবৰ্জিত অশ্লীল সাহিত্য সমূহৰ অধ্যয়নৰ পৰা তেওঁলোকে বাস্তৱত নোপোৱাক পাবলৈ চেষ্টা কৰে। এনেকৈয়ে যুৱ মানসে যুৱ সমাজে মানসিক তৃপ্তি লাভ কৰে। একেদৰে কল্পনাৰ মাধ্যমেৰেও ইপ্সিত বাস্তৱক উপভোগ কৰি তৃপ্তি লাভ কৰিব বিচাৰে। সেয়ে সমাজৰ পৰা পলায়ন কৰিব বিচৰা হতাশা গ্ৰস্ত যুৱক যুৱতী সকলে এটা ভ্ৰান্ত ধাৰনাকে ৰহস্যোপন্যাস, অপৰাধ কাহিনী, যৌন ইংগিত বহনকাৰী পুথি সমূহৰ কৃত্ৰিম অবাস্তৱ আৰু কাল্পনিক জগতৰ উত্তেজনাপূৰ্ণ উৎকণ্ঠাৰ মাজত নিজকে নিমজ্জিত ৰাখি বাস্তৱ জীৱনৰ দুখ-দুৰ্দশা, হতাশা-অৱসাদ, গ্লানি আদিক পাহৰি যাব বিচাৰে। এনেকৈয়ে সাম্প্ৰতিক যুগৰ যুৱ মানসত স্খলন মুখী কৰ্কট ৰোগৰ দৰে বীজাণু সংক্ৰমিত হৈ পৰিছে যি সমগ্ৰ মানৱ জাতিৰ বাবে চিন্তনীয় বিষয় হিচাবে ধৰা দিছে।

শ্ৰী প্ৰদীপ চন্দ্ৰ বকলিয়াল
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা শাখা)

— × —

# বিহুগীতত জাতীয় জীৱনৰ বৈশিষ্ট্য।

শ্ৰীজগত জ্যোতি কোঁচ
স্নাতক মহলা ১ম বাৰ্ষিক (কলা)

বিহু হ'ল অসমীয়ালোকৰ এক জাতীয় উৎসৱ। অসমীয়ালোকৰ হিয়াৰ আমঠু স্বৰূপ বিহু হ'ল ৩ (তিনি) প্ৰকাৰৰ যেনে:— কাতি বিহু বা কঙালী বিহু, মাঘ বিহু বা ভোগালী বিহু, বহাগ বিহু বা ৰঙালী বিহু। এই ৰঙালী বিহুটোৱেই হৈছে অসমীয়ালোকৰ অতিকৈ চেনেহৰ হিয়াৰ আমঠু। এই বিহুতেই সাধাৰণতে বিহুগীত সমুহ গোৱা হয়। বিহুৱলীয়া ডেকাসকলে ঢোল, তাল, পেঁপা, বাঁহী, টকা, গগণা আদিলৈ বিহু মাৰে। অসমত বিহুৰ প্ৰচলনৰ পৰাই বিহু গীতবিলাক অসমত প্ৰচলন হৈ আহিছে।

বহাগবিহু হ'ল ডেকা গাভৰুৰ মিলন তীৰ্থ। অন্যহাতেদি অসমীয়া মানুহৰ সামাজিক জীৱন গৃহস্থালি জীৱন আদি প্ৰত্যেক ক্ষেত্ৰতে একোখনি সুন্দৰ প্ৰতিচ্ছবি বিহুগীতবোৰৰ মাজত প্ৰকাশ পোৱা দেখা যায়। মানুহ আৰু প্ৰকৃতিৰ চেনেহ প্ৰীতিক ভিত্তি কৰিয়েই বিহুৰ সৃষ্টি। সৃষ্টিৰ আদিৰে পৰা অসম ভূমিত মানুহৰ বিভিন্ন বংশধাৰা, সভ্যতা, সংস্কৃতি আৰু ধৰ্মৰ তৰপে তৰপে পৰা সাকৰা পলসত গঢ়ি উঠা বিহু হ'ল অসমীয়ালোকৰ প্ৰাণৰ বস্তু, বাপুতি-সাহোন তথা হিয়াৰ আমঠু।

বিহুগীতবোৰ অসমীয়াৰ প্ৰাণৰ বস্তু। গীতবোৰৰ মাজেদি অসমীয়া জাতীয় জীৱনৰ বৈশিষ্ট্য সুন্দৰকৈ প্ৰকাশ পাইছে। বিহুগীত অসমীয়া জন সাহিত্যৰ অনুপম নিদৰ্শন। বিহুগীতবোৰৰ মাজেদি অসমীয়া জাতিৰ শিল্পী মনটোৰ স্বাভাৱিক পৰিচয় পোৱা যায়।

বিহুগীত প্ৰধানকৈ দুবিধ – হুচৰীগীত আৰু বনগীত। এই গীতবোৰৰ মাজেদি অসমীয়া জাতিৰ অসমীয়া সমাজৰ আবেগ অনুভূতিবোৰ সুন্দৰকৈ পৰিলক্ষিত হয়। ইয়াৰ মাজত প্ৰকৃতিৰ পৰিৱেশত ডাঙৰ হোৱা চহা চিত্ৰ হুবহু অঙ্কিত হৈ আছে। প্ৰকৃতিৰ লগত অসমীয়াৰ নিবিড় সম্বন্ধ থকাৰ কাৰণেই বিহু গীতত অসমীয়াৰ জাতীয় চিত্ৰ সুন্দৰকৈ প্ৰকাশ পাইছে। অসমীয়া ডেকা-গাভৰুৰ বৰ লুইতখন বৰ আদৰৰ। এই লুইতৰ দুয়োপাৰে ফুলি উঠা কহুৱাফুলৰ সৌন্দৰ্য্যতাই ডেকা-গাভৰুৰ মন উতলা কৰে। লুইতৰ ধকধকীয়া বালিৰ ওপৰত কাচই কণী পাৰে। তাৰ অনুপম চিত্ৰ বিহুগীতত পোৱা যায়।

"লুইতৰ বালি বগী ধকেধকী
কাচই কণী পাৰে লেখি,

পাত জুই জ্বলে সৰিয়হ বাগৰে
চেংাইক পানীৰ ঘাটত দেখি ।”

বিহুগীতবোৰক প্ৰেমৰগীত হিচাপেও ধৰিব পাৰি ॥ প্ৰেমীক প্ৰেমীকাৰ ভাৱৰ আদান প্ৰদানৰ ওপৰত ভিত্তি কৰিয়েই বিহুগীতবোৰে অপৰূপ কাব্যিক সৌষ্ঠৱ লাভ কৰিছে । বিহুৰ প্ৰথম প্ৰচলনৰ পৰাই অসমীয়া ডেকা-গাভৰুৱে মনৰ ভাৱ প্ৰকাশ কৰিবৰ বাবে বিহুগীতৰ আশ্ৰয় লোৱা দেখা যায় । প্ৰেমক কেৱল শৰীৰ সংযোগ বুলিলে ভুল কোৱা হব । মনৰ ভূমিকাতহে প্ৰেমৰ মন্দিৰ গঢ়িব পাৰি । মন আৰু কল্পনাৰ যাদু পৰশত সৌন্দৰ্য্যৰ জেউতি প্ৰকাশ পায় । বসন্তৰ আগমনত বতাহৰ চঞ্চল উন্মাদনাই বিহুগীতত ঢালি দিয়ে চপলতা, আনি দিয়ে মাধুৰ্য্য বিহুগীতৰ বৈশিষ্ট্য ।

বিহুগীতবোৰত প্ৰেমৰ একোটি সজীৱ চিত্ৰৰ উপৰিও জীৱনৰ এখন ফট্‌ফটীয়া দাপোন জিলিকি উঠে । বসন্তৰ আগমনত প্ৰকৃতিয়ে যৌৱন পোৱাৰ লগে লগে ডেকা গাভৰুৰ মন কমোৱা তুলাৰ দৰে হৈ পৰে । সেই মনে ঘৰুৱা পৰিবেশৰ বান্ধোন চিঙি বিহু তলিলৈ চাপলি মেলে ।

“দিখৌৰ নৈৰ সোঁতেদি দীঘল দৰিকণা
দেওদি সাঁতুৰি যায়,
উৰণীয়া মনকে বান্ধিব নোৱাৰো
বিহুতলি বিচাৰি যায় ।”

অসমৰ প্ৰাণস্বৰূপ নৈ কেইখনক অসমীয়া মানুহে অতীজৰে পৰাই ভাল পায় । অসমীয়া ডেকা গাভৰুৰ নতুন মিলনৰ চঞ্চল প্ৰণয়ৰ সূত্ৰপাত হৈছিল সোৱনশিৰী, ধনশিৰী, কলং, কপিলি, দিখৌ, জাঁজী আদিৰ নদীৰ ঘাটত । সেয়েহে কোনোবা প্ৰেমিকে প্ৰেমিকাক উদ্দেশ্যি গাইছে —

“দিখৌ নৈ এৰিব পাৰো মই লাহৰী
জাঁজী নৈ এৰিব পাৰো,
তোমাৰে ভাবনা এৰিব নোৱাৰো
নাপাই মই থাকিব পাৰো ।”

মঠতে অভিজতে এই শ্যাম বৰণীয়া পথাৰৰ উৰ্বৰ বুকুতেই অসমীয়া ডেকা গাভৰুৰ প্ৰেম, বিৰহ মিলন, মান, অভিমান মূৰ্ত্ত হৈ উঠিছিল ।

লুইতৰ পাৰৰ পথাৰত যেতিয়া পথাৰত ধানৰ ঠোৰত ফুৰগুচি সোণ চেকুৰাই থানিকা পাতে, তেতিয়া পথাৰলৈ ধান দাবলৈ অহা ডেকা গাভৰুৰ মাজত হোৱা প্ৰায় বিহুগীতত দেখিবলৈ পোৱা যায় ।

“তোক চাই লাহৰী বান্ধি যাও ডাঙৰী
গচা চপাই বান্ধি যাও নাও ।”

বিহুগীত অসমীয়া জাতিৰ অমূল্য সম্পদ । বিহুগীত অতীত অসম আৰু আজিৰ অসমৰ মাজত এখন সোণৰ সাঁকো ; অসমীয়া জাতীৰ দাপোন স্বৰূপ । ইয়াত অসমীয়ালোকৰ সামাজিক চিত্ৰ প্ৰকাশ পাইছে । বঙালী বিহুত ডেকা গাভৰুৰ মন অশান্ত হৈ উঠে । কমোৱা



তুলাবিলাক যিদৰে মৃদু বতাহত উৰি ফুৰে ঠিক সেইদৰে তেওঁলোকৰ মনবোৰো উৰিবলৈ ধৰে । সেই কাৰণেই বিহুগীতত গাইছে —

“ঘৰতো নৰহে মনে ঐ চেনাই
পথাৰতো নৰহে মন,
কমোৱা তুলাবোৰ যিদৰে উৰিছে
সেইদৰে উৰিবৰ মন ।”

কোনো এটা অৱলম্বনক বাদদি মনৰ কল্পনাক স্থায়ী ৰূপ দিয়াটো অসম্ভৱ । এই অভিজ্ঞতাৰ বিজ্ঞোপন চিত্ৰই বিহুগীতত প্ৰকাশ পায় । জীৱনৰ একোটা অৱলম্বনৰ বাবে অসমীয়া ডেকা সদায় সজাগ । সেয়েহে মনৰ মানুহজনীৰ সৈতে আদৰ্শ সংসাৰ এখন গঢ়ি তোলাৰ কল্পনাত —

“নৈৰ কাষৰ জালোৱা
মই হম হালোৱা
তুমি হবা কৱনী
পথাৰ হব ভৰনী ।”

অসমীয়া ডেকা সদাই স্বাধীন মনৰ । সেযেহে কোনোবা স্বাধীন চিন্তীয়া ডেকাই কোম্পানী বা বাগিছাৰ চাকৰিতকৈ পথাৰখনত জীৱনৰ সুগম পথ বিচাৰি পায় । মুকলি পথাৰখনক প্ৰেমৰ সাক্ষী স্বৰূপ বুলিও কোৱা হয় । পথাৰখনক কেন্দ্ৰ কৰি গঢ়ি উঠা একোটি আদৰ্শ পৰিয়ালৰ চিত্ৰ বিহুগীতত পোৱা যায় ।

“বাগিছাৰ চাকৰি নকৰো লাহৰী
নালাগে তৰপৰ ধন
তুমি ভূঁয়ে ৰোৱা মই যে হাল বাম
সেয়ে হব জীৱনৰ মান ।”

পথাৰৰ মধুৰ পৰশত ডেকা গাভৰুৰ প্ৰাণত প্ৰেমৰ উদ্ৰেক হয় । অসমীয়া ডেকা গাভৰুৰ মুকলি পথাৰত উদয় হোৱা জীৱনৰ কিছুমান মধুৰ মূহূৰ্ত্তৰ অলেখ চিত্ৰ বিহুগীতত পোৱা যায় । “তোক চাই লাহৰী বান্ধি যাও ডাঙৰী” ইত্যাদি ।

অসমীয়া ডেকাগাভৰুৰ মাজত অবৈধ প্ৰেমৰ সৃষ্টি হয় । বিহুতলিত, উৎসৱত আৰু অনুষ্ঠান আদিত । বসন্ত কালৰ লগে লগে প্ৰকৃতিয়ে সেউজীয়া সাজেৰে সাজি কাচি নৱৰূপত সজ্জিত হয় । ডেকা গাভৰুৰ অন্তৰত প্ৰেমৰ বীজ অংকুৰিত হয় আৰু এই প্ৰেম বিকশিত হয় তেওঁলোকৰ অবাধ আৰু অসংকোচ মিলনত । বিবাহৰ আগে ডেকা গাভৰুৰ মাজত গোপন মিলন বিহুগীতত পোৱা যায় ।

“আজি গধুলিতে নাহিবা চেনাই
নোপোৱা পদূলিত মোক
পৰহিলৈ গধুলি আহিবা চেনাই
ফালি লম যেনেৰে চুক ।

কোনো কোনো ডেকা গাভৰুৰ মাজত এই অবৈধ প্ৰেম সমাজে মানি লবলৈ টান পায় । তেতিয়া ডেকা গাভৰুৱে সমাজৰ কঠিন বান্ধোন মুক্তহৈ পুনৰ জন্মত মিলন হোৱাৰ সোনোৱালী সপোন ৰচে —

“কিনো খাই পাহৰিম তোকে ঐ লাহৰী
কিনো খাই পাহৰিম তোক,
মিছিমি আহিব ৰবে বিহ আনিব

তাকে খাই পাহৰিম তোক ।”

অসমৰ সেউজীয়া গছলতাৰে আবৃত্ত মোহলগা ৰমনীয় সুউচ্চ গিৰিমালাক অসমবাসীয়ে অতীতৰ পৰাই ভাল পায় । অসমীয়া ডেকাই তাৰ মাজেদি গাভৰুক প্ৰেম যাচি ব্যৰ্থ হোৱা দেখা যায় ।

“ পৰ্ব্বতে পৰ্ব্বতে বগাব পাৰো: মই
জত্তা বগাৰলৈ টান,
যুবীয়া হাতীকো বলাব পাৰো মই
চেনাইক বলাবলে টান ।”

বিহুগীতৰ পৰা সেই সময়ত অসমীয়া ডেকাই গাভৰুৰ নৃত্য গীতত কিমান ৰাপ আছিল তাক জানিব পাৰি । একেজনী অসমীয়া গাভৰুৱেই আছিল একোজনী নৃত্য পতিয়সী উৰ্বশী আৰু প্ৰতিজন ডেকাই আছিল একোজন নৃত্যৰত গন্ধৰ্ব্ব । অসমীয়া ডেকাৰ ঢোলৰ গিৰ্‌জনীত আৰু পেঁপাৰ সুৰীয়া মাতত অসমীয়া গাভৰুৱে উদ্দাম উল্লাস গতিৰে চেওধৰি বিহুতলীত অবিৰাম নৃত্যৰ জোৱাৰ তুলিছিল । সেয়েহে ডেকাসকলে নাচনীকে জুৰি পাইছিল —

“পেঁপাটি বজাওতে তিনিটি আঙুলি
মাজৰটি আঙুলি লৰে,
আমাৰ নাচনীয়ে নাচিবলৈ ধৰিলে
পখিলা উৰাদি উৰে ।”

বিহুগীতত অতীতৰ ভোগালী সমাজখনৰ কথা পোৱা যায় । অসমীয়াৰ দৈনন্দিন আহাৰ আছিল ভাত, মাছ, মাংস আদি । জহা চাউলৰ ভাত, বকুল বৰা ধানৰ পিঠা, আৰৈ চকুৱা ধানৰ চিৰা, সান্দহ, গৰু গাখীৰৰ দৈ, গুৰ আদি আছিল তেওঁলোকৰ প্ৰীতিকৰ খাদ্য । পৰম ভাতৰ লগত পাভ মাছ, ঢেকীয়া শাকৰ লগত নেমু দি বন্ধা টেঙা আঞ্জা, ঔটেঙা, মাটিমাহ, খৰিচা, কেৰেলা আদি নানা ধৰণৰ পোৱা পিটিকা তেওঁলোকে ভাতৰ লগত খাইছিল । ইয়াৰ উদাহৰণ বিহুগীতত পোৱা যায় ।

“ দীঘলী বজাৰত পাভ মাছ আনিলো
পকা নেমু দিয়ে বান্ধো
খাবৰে সময়ত তোলৈ মনত পৰে
ভাতৰ পাতত বহি কান্দো ।”

ভাতৰ বাহিৰেও জা-জলপান, চিৰা, পিঠা, সান্দহ কৰি খোৱাৰ উল্লেখ বিহুগীতত আছে ।

“বকুল বৰাধানৰ আখৈ ভাজিছিলো
চপোৱা গাখীৰৰ দৈ
তুমি নহলে খাবকে নোৱাৰো
থাকো মই আগতে বৈ ।”

অসমীয়া মানুহে তামোল পান খোৱাৰ জলন্ত প্ৰমাণো বিহুগীতত পোৱা যায় ।

“ থুৰিয়াই কাটিলো তামোল তিনিখনি
সুৰিয়াই বান্ধিলো পান ।”

তামোল-পান অসমীয়া জীৱনৰ এটি অতি লাগতিয়াল বস্তু । ইয়াৰ দ্বাৰা অতিথিক



অভ্যৰ্থনা জনোৱা হয় । প্ৰেয়সীয়ে দিয়া তামোল খাই প্ৰেমীকে পাহৰিব নোৱাৰা প্ৰমাণ বিহুগীতত পোৱা যায় ।

“ কি যাদু কৰিলা কি বুজ্জি কৰিলা
থুৰীয়া তামোলৰ লগত
খাওঁতে শোওঁতে উঠোতে বহোতে
সদায় পৰি থাকে মনত ।”

তেতিয়াৰ সান্দহ, চিৰা, পিঠা, দৈ আদি অতি উত্তম জলপান বিহুত ঘৰলৈ অহা সকলো লোকক এই জলপানেৰে অভ্যৰ্থনা কৰা হয় । চিৰা, দৈ, পিঠা আদি প্ৰেমীকলৈ সজাই প্ৰেমীক নাহিলে প্ৰেমীকাই বেজাৰতে পায় —

“ আহোঁ বুলি নাহিলা তামোল পান কটালা
সান্দহ চিৰা কৰালা বাহী ।”

ইয়াৰ উপৰিও অসমীয়া নাৰীৰ তাঁত শাল সম্বন্ধে বিহুগীতত পোৱা যায় । অসমীয়া নাৰীৰ তাঁত শালখন বৰ আদৰৰ । এই তাঁত শিল্প অসমীয়া সমাজৰ তথা নাৰীৰ তেজ মঙহৰ লগত লাগি থকা সম্বন্ধৰ নিচিনা অসমীয়া নাৰীৰ মনত আবেগ অনুভূতিবোৰ প্ৰকাশ পায় । উষা, চেৰেকী, মাকো আদিৰ আলমতহে বছেৰেকৰ বিহুটো কোনোবা চেনেহীয়ে যদি মৰমৰ দীঘদি চেনেহৰ বাণীৰে বোৱা হাঁচতিখন হাতৰ টিপতে দি আপোন জনক নিদিয়ে তেনেহলে ই অগৰৰ কথা । ইয়াত মান অভিমানৰ শেষ নাথাকে । সেইবাবে কোনোবা উপেক্ষিত প্ৰেমিকে গাইছে ।

“ আক বেলি কৈছিলা হাঁচটি দিম বুলি
এইবেলি কাটিছা পাঁজি,
তোমাৰ হাঁচটি আমাকো নালাগে
তিৰোতা আনি লম কাঁজি ।”

ডেকা সকলে তাঁত বব জনা, সূতা কাটিব জনা গাভৰুকহে ভাল পাইছিল । অসমীয়া ডেকা গাভৰুৰ তাঁতশালত ৰাপ থকাৰ কথা জনা গৈছিল ।

“ৰৰঘৰৰ মুধতে চেনাইৰ তাঁত শালে
থুৰি কলা পাতৰ মাকোঁ
আহোঁতে যাওঁতে দেখিব নোৱাৰো
দি যাওঁ হাতীদাঁতৰ মাকোঁ ।”

অসমীয়া গাভৰুৰ মনৰ ভাব ভংগী প্ৰকাশ পাইছিল উঘা চেৰেকীৰ আলমত ।

“ বহোঁ তাতৰ পাতত চকু আলি বাটত
মাকোঁ সৰি সৰি পৰে ।”

গাভৰুৰ মনৰ উচপিচনি লাগি কমোৱা তুলাৰ দৰে উৰিবলৈ ধৰে । অসমীয়া গাভৰুৱে সৰুৰে পৰাই বোৱা কটা কৰিবলৈ শিকিছিল । “সৰুৰে আছিলো গৰু চৰাইছিলো ডাঙৰ হৈ লগালো তাত ।” আনকি গোপন মিলনৰ আগতেও অসমীয়া ডেকা গাভৰুৰ মনত কাপোৰৰ চিন্তাহে দেখা গৈছিল ।

অসমীয়া গাভৰুৱে কাণত জাংফাই, কেৰু, ডিঙিত গলপতা, বিৰি গেজেৰা হাতত

পাম্বথাক আঙুলিত আঙুঠি পিন্ধিছিল "তোমালৈ বুলি গহনা গঢ়ালো হাতলৈ গঢ়ালো খাৰু" জাংফাই কেৰু মোৰ পনীয়লি বাখৰ-বোৰ কাণত জিকমিক কৰে।" ইত্যাদি বিহুগীতবোৰে অতীত অসমৰ গাভৰু সকলে সৌন্দৰ্য্য বৃদ্ধিৰ কাৰণে পিন্ধা বিবিধ অলঙ্কাৰৰ আভাষ দিয়ে।

সৌন্দৰ্য্য সাধনৰ বাবে অসমীয়া গাভৰুৱে খোপাত ফুল পিন্ধাৰ চিত্ৰই বিহু-গীতত ঠাই পাইছে। প্ৰত্যেক অসমীয়া নাৰীয়েই ফুল বৰ ভাল পায়। প্ৰকৃতিৰ সৌন্দৰ্য্যৰে সৌন্দৰ্য্যময়ী অসমৰ হাবি বননিয়ে তগৰ, যুটি, কপৌ, নাহৰ আদি ফুলৰ সোৰ-ভেৰে বঞ্চিত হৈ আছে। বিহুগীতত কপৌ-ফুল পাহক প্ৰেমৰ প্ৰতীক ৰূপে লোৱা হৈছে।

"এইবেলি বহাগৰ বিহুটি আহিছে
মুখত লৈ মিচিকি হাঁহি
আহ সোণপাহী পিন্ধা খোপা ভৰি
চেনেহৰ কপৌফুল পাহী।"

অসমীয়া বিহুৱা ডেকাৰ বিহুগীত বোৰৰ প্ৰধান সুৰ হ'ল প্ৰণয়। যৌৱনৰ উদ্দাম বাসনা, মিলনৰ তীব্ৰ আকাংক্ষা, বিৰহ, বেদনা, সুখ, দুখ আদিয়ে গীতত প্ৰাণ পাই উঠে। গাভৰুৰ নাচৰ ভংগিমাত ডেকা গাভৰুৰ প্ৰেমৰ ভাব বিহুগীতত প্ৰকাশ পায়। 'তোমাৰ কথাকে শুনোতে ভাবোতে বলিয়া হোৱাদি হলো।'

প্ৰেমক কেন্দ্ৰ কৰি যিবোৰ বিহুগীতৰ সৃষ্টি হৈছে তাত আছে প্ৰেমৰ গভীৰ আন্তৰিকতা, অনুভৱৰ গাম্ভীৰ্য্য, উচ্চস্তৰৰ কল্পনা, ব্যৰ্থ প্ৰেমৰ উন্মাদনা। ডেকাই গাভৰুৰ মৰম সনা 'মুখ' চাই আনন্দত কব নোৱাৰা হয়। সেইহে বিহুগীতত গাইছে।

"দেখি মৰম লাগে তোমাৰ মুখখনি
আৰু মৰম লাগে মাতত,
চাও চকু মুৰাই তোমাৰ ফাললৈ
মাতিব নোৱাৰো লাজত।"

বিহুগীত বোৰ প্ৰেমতে উৎপত্তি আৰু প্ৰেমতে বাঢ়িছে। এই গীতবোৰ পাঁও ভুঁইৰ দৃশ্য আৰু পাৰলীয়া সমাজৰ কথা অনেক পোৱা যায়। এই গীতবোৰত 'চতাই পৰ্ব্বত' আৰু 'চিৰি লুইতৰ' কথা আজিও জিলিকি আছে। চতাই পৰ্বতক কেন্দ্ৰ কৰি বিহুৱলীয়া ডেকাই গাইছে —

"চতাই পৰ্ব্বত ধুৰলি কুৰলি
কোনে ভাত বান্ধি খায়
মাক নাই মাউৰা তিৰি নাই বৰলা
হাতী ধৰিবলৈ যায়।"

এইদৰে বিহুগীতবোৰত পাঁও ভুইৰ দৃশ্য পাৰলীয়া সমাজৰ অনেক চিত্ৰ পৰিল-ক্ষিত হয়।

অসমীয়া বিহুগীতৰ প্ৰাঞ্জল বৰ্ণনাত সমাজৰ প্ৰতিটো চিত্ৰ আৰু সামাজিক জীৱনৰ প্ৰতিটো অনুভূতি প্ৰকাশ যায়।



বিহুগীত অসমীয়া সামাজিক জীৱনৰ প্ৰতীক ইয়াত বাস্তৱ জীৱনৰ ইতিহাস পৰিলক্ষিত হৈছে। বিহুগীতৰ সাহিত্যিক বৈশিষ্ট্য অতুলনীয়। জগতৰ কোনো সাহিত্যই আদিতে কোনো শিক্ষানুষ্ঠানক কেন্দ্ৰ কৰি গঢ়ি উঠা নাছিল। সাহিত্যৰ আদিম অৱস্থাটো সকলোৰে মৌখিক বা অলিখিত আছিল। জগতৰ সকলো সাহিত্যই আদিম অৱস্থাতে কবিতাক কেন্দ্ৰ কৰি গঢ়ি উঠা। সেই হিচাবে চালে অসমীয়া জাতীয় সাহিত্য বিহুগীতৰ দাম অতুলনীয়। বিহুগীত আৰু বিহুনাচৰ লগত অসমীয়া কৃষ্টিৰ ভুত ভৱিষ্যত জড়িত হৈ আছে। বিহুগীতে অসমীয়া জাতি, অসমীয়া, সমাজ আৰু অসমীয়া ভাষাৰ সম্বল যোগাইছে।

ইয়াত অসমীয়া সামাজিক জীৱনৰ প্ৰতিচ্ছবি, অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু অসমীয়া জাতিৰ ধৰ্ম্ম বিশ্বাসৰ আভাষ পোৱা যায়। অসমীয়া মানুহৰ সৌন্দৰ্য্য স্পৃহা, আশা আকাংক্ষাৰ স্বচ্ছ ছবি বিহুগীতত প্ৰকাশ পায়। গতিকে কব পাৰি যে বিহুগীতত অসমীয়া জাতীয় জীৱনৰ বৈশিষ্ট ফুটি উঠিছে। এই বিহুগীত আৰু বিহু অসমীয়া মানুহৰ বুকুৰ কুটুম, হিয়াৰ আমঠু হৈ থাকক। এয়ে কামনা।

— সমাপ্ত —

* *

ৰচনা ঃ—

# গৌতম বুদ্ধ

শ্ৰীকিৰণ শ্যাম
দ্বিতীয় বাষিক
স্নাতক মহলা ( অসমীয়া বিভাগ

গৌতম বুদ্ধ আছিল বৌদ্ধ ধৰ্মৰ প্ৰৱৰ্ত্তক । কপিলাবস্তুৰ ৰজা শুদ্ধোদনৰ পত্নী মহাৰাণী মায়াদেৱীৰ এটি পুত্ৰ জন্ম হ'ল । নাম থলে সিদ্ধাৰ্থ । সিদ্ধাৰ্থ জন্ম হোৱাৰ সপ্তম দিনা মায়াদেৱীৰ মৃত্যু হোৱাত মাহীমাক গৌতমীয়ে লালন পালন কৰাৰ হেতু তেওঁক গৌতম বুলিও কোৱা হয় । কথিত আছে যি মাতৃয়ে ভাৱী বুদ্ধক গৰ্ভধাৰণ কৰে সি আৰু অন্য সন্তানৰ জননী হ'ব নোৱাৰে, সপ্তম দিনা তেওঁৰ পৰলোকলৈ গতি হয় ।

বুদ্ধৰ বংশ পৰিচয় :— শাক্যবংশৰ মূলধাৰাই কপিলাবস্তুতে ৰাজত্ব কৰিলেও স্থানাভাৱ প্ৰভৃতি নানা কাৰণত ইয়াৰ বিভিন্ন শাখা বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যৰ সৃষ্টি হয় । তাৰ ভিতৰত চাতুমা, সামগ্ৰাম, উল্লুম্পা, শীলাৱতী প্ৰভৃতি কেইখনমান শাক্য নগৰৰ নাম পোৱা যায় ( পালি সাহিত্য ) । কাপলাবস্তুত যেতিয়া শাক্যৰাজ 'জয়সেনে' ৰাজত্ব কৰিছিল, তেতিয়া দেৱদহ ( ইতিহাস প্ৰসিদ্ধ ) ৰ সিংহাসনত অধিকঢ় কৰিছিল "দেৱদহ শাক্য" । জয়সেনৰ পুত্ৰ আছিল সিংহহনু ; অন্যহাতে দেৱদহ শাক্যৰ পুত্ৰ আছিল অঞ্জন । সিংহহনুৰ চাৰিপুত্ৰ শুদ্ধোদন, ধৌতোধন শুক্লোদন আৰু অমিতোদন আৰু অমিতা, প্ৰতিমা নামৰ দুগৰাকী কন্যা আছিল । ইফালে অঞ্জনৰো দণ্ডপাণি আৰু সুপ্ৰবুদ্ধ নামৰ দুই পুত্ৰ আৰু মায়া, প্ৰজাপতি নামৰ দুই কন্যা আছিল । তেতিয়া যুৱৰাজ শুদ্ধোদনৰ লগত মায়াদেৱীৰ বিবাহ সম্পন্ন হয় । অন্যহাতে মায়াদেৱীৰ পুত্ৰ কন্যা নোহোৱাত শুদ্ধোদনে মায়াদেৱীৰ সৈতে আলোচনা কৰি বংশ ৰক্ষাৰ হেতু ভাইৰে ভগ্নী মহাপ্ৰজ্ঞা পতিক বিবাহ কৰায় । সিংহহনো লোকান্তৰ হোৱাত শুদ্ধোদনে ৰাজ সিংহাসনত আৰোহণ কৰে ।

বোধিসত্বৰ বুদ্ধত্ব লাভ :— সাধিক সহস্ৰ বছৰৰ পূৰ্বৰ কথা । তেতিয়া কালৰ পৰিচিত জগত বুলি কলে বুজিছিল দ্বিসহস্ৰ ক্ষুদ্ৰ ক্ষুদ্ৰ দ্বীপ পৰিবেষ্টিত চাৰি মহাদ্বীপ, জম্বুদ্বীপ



উত্তৰকুৰু, পুৰবিদেহ আৰু অপৰ গোয়ান । ইয়াৰ বাহিৰে বৰ্ত্তমানৰ ভূখণ্ড সমূহ তলিত জম্বুদ্বীপ বৰ্ত্তমানৰ পাক ভাৰত উপমহাদেশৰ আদি নাম । হিমালয়ৰ গিৰিপথেদি আৰ্য্য সকল জম্বুদ্বীপৰ উত্তৰ পশ্চিমাংশত প্ৰৱেশ কৰি ৰাজ্য বিস্তাৰ কৰে ; কিন্তু দক্ষিণ ভাৰতত আৰ্য্যসভ্যতা বিস্তৃতি লাভ কৰিব পৰা নাছিল ।

আৰ্য্যসভ্যতা ভাৰতীয় সভ্যতাতকৈ অস্ত্ৰবলত বেছি বলীয়ান আছিল । আৰ্য্যসভ্যতাত প্ৰচলিত বৈদিক আৰু ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱত সমগ্ৰ ভাৰতীয় সমাজত বিশৃংখলতা আৰু অৰাজকতা বিয়পি পৰিছিল । আদৰ্শচ্যুত, স্বাৰ্থপৰ আৰু লোভাতুৰ ব্ৰাহ্মণ সকলৰ প্ৰৰোচনাত অজ্ঞ আৰু সৰল প্ৰকৃতি জনসাধাৰণৰ অন্ধ বিশ্বাসৰ সুযোগ লৈ বৈদিক ক্ৰিয়া কাণ্ডৰ অজুহাতত লক্ষ লক্ষ অবলা ৰক্তস্ৰোতত যজ্ঞভূমি প্লাৱিত হৈছিল । এই সময়তেই বোধিসত্বই অগণিত জন্ম-জন্মান্তৰৰ সাধনাত পাৰমীসমূহ পূৰ্ণ কৰি বুদ্ধত্ব লাভৰ উপযুক্ত সময়ৰ প্ৰতীক্ষাত তুষিত - পুৰত 'শ্বেতকেতু' নামক দেৱপুত্ৰৰূপে বাস কৰিছিল । অত্যাচাৰত জীৱজগতৰ নিৰুপায় হাহাকাৰ আৰু দুঃখক্লিষ্ট মানৱৰ হতাশা ক্ষুন্ন মনৰ আকুল আৰ্ত কৰুণানাদে বোধিসত্বৰ চিত্তক বিক্ষুব্ধ কৰি তুলিলে, তেওঁ তেতিয়া ভাৱিলে, জগতততেওঁৰ বুদ্ধ ৰূপে উৎপন্ন হোৱাৰ সময় সমাগত । কথিত আছে বুদ্ধ সকল একমাত্ৰ জম্বুদ্বীপতেই জন্মগ্ৰহণ কৰে । সেয়ে বোধিসত্বই জীৱৰ শান্তিৰ বাবে জম্বুদ্বীপতেই জন্মগ্ৰহণ কৰিবলৈ থিক কৰে । তেওঁ চিন্তা কৰি কপিলাবস্তুৰ ৰজা শুদ্ধোদনৰ প্ৰথমা ৰাণী মায়াদেৱীৰ গৰ্ভত ধাৰণ কৰিবলৈ ইচ্ছা কৰে । কাৰণ মহামায়াদেৱী শত-শহস্ৰ কল্পধৰি পাৰমীসমূহ পূৰ্ণ কৰি বুদ্ধ-মাতৃ হোৱাৰ যোগ্যতা আৰ্জন কৰে । বৰ্ত্তমান জন্মতো তেওঁ মিথ্যাচাৰ আৰু মাদক দ্ৰব্যাদি সেৱনৰ পৰা বিৰত হৈ আজন্ম পঞ্চশীল ৰক্ষা কৰি প্ৰাণীৰ প্ৰাণ-আত্মা শান্তিৰ হেতু বুদ্ধমাতৃ ৰূপে পৃথিৱীত উৎপন্ন হয় ।

গৌতমৰ জন্ম :— মায়াদেৱীয়ে প্ৰসৱকাল সমাগত হোৱাত পিতৃ গৃহলৈ যোৱাৰ বাসনা কৰে আৰু ৰজাই, ৰাণীক স্বৰ্ণ দোলাত সহস্ৰ সভাসদ, বহু অনুচৰ সমভিব্যৱহাৰে তেওঁৰ পিতৃ গৃহলৈ যাত্ৰাৰ সুবন্দৱস্ত কৰিদিলে । সেই যাত্ৰাৰ দিনাই লুম্বিণী বনৰ এক প্ৰমোদ উদ্যানত জ্যোৎস্না-স্নাত উন্মুত বৃক্ষ তলত শুভ বহাগী পূৰ্ণিমা তিথিত সু-পুষ্পিত শালশাখা ধৰি দণ্ডায়মান অৱস্থাতে, ভাৱী ত্ৰিভৱগুৰু বোধিসত্ব ভূমিষ্ঠ হয় ।

সকৰে পৰাই গৌতম ৰং-ধেমালীৰ মাজত বাস কৰিছিল যদিও তেওঁ সদায়েই চিন্তা কৰি অকলশৰীয়া হৈ থাকিবলৈহে ভাল পাইছিল । জ্যোতিৰ্বী সকলৰ মতে তেওঁ হয়

ৰাজচক্ৰৱৰ্তী নহয় সন্ন্যাসী হ'ব । তেওঁ সদায় চিন্তা কৰি থকাৰ বাবে ৰজা ৰাণীয়ে শান্তি পোৱা নাছিল । শাস্ত্ৰ অধ্যয়ন আৰু ক্ষত্ৰবিদ্যাৰ এই দুয়োতাতেই গৌতম সকলোতকৈ আগৰণুৱা আছিল । এবাৰ দেৱদত্তই আধামৰা কৰা এজনী হাঁহক গৌতমে জীৱন দান দিছিল । ৰজা শুদ্ধোদনে কুমাৰৰ বাবে সকলো আনন্দ, ভোগ - বিলাস ভাবো-পৰি সংসাৰ বন্ধনত বান্ধিবলৈ চেষ্টা কৰিলে, কিন্তু, কুমাৰ চিন্তান্বিত হৈ হঠাতে ধ্যানস্থ হৈ পৰে। তেওঁক আকৃষ্ট কৰাৰ ইমান আয়োজন ভোগ-বিলাসৰ ইমান অজস্ৰ মায়াজাল ব্যৰ্থ হ'ল ইমান অপৰ্য্যাপ্ত আনন্দ কৌতুক প্ৰমোদ ভৱনৰ নৃত্য-গীত-বাদ্য, সুন্দৰী ললনাৰ সযত্ন পৰিচৰ্য্যা কোনো আকৰ্ষণেই সৃষ্টি কৰিব নোৱাৰিলে তেওঁৰ স্বভাৱ বিৰাগী মনটোক ।

গৌতম কুমাৰে ওঠৰ বছৰ বয়সত যশোধৰা নামৰ এজনী সুন্দৰী ৰমনীক বিয়া কৰাই । অশোক ভাণ্ডাৰ বিতৰণৰ দ্বাৰা কুমাৰে নিজেই কন্যা নিৰ্ধাৰণ কৰে । সকলোৱে এইবাৰ কুমাৰ সংসাৰত ডুব যাব বুলি ভাবিছিল । কিন্তু এই ভাবনাৰ ওলোটাহে বিকশিত হব ধৰিলে ।

কুমাৰ সিদ্ধাৰ্থৰ পৰিভ্ৰমণ :— গৌতম কুমাৰৰ এবাৰ তেওঁৰ ৰাজ্য পৰিভ্ৰমণ কৰিবৰ ইচ্ছা গ'ল । তাৰ বাবে ৰজাই সকলো সু-ব্যৱস্থা আৰু নগৰৰ সকলো সুন্দৰকৈ সজোৱা হ'ল । এই যাত্ৰাত তেওঁৰ প্ৰিয় সাৰথি ছন্দক আছিল । ভ্ৰমণৰত অৱস্থাতে তেওঁৰ নয়নগোচৰ হ'ল এক জৰাজীৰ্ণ শীৰ্ণদেহ বৃদ্ধ ছন্দকৰ পৰা তেওঁ জানিব পাৰিলে এই বৃদ্ধ জৰাগ্ৰস্ত । ই হ'ল মানুহৰ বাৰ্ধক্য অৰ্থাৎ জীৱনৰ ভাটি কাল ।

ইয়াৰ পিছৰ বাৰত তেওঁ ব্যাধিক্লিষ্ট এজন মানুহ দেখা পালে । ছন্দকৰ পৰা তেওঁ জানিব পাৰিলে যে প্ৰত্যেক মানুহৰেই এই অৱস্থা হয় ।

তৃতীয়বাৰত তেওঁ এজন মৃত ব্যক্তিক শ্মশানলৈ নিয়া অৱস্থাত দেখা পালে । সাৰথিক সুধি তেওঁ জানিব পাৰিলে যে প্ৰত্যেক মানুহৰেই মৃত্যু নিশ্চয়, তেওঁও এদিন মৃত্যু মুখত পৰিব । মানুহৰ এই মৃত্যুৰ পৰা হাত হৰাৰ উপায় বিচাৰি তেওঁ চিন্তা কৰিব ধৰিলে ।

তেওঁৰ একমাত্ৰ পুত্ৰৰ নাম আছিল ৰাহুল । যশোধৰা, ৰাহুল, ৰাজসিংহাসন এই বিলাসিতাই তেওঁৰ বান্ধোন বুলি জানিব পাৰি তেওঁ সন্ন্যাস ধৰ্ম গ্ৰহণ কৰি পৃথিৱীত বাৰ্ধক্য, জৰা, মৃত্যুৰ পৰা মানুহক হাত হৰোৱাৰ উপায় বিচাৰি যাবলৈ দৃঢ়সংকল্প কৰিলে । চতুৰ্থবাৰ ভ্ৰমণ কৰাৰ সময়ত তেওঁ এজন সন্ন্যাসীক দেখা পাইছিল । তাৰ ফলতেই তেওঁ সন্ন্যাস গ্ৰহণ কৰিবলৈ থিৰাং কৰে ।



গৌতম কুমাৰৰ ত্ৰিশ বছৰ পূৰ্ণ হোৱাত আহাৰী পূৰ্ণীমাৰ দিনা অশ্বৰাজ 'কণ্ঠক' ৰ পিঠিত উঠি প্ৰিয় সাৰথি ছন্দকৰ লগত তেওঁ কপিলাবস্তুৰ ৰাজ সিংহাসন, পিতৃ মাতৃ, পুত্ৰ স্ত্ৰী সকলোকে ত্যাগ কৰি সন্ন্যাস গ্ৰহণৰ বাবে যাত্ৰা আৰম্ভ কৰিলে । সৈ সৈ তেওঁ 'অনোমা' নামৰ এখন নদী পালেগৈ । তেওঁ ভাবিলে এই 'অনোমা' (শ্ৰেষ্ঠ) নদীৰ পৰাই তেওঁৰ প্ৰব্ৰজ্যা আৰম্ভ হব । ৰজাৰ আভৰণ খুলাই সন্ন্যাসী বসন পিন্ধি তেওঁ ছন্দকক ৰাজ কাৰেঙলৈ পঠালে । তেওঁ নিজ হাতেই তৰুৱা-লেৰে চুলি কাটি পেলালে ।

প্ৰব্ৰজ্যা গ্ৰহণৰ বাবে তেওঁ মহৰ্ষি ভাৰ্গৱ মুণিৰ আশ্ৰমলৈ গ'ল । তেওঁ বহু সন্ন্যাসীৰ ওচৰলৈ তেওঁৰ আকাংখিত প্ৰশ্নৰ উত্তৰ বিচাৰি গ'ল ; কিন্তু ক'তো তেওঁৰ আকাংখিত প্ৰশ্নৰ উত্তৰ বিচাৰি নাপালে । তেওঁ কঠোৰ সাধনা কৰিও তাৰ পৰা কোনো সুফল নাপালে ।

ইতিমধ্যে তেওঁৰ গৃহত্যাগৰ পৰা ছয়টা বছৰ পূৰ্ণ হৈছে । এটা বছৰ পাৰ হ'ল গুৰুৰ অনুসন্ধানত আৰু 'আলাড় কালাম' রুদ্রক ৰামপুত্ৰৰ ওচৰত শিক্ষা গ্ৰহণত, আৰু পাঁচটা বছৰ পাৰ হ'ল কৃচ্ছ্ৰ সাধনাত । শুভ বহাগী পূৰ্ণিমাৰ পূৰ্বৰাতি পাচঁটা মহাস্বপ্ন তেওঁ দেখিলে :—

প্ৰথম স্বপ্নত তেওঁ দেখিলে তেওঁ অচিৰেই তথাগতৰূপে পূৰ্ণবোধি লাভ কৰিব আৰু তেওঁৰ মহিমা বিস্তৃত হব অসমুদ্ৰ হিমাচল পৰ্য্যন্ত ।

দ্বিতীয় স্বপ্নই ইঙ্গিত কৰিছে অষ্ট শাখা বিশিষ্ট সেই মাৰ্গৰ প্ৰতি যাক তেওঁ আৱিষ্কাৰ কৰিছে ।

তৃতীয় স্বপ্নই আভাস দিছে সেই সকল শ্বেতবস্ত্ৰ পৰিহিত গৃহীসকল যি সকলে তেওঁৰ শৰণ গ্ৰহণ কৰিলে ।

চতুৰ্থ স্বপ্নৰ সংকেত হ'ল ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ এই চাৰি বৰ্ণৰ লোকে তথাগতৰ ধৰ্মৰ শৰণ লৈ হেৰুৱাব তেওঁ-লোকৰ ভেদমূলক জাতিৰ বৈশিষ্ট আৰু লাভ কৰিব চৰম বিমুক্তি । তেওঁৰ পঞ্চম স্বপ্নৰ তাৎপৰ্য্য হ'ল, তথাগতৰূপে বিচৰণ কৰিব সংসাৰত ; অথচ সংসাৰৰ মলিনতাই তেওঁক স্পৰ্শ কৰিব নোৱাৰিব ।

উৰুবিল্বৰ নিচেই কাষতে 'সেনানী গ্ৰাম'ৰ মুখীয়াল জনাৰ সুজাতা নামৰ এজনী কন্যা আছিল । গৌতমে তাইৰ হাতৰ ভিক্ষা গ্ৰহণ কৰিলে আৰু মধ্যপন্থা গ্ৰহণ কৰি বোধিবৃক্ষৰ তলত ধ্যানত আত্মনিয়োগ কৰিলে । এই সময়তেই তেওঁৰ চাৰিও ফালে দেখা দিলে মাৰৰ বিপুসমূহে । এই বিলাকৰ ভিতৰত কাম বাসনা ক্ষুৎ - পিপাসা, বিষয়-বাসনা, আলস্য, ভয়, সংশয়, অভিমান, লাভ সৎকাৰ পূজা ইত্যাদি । এই সকলোবিলাক জয় কৰি তেওঁ বহাগী পূৰ্ণিমা তিথিৰ দিনা

বুদ্ধত্ব লাভ কৰে। তেওঁ লাভ কৰিলে সৰ্বজ্ঞতা হ'ল সম্বুদ্ধ।

ইয়াৰ পিছত তেওঁ জম্বুদ্বীপৰ সকলোতে বৌদ্ধ ধৰ্মৰ প্ৰচাৰ কৰিছিল, সকলোৱে তেওঁৰ ধৰ্ম গ্ৰহণ কৰিছিল। এই বুদ্ধ বিলাকে সদায় ভিক্ষা কৰি অন্ন গ্ৰহণ কৰিছিল। এই অমৰ পুণ্যপুৰুষৰ মহাদেহাৱশেষ বক্ষত ধাৰণ কৰি কুশীনাৰা আৰু আজি লুম্বিনী বুদ্ধগয়া আৰু সাৰনাথৰ সমমৰ্য্যদা আৰু গৌৰৱলাভত ধন্য হৈছে। গৌতম বুদ্ধই বহাগী পূৰ্ণিমা তিথিত জন্ম গ্ৰহণ কৰে আৰু কুশীনগৰত ৮০ (আশী) বছৰ বয়সত মহাপৰিনিৰ্বান লাভ কৰে; অৰ্থাৎ তেওঁৰ পৰলোক প্ৰাপ্তী হয়।

'সৰ্ব্বে সত্তা সুখিতা ভৱন্তু"।
অথাৎ
"সকলো প্ৰাণী সুখি হওক"।
= + =

# OH ! ZHENG

মিচ্ পাপৰি গগৈ
স্নাতক তৃতীয় বাৰ্ষিক

(১)

লাইন বাচত ভদ্ৰলোক জনে ভৰিটো থোৱাৰ লগে লগে আই ঐ বুলি ছাত্ৰী গৰাকীয়ে খঙেৰে তেওঁ'ল চালে।

ভদ্ৰলোক — Sorry! মই কাপোৰ বুলি ভাবিছিলো।

ছাত্ৰী — (খঙেৰে) কাপোৰ বুলি ভাবিছিলো ফটা হলে কি কৰিলেহেতেন।

ভদ্ৰলোকজনে শান্তভাবেৰেই পুণৰ ভৰি এখন থবলৈ চেষ্টা কৰি বিফল হোৱাত মুখেৰে স্বতঃ স্ফুৰ্তভাৱেই ওলাই গ'ল ই ভৰিয়েই ভৰি।

ছাত্ৰী :— মানুহ থাকিলে ভৰি থাকিবই।

ভদ্ৰলোক — (লাহেকৈ) তথাপি।

ছাত্ৰী — তথাপি চথাপি নাই ভৰিকেইটা সলকাই ৰাখিবত থলেহে হব।

(২)

(চিঞৰি) খুৰাদেউ ভালনে ?

(চিঞৰি) নাই ভাল নহয়। এইকালে আহাচোন! কিবা হৈছেনেকি ?

মোৰ দাঁতৰ বিষ আৰু মনিজনীক চোৱাগৈচোন কেনেকৈ কান্দি আছে। কি কি হৈছে মন্টি ?

নথ চুকীয়া ···· ····

খেংতেৰী কি যে তাৰ Class বেমাৰ বোৰ তোমালোকৰ হয় আৰু। তোমাৰদৰে Aristocratic বেমাৰৰ নামক যেনে Pressure বোলে কেনেকুৱা Pressure (গহীনাই) High Pressure, heart attack, কেন্সাৰ আদি হৈছে। তেতিয়াহে ক'ব পাৰো বস্বেলৈ নিব লাগিব, Press maker বহুৱাব লাগিব। তাৰ পিছত মোহনবাৰী চান্তাক্ৰোচ, বেংক, আলহী ···· ···· হুলস্থুল — — — —

(৩)

ঐ শুন বেছিকৈ মোচ মোহাৰি নাথাকিবি।

ওঁ

বাহিৰলৈ চাই চাই আঙুলি ফুটাই নাথাকিবি।

ওঁ — — ওঁ ওঁ — —

S. D. M. O. চাৰৰ ছোৱালী। নামটোৰেই বেবি — — — মোক বা পচন্দ কৰেনে নাই — — -- যাহ্! যি হয় হব আৰু! ঠিক ১০ বজাত মই S. D. M. O. চাৰৰ ঘৰত বিবাহ সম্বন্ধীয় উৰ্দ্দেশ্যত হাজিৰ। কিন্তু হায়! বেবি কলেজলৈ গ'লগৈ। car পঠাইছেহে। ঘৰখনৰ চেচাঁ পৰিবেশটোত মই যন্ত্ৰণা অনুভৱ কৰিবলৈ ধৰিলো। অৱশেষত গাড়ীখন আহিল যদিও বেবিৰ সাৰ সুৰেই নাই। এগৰাকী ক'লা স্থুলকায়

মহিলা সদৃশ ছোৱালীয়ে মোৰ সন্মুখতে টেবুলত খোৱাবস্তবোৰ সজাই আছে। অলপ স্মাৰ্ট দেখুৱাবলৈকে সুধিলো — বেবি ঘৰত নাইনেকি? মহিলা সদৃশ ছোৱালীজনীয়ে বিৰাট অট্টহাস্য কৰি স্থূলকায় শৰীৰটো লৰাই লৰাই ক'লে — মইয়েই বে — বী —

(৪)

পুৰুষ নাচ : — চাৰ মই মানুহকহে বেজী দিও। জন্তুক বেজী দিবলৈ কি Veteniary hospitol নাইনেকি? মই চাৰ বকৰাৰ ঘৰৰ কুকুৰটোক বেজী দিবলৈ নোৱাৰো। মোৰ চাৰ prestige ৰ কথা আছে।

ডা : — মই সকলো বুজিছো মিঃ দলে কিন্তু নিৰুপায়। এইবাৰলৈ যাওক। In fature মই আছো।

দলে — O. K. Sir.

দ্বিতীয় দিনা —

ডাঃ (খঙেৰে) — 'দলে' কালি বকৰাৰ কুকুৰটো মৰি থাকিল আপুনি কি বেজী দিছিল ... ... ... ... ...

সঁচা কথা কওক ... ... ... ...

দলে — Sir আপুনি যদি কাকো নকয় ... ... ... ... ... ... ...

ডাঃ — কওক —

দলে : — মানে চাৰ মোৰ বৰ খঙ উঠিছিল চাৰ ... ... ... ... ... মই কুকুৰটোৰ নোমতে এনেয়ে বেজীটো ধৰি আছিলো চা — — ৰ — — ।

= × =

গল্প

গল্প

গল্প

# আইৰ অসুখ

শ্ৰী মতী ৰঞ্জুমনি শইকীয়া
উচ্চতৰ মাধ্যমিক
দ্বিতীয় বাৰ্ষিক (কলা)

আকৌ পাৰহৈ গৈছে এটা সম্পুৰ্ণ বিনিদ্ৰ ৰজনী। চটফটাই আছে মোৰ আই বাহিৰৰ বতাহত সোঁ সোঁ শব্দত বাৰে বাৰে চক খাই উঠিছে তেওঁ আঁউসীৰ আন্ধাৰতকৈ ভয়াবহ নিৰ্জনতাৰ মাজত অকলশৰীয়া কোঠা-টোত মাথো মই আৰু মোৰ আই ।

সময়বোৰ যেন নাযায় নুপুৰায়। ঠিক নাইকোন মুহূৰ্তত কি হৈ যায় । নৈখনৰ সিটো পাৰে সিহঁত (সিহঁত) সাজু হৈ আছে। ৰণোন্মাদ একাক মানুহ আৰু সেইবাবেও আমিও সাজু হৈ আছো। বোপাককাৰ দিনৰে দীঘলীয়া দা-খন ধৰাই থৈছো । যিকোনো মুহূৰ্তত প্ৰয়োজন হব পাৰে। কেইদিন মানৰ আগলৈকে সকলো ঠিকেই আছিল । শান্ত নিৰ্জন নদীখনৰ পাৰত আমি প্ৰত্যেক আবে-লিতে এটা মুহূৰ্তৰ বাবে থিয় হৈ অহাটো নিয়মৰ দৰে হৈ পৰিছিল । দুয়োপাৰ সংলগ্ন কৰি ৰখা কাঠৰ দলংখন নৈপৰীয়া গাওঁদুখনৰ মানুহে নিজৰ শ্ৰমেৰেই নিৰ্মান কৰিছিল অগভীৰ ঠেক নদীখন দহবছৰীয়া লৰা এটাইও সহজে পাৰহৈ যাব পাৰিছিল । কিন্তু হঠাতেই যেন কিবা এটা হৈ গ'ল ।

দুদিন মানৰ ভিতৰতে নদীখন সু-গভীৰ আৰু বহল হৈ পৰিল । দুয়োপাৰ সংলগ্ন কৰি ৰখা কাঠৰ দলংখন এটা ৰাতিৰ ভিতৰতে বানে উটাই নিলে। নদীখন পাৰ হব খোজা অপৰাধত সিপাৰৰ গাঁৱৰ মাতিবাম সাউদক দুটুকুৰা কৰি উটাই দিয়া হ'ল । মাত্ৰ দুটা নিশাৰ আগতে আমাৰ গাঁৱৰ নৈপৰীয়া একুৰি ঘৰ সিহঁতে জ্বলাই দিলে । গাৱঁৰ স্কুলটো আনকি সিহঁতৰ ক্ৰোধানলৰ পৰা মছ-জিদটোও ৰক্ষা নপৰিল । পিছ দুহকি অহা নাই অমিও । যোৱা নিশা জ্বলাই থৈ আহিছো সিহঁতৰ আগোন গাৱখন । কাফেৰহঁতৰ নাম-ঘৰটো ছাঁই কৰি দিছো । চয়তানহঁতৰ আঠৌটাক কাটি নদীত উটাই দিছো । মাজ-নিশা আন্ধাৰ গুচি দিনযেন হৈ পৰিছিল নিশাটো। বিজয়ৰ আনন্দত দৌৰি আহিছিলো আইৰ কাষলৈ ।

শান্ত শীতল এক অদ্ভুত চাৰনিৰে আমে মোলৈ মুৰতুলি চাইছিল। কিন্তু একোৰেই কোৱা নাছিল। তেতিয়াৰ পৰাই মোৰ আইৰ অসুস। যোৱা নিশা দুপৰৰ পৰাই মোৰ আইৰ অসুখ।

আকৌ পাৰ হৈ গৈছে এটা বিনিদ্ৰ ৰজনী। চটফটাই আছে মোৰ আই। বাহিৰৰ অন্ধকাৰৰ মাজৰ পৰা ভাহি অহা বুটজোতাৰ শব্দত বাৰে বাৰে চক খাই উঠিছে তেওঁ। আউসীৰ আন্ধাৰতকৈ ভয়াবহ নিৰ্জনতাৰ মাজত অকলশৰীয়া কোঠাটোত মাথো মই আৰু মোৰ আই।

সময়বোৰ যে বৰ দুৰ্বহ। যোৱা তিনিটা ৰাতি নগৰখনত একেৰাহে ব্লেক আউট পালন কৰা হৈছে। ৰাতিৰ প্ৰথম প্ৰহৰতে নিমাত নিস্তব্ধ হৈ পৰিছে গোটেইখন। অথচ টোপনি যাব পৰা নাই কোনেও। ঠিক নাই কেতিয়া কি হৈ যাব পাৰে। শত্ৰুৰ বিমানে কেইবাবাৰো চুই গৈছে নগৰ খনৰ আকাশ। যি কোনো মুহূৰ্ত্তত বোমা বিস্ফোৰণ হব পাৰে আৰু ঠান বান হৈ যাব এই গভীৰ নিৰৱতা। ঘৰ জ্বলাৰ পোহৰে অৰ্থহীন কৰি পেলাব পাৰে ব্লেক আউটৰ কৃত্ৰিম অন্ধকাৰক। মাকৰ মনত নিচিন্ত মনে শুই থকা ফৰিদ শুই পৰিব লগা হব পাৰে চিৰদিনৰ বাবে।

যোৱা কেইবাটাও বছৰ জুৰি আজিৰ দৰেই পাৰ হৈ গৈছে অসহ্য চিৰন্তিকৰ কিছুমান সুদীৰ্ঘ ৰাতি। কোনেও নাজানে প্ৰকৃততে কিহৰ কাৰণে লাগিছে যুদ্ধখন কিছুমানে কয় আমৰ সীমান্তৰ কাষত থকা বহুতো তেলকুপ সিহঁতে বলেৰে কাঢ়ি লৈছে। কিন্তু মই বুজি পোৱা নাই নৱ-যৌৱন প্ৰাপ্ত হাজাৰ হাজাৰ ডেকাৰ জীৱনৰ বিনিময়ত কেইটামান তেল-কুপ বিচাৰি সিহঁতে কিয় উন্মাদ হৈ পৰিছে সহজে এৰি দিয়াত নাই আমিও। সিহঁতৰ দৰে ক্ষুদ্ৰ দেশ এখনৰ লগত হাৰি যোৱাতো সন্মানৰ প্ৰশ্ন জড়িত হৈ আছে।

যোৱা কালি মোৰ সৰু ভাইটো ফৌজত ভৰ্ত্তি হৈছে তাৰ বয়স মাত্ৰ যোল্ল বছৰ। চৰকাৰে কৈছে ফৌজত মানুহৰ অভাৱ হৈছে। সেইটো হব নোৱাৰে। এটা পুৰুষ শেষ হৈ গলে পৰৱৰ্ত্তী পুৰুষে দায়িত্ব লব লাগিব। দেশৰ গৌৰৱ সকলোতকৈ ডাঙৰ কথা। মইয়ো যাব খুজিছিলো, কিন্তু পৰীক্ষা কৰি সিহঁতে কলে মোৰ হাত হেনু খুব দুৰ্ব্বল। হবও পাৰে কেতিয়াবা কেতিয়াবা বুকুৰ বাওঁফালটো খুব বিষায় সুস্থ সবল দেহে কুটো কুটো কৰা গালেৰে মোৰ সৰু ভাইটো যুজলৈ যাওঁনি হোৱাত মই আনন্দত কব নোৱাৰা হৈ গৈছিলো। পৰি আহিছিলো মোৰ আইক শুভ খবৰটো দিবলৈ।



শান্ত শীতল এক অদ্ভুত চাৰনিৰে আমে মোলৈ মুৰ তুলি চাইছিল। একোৰেই কোৱা নাছিল। ঠিক তেতিয়াৰ পৰাই মোৰ আইৰ অসুখ। যোৱা নিশা দুপৰৰ পৰা মোৰ আইৰ অসুখ।

আকৌ পাৰ হৈ গৈছে এটা বিনিদ্ৰ ৰজনী। চটফটাই আছে মোৰ আই। বাহিৰৰ অন্ধকাৰৰ মাজৰ পৰা ভাহি অহা ছইচেলৰ শব্দত বাৰে বাৰে চক খাই উঠিছে তেওঁ। আউসীৰ আন্ধাৰতকৈ ভয়াবহ নিৰ্জনতাৰ মাজত অকলশৰীয়া কোঠাটোত মাথো মই আৰু মোৰ আই।

বাহিৰৰ আন্ধাৰৰ মাজলৈ চাবলৈকে ভয় লাগে। ঠিক নাই কেতিয়া কত লুকাই থাকে সেইজাক আন্ধাৰতকৈ কলা সেইজাকক আকৌ মানৱ অধিকাৰ লাগে। যেগুলানে কি ............... সিটো বৰ্ত্তমান জেলত। তথাপি সিহঁতে বাজি হেৰুওৱা নাই।

মানুহ হবলৈতো কিবা এটা লাগে। সেইদিনাযে সেইটো ট্ৰামখনত মোৰ লগত বহি আহিছিল। চিমনিৰ কলা ধোৱাৰ দৰে কলা তাৰ ছাল লগত বহি আহিবলৈ ঘিন লগাত তাক উঠি যাবলৈ কলো। লগে লগে সি যিবোৰহে বক্তৃতা আৰম্ভ কৰিলে। মুৰ গৰম হৈ গৈছিল। অৱশেষত যেনিবা কণ্ডাক্টৰ দৰ্বাটে তাক গতিয়াই নমাই দিলে।

আজিকালি সিহঁত ক্ৰমান্বয়ে হিংস্ৰ হৈ উঠিছে। আমাৰ নিচিনা বগা মানুহক ক'ৰবাত অকলৈ পালেই সিহঁতে আগুৰি ধৰে। সিদিনা দিনদুপৰতে টমক কাটি থৈ গ'ল। ঘৰৰ সন্মুখৰ লনখনৰ বনবোৰ তেজেৰে ৰঙা হৈ গৈছিল তৰা দুৰা কৰি আমাৰ মানুহবোৰ সোট খাইছিল। হঠাতে কোনোবা এজনে পিছফালৰ পৰা কৈছিল, সিহঁতৰ তেজৰ ৰঙো আমাৰ দৰেই ৰঙা। লগে লগে সকলোৱে ঘূৰি চাইছিল কিন্তু ধৰা নপৰিল বাস্কেলটো'। এনেকুৱা দুৰ্বল আত্মাবোৰৰ পৰাই ক্ৰমান্বয়ে দুৰ্ব্বল হৈ পৰিছে আমাৰ সমাজখন। জোহে-ন্সবাৰ্গৰ ৰাজপথত আজিকালি সিহঁতক সতৰ্ক-ভাৱে লক্ষ্য কৰা হয়। পশ্চিমৰ কুকুৰিহঁতক কলাপশুক দুই এদিনতে গৃহচ্যুত কৰা হব। ক'লা মানুহৰ মাজত সিহঁতক ৰাখিলে ভৱিষ্যতে বিপদ হব পাৰে। আইক কথাটোও মইয়েই কৈছিলো।

শান্ত শীতল এক অদ্ভুত চাৰনিৰে আমে মোলৈ মুৰ তুলি চাইছিল। কিন্তু একোৰেই কোৱা নাছিল। তেতিয়াৰ পৰাই মোৰ আইৰ অসুখ। যোৱা নিশা দুপৰৰ পৰাই।

আকৌ পাৰ হৈ গৈছে সম্পূৰ্ণ বিনিদ্ৰ এটা ৰজনী। চটফটাই আছে মোৰ আই। বাহিৰখন আজি কিন্তু অদ্ভুট ধৰণে শান্ত আঁউসীৰ আন্ধাৰতকৈ ভয়ানক নিৰৱতাৰ মাজত

অকলশৰীয়া কোঠাটোত মাথো মই আৰু মোৰ আই।

যোৱা নিশা ঘটিছিল ঘটনাটো অস্বাভাৱিকভাৱে। কিন্তু ই এটা আছিল স্বাভাৱিক ঘটনা। ইয়াক লৈ হৈ চৈ কৰাৰ কোনো অৰ্থই থাকিব নোৱাৰে। যিবোৰ কালি ঘটি যোৱা ঘটনাটোত কিবা অস্বাভাৱিকতা দেখিছে আজিৰ যুগত সিহঁত জীয়াই থকাটো ভাতোকৈ আচৰিত কথা জীৱ শ্ৰেষ্ঠ মানুহৰ বৌদ্ধিক উদ্ভাৱন আৰু সু-সভ্যকৰণৰ বাবে ইয়াতকৈ বহুত বেছি স্বাভাৱিক ঘটনাৰ বাবে আমি নিজকে প্ৰস্তুত কৰি ৰাখিব লাগিব। নগৰখনৰ পশ্চিমত থকা অত্যাধুনিক কাৰখানাটোৰ পৰা কিবা এটা গেছ ওলাইছিল। দুৰ্ঘটনাবশত: জমা কৰি ৰখা পাত্ৰটো হেনো ফাটি গৈছিল। সমগ্ৰ অঞ্চলটো বিষাক্ত গেছে আৱৰি ধৰিছিল। তাই থকা মানুহবোৰে প্ৰথমতে ধৰিবই পৰা নাছিল কি ঘটিছে। পোৰা পোৰা গোন্ধটো ক্ৰমান্বয়ে সৰ্বত্ৰ বিয়পি পৰিছিল। কিছুমানৰ গা-বোৰ জ্বলি গৈছিল কিছুমানে উশাহ লোৱাত কষ্ট পাইছিল, কিন্তু ক্ষণস্থায়ী আছিল সেই কষ্ট। ৰাতিপুৱাৰ বাতৰিতহে প্ৰকাশ পাইছিল প্ৰকৃত ঘটনাটো। ইকান সিকান কৈ সহস্ৰ কান হৈ পৰিছিল কথাটো।

কাৰখানাটোৱে গেচে কেইবাহাজাৰো মানুহক হত্যা কৰিলে। ঘটনাটোত কিছুমানে শোক কৰিছিল। মোৰ কিন্তু এক অন্য ধৰণৰ অনুভূতিহে হৈছিল। জীৱশ্ৰেষ্ঠ মানুহৰ অন্তহীন শৃঙ্গাৰোহনৰ পথত অনুভূত হোৱা এক এডভেঞ্চাৰ পূৰ্ণ অনুভূতি। স-গৌৰৱে মই আইৰ আগত কথাটো ঘোষণা কৰিছিলো।

শান্ত শীতল এক অদ্ভুত চাৱনিৰে আয়ে মোলৈ মূৰ তুলি চাইছিল। একেবাৰেই কোৱা নাছিল। তেতিয়াৰ পৰাই মোৰ আইৰ অসুখ। যোৱা নিশাৰ দুপৰৰ পৰা।

আকৌ পাৰ হৈ গৈছে সম্পূৰ্ণ বিনিদ্ৰ এটা ৰজনী। চটফটাই আছে মোৰ আই। বাহিৰত পুৱতি নিশাৰ চৰাইৰ কিৰিলি। অসহ্যকৰ নিৰৱতাৰ মাজত শোষ বিচাৰৰ বাবে আইৰ সন্মুখত অৱনতশিৰে থিয় হৈ আছো মই।

এতিয়া আয়ে নহয় আইৰ আত্মাই কথা পাতিছে মোৰ লগত। ৰাতি পুৱাৰৰ হ'ল ফুচ্‌ফুচাই কলো তেওঁক। আন্ধাৰ ইমান বেছি' আইৰ মাতটো যেন বহুত গভীৰতাৰ পৰা ওলাইছিল। মানুহবোৰ সাৰ পাবৰ হৈছে ফুচ্‌ফুচাই কলো মই কিন্তু মোৰ সকটোৰ সন্তানৰ যোৱা ৰাতিয়েই মৃত্যু হৈছে ....।

বৰ চিনাকি আইজনী হঠাতে যে মোৰ অচিনাকি হৈ পৰিছিল। শান্ত শীতল



সেই একেটা চাৱনিৰেই আয়ে মোলৈ চাই আছিল। একেবাৰেই কোৱা নাছিল। কিন্তু তেওঁৰ বুকুৰ মাজত মই শুনিছিলো পুত্ৰহাৰা হাজাৰ মাতৃৰ উচুপনি। সেই উচুপনিয়ে সৃষ্টি কৰা প্ৰতিটো শব্দ তৰঙ্গই কঁপাই তুলিছে জীৱন্মৃত মোৰ অন্তৰাত্মা। আজি মোৰ প্ৰথম অনুভৱ হৈছে, মৃত্যু ঘন অন্ধকাৰৰ আঁউসীযেন এই দিনবোৰৰ মাজত মোৰ আই যেন সঁচাই বৰ অসুস্থ। বৰ অসুস্থ।

— + —

# ‘ক্ষয় ৰোগ’

শ্ৰীমতী ৰতি প্ৰভা গগৈ
প্ৰৱক্তা, অসমীয়া বিভাগ

"দাদা নিমখ লাগিব নেকি, নিমখ ? ঘূৰি চাই দেখো প্ৰায় ১৪/১৫ বছৰীয়া ছুটি ল'ৰাই হুৰস্তা নিমখ আগত লৈ বহি আছে। ল'ৰাটিক মূৰটো জোকাৰি "নালাগে" বুলি কৈ আগবাঢ়ি যাওঁতে শুনিবলৈ পালো তোমালোক অসমীয়া ল'ৰা হৈ বেহা বেপাৰত ধৰিছা বৰ ভাল কৰিছা। ভাল হৈছে। দেখি বৰ ভাল পাইছোঁ। এজন আদহীয়া মানুহে ১৫/১৬ বছৰীয়া ল'ৰা এটিক উৎসাহিত কৰি কথাখিনি কৈছে। মইও খোজ চাপি গলোঁ। বগা, লাহী, সুন্দৰ মুখাৱয়বৰ দেখিলেই মৰম লগা ল'ৰাটিয়ে লাজ লাজ কৈ কলে "হয় দাদা, সময়ৰ সৎ ব্যৱহাৰকে কৰো বুলি লৈছো। কিতাপ এখনকে লওক" । "এৰা দিয়া দিয়া। কি কিতাপনো ?" মানুহজনৰ কথাত ল'ৰাজনে 'দিল্লীশ্বৰ ছচিয়াৰ' নামৰ এখন কিতাপ উলিয়াই দিলে। মানুহজনে ছটকা দামৰ কিতাপখনৰ বাবে টকা পাচোঁটা উলিয়াই দিলে।

"খুচুৰা নাই দাদা, বিস্কুটকে এপেকেট লৈ যাওক।"

'হয় নেকি ? দিয়া তেনে বান্ধি।" ল'ৰাজনে কিতাপখনেৰে সৈতে বিস্কুটৰ পেকেটটো মানুহজনলৈ আগবঢ়াই দিলে। মানুহজনৰ মুখখন দেখি টকা পাঁচোটা যোৱাৰ বাবে আনন্দিত নে দুঃখিত ধৰিব নোৱাৰিলো। ল'ৰাজনক উৎসাহিত কৰিবলৈ মইও টকা ছুটা দি কিতাপ এখন কিনি ল'লো।

এই দুমাহমানৰ পৰা বজাৰখনত অলপ পৰিবৰ্ত্তন দেখিছো। অ'ত ত'ত অসমীয়া ল'ৰা বিশেষকৈ স্কুলীয়া ল'ৰা কিছুমানক বেহা বেপাৰত লগা দেখিছো তামোল, শাক-পাচলি আদি 'পাইকাৰী' দৰত বেপাৰীক দি কান্ধৰ পৰা সোনকালে বোজাটো আঁতৰোৱাৰ মতলব এওঁলোকৰ নাই। এপইচাক দুপইচা কৰাৰ ব্যৱসায় বুদ্ধি দেখি ভাল লাগিল।

অসমীয়া মানুহে ব্যৱসায় কৰিব নোৱাৰে বোলা বদনামৰ পৰা অসমীয়া জাতিক উদ্ধাৰ কৰিবলৈকে যেন এওঁলোকে উঠি পৰি লাগিছে।

বতৰটো ডাৱৰীয়া যদিও মনটো কিন্তু ফৰকাল লাগিল। কেইদিন মান আগৰ এটি দৃশ্য মনত পৰিল। বিদেশী বিতাড়ন আন্দোলনৰ কাৰ্য্যসূচী অনিৰ্দ্দিষ্ট গন সত্যাগ্ৰহত যোগ দিবলৈ গৈ দেখিছিলো উপ প্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয়ৰ সন্মুখলৈ চিঞৰি চিঞৰি আগবাঢ়ি



আহিছে সেউজী মইনা পাৰিজাতৰ ক'ণ মানি ইতৰ দ'লটি। সিহঁতৰ ভৱিষ্যত ভাবি বুকু ফাটি আহিব খুজিছিল। দেখিলো এগৰাকী মহিলাৰ দুচকুৰেদি বাগৰি পৰিছে দুটোপাল চকুলো। কণমানি হঁতে চিঞৰিছে "অসম কাৰ ?" "অসমীয়া" । এই প্ৰশ্ন আজি কিয় উত্থাপিত হৈছে। ভুল কাৰ ? ৰাজনৈতিক নেতা বোৰৰ স্বাৰ্থপৰতাই মাথো ইয়াৰ বাবে দায়ী নে ? নিজকও দেখোন দোষ মুক্ত কৰিব নোৱাৰিলো।

অতীতে ভুমুকি মাৰেহি। মনত পৰে ৫ম শ্ৰেণীত পঢ়ি থকা সময়ৰ এটি ঘটনা। ওচৰৰ সেউজপুৰ বাগিছাত কালি পূজা। পূজাত তিনিখনকৈ তিনি নিশা চিনেমা দেখুৱাব। গতিকে মিঠাই, বেলুন, তামোল পান বিবিধ মনোহাৰী-মনিহাৰী দোকানেৰে পূজাৰ বজাৰ বৰ জমজমীয়া হৈ পৰিব। মোৰও ক'ণমানি মনত দোকান দি পইচা ঘটাৰ হাবিয়াস বহুত দিনৰ পৰাই আছে। দোকান দিবলৈ মুলধন লাগে। গতিকে ভাবিলো মামাই দিয়া টকা পাঁচোটাৰে চুন খপাত আৰু কেচা বাদাম কিনিম, তামোল পান যোগাৰ কৰিম ভবানী আইতাৰ পৰা। আমাৰ বাৰীখন প্ৰায় ডেৰবিঘা মানৰ যদিও তামোল পান নাই। কেইজোপা মান কল গছৰ বাদে বাৰীখন উদং প্ৰায়। দেউতাই খুজিছে বুলি ফাকি দি আইতাৰ পৰা তামোল পান আনিলো। এনেয়ে পৰি থকা টিনৰ বাকচ এটাও বহুত কষ্ট কৰি চাক-চিকুন কৰি ললো। মোৰ ওপৰৰ জনী বাই-দেউক মনে মনে বাদামখিনি ভাঁজি দিবলৈ ক'লো। প্ৰথমতে মনি বাইদেউৱে নাভাজোঁ বুলি কৈছিল যদিও বাদামৰ লোভত সন্মত হ'ল। কিন্তু প্ৰথমদিনা বিক্ৰী কৰি মাক দেখুৱাব পাৰিলেই পিছৰ দুদিনত মাক যেনে তেনে ৰাজী কৰাব পাৰিম। মা আবেলি ওচৰৰে মানুহ এঘৰলৈ ফুৰিবলৈ যাওঁতে মনি বাইদেউ আৰু মই বাদাম ভাজি মেলি ঠিক-ঠাক কৰিলো। কিন্তু বিপদ হ'ল মোৰ ওপৰৰ ভুতু দাদাৰ পৰা। বাদাম খাবলৈ নিদিয়াৰ নিদিয়াৰ বাবে ভুভুদাই দেউতাক লগাই দিলে। 'আৰু কাম নাই। দোকান দিব ? দোকান দি পইচা ঘটাৰ জ্ঞান মূৰত সোমাইছে। পঢ়া-শুনাৰ 'প' টোও যদি মূৰত সোমায় মই অলপ শান্তি পাও। দেউতাৰ তৰ্জ্জন গৰ্জ্জনে ব্যৱসায় চিন্তা সেই পুলিতে নাশ কৰিলে। তাৰ পাছৰ পৰা আত্মনিৰ্ভৰ শীলতাৰ চিন্তা মনলৈ অনা নাই। দেউতাৰ মূৰত কঠাল ভাঙি বিজ্ঞানৰ স্নাতক হ'লো। যোগ্যতা থাকিলেও পঢ়োৱাৰ সামৰ্থ্য দেউতাৰ নাই। গতিকে সিমানতে পঢ়া সামৰি স্কুলৰ শিক্ষক হ'লো।

ৰমেন, হাতত নাঙল কোৰ লবলৈকে বাপেৰে পঢ়াইছে নে অ' । স্নাতক পৰীক্ষা দি উঠাৰ পাছত আই-আৰ খেতি কৰিবৰ বাবে মাটি চহোৱা দেখি হাতত লাখুটিলৈ কোজাকুজকৈ আহি থকা দেউতাৰ দদায়েক সম্পৰ্কীয় গাঁৱৰে বুঢ়া এজনে মাত লগালে। পঢ়া-শুনা কৰিলে কাম কৰিব নালাগে এয়ে ডেকেতৰ হোজা মনৰ সবল ধাৰনা । নহব কিয় ? কলেজলৈ ওলাই যোৱাৰ লগে লগে আমি শুদা ভৰিৰে খোজ কাঢ়িব নজনা হওঁ, হাতত নাঙল-কোৰ তুলি লবলৈ টান পাওঁ । কোৰ, কুঠাৰ মাৰিলে হাতত জোলা বান্ধে ; কাম কৰিবৰ বাবে পিন্ধা আঠুমূৰীয়া চুৰীয়া খনৰ ঠাইত দীঘল দীঘল মেখেলাৰ দৰে লুঙি পিন্ধিলে লাজ পোৱা হ'লো । কান্ধত ভাৰখন লবলৈ গাত বল থাকিলেও মন নাই । কাৰণ উচ্চ শিক্ষাই আমাক তথা-কথিত 'বাবু কৰি শ্ৰমবিমুখ কৰি তোলে ।

এদিন গাঁৱৰ ৰহিলা বুঢ়ীয়ে আমাৰ ভেওঁৰ আগত কৈ থকা শুনিছিলোঁ বায়নৰ জীয়েক প্ৰমীলাৰ কথা ।

"এহ্ কি কঁৰ আই' কলেজত পঢ়া ছোৱালী পথাৰলৈ ওলাব নোৱাৰে ৰ'দে ধৰে ৰৰষুনত তিতিলে, বোকাত নামিলে পানী লাগে । সকৰে পৰা দেখিলো শুদা ভৰিৰে ফুৰোতেই গ'ল । হাগবোৰা পথাৰত, নাঙলৰ সোঁচত খালৈয়ে খালৈয়ে জকাইবে মাছ ধৰিলে ৰ'দত শুকাই ৰৰষুণত তিতি পথাৰত জপং জপংকৈ কত ফুৰিলে এতিয়া চেঙেলেৰে চেটেপ চেটেপকৈ বাহিৰ ভিতৰ কৰিলেহে হয় । পঢ়িছেও সেই খনহে । বি, এ, নে কিবা দিছিল বোলে বেয়াহে কৰিলে ।"

"কলেজত পঢ়া ছোৱালী তেনে হবই" । আমাৰ ভেওঁ ৰহিলা বুঢ়ীৰ আগলৈ মুখত লাহেকৈ মাত লগালে ।

"থ থ আই । পঢ়া-শুনা কৰি যদি নিজৰ তিয়নি ধুব নোৱাৰা হয় তেনে পঢ়া-শুনা কৰি গিয়ানী হব নালাগে । ধান বানিব নোৱাৰে ফোপনি উঠে, কুলা মাৰিব নোৱাৰে হাতত জোলা ফুটে । আৰু আই কিনো চাবা । হাত চুখন দেখোন একেবাৰে জেতুকাৰে ফুল বাচি থৈছে যেন বিহুতলীৰ নাচনীহে মাক ও জানো কম । জীয়েকক একেবাৰে ওপৰ চাঙতহে তুলি থব যেন । এঘৰলৈ গলে পাব নহয় চোটোকাটো ।

ৰহিলা বুঢ়ীক এই মুখখনৰ কাৰণেই গাঁৱৰ বহুতেই বেয়া পায় । এদিন বজাৰৰ পৰা আমাৰ গাঁৱৰে ল'ৰা মহেনৰ লগত আহি আছোঁ। ৰহিলা বুঢ়ীয়ে লগ পাই মহেনক সুধিলে "বজাৰৰ পৰা কি আনিলি অ বোপাই" ।

"কিটো নো আনিম আপাদেউ । লাই



মূলাকে অলপ লৈ আনিলোঁ" ।

"বোপাই, নকলেও নোৱাৰো কটা-মুখ কলেও লাগে ভকতত দোষ । নগৰত জগৰ লগা কাম কৰিলে নকৈও নোৱাৰো বেয়া চেয়া নেপাবি" ।

মহেনে 'জগৰ'টোৰ কথা ধৰিব নোৱাৰি থতমত খাই ৰ'ল । মযো ৰ'লো ।

"তইতে পঢ়া-শুনা কৰা ল'ৰা হলি বুলি পিৰালিৰ কাষত কোৰ হুচাৰ মাৰি লাই-লফা এডৰাও কৰিব নোৱাৰনে ? এতিয়াযে কাৰ চুৱাপাতলিৰ লাই শাক বজাৰৰ পৰা কিনি আনিছ ?" মহেন লাজত বঙা চিঙা পৰি ঘৰমুৱা হ'ল। "বেয়া পালেও মই হক কথাটো কমেই বোপাই" । বুলি ৰহিলা বুঢ়ীৰ লাখুটিত ভৰ দি ককালটো পোনাই গুচি গ'ল

ৰহিলা বুঢ়ী আজি নাই । হুবছৰ আগতে ঢুকাল । ৰহিলা বুঢীৰ চলিহা পৰা চুকত ও আমাৰ সমাজখনৰ নগ্নৰূপটো স্পষ্টকৈ ধৰা পৰিছিল । যাৰ ফল স্বৰূপে আজি প্ৰশ্ন উঠিছে 'অসম কাৰ' ? আমাৰ সমাজ খনৰ কলিজা যক্ষ্মাৰোগৰ বীজাণুৰ দৰে কেতিয়াৰ পৰা কেনেকৈ খুলি খুলি খাসে তকৈ ধৰিব নোৱাৰিলোঁ । চাকৰি মুখ্য শিক্ষা নাৰহাই এচাম নিষ্কৰ্মা শিক্ষিতক গঢ় দিয়াৰ লগে লগে কষ্ট নকৰাকৈ অলপ আয়াসতে ধন ঘটাৰ অভিলাষে সৃষ্টি কৰিলে এচাম ধনী ও পৰাধন লোকৰ । ঐতিহ্য পূৰ্ণ অসমীয়া সমাজৰ প্ৰাচীন পৰম্পৰাৰ ভোট সোলোক ঢোলোক হৈ পৰিল । নতুনৰ নামত পুৰণি এৰি, ন-পুৰণি একোকে লব নোৱাৰি আমি হৈ পৰিলো ত্ৰিশংকুৰ দৰে । ঐতিহ্য মণ্ডিত অসমীয়া জাতি পুনৰ গঢ় লৈ উঠিবনে ? অসমীয়া জাতিৰ শ'ত গৌৰৱ ঘুৰাই আনিব পাৰিম নে ? আমাৰ সমাজৰ পৰা ক্ষয়ৰোগৰ বীজাণু সমূলঞ্চে ধ্বংস কৰিব পাৰিম নে ?

বজাৰৰ পৰা ঘৰমুঢ়া হৈ আহি থাকোতে এনেবোৰ প্ৰশ্নই মনটোক জুমুৰি দি ধৰিলে । বহুত দিনৰ আগৰ চিকিৎসা মহাবিদ্যালয়ৰ এটা ঘটনালৈ মনত পৰিল । আমাৰ গাঁৱৰ টেপুৰাম ককাইদেউৰ যক্ষ্মা হৈছিল । ডিব্ৰু-গড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত দেখুৱাবৰ বাবে ইয়াৰ ডাক্তৰে পৰামৰ্শ দিলে । মোক লগত লৈ ভেওঁ ডিব্ৰুগড় পালেগৈ । ডাক্তৰে চাইমেলি দৰৱ-জাতি দিলে ।

'চাৰ, মোৰ কিহৈছে বুলিলে ? "যক্ষ্মা হৈছে । তুমি এইবোৰ দৰৱ ডেৰবছৰ মান খাব লাগিব । ভাল হ'ব ।"

"আজিয়েই খাব লাগিব নেকি চাৰ ।"
"যিমান পাৰা সোনকালে দৰৱবোৰ খাবলৈ আৰম্ভ কৰাগৈ । ১৫ টকা মান লব । বেছি দামৰ নহয়" ।

"চাৰ এমাহতে ১৫ টকাৰ দৰৱ খাব

লাগিব নেকি ? "হয় । এমাহমানতে ১৫ টকা মানকৈ পৰিব । কিন্তু ডেৰবছৰ মান তাকে খাব লাগিব । খোৱা-বোৱা ঠিকমতে কৰিব লাগিব । পৰিশ্ৰম বেছি নকৰিব ।

ডাক্তৰ ৰোগীৰ এনে কথা-বতৰাৰ পাছত আমি ওলাই আহিলো। ছবাৰ মুখ পাৰহৈয়ে টেপু ককাইদেউয়ে মোক সুধিলে

"যক্ষ্মা মানে টি বি নহয় তো ।"

"হয় । যক্ষ্মা মানে টি বি ।" মোৰ কথা শুনি টেপু ককাইদেউৰ মুখ কেঁহৰাজ বৰনীয়া হৈ পৰিল । তেখেতৰ ধাৰণা টি, বি, এক দুৰাৰোগ্য অসুখ । সেয়ে তেখেতৰ এই মানসিক সংঘাত । মই তেখেতক এই অসুখ যে বৰ্ত্তমান চিকিৎসা জগতত দুৰাৰোগ্য হৈ থকা নাই এই কথা ভালদৰে বুজাই দিলো । সময়মতে সুপথ্য পালে এই ৰোগ দূৰ হয় ।

মোৰ বুজনিয়ে কাম দিলে । তেখেত বৰ্ত্তমান সুস্থ ।

মোৰ ও মনৰ কোনত আশাৰ জিল-মিলনিয়ে দেখা দিলে । বজাৰত দেখা দোকানী ল'ৰা কেইজনৰ উজ্বল মুখ কেইখন মনত পৰিল । আমাৰ উত্তৰ পুৰুষে যদি বুজে জাতিৰ কলিজাত দেখা দিয়া ক্ষয়ৰোগৰ বীজাণু ধ্বংস কৰিবলৈ যদি উঠি পৰি লাগে, অসমীয়া জাতি পুনৰ ঠন ধৰি উঠিব । উপ-যুক্ত পথ্যৰ লগতে ৰোগীৰ মানসিক ধৈৰ্য্যই ক্ষয়ৰোগৰ বীজাণু ধ্বংস কৰে ।

কথাটো ভাবি মনটো বৰ পাতল লাগিল । ঘৰৰ পহলিত জকমকাই ফুলি থকা কৃষ্ণ চূড়া জোপাৰ ফুলবোৰ আজি যেন মোৰ চকুত বেছি উজ্বল হৈ ধৰা দিছে ।

— + —

গল্প

# 'ৰঙা-জবা' ।

শ্ৰী জুৰি দেৱী
স্নাতক ২য় বাৰ্ষিক
কলা বিভাগ

যোৱা নিশাৰ ৰবযুণজাকৰ পাছত আজি পুৱাতে আকাশৰ ডাৱৰৰ টুকুৰাবোৰ দূৰ দিগন্তত বিয়পি অস্তিত্ব হেৰুৱাই পেলাইছে । পূব আকাশত ৰাঙলী বহন বোলাই সূৰ্য্যই নিজৰ আগমনৰ বতৰা জনাইছে । মুক্ত নিৰ্মল আকাশৰ বুকুৰেদি পুৱতিৰ পখীজাকে কলকলাই খলখলাই সকলোৰে নিদ্ৰা হৰণ কৰি নিলে । .......... বাসন্তীৰো টোপনি ভাঙিল । চকু দুটা মোহাৰি বিচনাৰ পৰা নামিবলৈ লৈয়েই দেখিলে তাইৰ কাষতে শুই থকা সোনকণ দেখোন বিচনাত নাই । দুৱাৰখনো আধা মেল খাই আছে । বাসন্তী লৰা-লৰিকৈ তাইৰ বিচনাৰ পৰা নামি বাহিৰলৈ ওলাই আহিল । ইতিমধ্যে বাসন্তীৰ শাহুৰেক স্নেহলতা উঠি আগফালৰ বকুলজোপাৰ তলতে ৰহি সৰি থকা বকুলবোৰ জিৰিকি বিদাৰি আছে ।

"আই সোনকণ ক'ত আছে দেখিছেনে ?

"সোনকণ ........ ? ওহোঁ মই এইমাত্ৰ উঠিছোহে । এই ঢল পুৱাতে সিনো কলৈ গল ?" । বাসন্তীয়ে পদূলি মুৰলৈ গৈ ইফালে সিফালে চালে । ৰিণিকি বিণিকিকৈ সোনকণক দেখা যেন পালে বাসন্তীয়ে । কিছু সময় নঙলা মুখতে ৰৈ থকা বাসন্তীয়ে দেখিলে — এৰা ! সেইটো সোনকণেই হয় । হাতত দেখোন কিবা এটা লৈ আহিছে । কিনো সেইটো ?

"চা মা, কিমান ধুনীয়া গোলাপ এখবাহী লৈ আহিছো ।" — সোনকণে বৰ আনন্দ আৰু গৌৰৱেৰে মাকৰ আগত ফুলৰ খবাহীটো ডাঙি ধৰিলে । ৰঙা ৰঙা গোলাপ ফুলেৰে ভৰি থকা খবাহিটোলৈ বাসন্তীয়ে আচৰিত হৈ চালে ।

"ফুলবোৰ আকৌ কিয় আনিচ সোন ?"

"কেলৈ আজি ১৫ আগষ্ট নহয় নেকি ? আজি ডাঙৰ ফিল্ডত পতাকা উঠাব । মন্ত্ৰীও আহিব হেনো মা । একে উশাহতে বিজুৰ দৰে কথাখিনি কৈ দৌৰি ভিতৰলৈ গল । বাসন্তী ক্ষন্তেকপৰ তাতে ৰৈ গল । ... এৰা, আজি ১৫ আগষ্ট বুলি তাইৰ মনতেই নাই । অৱশ্যে কালি মাইকত কৈ যোৱা শুনিছিল স্থানীয় ৰাজহুৱা খেলপথাৰত মাননীয় মন্ত্ৰী মহোদয়ে পতাকা উত্তোলন কৰাৰ কথা ।

বাসন্তীয়ে সেই কথা সমুলি পাহৰিলে । আজি সোনকণে দেখুওৱা ব্যস্ততাইহে স্বাধীনতা দিৱসৰ কথা সোঁৱৰাই দিলে ।

"বোৱাৰী কিনো কৰিছা তাতে বৈ ? গাটো তিয়াই চাহপানী অকণ বনোৱাহি । সোনকণকো কিবা দুটামান খুৱাই সভালৈ যাবলৈ ঠিক কৰাহি ।" ... বাসন্তী লৰা-লৰিকৈ উভতি আহি ঘৰ-চোতাল সাৰি কাপোৰ সাজ লৈ কুঁৱাৰ পাৰলৈ গল । সোনকণ তেতিয়া গা ধুই আহিলেই । আজি তাৰ বৰ আনন্দ । ফিল্ডত বহুত মানুহ হব । সৰু-সৰু লৰা ছোৱালীক কিবা-কিবি খাবলৈ দিব । আটাইতকৈ ডাঙৰ কথা আজি সি মন্ত্ৰীক দেখা পাব । মন্ত্ৰী হেনো খুউব ডাঙৰ মানুহ । কেনেকুৱা হব বাৰু মন্ত্ৰী ? ... সি নিজে নিজে মন্ত্ৰীৰ প্ৰতিকৃতি এটা কল্পনা কৰি কৰি নিজৰ বাৰীৰ বকুল, নাৰ্জী, অপৰাজিতা, জবা আদি ফুল কিছুমানো ছিঙি খৰাহিত ভৰাই ললে । বাসন্তীয়ে তাক চাহ জলপান খাবলৈ ভিতৰলৈ মাতি নি নিজৰ কামত লাগিল ।

"সোনকণ, ঐ সোনকণ মেযাৰ নেকি আহ ।"

"গৈছো ব' ," — সোনকণে ফুলসোপা বেগ এটাত ভৰাই মাকক চিএৰি যাওঁ বুলি কৈ দৌৰি লগৰ লৰা কেইটাৰ লগ ধৰিলেগৈ । সিহঁত আটাইকেইটা জপিয়াই জপিয়াই চিএৰ বাখৰ কৰি স্বাধীনতা দিৱসত অংশ গ্ৰহণ কৰিব'লৈ গ'ল । — আইতাক স্নেহলতাই ভাবিলে দেহি ঐ, লৰাইতৰ কিযে আনন্দ । একেবাৰে স্বাধীনচিন্তীয়া এই স্বাধীনতাৰ বাবে দেশত কি যে নহল । স্নেহলতা পৰাধীন আৰু স্বাধীন দুই দেশৰে নাগৰিক । স্বাধীনতা আন্দোলনৰ দিনবোৰলৈ মনত পৰিল স্নেহলতাৰ । অজানিতে দুটোপাল চকুলো সোতোৰা-সোতোৰ বয়সে আঁচুৰি পেলোৱা শীৰ্ণ গাল দুখনেৰে বৈ আহিল । স্নেহলতাই চাদৰৰ আগটোৰে চকুপানী খিনি মচি পেলালে ... ... মনত পৰিল । মহীকান্তলৈ ।

.... .... মহীকান্ত । জৱাবাৰী গাঁৱৰ ডেকামখাৰ ভিতৰত যেন বনৰজা । বলে বিক্ৰমে সাহসে এটা প্ৰচণ্ড শক্তিৰ আকৰহে যেন । এদিন মহীকান্তৰ চিনাকী হল কাষৰে গাঁৱৰ স্নেহলতাৰ লগত । এই চিনাকীয়েই চিৰ জীৱনৰ বন্ধন আনি দিলে । এখন সুখৰ সংসাৰ বাধাহীন ভাৱে চলি থাকিল । ... হঠাতে দেশজুৰি স্বৰাজৰ বা বলিল । মহীকান্ত স্বৰাজৰ বাবে উন্মাদ হৈ উঠিল । তাৰ ডেকা শক্তিয়ে পৰাধীনতাৰ শৃংখল ছিঙিবলৈ আগ বাঢ়ি গল । ঘৰ-দুৱাৰ, পত্নী-পুত্ৰ সকলোকে নেওচি সি আন্দোলনত জপিয়াই পৰিল । কেৱল মহীকান্তই নহয়, হাজাৰ মহীকান্ত জপিয়াই পৰিল স্বাধীনতা আন্দোলনত ।

দিনবোৰ ভয়-শংকা, আশা উন্মাদনাৰ



মাজেৰে পাৰ হল । অৱশেষত ভাৰতৰ নিৰ্মল আকাশত উৰিল তিনিৰৱণীয়া জাতীয় পতাকা সকলোৰে পতাকাৰ তলত থিয় হৈ গভীৰ নিৰাপত্তাৰ ভাৱ লৈ চাই বল বতাহত কঁপি কঁপি উৰি থকা ত্ৰিৰংগ নিচানৰ লহৰবোৰ । জৱাবাৰী গাঁৱতো উৰিল স্বাধীনতাৰ পতাকা । ... ... কিন্তু, কিন্তু তাৰ তলত থিয় হবলৈ নাপালে গাঁৱৰ বনৰজা মহীকান্ত আন্দোলনত চিপাহীৰ বুলেটে এই শুভদিনৰ আগেয়ে মহীকান্তৰ হৃৎপিণ্ডৰ স্পন্দন চিৰ দিনৰ কাৰণে ৰুদ্ধ কৰি দিছিল । শ' শ' শ্বহীদৰ লগত শাৰী পূৰালে মহীকান্তই । বিধবা স্নেহলতাই সেই দিনা বুকুত মহীকান্তৰ স্মাৰক অমৃতক সাবটি ধৰি উদাস দৃষ্টিৰে চাইছিল তিনিৰৱণৰ তিনিটা ৰঙৰ লহৰলৈ । সেইমুহূৰ্তত বিধবা স্নেহলতাক পতাকাখনে যেন বৈ বৈ গভীৰ আস্থা জনাইছিল ।

অসমত স্বাধীনতাৰ বা বলিল । ৰাইজে নিৰ্ভয়ে উল্লাসিত হৈ জীৱন নিৰ্বাহ কৰিবলৈ ধৰিলে । কিন্তু নিৰ্ভীক হব নোৱাৰিলে স্নেহলতাৰ দৰে দুৰ্ভগীয়া কিছুমানে । কলিৰ বুকুত এটা এটা কৰি কেইবাটাও বছৰ নিঃশেষ হৈ গল । অনেক দুখ যাতনাৰ মাজেদি পাৰ হল স্নেহলতাৰ দিনবোৰ । বহুত কষ্টত ডাঙৰ হল শ্বহীদ মহীকান্তৰ একমাত্ৰ সন্তান অমৃত । স্নেহলতাৰ দেহা পৰি আহিল অমৃত এটা দ্বিতীয় মহীকান্ত পৰিণত হল । স্নেহলতাৰ চকু জুৰ পৰে অমৃতক চাই । এবা, লৰাটো কিমান কষ্টত ডাঙৰ হল । স্নেহলতাই ভনে মুক্তি যুজাৰুৰে পেঞ্চন পায় । কিন্তু অফিচ কাচাৰীলৈ ঘুৰিব নোৱাৰা স্নেহলতাই স্বাধীন দেশত নিজৰ সুবিধা লবলৈ অপাৰগ হল । কটনা কাটি অমৃতক মানুহ কৰিলে । গাঁৱৰে বাসন্তী নামৰ ধুনীয়া বোৱাৰী এজনীও আনিলে । কিছুদিনলৈ পুণৰ শান্তি ঘুৰি আহিল । অমৃত বাসন্তীৰ সন্তান সোনকণে যেন ঘৰ খনলৈ সৰগহে নমাই আনিলে । কিন্তু .... .... স্বাধীন দেশত স্বাধীনতাই কাল হল । পুনৰ আৰম্ভ হল বিদেশী বহিষ্কাৰ আন্দোলন । পুলিচ, চি আৰ পি, শোভা-যাত্ৰাকাৰী, লাঠি গুলি ... এক হাহাকাৰৰ সৃষ্টি হল অসমৰ বুকুত । শ্বহীদৰ সন্তান অমৃতৰ গাত পিতৃৰ তেজৰ খলকনি উঠিল । অসমৰ এই সংকটাৱস্থাত অমৃত স্থিৰে থাকিব নোৱাৰিলে । মহাত্মাৰ আদৰ্শেৰে আন্দোলনত জপিয়াই পৰিল । কিন্তু এইখন দেশ মহাত্মাৰ আদৰ্শেৰে স্বাধীন হলেও কিছু বদনৰ তেজ থকা লোকৰো অভাৱ নাই । আন্দোলনৰ সক্ৰীয় কৰ্মী অমৃত দুৰ্বৃত্তৰ বলি হল । দুয়োহাত কাটি পেলোৱা অৱস্থাৰে অমৃতক গাঁৱৰ কাষৰ হাবিত পোৱা গল । শ্বহীদৰ সন্তানে পিতৃৰ গৌৰৱ ৰক্ষা কৰিল । স্নেহলতা

বাসন্তী বাউলী হল। স্নেহলতা আৰু বাসন্তীয়ে চিঞৰি চিঞৰি কান্দিছিল। স্বামী আৰু পুত্ৰৰ শোক বুকুত সামৰি স্নেহলতাই বাসন্তীৰ কোলাত সোনকণক তুলি দি সান্ত্বনা দিছিল। বাসন্তীয়ে সজোৰে বুকুত সোনকণক সাৱটি কান্দি উঠিছিল।

পুনৰ দিনবোৰ পাৰ হল। আন্দোলন শেষ হল। নতুন চৰকাৰ হল। শ্বহীদৰ পৰিয়ালে কেইবাহেজাৰকৈ টকা পালে। কিন্তু বিসতায় বাসন্তীয়ে পিৰিয়েক শ্বহীদ বুলিয়েই প্ৰণাম কৰিব নোৱাৰিলে। এবা, নিসহায় লোকৰ আকৌ কিহৰ আশাৰ থল। বুকুত জীয়া জুই লৈ বাসন্তী-স্নেহলতা জীয়াই থাকিল ভৱিষ্যত আশাৰ থল সোনকণৰ মুখলৈ চাই।

"আই, ভাত কেইটা খাই লওকহি। ১২ বাজি পাৰ হল।"

"সোন দেখোন অহাই নাই। সিও আহক এক্কেলগেই খাম।"

"মই তেনে তাতঁখনতে লাগো আই।"

"তঁ যা বাৰু।"

শাহু-বোৱাৰীয়ে নিৰৱে নিজৰ ভাব চিন্তাত মগ্ন হল। এনেদৰে কিছুসময় যোৱাৰ পাছত সোনকণ আহি ওলাল। আইতাকে তাক দেখি সুধিলে —"কিঅ, বোপাই, মনটো দেখোন বৰ মাৰি আহিছ?" সোনকণে বেজাৰ মনেৰে কলে —"আইতা, অথনি মই ইমান ফুল নিলো জান, সবতকৈ বেছি মন্ত্ৰীয়ে পতাকা উঠাওঁতে মই নিয়া ফুলবোৰ চাৰিওফালে সাৰি পৰিল। মন্ত্ৰীয়ে কৈছিল আজি শ্বহীদক শ্ৰদ্ধা জনাব লাগে। সেই কাৰণে মই মানুহবোৰ যোৱাৰ পাছত তাৰে পৰা ফুলকেইপাহ মান আনি ককা আৰু দেউতাৰ ফটোত দিম বুলি ভাবিছিলো। ফুল বুটলিব'ল লওঁতেই অমিতাভৰ দেউতাকে নলবলৈ কলে। কিন্তু অমিতাভেও লাগিব বুলি কোৱাত তাক গোলাপ ফুল কেইপাহ মান দিলে। লগতে বৰ্বাটকো দিলে।" মোক এই জবাফুল পাহ দি পঠিয়াই দিলে।" সোনৰ দীঘলীয়া কথাখিনি শুনি আইতাকে মৰমেৰে তাৰ মূৰটো মোহাৰি সুধিলে "কোন বৰ্বাট অ' বোপাই?" সোনকণে তপৰাই কলে —"মন্ত্ৰীৰ পুতেক হেনো। অ, সৌৱা গাড়ীৰ পৰা মন্ত্ৰী অমিতাভহঁতৰ ঘৰলৈ নামি আহিছে চা আইতা।" স্নেহলতা আৰু বাসন্তীয়েও সোনকণৰ লগতে কিৰণ বৰুৱা ঠিকাদাৰৰ, ঘৰলৈ চাই পঠিয়ালে। গাড়ীৰ পৰা বৰুৱা ঠিকাদাৰ, অমিতাভ, মন্ত্ৰী মহোদয় আৰু বৰ্বাট নামিছে। অমিতাভে বৰ্বাটক টানি ভিতৰ সোমাইছে। দুইটাৰে হাতত গোলাপৰ থোপা। বাসন্তীয়ে সোনৰ সেমেকা চকু দুটালৈ চাই হঠাতে গৰ্জি উঠিল। 'তহঁতৰ দৰে লৰাই গোলাপ বিচাৰ কিয়? অত-সময় নেখাই নবই গোলাপৰ আশাতে



ঠিয় হৈ আছিল। ব'ল ভাত খাহি। মন্ত্ৰী চাই হেপাহ পলাল নে নাই? বল — ভিতৰলৈ বল।" সোনৰ হাতৰ জবাফুল পাহ চোতাললৈ দলিয়াই তাক চোঁচৰাই ভিতৰলৈ টানি নিলে বাসন্তীয়ে। সোনকণে উচুপিবলৈ ধৰিলে। বাসন্তীয়ে চাদৰৰ আঁচ-লেৰে চকুদুটা হেঁচি ধৰিলে। স্নেহলতাই গম্ভীৰ মাতেৰে কলে "বলীয়া হোৱাৰ কাৰণ নাই বোৱাৰী। আমাৰ সংগী বিছাৰিলে বহুত পাবা। ভালে ভালে তাক ভিতৰলৈ নি সকলোৱে ভাত খোৱা উচিত বোৱা।"

সকলোৱে নিৰৱে ভাতৰ পাতত — বহি কেইগৰাহমান খাইয়েই হাত ধুলে। বাসন্তীয়ে কাম-কাজ সামৰি শোৱা কোঠালৈ গল। দেখিলে বিচনাত সোনকণ শুই আছে। গভীৰ টোপনি তাৰ। গালত চকুপানীৰ দাগ শুকাই গৈছে। বাসন্তীয়ে মৰমেৰে তাৰ গালে-মুখে হাত বুলাই হাতত কিতাপ এখন লৈ তাৰ কাযতে কাটি হৈ পৰিল।...

বৰুৱা ঠিকাদাৰৰ পদুলিৰ গাড়ীৰ হৰ্ণত বাসন্তী সাৰ পালে। তাই লৰা-লৰিকৈ উঠিল। ইস্, গধুলি হবৰে হল। কিতাপ পঢ়ি থাকোতে — কেতিয়ানো টোপনি আহিল কবই নোৱাৰে। বাসন্তী বাৰান্দালৈ ওলাই আহিল দেখিলে মন্ত্ৰী মহোদয়ে ঠিকা-দাৰৰ ঘৰৰ পৰা বিদায় লৈছে। অমিতাভে চিঞৰিছে — "বৰ্বাট বাই বাই।... ...

'ছ: দেশসেৱকৰ পুত্ৰৰ — ইংৰাজ নাম বৰ্বাট। কিমান দেশপ্ৰেম এই সেৱক সকলৰ।" — বাসন্তীয়ে নিজে নিজেকৈ উঠিল। মন্ত্ৰীৰ গাড়ীখন বাটৰ ধুলি উৰুৱাই গুচি গল। বৰুৱাৰ পৰিয়ালো ভিতৰ সোমাল। বাসন্তীয়ে দেখিলে বৰুৱাৰ আগফালৰ ঘাঁহনি খনত সিচঁৰিত হৈ আছে বগা গোলাপৰ পাপৰি-বোৰ। হয়তো অমিতাভ আৰু বৰ্বাটে স্বাধীনতাৰ উৎসৱথলীৰ পৰা অনা গোলাপ কেইপাহ সিহঁতে খেলি ভাঙি ছিঙি তাতে সিঁচি পেলালে।... বাসন্তীৰ চকুজোৰে এইবাৰ নিজৰ চোতালত সোনকণে অনা ৰক্তজবা পাহ শুকাই পৰি থকা দেখা পালে। তাই লাহেকৈ ফুলপাহ বুটলি আনি তাত থকা ধুলি বালিবোৰ মোহাৰি ভিতৰ সোমাই গ'ল। এক্কাৰে আবৰি ধৰিব খোজা ঘৰটোত বাসন্তী এতিয়া অকলশৰীয়া। সোনকণ খেলি-বলৈ গৈ অহাই নাই। শাহুৱেক গাঁৱৰ নামঘৰ-লৈ গৈছে। বাসন্তী চৰাঘৰৰ একোণৰ টেবুল এখনৰ কাষত ঠিয় হল। টেবুলত শ্বহীদ পিতা-পুত্ৰৰ ফটো দুখন সজাই থোৱা আছে বাসন্তীয়ে দুয়োহাতেৰে ফটো দুখনৰ সমুখত শুকাই যোৱা তেজৰঙা জবাপাহ সভক্তিৰে দি কবলৈ ধৰিলে — "পিতা, স্বামী, মোৰ সোনে তোমালোকক আজি গোলাপেৰে অৰ্ঘ্য দিব

বিছাৰিছিল। কিন্তু ক্ষমতাহীন কণমানিটোৱে ক্ষমতাশালীৰ পৰা গোলাপ আনিব নোৱাৰি জবা পাহকে আনিছে। তোমালোকে এই শুকান জবাপাহকে গ্ৰহণ কৰা ... । — বাসন্তীয়ে হুক্ হুকাই কান্দি উঠিল। কিছু সময়ৰ পাছত সোনকণইতৰ মাত শুনি চকুলো মোহাৰি বাৰান্দালৈ ওলাই আহিল। সোনকণইত খেলি উভটি আহিছে। বকৰাৰ ঘৰৰ চোতালত এই কাল সন্ধিয়াও বগা গোলাপৰ পাহিবোৰ বাসন্তীৰ চকুত পৰিল। এবা, স্বাধীনতাই কিছুমানক গোলাপৰ পাপৰি উপহাৰ দিলে আৰু কিছুমানক দিলে শুকান বঙা জবা। ... ...

"মা মই আকৌ ফুল আনিছো চা। এইবাৰ কোনেও কাঢ়ি নিনিয়ে। আহ মা, আমি ককা আৰু দেউতাৰ ফটোত ফুল দিম।" সোনকণৰ কথাত বাসন্তী উচপ খাই উঠিল। দেখিলে তাৰ হাতত একাঞ্জলি বগা গোলাপ। স্বাধীনতা দিবসৰ এই কালসন্ধিয়াও বাসন্তীৰ পুত্ৰই শ্বহীদক অৰ্ঘ্য নিবেদন কৰাৰ হেপাহ এৰা নাই। নিজকে সংযত কৰি বাসন্তীয়ে পুত্ৰেকক ক'লে "বল সোন, মই ধূপ দুডাল জ্বলাই লওঁ। তই ফুলখিনি লৈ বল।" বাসন্তী আৰু সোনকণ ভিতৰ সোমাই গ'ল।

বাসন্তী আৰু সোনকণ ১৫ আগষ্টৰ কাল সন্ধিয়া অৱহেলিত দুজনা অখ্যাত শ্বহীদক অৰ্ঘ্য নিবেদিছে। বহুত আশাৰে গোটোৱা বগা গোলাপেৰে। তেতিয়া হয়তো কোনোবাই স্তুংসৱণলীৰ পতাকাবোৰ পুৰাৰ আড়ম্বৰতা, মৰ্যাদাৰ বিপৰিতে বটী টানি আজুৰি নমাইছে। ......... বাসন্তী আৰু সোনকণে আঁজলি ভৰাই দিয়া নতুন সুবাসিত গোলাপৰ মাজতো জিলিকি বৈছিল দুপৰীয়াৰ অনাদৃত শুকান তেজবৰ্ণা বঙা জবাপাহ। এসোপা বগা গোলাপৰ মাজত নিজৰ স্বকীয়া স্থান দখল কৰি আছিল শুকাই যোৱা এপাহ বঙা জবাই ...... ।

সমাপ্ত

## এক মিনিটৰ গল্প

শ্ৰী প্ৰণৱ পাংগিং
স্নাতক তৃতীয় বাৰ্ষিক
'ক'লা' শাখা

# ৰিস্তেপে তুমাৰা বাপ

: বুজিছ দোষ্ট, আজি পধুলিটো একদম বৰ লাগিছে অ'

: আৰে, নালাগিব কিয় ? তই দিনটো জুপি থাকিও দেখা নেপালিয়ে।

: পিছে দোষ্ট ভাইয়ো কম চেণ্ডেলী নহয় দেই। তাইৰ বাবে আমাৰ দোষ্টে ঘাটে ঘাটে পানী খাইছে।

: ঐ তহঁতি কি ইমান হুলস্থুল কৰিছ ? এই পধুলি বেলা এইবোৰ কথা শুনিমাৰ। বুজিছ আজি হ'লত গুলি পিক্‌চাৰ এখন দিছে। শ্ৰীদেৱী আৰু মিথুনৰ যি ঝিৃক দেন্স। একদম মন ভৰিযাই অ'।

: আৰে বাদ দে এইবোৰ। আজি বিশ্বকৰ্মা পুজা নহয় ? পতিকে বিশ্বকৰ্মাৰ নামত হুপেপমান চলাই দিও। নে কি কৱ ?

: মজা — তই ঠিক কথাটো উলিয়ালি। সকলোৱে পাঁচটকা চেয়াৰ দিলে চলি যাব। জয় বিশ্বকৰ্মা বাবা কি জয়।

টাউনখনৰ টিক চাৰি আলিৰ চুকতে এখন চিনাকি পানদোকানৰ সন্মুখত, অভিজিৎ প্ৰমোদ, বিপিন, চিৰনজিৎ আৰু প্ৰশান্তই আড্ডা মাৰি থাকে। আটাইকেইজন কলেজৰ ছাত্ৰ। গাৱঁৰ পৰা পঢ়িবলৈ আহি টাউনৰ বজৰুৱা পৰিবেশ আৰু নিম্ন চলচ্চিত্ৰৰ নায়কৰ ভাও লৈ আজিৰ এচাম যুৱকে এনেদৰে আড্ডা, মদ ভাং চিগাৰেট আৰু অশ্লীল আলোচনা কৰি নিজৰ নিজৰ জীৱনৰ পথবোৰ অন্ধকাৰ কৰিছে।

অভিজিংহতে সকলোৱে একেলগে টাউন এলেকাত ভাৰাঘৰত থাকি কলেজত পঢ়ে। তেওঁলোক সকলোৱে আজি টাউনখনৰ বিশ্বকৰ্মা পূজাৰ উলহ মালহৰ ভাগ লবলৈ হোটেল এখনৰ পৰা বিলাতী মদ লৈ খাবলৈ আৰম্ভ কৰিলে আৰু বিজ্ঞ লোকৰ দৰে বিভিন্ন আলোচনা কৰিবলৈ ধৰিলে।

টিক বাজি নবজাৰ লগে লগে আটাই-কেইজন বাহ্টালৈ ওলাই আহিল মেছৰ অভিমুখে। প্ৰত্যেকৰ মুখত Wills Filters চিগাৰেট আৰু হিন্দী চিনেমাৰ গান। কোনোৱে মিথুনৰ অভিনয় কৰি বাহ্টাতে ডিস্ক ডান্স দিছে। কোনোৱে কোনোবা নায়িকাক

মন ভোলোৱা ডাইলগ মাৰিছে। প্ৰত্যেকে বিভিন্ন অঙ্গি ভঙ্গি কৰি গোটেই বাষ্টাটোত ঢলং পলং কৰি গৈ আছে। সেইদৰে অভিজিংতেও অমিতাভৰ ডায়লগ কৈ যাওঁতে হঠাৎ এজন ভদ্ৰলোকৰ লগত ভেটা ভেটি হয় আৰু ডায়লগ পাৰলৈ ধৰিলে। আবে জ্যম কোন হে মেৰে বাষ্টেপে ককতা হে। তু মুঝে পেহেচানতা নহি? বিষ্টেপে মে তুমাৰা বাপ হো নাম চাহেনচা — বুলি কৈ থিচুম কৈ ভদ্ৰলোকজনৰ নাকত এক প্ৰচণ্ড ঘোচা মাৰি দিলে। আৰু লগৰ বোৰে চিৰিলি পাৰি চাহেনচাৰ ভাকওক বা বা দিয়ে আৰু যাবলৈ লয়।

: অভিজিং তুমি ইয়াত ……… । হঠাৎ অভিজিং বুলি মতাত সকলোৱে কাণ থিয় কৰিবলৈ ধৰিলে আৰু আটাইকেইজনে বেতিয়া ভদ্ৰলোকজনৰ ওচৰ চাপি চায় ই কি দেখুন আমাৰ কলেজৰ প্ৰিনচিপাল।

চাৰ … … … আ … পুনি —।

হায় হায় প'লা — — —।

( সম্পূৰ্ণ কাল্পনিক )

গল্প

# গল্প



## স্নেহ

মিছ মাধু দেৱী
স্নাতক ৩য় বাৰ্ষিক ( কলা )

চন্দ্ৰাই মিন্টুক খোৱাই বোৱাই আজৰি কৰি বিচনাত শুৱাই দিলে আৰু তাই আটিভে লেপেটা কাঢ়ি বহি মিন্টুৰ মুৰত হাত বুলাই দিলে। "চন্দ্ৰাবাই গানটো গোৱা আকৌ, নহলে যে মোৰ টোপনি নাহে।'' অ পাৰিছিলোৱেই গাইছো', বুলি' মিন্টুৰ অনুৰোধত চন্দ্ৰাই গাবলৈ আৰম্ভ কৰিলে--'ধৰ ধৰ শিয়ালি ........বাতি।'— এইটোৱেই আছিল মিন্টুৰ টোপনি অহা গান। বিচনাত পেলাই দিয়াৰ লগে লগেই মিন্টুৰ প্ৰয়োজন হয় টোপনি অহা গানটো আৰু কাষত চন্দ্ৰাবাইক এই দুটাৰ অবিহনে মিন্টুৰ সেই নকালে টোপনি নাহে। চন্দ্ৰাৰ গানৰ সুৰত মিন্টুৰ টোপনি আহিল। ভালকৈ গাত কাপোৰ খন দি কাষতে গাৰু এটা থৈ তাই তাৰ পৰা গুলাই আহিল।

চন্দ্ৰাবাই আছিল কণমানি তিনি বছৰীয়া শিশু মিন্টুৰ শৰীৰৰ এটা অঙ্গ স্বৰূপ। যাৰ অবিহনে মিন্টুৰ কোনো কাৰ্য্যই সিদ্ধি নহৈছিল মিন্টুৰ জন্মৰ ছমাহ মান আগতেই চন্দ্ৰা আহিছিল এইখন ঘৰলৈ লিগিৰী হিচাবে। তেতিয়াৰ পৰা এতিয়ালৈকে এই চাৰে তিনি বছৰে তাই বৰুৱা চাহাবৰ ঘৰৰ সকলো কামৰ দায়িত্ব বহন কৰি আহিছে। ভাত বন্ধা, কাপোৰ ধোৱা, ফুলৰ যতন লোৱা, ঘৰ দুৱাৰ পৰিষ্কাৰ কৰা ইত্যাদি কামৰ উপৰিও বিশেষকৈ মিন্টিক খুওৱা, পিন্ধোৱা, শোওৱা আৰু তাৰ লগত খেলা ধুলা কৰা। কেতিয়াবা মিন্টুৰ লগত ধেমালি কৰি থাকোতে তাই কিবা কাম পাহৰি মেম চাহেবৰ পৰা বহুতো গালি শুনিবলগীয়া হৈছিল। কিন্তু তাই সেই সকলোবোৰ নীৰৱে সহ্য কৰি আহিছিল। যিহেতু চন্দ্ৰাৰ অবিহনে মিন্টুৱে যেনেকৈ থাকিব নোৱাৰে মিন্টুৰ অবিহনে চন্দ্ৰাও অলপ সময়ো থাকিব নোৱাৰে। চন্দ্ৰাহে যেন মিন্টুৰ প্ৰকৃত মাতৃ।

দকলডিয়া বাগানৰ চৰ্দাৰ বুধুৰ একেবাৰে সৰু জীয়ৰী চন্দ্ৰা। মাক দেউতাকৰ বৰ আদৰৰ যদিও বৰুৱা চাহাবৰ কথা পেলাব নোৱাৰি বুধুৱে এদিন চন্দ্ৰাক আনি মেম চাহেবৰ হাতত চমজাই দিলেহি। কেতিয়াবা ঘৰৰ পূজা পাতল কিবা থাকিলে অলপ সময়ৰ কাৰণে চন্দ্ৰাক বাপেকে ঘৰলৈ লৈ যায়, আকৌ থৈ যায়হি। কিন্তু মিন্টুৱে সকলো কথা বুজি পোৱা হোৱাৰ পৰা তাইৰ ঘৰলৈ যোৱাও বন্ধ হল। তাই ঘৰলৈ গলে সি কান্দি কান্দি বলিয়া হোৱাৰ দৰে হয়।

এতিবছৰে শাওন মাহত চন্দ্ৰা ইতৰ ঘৰত বৰ ডাঙৰকৈ মনসা পূজা পাতে। আনবাৰৰ দৰে সেইবাৰো বাপেকে চন্দ্ৰাক পুজালৈ নিবলৈ

আহিল। মেম চাহেবৰ পৰা দুদিনৰ ছুটি লৈ চন্দ্ৰা ঘৰলৈ গ'ল। কিন্তু চন্দ্ৰাক নেদেখি মিন্টুৰ বৰ দুখ লাগিল। মাকে তাক পানী এটোপাও খুৱাব নোৱাৰিলে। ৰাতি নোশোৱে মাকক আমনি কৰে আৰু মাজে মাজে কয় — "মা মোৰ চন্দ্ৰা বাইক আনি দিয়া। চন্দ্ৰা বাইয়ে খোৱালেহে খাম। তুমি মোৰ টোপনি অহা গানটো গালেও মোৰ টোপনি নাহে। তোমালোকে চন্দ্ৰা বাইক বেয়া পোৱা। সেই কাৰণে চন্দ্ৰা বাইয়ে কেতিয়াবা কান্দি থাকে। তোমালোক গুচি যোৱা মই তোমালোকক ভাল নাপাওঁ"।

আনফালে চন্দ্ৰাৰো দুটা দিন নেযায় নুপুৱাই লাগিল। তাইৰো অনবৰত মিন্টুলৈকে মনত পৰি থাকিল। ইফালে তাই আহিবও নোৱাৰে ঘৰত পূজালৈ অহা আলহী বাহত। তাই মনে মনে ভাবিলে 'সি ছাগে মেম চাহেবক বৰ আমনি কৰিছে। মেম চাহেবে কোলাত বহুৱাই মৰম কৰি কৰি বিভিন্ন জীৱ জন্তুৰ ছবি দেখুৱাই খাবলৈ দিয়া গাখীৰ গিলাচ হয়তো মিন্টুৱে দলিমাৰি দি কৈছে 'চন্দ্ৰা বায়ে খোৱালেহে খাম তুমি খোৱালে নেখাওঁ!' তেতিয়া হয়তো মেম চাহেবৰ মোৰ ওপৰতে খং উঠি তাৰ পিঠিত দুটা ভুকু মাৰিছে। তেতিয়া মিন্টুৱে উচুপি উচুপি হয়তো বিচনাত শুই পৰিছে।

কথা বোৰ ভাবি ভাবি তাইৰ দুচকুত বিৰিঙি উঠিছিল আনন্দ আৰু বেদনা মিশ্ৰিত দুটোপাল চকুলো।

পিচবেলা পুৱাই বৰুৱা চাহেবৰ গাড়ী আহি বুধুৰ ঘৰৰ সন্মুখত ৰ'লহি। চাহাবৰ গাড়ী দেখি কোনোবা ফুলমতীয়ে ভিতৰলৈ লৰ মাৰিছিল, কোনোবা চম্পাকলিয়ে চোতাল সাৰি থকা অৱস্থাতে থকা হৈ ৰৈ গৈছিল, কোনোবা মুক্তামনিয়ে টেপৰ পৰা পানী আনিবলৈ গৈ লাজতে ভলমূৰ কৰি থাকিল। কোনোবা শেংগুনো নকা ল'ৰা ছোৱালী কেইটামানে চুচুক চামাককৈ গাড়ীখনৰ ওচৰলৈ আহি জুমা-জুমি কৰিছে। সেই সময়ত চন্দ্ৰাৰ বাপেক বুধুৱে হাত মোহাৰি মোহাৰি আহি চাহাবক দীঘলকৈ চেলুট এটা মাৰি ক'লে 'চাৰ চন্দ্ৰাকে এখনেই ভেজাই দেছি।' অলপ সময়ৰ পাছতেই চন্দ্ৰা আহি গাড়ীত বহিল লগে লগে ধুলি উৰুৱাই বৰ চাহাবৰ গাড়ী বঙলা অভিমুখে ৰাওনা হ'ল। কোনোবাই ক'লে 'হামাদেৰ বৰ চাহেব বহুত ভাল মানুস লাগে।'

চন্দ্ৰাই দূৰৰ পৰাই লক্ষ্য কৰিলে মিন্টুৱে বৰ বেজাৰ মনেৰে চকী এখনত বহি আছে। ওচৰতে মেম্ চাহেবে কিবা চিনেমাৰ ছবি থকা কিতাপ এখন চাই আছে। চন্দ্ৰাই গাড়ীৰ



পৰা নামি বাৰান্দাত থিয় হৈছিলহে মাত্ৰ — মিন্টুৱে দৌৰি আহি তাইক সাৱামাৰি ধৰি আনন্দত চিঞৰিবলৈ ধৰিলে " মোৰ চন্দ্ৰা বাই আহিলে, আহিলে, মই এতিয়া চন্দ্ৰা বাইৰ লগত কুকুভা খেলিম, বল খেলিম আৰু মোক চন্দ্ৰা বায়ে গাখীৰ খুৱাই দিব আৰু মই গান শুনি শুনি শুই থাকিম ; বাঃ কেনে মজা। বহুত দিনৰ মূৰত মিন্টুক দেখাৰ দৰে চন্দ্ৰায়ো তাক কোলাত লৈ হেপাহ পলুৱাই মৰম কৰিলে। সকলোৱে দেখি আচৰিত হল। এইয়া কেনেকুৱা স্নেহ।

এইজনী চন্দ্ৰাকে মাক দেউতাকে এবাৰ বিয়া দিবলৈ ঠিক কৰিছিল। ভাল চাকৰি কৰা লৰা এটাই তাইক বিয়া কৰাব খুজিছিল। মাক দেউতাকেও বৰ আশা কৰিছিল। বৰ চাহেবৰ লগতো বুধুৱে এই বিষয়ে আলোচনা কৰিলে। চাহাবে আপত্তি কৰা নাছিল যদিও তাইক এবাৰ সুধি চাবলৈ ক'লে। বৰুৱা চাহেবে বিয়াৰ খৰচ পাতি বহন কৰাৰ দায়িত্ব নিনিও ললে। কিন্তু তাইৰ এই মিলনত হেঙাৰ স্বৰূপে থিয় দিছিল — মিন্টুৰ মৰমে। তাইৰ বিয়া হলে মিন্টুৰ কি হব ? তাক কোনে খুৱাব ? কোনে শুৱাব ? ফুলনিৰ মাজে মাজে দৌৰি দৌৰি তাৰ লগত কোনে খেলিব ? টোপনি অহা গানটো কোনে গাই দিব ? নাই

নাই তাই মিন্টুক এৰি কতো থাকিব নোৱাৰে সেয়ে তাই বিয়াত সন্মতি নজনালে। যিদিনা মিন্টুৱে তাইক এৰি থাকিব পৰা হ'ব সেই দিনাহে তাইৰ বিয়া হ'ব।

এনেকৈয়ে দিনবোৰ পাৰ হৈ গৈ থাকিল। ভগৱানে কাৰোবাক সুখ দিলে তেওঁ হাঁহি থাকিল, কাৰোবাক দুখ দিলে তেওঁ কান্দিয়েই দিনবোৰ পাৰ কৰিলে। ঠিক এনেকুৱা এটা দিন আহিছিল সদায় সুখ সম্ভোগৰ মাজত থকা দকলগুঁৱা বাগানৰ বৰ চাহাব অমৃত বৰুৱাৰ জীৱনলৈ ।

সেইদিনা আছিল দেওবাৰ, ক্লাবৰ দিন। আনদিনাৰ দৰে চন্দ্ৰাৰ লগত মিন্টুক থৈ বৰুৱা চাহাব আৰু তেওঁৰ পত্নী ওলাই গৈছিল ক্লাবলৈ। তেওঁলোক ওলাই যোৱাৰ পিছত চন্দ্ৰাই ফুলনি বাৰীত মিন্টুক লৈ খেলি আছিল। চন্দ্ৰাক হাতী বনাই মিন্টুৱে তাইৰ পিঠিত উঠি চিঞৰিছিল —

'হাতীত উঠি মিন্টুৱে
চন্দ্ৰাৰ ঘৰলৈ যায়
আলিবাটৰ মানুহে
ঘুৰি ঘুৰি চায়।'

এইবোৰ তাক চন্দ্ৰায়ে শিকাই দিছে। কেতিয়াবা দুষ্টামি কৰিলে শিয়াল বান্দৰৰ সাধু কৈ তাক ভয় খুৱাই। হাতী খেলি

আমনি লগাত মিণ্টুৱে এইবাৰ বলটো গুৰিয়াই গুৰিয়াই খেলি ফুৰিছে। সেই সুযোগতে চন্দ্ৰাই ডালিয়া ফুল কেইজোপাৰ তলত গজি উঠা বন কেইডাল চফা কৰিবলৈ লাগিল। তিনি জোপা ফুলৰ গুৰি চফা কৰি চতুৰ্থ জোপাত হাত দিওঁতেই হঠাৎ শুনিবলৈ পালে — — চন্দ্ৰা বাই ——— । ইফালে সিফালে চাই দেখে মিণ্টু নাই। দৌৰি গ'ল বকুল জোপাৰ তললৈ। গৈ দেখে এটা বিষাগোম অজগৰ সাপৰ সন্মুখত মিণ্টু ৰৈ আছে। সাপটোৱে ফনা ডাঙি মিণ্টুক খোঁটো খোঁটো অৱস্থা। মিণ্টুৰ বলটো সাপটোৰ গাতে লাগি আছে। সেই অৱস্থা দেখি চন্দ্ৰাৰ গাৰ নোম ডাল ডাল হ'ল। আগ পাচ নুগুনি তাই সাপটোৰ ডিঙিটোত খামুচি ধৰি দূৰলৈ দলি মাৰি দিলে। সাপটোৱে চোঁ চোঁ কৈ চাহ গছৰ মাজতে সোমাই অন্তৰ্ধান হ'ল। চন্দ্ৰাই দেখিলে তাইৰ সোঁ হাতৰ তলুৱা খনত কিবা দাগ দুটা ৰৈ গ'ল। কিন্তু অকন মানি দাগ দুটাই যে তাইৰ কিবা অপকাৰ কৰিব পাৰে ভাবি নাচালে। মিণ্টুক লৈ তাই বাৰান্দা পালেহি।

কিন্তু তাই লাহে লাহে কিবা দুৰ্বল অনুভৱ কৰিবলৈ ধৰিলে। হাতখনো জীন জীনাইছে। কিন্তু তাই কেনেকুৱা অনুভৱ কৰিছে নিজেই ভাবি পোৱা নাই। কাৰো-বাৰ মাতিবলৈ য়ো কাকো দেখা নাই। ডাক্তৰৰ ওচৰলৈ যাবলৈ হ'লে মিণ্টুক কাৰ লগত থৈ যাব। কৰ্তা লক্ষন মঙ্গলাইতো কোনো নাই। তাৰ পাছত কি হ'ল তাই ক'ব নোৱাৰে। মাত্ৰ কিছু সময়ৰ পাছত গেটৰ চকিদাৰ মঙলাই শুনিছিল মিণ্টুৰ কথোপ কথন। "চন্দ্ৰা বাই, অ চন্দ্ৰা বাই তুমি ইয়াত কিয় শুইছা ? উঠা। তোমাৰ কাপোৰবোৰ লেতেৰা হৈ যাব নহয়। উঠানা তুমি মোক নামাতা কিয় চন্দ্ৰা বাই ? তুমি মোক বেয়া পালা ন ?"

মিণ্টুৰ কথা শুনি মঙলাৰ গাটো জিকাৰ খাই উঠিল। সি দৌৰি আহি দেখে চন্দ্ৰা মাটিত অজ্ঞান হৈ পৰি আছে। তাইৰ গোটেই শৰীৰটো নীল বৰনীয়া হৈ পৰিছে। তাৰ বুজিবলৈ আৰু বাকী নাথাকিল। কাঢ়নি কক্ষনক বিচাৰি মিণ্টুৰ ওচৰত থৈ সি দৌৰ দিলে ডাক্তৰ বাবুৰ ওচৰলৈ। তাৰ পাছত ৰবি কাকাৰ ওচৰলৈ। ৰবি কাকাই বেজৰ কাম জানে। ডাক্তৰ, বেজ সকলো ব্যস্ত হৈ পৰিল। এটা দুটাকৈ বঙলাৰ সন্মুখত বহুত পোট খালেহি।

ঠিক সাত বজাৰ লগে লগে গাড়ীৰ শব্দ শুনা গ'ল। সকলোৱে চাহাবৰ আগমনৰ বাতৰি পাই আঁতৰি দিলে। বঙলাৰ সন্মুখত ইমানবোৰ মানুহ দেখি মেম্ চাহেব, চাহাব



দুয়ো আচৰিত হ'ল। মিণ্টুৰ কিবা হ'ল নেকি ? দুৱাৰ খুলি লৰা-লৰিকৈ নামি আহিল। সকলো নীৰৱ নিস্তব্ধ। অলপ আঁতৰত কোনোবা বুঢ়-বুঢ়ী এহালৰ কান্দোনৰ শব্দ ভাঁহি আহিল। হঠাৎ মাক দেউতাকক দেখি মিণ্টু দৌৰি আহিল আৰু ক'লে — 'মা' মা আজি চন্দ্ৰা বায়ে মস্ত সাপ এটা হাতেৰে ধৰি দলিমাৰি দিলে। সি আকৌ মোৰ বলটো লৈ লৰ খুজিছিল। তাৰ পাছত চন্দ্ৰা বায়ে আহি ইয়াত কেনেকৈ শুই আছে চোৱা চোন। আৰু — ···· ····। তেতিয়াহে তেওঁলোকৰ চকুত পৰিল নিশ্চল হৈ পৰি থকা চন্দ্ৰা জনীলৈ। লগে লগে বৰুৱা চাহাব উঠি গ'ল ওপৰ মহলালৈ। ফোনটো দাঙি লৈ কেইবা ঠাইলৈও ফোন কৰিলে। কিছু সময়ৰ পাছত এজন দুজনকৈ কেইবা জনো বেজ ওলালহি। কিন্তু কোনেও চন্দ্ৰাৰ জীৱন ঘুৰাই আনিব নোৱাৰিলে। সকলো যেন বৃথা চেষ্টা।

কোনোবা এজনীয়ে আহি চন্দ্ৰাৰ নিথৰ দেহাটো বগা কাপোৰেৰে ঢাকি দিলে। সেই দৃশ্যটো মেম চাহেবে চাই থাকিব নোৱাৰিলে। মিণ্টুক কোলাত লৈ ওপৰ মহলালৈ উঠি গ'ল কোনোবাই বাহঁ কাটি চাঙী সাজিলে। কোনোবা দুটামানে ধৰা ধৰিকৈ চন্দ্ৰাক চাঙীত তুলিলে। কোনোবাই শেষ বাৰৰ কাৰণে চন্দ্ৰাক ফুলেৰে সজাই তুলিলে। তাৰ পাছত কোনোবা পানীৰাম, জয়ৰামইতে চাঙী কান্ধত তুলি শ্মশানলৈ বুলি আগ বাঢ়িলে।

হঠাৎ কাৰোবাৰ চিঞৰত সকলো থমকি ৰ'ল। ইমান পৰে ওপৰৰ পৰা চাই থকা মিণ্টুৱে চিঞৰি উঠিল — 'ৰ'বা, তোমালোকে চন্দ্ৰা বাইক নিনিবা। চন্দ্ৰা বাইক লৈ গ'লে মই কাৰ লগত খেলিম ? ৰ'বা ৰ'বা ময়ো গৈছো — — — ঢপকৈ এটা শব্দ হ'ল।

চন্দ্ৰা বাইক লৈ যোৱাৰ বেদনাত জৰ্জ্জৰিত মিণ্টুৱে পাহৰি গ'ল সি তলৰ মহলাত আছে নে ওপৰ মহলাত আছে। দৌৰি আহিব খোজোতেই অভাৱনীয় ভাবেই সি ওপৰ মহলাৰ ৰেলিঙৰ মাজেদি সৰকি আহি তলত পৰিলহি। গতিশীল পৃথিৱীখন যেন স্থবিৰ হৈ গ'ল। বৰুৱা চাহাব আৰু তেওঁৰ পত্নীয়ে চিঞৰি উঠিল — — মিণ্টু ···· — ····। ভগৱানেও যেন বুজি পালে চন্দ্ৰা আৰু মিণ্টুৰ মাজত প্ৰতিফলিত হোৱা স্নেহ বন্ধন। কোনে জানে ! চন্দ্ৰা বাই অকলে যোৱা দেখি মিণ্টুও তাইৰ লগতে গুচি গ'ল নহ'লে যে চন্দ্ৰা বায়ে কান্দি থাকিব। তাৰ টোপনি অহা গানটো কোনে গাব ? কোনে তাক গাখীৰ খুৱাই দিব কোনে ·· ···· ··· ···· কোনে ——— ——— ??

— ● —

# ৰেগিং

শ্ৰীকুমুদ গগৈ
স্নাতক প্ৰথম বাৰ্ষিক
অসমীয়া বিভাগ

চকু কেইটা মেলিয়েই তাই দেখা পাইছিল ওচৰতে বৈ আছে এজন ডাক্তৰ, ছুগৰাকী নাৰ্চ আৰু টেবুলত কিছুমান দৰৱ পাতি। তাই এখন বিচনাত শুই আছে। চকু মেলা দেখি ডাক্তৰে তাইক মিচিকিয়াই সুধিছিল, ভাল পাইছা? তাইৰ কি হৈছে কব নোৱাৰে। সেয়েহে তাই ডাক্তৰক আচৰিত হৈ সুধিছিল তাইৰ কি হৈছে। চমুকৈ ডাক্তৰে একো হোৱা নাই ভাল হৈ য'ব, তুমি জিৰণী লোৱা বুলি কৈ কোঠাটোৰ পৰা উলাই গৈছিল।

নাম তাইৰ জ্যোতিমণি হুৰবা। এটি ছুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। দুবছৰ আগতে দেউতাক কলেৰাত ভোগী মৃত্যু হয়। মাক আৰু এটি ভায়েকৰ সৈতে ঘৰখনৰ মাত্ৰ তিনিটা প্ৰাণী। বৃদ্ধা মাকে লোকৰ ঘৰত বোৱা হোলা, ধান কটা, ধান মৰা আদি কৰিয়েই ঘৰখন চলাই নিছে। ভায়েকে এইবাৰ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিছে। ইফালে তাইয়ো দ্বিতীয় বিভাগত প্ৰাক্ স্নাতক পাছ কৰি স্নাতক প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰিছে। প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিও ভায়েকক তাই ক'লা বিভাগত পঢ়িবলৈ কৈছে। কাৰণ তাইৰ আশা সি এদিন হাকিম হ'ব। জ্যোতিমণিয়ে ভায়েকৰ গাত ডাঙৰ মানুহ হোৱা লক্ষণ যেন দেখা পাইছে। তাইৰ ও আশা এম, এ, পাছ কৰি ওচৰতে এখন কলেজ প্ৰতিষ্ঠা কৰিব। কিয়নো ওচৰত কলেজ নোহোৱা বাবে তাই ত্ৰিশ কিলোমিটাৰ দূৰৰ মনালিচা কলেজলৈ বাচেৰে অতি কষ্টেৰে অহা-যোৱা কৰিব লগা হৈছে। টকাৰ অভাৱতে মেচ কৰিব পৰা নাই। তাতে ভায়েককো দিব লগাত পৰিছে। অভাৱৰ সৈতে যুঁজ কৰি কৰি মাকে আৰু কিমান দিব? অভাৱৰ পৰা কিছু সকাহ পাবলৈ কেইজনমান লৰা-ছোৱালীক গধুলি টিউচন কৰে। আৰু সেই টিউচন কৰি পোৱাৰ টকাৰেই পঢ়িবলৈ দৃঢ়ভাৱে জ্যোতিমণিয়ে আগবাঢ়ি গৈছে।



নহলে কেতিয়াবা চাহ খাবলৈতো বাদেই বাচৰ ভাড়া দিবলৈও হাতত পইচা নাথাকে। সেয়েহে কেতিয়াবা কলেজলৈ যাব নোৱাৰে। জ্যোতিমণি দৃঢ় প্ৰতিজ্ঞ যে এদিন সমাজত নিজকে মানুহৰূপে থিয় কৰাব আৰু অভাৱগ্ৰস্ত ঘৰখনক অভাৱৰ পৰা মুক্ত কৰাব। কিন্তু এনে অলীক সপোন এদিন নাইকীয়া হৈ গৈছিল।

সেইদিনা আছিল সোমবাৰ ঠাণ্ডাভাত কেইটামান খায়েই পুৱা সাত বজাত জ্যোতিমণিয়ে কলেজলৈ বুলি ওলাই গৈছিল। জ্যোতিমণি ইঁতৰ অহা-যোৱা কৰা মাত্ৰ এখনেই বাচ। তিনি কিঃ মিঃ দূৰত সাত বাজি পঞ্চলিছ মিনিটত বাচ গৈ ধৰিব লাগে। কেতিয়াবা যদি বাচৰ কিবা যান্ত্ৰিক বিজুতি হয় বা সময়মতে গৈ বাচ ধৰিব নোৱাৰে তেন্তে সেই মানুহখিনিৰ সেইদিনা ক'ৰবালৈ যোৱা আৰু নহয়। চৰকাৰেও সেই মানুহখিনিক মাহী আইৰ চকুৰে চোৱা যেন লাগে। চৰকাৰৰ নূন্যতম সা-সুবিধা খিনিৰ পৰাও বঞ্চিত। কিমান বাৰ যে স্থানীয় ৰাইজে সভা আহ্বান কৰি কিমান কেইজন মন্ত্ৰী এম, এল, এ, ক অভাৱ-অভিযোগৰ বিষয়ে অৱগত কৰালে তাৰ হিচাপ নাই। মন্ত্ৰী, এম, এল, এ, সকলে সভাত ডাঙৰ ডাঙৰ বক্তৃতা দি সকলো সুবিধা দিয়া হ'ব বুলি কোৱাৰ বাহিৰে আন একোৱেই দিয়া নাই।

ঠিক সাত বাজি পঞ্চলিচ মিনিটত তাই বাচত উঠিছিল আৰু ন বজাৰ আগেয়ে তাইয়ো কলেজ পাইছিল। জ্যোতিমণিয়ে 'শিক্ষা' বিষয়টো সন্মানীয় বিষয় হিচাবে লৈছে। সেয়েহে ন বজাৰ লগে লগে কলেজ আৰম্ভ হয়। তাই সম্পূৰ্ণ ক্লাচ কৰিব নোৱাৰে। কাৰণ ছুই বজাৰ আগেয়ে বাচ এৰে।

তেতিয়াও কলেজত 'নৱাগত আদৰণি' সভা পতা নাই। পুৰাদমে কলেজত ৰেগিং নামৰ চিনাকি পৰ্ব্ব চলি আছে। নতুন ছাত্ৰ ছাত্ৰীক পুৰণা ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন প্ৰশ্ন সুধি না না হাৰা- শাস্তি কৰিছে। সেইদিনা জ্যোতিকো দুজন মান ছাত্ৰই এটি নিজান কমলৈ মাতি লৈ গ'ল। অশেষ অশ্লীল প্ৰশ্ন অৱতাৰণা কৰি তাইক বিপদত পেলাইছিল। কোনোদিন পশ্চিমীয়া তালত নাচি নোপোৱা জ্যোতিক নচুৱাইছিল আৰু গান গাই নোপোৱা জ্যোতিক গান গোৱাইছিল। ইফালে তাইৰ ঘৰলৈ আহিবৰ বাবে বাচৰ সময় হৈ আহিছিল। বাচৰ সময় হৈছে বুলি কোৱা সত্বেও তাইক এৰি দিয়া নহৈছিল। বহু সময়ৰ মূৰত তাইক এৰি দিয়া হৈছিল, কিন্তু বাচখন সেই সময়ত হয়তু আধা বাট অতিক্ৰম কৰিছিল। তাই মহাবিপদত পৰিল। ক'তো এখনো গাড়ী

তাই দেখা নাপালে । অৱশেষত এখন ট্ৰাক পাইছিল । ট্ৰাকৰ পৰা নামোতে সন্ধ্যা লাগিছিল । ট্ৰাকৰ পৰা নামি তিৰিৱিলো মিটাৰ দূৰ নিজান ৰাস্তায়েদি তাই ঘৰলৈ বুলি আগবাঢ়িছিল । তাইৰ যথেষ্ট ভয় লাগিছিল । চুলিৰ আগত জীউ বান্ধি নিজান পথেৰে ঘৰকৈ খোজ পেলাইছিল ।

হঠাৎ ফুটুকানি হাবি ডোখৰত এটা নৰপশুৱে গৰা মাৰি ধৰিছিল । আৰু একঘণ্টাৰ মূৰত তাইক এৰি দিছিল । নৰপশুটোৰ হাতৰ পৰা মুক্ত হোৱাৰ পাছত জ্যোতিমণিয়ে দৌৰিছিল ঘৰৰ ফালে । ঘৰ পাইয়েই মা বুলি চিঞৰি বিচনাত অজ্ঞান হৈ পৰি গ'ল । তাৰ পাছত কি হল তাই একো নাজানে । মাকে জ্যোতিৰ কি হ'ল একো ধৰিব নোৱাৰি ওচৰ চুবুৰীয়া মানুহক মাতিলে । গাঁৱৰ কেইজনমান মানুহে তাইক মেডিকেলত ভৰ্ত্তি কৰিলে ।

বহুত বেলিৰ মূৰত চকু মেলি ডাক্তৰ আৰু নাৰ্চক দেখা সত্বেও একো নোকোৱা বাবে তাই মনত পেলাবলৈ চেষ্টা কৰিলে । লাহে লাহে জ্যোতিৰ সকলো কথাই এটা এটাকৈ মনত পৰি গ'ল । খং আৰু বেজাৰত গোটেই গা ঘামেৰে তিতিছিল । খং উঠিছিল বলেজৰ ছাত্ৰ কেইজনৰ ওপৰত । সিদিনা ইমান দেৰিলৈকে ছাত্ৰ কেইজনে ৰখাই নোথোৱা হ'লে কেতিয়াও এনে হ'বলৈ নাপালেহেঁতেন । একো জন কলেজীয়া শিক্ষা গ্ৰহণ কৰি থকা শিক্ষিত ডেকাৰ এনে কুচৰিত্ৰৰ যোগেদি জানো এখন সুস্থ সমাজৰ আশা কৰিব পাৰি ? জীৱনটোৰ কথা ভাবি জ্যোতি জিকাৰ খাই উঠিছিল । জীৱনৰ সকলো সম্পদ হেৰুৱাই ভৱিষ্যৎ অন্ধকাৰ দেখি তাই পুনৰ অজ্ঞান হৈ বিচনাত পৰি ৰল ।

: সমাপ্ত :

# 'অসম গৌৰৱ'

মিচ্ মামণি গগৈ
স্নাতক মহলা
কলা-১ম বাৰ্ষিক

মই আৰু দেউতা দেউতাইঁতৰ অফিচৰে পিয়ন ল'ৰাটোৰ বিয়ালৈ বুলি আহি সোণাৰি মহকুমাৰ পূৱ প্ৰান্তত অৱস্থিত জাপিহজীয়া গাঁৱৰ বিবাহ অনুষ্ঠানত উপস্থিত হলোঁহি । দেউতাৰ বৰ ইচ্ছা নাছিল যদিও মই জোৰ কৰিলোঁ ।

জাপিহজীয়া গাওঁ । আলি-পদূলী বৰ বেয়া তাতে জেঠ মহীয়া বাৰিষা । মাটিত ভৰি পেলালে পিছলি গৈ দুমুটমান আন্তৰতহে ৰয়গৈ । দেউতাতকৈ মই বেছি কষ্ট পাইছো, কিন্তু মোৰ বাবেই যে এনে হ'ল সেয়ে একো কব পৰা নাই । গৈ পালোঁগৈ । দেউতা আৰু মোক এঘৰত থকাৰ ব্যৱস্থা কৰি দিলে । বাধ্যত পৰিলো এৰাতি থাকিবই লাগিব । ঘৰৰ বাহিৰলৈ ওলাবই নোৱাৰি চাৰিওফালে বোকা । স্বাভাৱিকতে মোৰ মুখৰ পৰা ওলাল উস ! উৎপতীয়া ধুনটোক লৈ অহা হলে আমাৰ কি হলহেঁতেন । ধুন মোৰ ভাগিন ল'ৰা । সি বৰ উৎপতীয়া, একে ঠাইতে নাথাকে । মোলৈ একেবাৰে কেৰেপ নকৰে । দেউতাই কলে, মাৰাই মৰম কৰি কৰিয়েই ধুনটোক বেয়া কৰিলে । আজি একেৰাতিয়েই মাৰাই পাব মজাটো ।

পিয়ন ল'ৰাটোৰ নাম ভীম । ঘৰত খেতি-বাতি আছে । তিনি চাৰি পোৰামান নিজা মাটি । কেইবাবাৰো চেষ্টা কৰিও হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰিব নোৱাৰাত তাৰ সম্বন্ধীয় মোমায়েকে দেউতাইঁতৰ অফিচতে পিয়ন চাকৰিত সোমোৱাই দিলে । কাম কাজ ঠিক মতেই কৰে । কিন্তু দাংকোপ মৰা কথা তাৰ । অৱশ্যে সকলোৰে আগত দাংকোপ মাৰি কথা নকয় । নজনা, হোজা অশিক্ষিত মানুহৰ ওচৰত সি অফিচাৰ হৈ পৰে ; অফিচতহে পিয়ন । ছোৱালী ঘৰত বা সি কি পৰিচয় দিছে — পিয়ন, ক্লাৰ্ক নে অফিচাৰ

সন্ধ্যাৰ মেণ্ঠন জ্বলি বিবাহ মণ্ডপ পোহৰালে । বিয়াৰ উৰুলা-মাহল লাগিল । সৰু সৰু ল'ৰা-ছোৱালী বিলাকৰ চিঞৰ বাখৰ, দৌৰা-দৌৰি আৰম্ভ হল দেউতা আৰু মোক দৰাৰ লগত যাবলৈ জোৰ কৰিলে ; মোৰ ইচ্ছা নাই ; কিন্তু দেউতাক নেৰিলে । তেওঁলোক যোৱাৰ পাছত বিয়াৰ উৰুল-মুহুল কমেকলৈ কমিল । কিন্তু সৰু সৰু লৰা-ছোৱালী বিলাকৰ চিঞৰ-বাখৰ নকমিল । কেবাচিনৰ চাকিটোৰ পোহৰত কনা মনা লগাত মই মুকলিতেই মূঢ়া এটাত বহিলোঁহি । সাৰ

নিগম, থাৰ্মেল, পেট্ৰকেমিকেলৰ পৰা দুই এজন চাকৰিয়ালক নিমন্ত্ৰণ জনাইছে। মই তেওঁলোকৰ লগত চিনাকী হলো! নামৰূপ নগৰীত কথা বতৰাও পাতিলো। সাৰ নিগমৰ চাকৰিয়াল হাজৰীকাৰ পত্নীয়ে নামৰূপ নগৰীয়ে ভাৰতৰ ভিতৰতে এক অভিলেখ স্থাপন কৰাৰ কথা কলে। সাৰ নিগমৰ এতিয়া দুটা গোটৰ উৎপাদন চলি আছে। তৃতীয়টো গোটৰ কাম অলপতে আৰম্ভ হব বুলি কলে। হাজৰীকা এই গাঁৱৰে যদিও এতিয়া নামৰূপত "কোৱাৰ্টাৰ" পাইছে। তাতে থকা সা-সুবিধাও ভাল। কথাৰ প্ৰসংগতেই হাজৰীকাৰ পত্নীয়ে ক'লে "গাঁৱত থাকিলে ল'ৰা-ছোৱালী ভাল কৰিব নোৱাৰি বুইছে; মোৰ ল'ৰা-ছোৱালী হালক গাঁৱলৈ আনিবলৈ নিদিও নহয়।" এনেতে মোৰ কাষৰ চকীখনতে গাঁৱৰ উদীয়মান যুৱক এজন বহিলহি। জানিব পাৰিলো তেওঁৰ নাম উমেশ। হাজৰীকাক অলপ অপ্ৰস্তুত হোৱা যেন দেখা গ'ল। উমেশে আমাৰ লগত চা-চিনাকী হৈ কথা-বতৰা আৰম্ভ কৰিলে।

উমেশে হাইস্কুল শেষান্ত পৰীক্ষা পাছ কৰা কেইবাবছৰো হ'ল। চাকৰি বাকৰি কৰা নাই। বাজহুৱা কাম-কাজ কৰি থাকে। আমি বহি থকাৰ পৰাই বিজুলী বাতিৰ পোহৰত জিলিকি থকা সাৰ নিগমৰ প্লিনিং-টাৱাৰটোলৈ আঙুলিয়াই তেওঁ কলে "সোৱা সাৰ নগৰী! আমাৰ গৌৰৱ! ভাৰতৰ বিভিন্ন ঠাইত সাৰ যোগান ধৰি শস্য শ্যামলা ভাৰতবৰ্ষ গঢ়াত বৰঙনি আগবঢ়াইছে……।" ইত্যাদি ভালেমান কথাই ঠাই পালে। হঠাৎ মোৰ চকুত পৰিল জোনৰ পোহৰত জিলিকি উঠা আই-আৰ-আঠ কই খোৱা পথাৰ ডৰালৈ। কলোঁ আপোনালোকৰেই ভাল; ওচৰতে সাৰ নিগম। সাৰ ব্যৱহাৰ কৰিবলৈ কোনো অসুবিধা নাই। হাঁহি হাঁহি উমেশে ক'লে "আপুনি ভৱাৰ দৰে বস্তুতে ভাবে। প্ৰকৃততে ইয়াৰ আশে-পাশে থকা গাঁৱ সমূহত সাৰৰ ব্যৱহাৰ একেবাৰেই নাই। শতকৰা তিনি চাৰি ঘৰ হে ব্যৱহাৰ কৰে তাকো মাজে সময়েহে।"

মই অলপ অপ্ৰস্তুত হলো। কথাটো মই ভাবি চিন্তি কোৱা নাছিলো। মই মাত্ৰ বৰ নোপোৱাকৈ দু-আষাৰ কথা পাতি কটাব পাৰিলে হয়। অৱশ্যে মোৰ কোনো ইন্টাৰেষ্টো নাই। মোৰ চিন্তা মূলৰ। ঘৰত বা সি কি বিহু দেখুৱাইছে? তাৰোপৰি ঘৰলৈ গলেহে মাৰ খংটো চাবলৈ ভাল হব।

আমাৰ মাজতে বহি থকা তিনিকুৰি দেওনাত ভৰি দিয়া ৰমাকান্তই কলে "গাঁৱলৈ



কেতিয়াবা কেতিয়াবা 'গ্ৰামসেৱক' আহে কথা বতৰা পাতেহি। এবাৰ মাটিৰ 'চেম্পল' ( Sample ) ৰাখি থবলৈও কৈ গ'ল কিন্তু মানুহজন এতিয়ালৈকে অহা নাই। খেতিৰ দিনত নাহে আহে আজৰিৰ দিনতহে……। কথা শেষ কৰিবলৈ নিদি উমেশে কলে আমাক উদ্যোগ লাগে। চতুৰ্থ শ্ৰেণীৰ চাকৰি দুটামান বাদ দি কেইজনে নামৰূপত চাকৰি পাইছে? অথচ তিনিটাকৈ বৃহৎ উদ্যোগ গঢ়ি উঠিছে।

সাৰ নগৰী নামৰূপ এসময়ত স্বৰ্গদেউ চুকাফাৰ ৰাজধানী আছিল। ইতিহাসে গৰকা এই নগৰখন কালক্ৰমত এখন অৰণ্যত পৰিণত হৈছিল। আনকি স্বাধীনতাৰ আঠ/দহ বছৰ পাছলৈকে। স্থানীয় ৰাইজে হাতত জোৰ লৈ হাবিৰ মাজৰ লুংলুঙীয়া বাটেৰে হাতৰ মুঠিত জীৱটো বান্ধি অহা-যোৱা কৰিছিল। হিংস্ৰ জন্তুৰ গোজৰণিত মানুহে দিনতেই অকলে ফুৰিবলৈ ভয় কৰিছিল। আজিৰ পৰা ছাব্বিশ বছৰ মানৰ আগতে এই হাবিতলীয়া ঠাইখনক অত্যাধুনিক নগৰীলৈ পৰিনত কৰাৰ বাবে বিদ্যুৎ পৰিষদ, সাৰ-নিগমৰ কৰ্মকৰ্তা সকলৰ আগমন। ডাঙৰ ডাঙৰ পকীঘৰ বিলাক হ'ল। চাৰিওফালৰ ৰাইজে কাৰুকাৰ্য্য দেখি তবধ মানিলে। ভাবিলে হাবিতলীয়া ঠাইখনলৈ সঁচাই পোহৰ আহিব। লাহে-লাহে গঢ়ি উঠিল তাপবিদ্যুৎ প্ৰকল্প, হিন্দুস্থান সাৰ নিগম আৰু অসম পেট্ৰৰাসায়নিক উদ্যোগ। গেছটাৰ বাইন বিদ্যুৎ উৎপাদন কেন্দ্ৰ হিচাবে এচিয়া মহাদেশৰ ভিতৰতে লেখত লবলগীয়া। নগালেণ্ড, মণিপুৰ, অৰুনাচল আদিত বিজুলী যোগান ধৰাৰ লগে লগে নামনি অসমৰ সৈতে পশ্চিমবংগ পৰ্য্যন্ত এই প্ৰকল্পই সংযোগ ৰক্ষা কৰে। শেষতীয়াকৈ কৰা অসম পেট্ৰৰাসায়নিক উদ্যোগত প্ৰকৃতিক গেছৰ উপৰিও সাৰকাৰখানাৰ পৰা পোৱা কাৰ্বন-ডাই-অক্সাইড গেছ আৰু ইউৰীয়া কেচা সামগ্ৰী হিচাবে ব্যৱহাৰ হয়। প্ৰকৃততে তিনিটা উদ্যোগৰেই প্ৰতিটোৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছে।

উদ্যোগৰ লগে লগে স্কুল, ডাকঘৰ চিকিৎসালয়, থানা, দোকান-পোহাৰে নামৰূপ এখন পূৰ্নাঙ্গ নগৰীত পৰিনত হ'ল। দিনতে বাঘ ওলোৱা হাবিখন ৰাতিও দিন যেন হৈ থাকে। বাঘৰ গোজৰনিৰ পৰিবৰ্ত্তে ফেক্টৰীৰ মেচিনৰ শব্দই আকাশ বতাহ কঁপাই তুলিলে।

বিয়াৰ দুই এখন কাম কৰি উমেশ পুনৰ বহিলহি। মই সুধিলো এই তিনিটা উদ্যোগে অঞ্চলটোৰ গাঁৱসমূহৰ প্ৰগতিত কি ধৰণৰ বৰঙনি আগবঢ়াইছে বুলি আপুনি ভাবে বাৰু? তেওঁ কৈ গ'ল।

নিয়ন লাইটৰ পোহৰেৰে নামৰূপ নগৰী জিলিকি উঠিল। পূৰণি হাবি নোহোৱা হ'ল। কিন্তু চাৰিওকাষৰ ৰাইজে হাট-বজাৰ

কৰি থুৰি আহোতে জোৰ লৈ অহা নিয়ম নাইকিয়া হোৱা নাই। তেনেৰ অভাৱতে পথুলিতে শুই পৰা দৃষ্টান্ত এতিয়াও আছে। সাৰ কাৰখানাৰ মেচিনৰ শব্দইহে বাইজক সোঁৱৰাই দিছে যে নামৰূপতেই সাৰ উৎপাদন কৰা হয়। কিন্তু পথাৰত সাৰৰ অভাৱত খেতি ভাল নহয়।

তেঠৰ আৱতনীৰ খৰটোত আই-আৰ আঠ কৰা বিলাক শুকাই গৈছে। পানী যোগানৰ কোনো ব্যৱস্থা নাই। কষ্টিয়া সিঁচিব পৰা নাই। বৰষুণ হুদিনমানহে দিছে। খেতিৰ পথাৰতকৈ বাট-পথ, ঘৰ-চোতাল বিলাকহে বেচি বোঁকা।

কথা বতৰা হৈ জানিব পাৰিলো যে দিল্লী নৈৰ পৰা পানী যোগান ধৰাৰ ব্যৱস্থা কৰিছিল। এবছৰমান পানী দিলে। কিন্তু সাৰ নিগমৰ দূষিত দ্ৰব্য এই নদীত পেলোৱাৰ বাবে পানী দূষিত। দূষিত পানীয়ে সেইবাৰ খেতি-বাতি নষ্ট কৰিলে ; এতিয়া কৃষক বাইজৰ দৃঢ় বিশ্বাস যে আধুনিক উপায়েৰে পানী দিলে ধান বিলাক মৰি যায়। সেয়েহে বৰষুণৰ অভাৱ হলে গাঁৱে গাঁৱে উলহমালহেৰে ভেকুলী বিয়াৰ জোৱাৰ উঠে।

তেওঁ পুনৰ কলে উদ্যোগৰ উৎপাদিত সামগ্ৰীসমূহৰ পৰা থলুৱা লোক একেবাৰেই উপকৃত হ'ব পৰা নাই। নিয়ন লাইটৰ পোহৰ কাষৰে গাঁৱ বিলাকত পৰা নাই। সাৰৰ অভাৱত ওচৰৰ পথাৰ খনৰ খেতি পঁয়া লাগিছে। কিন্তু ৰাজ্যখনৰ উদ্যোগিক প্ৰগতিত এই উদোগ কেইটাই বিৰাট অৱদান যোগাই আহিছে বুলি দাবী কৰা হয়। আমাৰ গৌৰৱৰ কিবা ভিত্তি আছে জানো ? তেনেহলে অসমত শ শ উদ্যোগ হলেও কি হব ?

মই কলো, — সচাকৈয়ে বিষয়টো গুৰুত্বপুৰ্ণ।

বিয়াৰ ৰভাত পোহৰ কমি গ'ল। ভল্টেজ গ'ল নেকি ? নহয় ইয়াতো বিজুলী যোগান নাই। উমেশে বহাৰ পৰা উঠি গৈ মেণ্টুনটো নমাই আনি পাম্প কৰি ওলোমাই দিলে। মেণ্টুনৰ পোহৰত আমি জিলিকি পৰিলো।

— + —

# জানানে ?

শ্ৰী চুছেন পাংগি
স্নাতক প্ৰথম বাৰ্ষিক
( কলা )

১) হকিৰ যাদুকৰ কাক বোলে ?
উত্তৰ :— ধ্যানচাঁদক।

২) ভাৰতৰ প্ৰথম বেডমিণ্টন ক্লাবৰ নাম কি ?
উত্তৰ :— কলিকতা বেডমিণ্টন ক্লাব।

৩) আই, এফ, এ বুলিলে কি বুজা ?
উত্তৰ :— ইণ্ডিয়ান ফুটবল এচোচিয়েছন।

৪) কোন কোম্পানীয়ে আই, এ, শ্বীল্ড তৈয়াৰ কৰে ?
উত্তৰ :— লণ্ডনৰ মেচাৰ্চ এলকিংটন কোং।

৫) জাতীয় হকি প্ৰতিযোগিতাত কোন কাপ পুৰস্কাৰ দিয়া হয় ?
উত্তৰ — ১৯৫১ চনৰ পৰা এচ, ৰঙ্গস্বামী কাপ পুৰস্কাৰ দিয়া হয়।

৬) বিশ্ব টেবল টেনিচ প্ৰতিযোগিতাত কোন কাপ পুৰস্কাৰ দিয়া হয় ?
উত্তৰ :— (ক) চোয়েৰ্থলিং কাপ ( পুৰুষ সকলৰ )
(খ) কাৰ্বিয়ো কাপ ( মহিলা সকলৰ বাবে )

৭) নৱম এচিয়াডৰ প্ৰতীকৰ শিল্পী কোন ?
উত্তৰ :— ৰমেন্দ্ৰনাথ চৰকাৰ।

৮) কোন গছ সোনকালে বাঢ়ে ?
উত্তৰ :— বাঁহ গছ।

৯) আটাইতকৈ দ্ৰুত গামি চৰাইৰ নামটো কি ?
উত্তৰ :— চুইফ্ট।

১০) মাদাৰ, নামৰ গ্ৰন্থখনৰ গ্ৰন্থকাৰ কোন ?
উত্তৰ :— গোৰ্কী।

১১) পৃথিবীৰ ভিতৰত আটাইতকৈ ডাঙৰ হোটেল খনৰ নাম কি ?
উত্তৰ :— ষ্টিভেন্স হোটেল ( আমেৰিকাৰ চিকাগোচহৰত।

১২) পৃথিবীৰ ভিতৰত আটাইতকৈ ডাঙৰ অফিচঘৰ কোন খন ?
উত্তৰ :— পেণ্টাগন ( আমেৰিকা যুক্তৰাষ্ট্ৰ )

১৩) পৃথিবীৰ ভিতৰত আটাইতকৈ দীঘল আলিবাট কোনখন ?
উত্তৰ :— ব্ৰডওৱে ( নিউইয়ৰ্ক )

১৪) বাংলাদেশৰ জাতীয় ফুল কি ?
উত্তৰ :— শাপলা।

১৫) পৃথিবীৰ সৰ্ববৃহত্ত বিমান ঘাটি কোন খন ?
উত্তৰ :— ইংলণ্ডৰ ক্ৰয়দৈ চহৰত।

# জানানে

সংগ্ৰাহিকা মিছ ৰেহেনা বেগম
স্নাতক প্ৰথম বাৰ্ষিক কলা শাখা ।

১। প্ৰথম অসমীয়া পি-এইচ-ডি কোন ?

উঃ মৰহুম ডঃ মফিজুল ইচলাম বৰা ।

২। প্ৰথম ইংৰাজী অভিধান কেতিয়া, কোনে প্ৰকাশ কৰে ?

উঃ ১৭৫৫ চনত প্ৰথম ইংৰাজী অভিধান প্ৰকাশিত হয় । ইয়াৰ লিখক আছিল স্যামুয়েল জনসন্ । তেওঁ আঠ বছৰে এই অভিধান খন লিখি উলিয়াইছিল ।

৩। ভূগোলত পি-এইচ-ডি উপাধি পোৱা প্ৰথম অসমীয়া মহিলা কোন ?

উঃ শ্ৰী মতী দীপ্তি দাস ।

৪। ছাৰ উপাধি লাভ কৰা প্ৰথম গৰাকী ক্ৰিকেট খেলুৱৈ কোন ?

উঃ অষ্ট্ৰেলিয়াৰ চাৰ ডনাল্ড জৰ্জ ব্ৰেডমেন ।

৫। পৃথিৱীত প্ৰথম ফায়াৰ ব্ৰিগ্ৰেড ক'ত আৰু কেতিয়া প্ৰচলন হয় ?

উঃ ১৯২৪ চনৰ এডিনবৰাত পুলিচ কমিচনাৰ আৰু ইনস্যুৰেঞ্চ কোম্পানীয়ে সৰ্ব্ব প্ৰথম ফায়াৰব্ৰিগেড্ৰ ব্যৱস্থা কৰে ।

৬। ক'ত কেতিয়া হীৰা [illegible]ষ্টি হৈছিল ?

উঃ ১৮৮৬ খ্ৰীষ্টাব্দত উল্কাৰ পৰা ছিটিকি অহা তিনিটা শিলৰ টুকুৰা দক্ষিণ বাহিয়াত পৰে । ইয়াৰ ভিতৰত এটুকুৰা আচল হীৰাৰ টুকুৰা আছিল ।

৭। প্ৰথম জেলখানাক'ত স্থাপন হৈছিল ?

উঃ ১৪০৩ চনত ইংল্যাণ্ডত আৰু তাৰ পাছত ১৫৫০ চনৰ পিছত অন্যান্য দেশত জেলখানা তৈয়াৰ হয় ।

৮। সৰ্ব্ব প্ৰথম কোনে পৃথিৱীৰ চাৰিওদিক প্ৰদক্ষিণ কৰিছিল ?

উঃ জোৱান সেবষ্টিয়ান ডেচকানো ।

৯। ক'ত প্ৰথমে টিপচহীৰ দ্বাৰা অপৰাধী চিনাক্ত কৰা হয় ?

উঃ ১৮৫৪ চনত অবিভক্ত বাংলাদেশৰ আদালতত চাৰ উইলিয়াম হাচেলে ইয়াৰ প্ৰচলন কৰে ।

১০। কোন দেশত মাজৰাতি সূৰ্য্য দেখা যায় ?

উঃ নৰৱেত ।

১১। কোন দেশৰ লোকে মাটিৰ বাহিৰে অইন একো আহাৰ নকৰে ?

উঃ আফ্ৰিকাৰ আদি অধিবাসী সকলে, নীল নদীৰ মাটি পুৰি খায় ।

১২। পৃথিৱী যে ঘূৰণীয়া এই কথা প্ৰথমে কোনে আৱিষ্কাৰ কৰে ?

উঃ গ্ৰীচ গণিতজ্ঞ পাইথাগোৰাচে ।

১৩। কোন সাগৰত জাহাজ নচলে ?

উ চাৰাগাছা সাগৰত ( শৈৱাল সাগৰ )

১৪। আটাইতকৈ জাক জমক পূৰ্ণ চহৰ খনৰ নাম কি ?

উঃ ৱাচিংটন ।

১৫। কোন দেশক সমুদ্ৰৰ বন্ধু বোলা হয় ?

উঃ গ্ৰেটবৃটেন ।

# প্ৰ
# তি
# বে
# দ
# ন

# সাধাৰণ সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন।
## ১৯৮৭/৮৮ চন

প্ৰতিবেদনৰ আৰম্ভনিতে সোনাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী তথা শিক্ষাগুৰু সকলৈ মোৰ আন্তৰিক অভিনন্দন এ প্ৰণাম জনাইছোঁ। ১৯৮৭/৮৮ চনৰ বছৰটোৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে মোক নিৰ্ব্বাচিত কৰি আপোনালোকক সেৱা কৰি যাবৰ বাবে যি বহুমূলীয়া সুবিধা দিলে, তাৰ বাবে সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কাৰ্য্যকাল :— যোৱা ইং ২৮/১/৮৮ তাৰিখে মহাবিদ্যালয়ৰ ১৯৮৬/৮৭ চনৰ কাৰ্য্যনিৰ্বাহকৰ বিষয় ববীয়া সকলৰ আগত সাংবিধানিক নিয়মেৰে গুৰু দায়িত্বভাৰ গ্ৰহণ কৰো। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয়ৰ সুস্থ বাৰ্তাবৰণ শৈক্ষিক পৰিবেশ লৈ দৃষ্টি ৰাখি নিয়ম শৃংখলা মাজেৰে আমি কৰ্ত্তব্যৰ পথত অগ্ৰসৰ হওঁ।

কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন প্ৰতিভা সমূহ বিকাশৰ উদ্দেশ্যেৰে বাষিক ক্ৰীড়া সমাৰোহ ইং ৮/২/৮৮ তাৰিখৰ পৰা ১৩/২/৮৮ তাৰিখৰ লৈকে ছয় দিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। এই বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে আৰু ছাত্ৰ-ছাত্ৰী সকলে আকৰ্ষণীয় কুচ কাৱাজ কৰি ক্ৰীড়া সমাৰোহ উদ্বোধন কৰা হয়। তাৰ উপৰিও বিভিন্ন প্ৰতিযোগিতা সাংস্কৃতিক সন্ধিয়া আৰু মুকলি অধিবেশনেৰে উক্ত ক্ৰীড়া সমাৰোহ সামৰণি মৰা হয় আৰু মহাবিদ্যালয়ৰ ক্ৰীড়া সমাৰোহৰ বঁটা বিতৰণী সভাখন যোৱা ইং ২০/২/৮৮ তাৰিখে অনুষ্ঠিত কৰা হয়। উক্ত সভালৈ নিমন্ত্ৰিত বিশিষ্ট অতিথি হিচাবে আসন শুৱনি কৰে শিৱসাগৰৰ শ্ৰীযুত ভোগেশ্বৰ বৰুৱা আৰু শ্ৰীযুত হীৰা সিং সংনামী দেৱে। তেখেতলোকৰ বিশিষ্ট অতিথি ভাষনত ক্ৰীড়াৰ বাস্তৱ প্ৰয়োজনীয়তা আৰু ছাত্ৰ-ছাত্ৰী সকলে পঢ়া শুনাৰ মাজেৰে কেনেদৰে ইয়াৰ উন্নতি সাধন কৰিব পাৰি, সেই সম্পৰ্কে এটি বহুমূলীয়া বক্তব্য দাঙি ধৰে। তেখেতলোকৰ এই বক্তৃতাই মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে যথেষ্ট উৎসাহ তথা প্ৰেৰণা যোগায়।

সৰস্বতী পূজা :—

অন্যবছৰৰ দৰে এই বছৰো আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ আগতে বিশেষ কাৰণ বশত :— ১৯৮৬,৮৭ চনৰ কাৰ্যনিৰ্বাহকে সম্পুৰ্ণ হিচাব দাখিল কৰিব নোৱাৰাত, আমাৰ নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাই যোৱা ইং ২৩/১/৮৮ তাৰিখে শ্ৰী শ্ৰী সৰস্বতী পূজা ভাগ ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰু সকলৰ সহায় সহযোগত উলহ-মালহে পালন কৰা হয়।

বিদায় সভা :—

মহাবিদ্যালয়ৰ শেষান্ত বাৰ্ষিকৰ ছাত্ৰ

ছাত্ৰী সকলক যোৱা ইং ২০ আগষ্ট ৮৮ তাৰিখে আনুষ্ঠানিক ভাৱে বিদায় সম্ভাষণ জনোৱা হয়। উক্ত সভালৈ স্থানীয় উদীয়মান শিল্পী শ্ৰীমান পৰিক্ষীত কাকতিক গীত পৰিবেশন কৰিবৰ বাবে আমন্ত্ৰণ কৰি অনা হয়।

নবাগত আদৰণি সভা :—

পূৰনিক বিদায় দিয়া নতুনক আদৰি লোৱা প্ৰকৃতি দেৱীৰেই এটা চিৰন্তন নিয়ম প্ৰকৃতি দেৱীৰ এই চিৰন্তন নিয়মক সাৱোগত কৰি আমাৰ মহাবিদ্যালয়লৈ জ্ঞানৰ মুকুটা বুটলিবলৈ অহা নবাগত সকলক যোৱা ইং ১২/১০/৮৮ তাৰিখে আদৰনি জনোৱা হয়। আদৰণি সভাত সভা শুৱনি কৰে স্থানীয় অতিথি হিচাবে ভগৱতী প্ৰসাদ বৰুৱা সোৱঁৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত বিষ্ণু প্ৰসাদ দত্ত আৰু চৰাইদেউ মহকুমাৰ কাৰ্য্যবাহী দণ্ডাধীশ শ্ৰীযুত ৰুদ্ৰেশ্বৰ দাসদেৱে। তেখেতলোকৰ সাৰুৱা ভাষনেৰে মহাবিদ্যালয়ৰ সমূহ নৱ-পূৰ্ণ ছাত্ৰ-ছাত্ৰী সকলক মোহিত কৰে। ইয়াৰ উপৰিও প্ৰতি বছৰে পালন কৰি অহা শ্ৰী শ্ৰীশঙ্কৰ দেৱৰ তিথি যোৱা ইং ১৩ চেপ্তেম্বৰ ৮৮ তাৰিখে আৰু শ্ৰী শ্ৰীবিশ্বকৰ্মা পূজাটি ১৭ চেপ্তেম্বৰ ৮৮ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী' বন্ধু বান্ধৱী সকলৰ অকুণ্ঠ সহায় সহযোগত উলহ মালহেৰে পালন কৰা হয়।

আমাৰ পদক্ষেপ — :

আমাৰ মহাবিদ্যালয়ৰ ১৯৮৭/৮৮ চনৰ ছাত্ৰ একতা সভাই দায়িত্বভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয় খনিৰ উন্নতিৰ কল্পে কৰ্তৃপক্ষৰ লগত আলোচনা কৰি বিভিন্ন ধৰণৰ আচঁনি হাতত লোৱা হয়। উক্ত আচঁনি ধৰনৰ মতে কাৰ্য্যত পৰিণত হয়, মহাবিদ্যালয়লৈ অহা যোৱা কৰা পথটো নতুনকৈ নিৰ্মান কৰি উলিওৱা হয়। তাৰ উপৰিও মহাবিদ্যালয়ৰ চাৰি সীমাত সামাজিক বনানীকৰণ কৰা হয়। অন্যহাতেদি মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ অতি প্ৰয়োজনীয় " ছাত্ৰ জিৰণী চ'ৰা " কোঠাটো অস্থায়ী হিচাবে নতুনকৈ নিৰ্মান কৰি ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়।

কৃতজ্ঞতা স্বীকাৰ :—

মোৰ এই চমু কাৰ্য্যকালছোৱাত সকলো কামতে জড়িত থাকি অকুণ্ঠ সহায় সহযোগ আৰু দিহা পৰামৰ্শৰে যি সকল শিক্ষা গুৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে, কাম সম্পাদন কৰি যোৱাত সহায় কৰিলে তেখেত সকললৈ মোৰ হিয়াভৰা কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি নিবেদিলো। ইয়াৰোপৰি সকলো সময়তে মোক দিহা পৰামৰ্শ দি সহায় কৰা বাবে মাননীয় অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই দেৱৰ ওচৰত চিৰ কৃতজ্ঞ। মোৰকাৰ্য্য সম্পাদনাত ওতঃপ্ৰোত ভাৱে জড়িত থাকি সহায় সহযোগ কৰা সকলো ছাত্ৰ ছাত্ৰী আৰু বন্ধু বান্ধৱীৰ ওচৰত মই চীৰ ঋণী হৈ ৰলো।



এই খিনিতে মোৰ কাৰ্য্যকালত বিশেষ ভাৱে সহায় কৰা প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীলক্ষীনাথ বাইলুং বাতুল চেতিয়া ফুকন, ফুলেশ্বৰ গগৈ, ৰঞ্জিত বৰুৱা, ৰঞ্জন গগৈ, দিলীপ গোহাঁই, পংকজ কোৱঁৰ, কোশল চাংমাই, পুলিন বৰুৱা, উৎপল বৰুৱা, ডিম্ব ৰাজকোঁৱৰ, তপন গগৈ, জগত গগৈ, ভূপেন গগৈ, বিমান গোহাঁই, প্ৰনৱ পাগিং, ডিম্বেশ্বৰ কোৱঁৰ, অচিন্ত্য দিহিঙ্গীয়া, মিনু গগৈ, স্মৃতৰেখা গগৈ, নিৰদা চাহু, ৰুক্মিনী গগৈ, ছলুমনি, গোহাঁই, বীনা গোহাঁই, মনিমালা মহন, পাৰুল গগৈ, অঞ্জুমনি গগৈ, মঞ্জুমনি শইকীয়া, ৰুকনা পাটমাউট, দিপালী ফুকন, শ্যামলীমা হুৱৰা, জুনু ৰালিমৰা, জিলুমনি সন্দিকৈ, শুভলক্ষ্মী বৰুৱা, আৰু মহাবিদ্যালয়ৰ আবাসী সকলো ছাত্ৰ ছাত্ৰী লৈ মোৰ অন্তস্পৰ্শী মৰম জনালোঁ।

সদৌ শেষত পৰবৰ্ত্তী বাৰী বোৱা কাৰ্য্যবোৰত সকলোৰে সহায় সহযোগ কামনা কৰিলো। আৰু কাৰ্য্যকালৰ অতীত সকলোৰে বিচাৰ্য্য বিষয় হৈ থাকিল। আমাৰ কাৰ্য্যকালত অবাঞ্চিত বাধা বিঘিনি অতিক্ৰম কৰিব লগীয়া হোৱাত যি সকলৰ ওচৰত অনিচ্ছাকৃত ভুল ত্ৰুতি হৈ গ'ল সেই সকলৰ ওচৰত ক্ষমা মাগিলোঁ।

শেষত নৱনিৰ্বাচিত ছাত্ৰ একতা সভা লৈ আন্তৰিক অভিনন্দন জনালো আৰু সদৌ অসম ছাত্ৰ সন্থাৰ "জয় আই অসম" ধ্বনীৰে মোৰ ১৯৮৭/৮৮ চনৰ সাধাৰণ সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন সামৰনি মাৰিলো।

ইতি

শ্ৰী নিত্যানন্দ বাইলুং

সাধাৰণ সম্পাদক

# সহকাৰী সাধাৰণ সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন
## ১৯৮৭-৮৮ চন

প্ৰতিবেদনৰ আৰম্ভনিতে, আপোনা-লোকে ১৯৮৭/৮৮ বছৰটোৰ বাবে সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে মোক নিৰ্ব্বাচিত কৰি অনুষ্ঠানটি সেৱা আগবঢ়াবলৈ যি বহু-মূলীয়া সুবিধা দিলে, তাৰ বাবে মহাবিদ্যা-লয়ৰ সমূহ ছাত্ৰ ছাত্ৰী মোৰ আন্তৰিক অভিনন্দন লগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ এনে এটা গুৰুদায়িত্ব কান্ধত লৈ কাম সমাধান কৰি যাওঁতে যি সহযোগ উৎসাহ উদ্দীপনা তথা গঠন মূলক দিহা পৰামৰ্শ দি সহায় কৰিলে সেইক্ষেত্ৰ সকললৈও মোৰ শলাগৰ শৰাই আগবঢ়ালো।

দেশ মাতৃকাৰ বৃহৎ স্বাৰ্থৰ খাতিৰত আৰু অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হেতু যি সকল মহাত্যাগী স্বদেশ প্ৰেমীয়ে নিজৰ জীৱনকো তুচ্ছজ্ঞান কৰি আইমাতৃৰ থাপনাত হাঁহি হাঁহি নিজকে আত্মাহুতি দিলে সেইসকল বীৰ শ্বহীদৰ মহান আত্মাৰ সদগতি আৰু চিৰশান্তিৰ কামনা কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ১৯৮৭/৮৮ কাৰ্য্যকাল চোৱাৰ দায়িত্বৰ ভাৰ যোৱা ২৮/১/৮৮ তাৰিখত গ্ৰহণ কৰিয়েই সৰস্বতী পূজা পাতিবলৈ সুযোগ পাওঁ। আন কেইবছৰৰ দৰে এইবছৰো যোৱা ৩ জানুৱাৰীত বীণাপাণী বাগদেৱী শ্ৰী শ্ৰী সৰস্বতী পূজা ভাগ ছাত্ৰ ছাত্ৰী শিক্ষা গুৰু সকলৰ পূৰ্ণ সদায় সহযোগিতা লৈ উলহ মালহৰে পালন কৰা হয়।

ইয়াৰ পাছতেই '৯' ফেব্ৰুৱাৰী ৮৮ ৰ পৰা ১৪ ফেব্ৰুৱাৰী ৮৮ ৰ লৈকে পাঁচদিনীয়া কাৰ্য্য সূচীৰে ছাত্ৰ ছাত্ৰী সকলৰ সম্পূৰ্ণ সহায় সহযোগিতাত মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ সমাৰোহ অতি উলহ মালহৰে অনুষ্ঠিত হৈ যায়। এই দায়িত্ব ভাৰ লোৱাৰ সময়ত বিভিন্ন সংগঠন মূলক কাম আহি পৰে। আমাৰ কাৰ্য্যকালৰ সময়চোৱাত বৃহৎ ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাই আহ্বান কৰা প্ৰতীক অনশন, ধৰ্ণা পিকেটিং ইয়াৰ উপৰিও অতি উল্লেখ যোগ্য হ'ল সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান ক্ৰমে অৰ্থনৈতিক অৱৰোধ আৰু তাৰ ওপৰি যোৱা ২৭,২৮ আৰু ২৯ ফেব্ৰুৱাৰী সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান ক্ৰমে সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ দ্বাৰা পৰিচালিত তেল অৱৰোধ কাৰ্য্যসূচীত সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয় সমূহ ছাত্ৰ ছাত্ৰীয়ে সম্পূৰ্ণ ভাৱে সহায় সহযোগ আগ বঢ়াইআহিছো। ইয়াৰ ওপৰিও নৱাগতা আদৰণি সভা আৰু লগতে শ্ৰী শ্ৰী বিশ্বকৰ্মা পূজাটিও ছাত্ৰ ছাত্ৰীৰ বিশেষ সহযোগত সমাৰোহেৰে পালন কৰা হয়।



আমাৰ মহাবিদ্যালয় আজি স্থাপন হোৱা ১৮ বছৰত ভৰি দিছেহি যদিও ইয়াৰ অভাৱ অসুবিধা সমূহ আজিও দূৰ হোৱা নাই আৰু ইয়াৰ ফলত আমি ছাত্ৰ ছাত্ৰী সকলে বহুতো অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰিছোঁ। সেয়েহে তলত উল্লেখ কৰা কাৰ্য্য সমূহ অনতি পলমে হাতত লবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ অনুৰোধ জনালো।

১। পাঠদানৰ বাবে গৃহ নিৰ্মাণ আৰু উন্নতি কৰণ। ২। পুথিভঁৰালৰ বাবে সুকীয়া গৃহ নিৰ্মাণ আৰু উন্নতি কৰণ। ৩। পাঠ্যপুথি আলোচনী বাতৰি কাকত আদিৰ যোগান বৃদ্ধি আৰু নিয়মীয়া কৰণ। ৪। মহাবিদ্যালয় বিজ্ঞান শাখাৰ গৱেষণাগাৰৰ উন্নতি কৰণ। ৫। ছাত্ৰী বাস আৰু ছাত্ৰী নিবাস সমূহৰ উন্নতি কৰণ আৰু পানী যোগান বিজুলী বিচনি আদি সু-ব্যৱস্থা কৰা। ৬। ছাত্ৰ ছাত্ৰী জিৰণী চৰাৰ উন্নতি কৰণ।

মোৰ এই কাৰ্য্যকাল চোৱাত মহাবি-দ্যালয় অভাৱ অভিযোগ সমূহ নিষ্পত্তি কৰিবলৈ পাৰ্য্যমানে চেষ্টা কৰিছিলো। আমি যি দৰে মহাবিদালয় বিভিন্ন অভাৱ সমূহ নিষ্পত্তি কৰিব বাবে চেষ্টা কৰিছিলো তেনে দৰে নৱ নিৰ্ব্বাচিত ছাত্ৰ একতা সভাক এই অভাৱ সমূহ দূৰ কৰিবৰ বাবে অনুৰোধ কৰিলো।

সদৌ শেষত মই জানি বা নাজানি কৰা ভুলৰ বাবে ছাত্ৰ ছাত্ৰী, বন্ধু বান্ধৱী আৰু শিক্ষা গুৰু সকলৰ ওচৰত ক্ষমা মাগিছো। আৰু এই ভুল ত্ৰুটীবোৰ যাতে আপোনালোকে পাহৰি যায় তাকেই কামনা কৰি মোৰ সম্পা-দকীয় প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

জয়তো
সোণাৰি
মহাবিদ্যালয়

জয় আই অসম

সহকাৰী সাধাৰণ সম্পাদক
শ্ৰী জগত গগৈ
স্নাতক তৃতীয় বাৰ্ষিক
(বিজ্ঞান)

# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী আৰু মোৰ শিক্ষাগুৰুবৃন্দলৈ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

১৯৮৭ ৮৮ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদক হিচাবে মই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হওঁ। কলেজীয়া জীৱনত মোৰ এনে দায়িত্ব ভাৰ এইয়ে প্ৰথম। সেয়ে এই মহাবিদ্যালত মই বিগত বছৰত যি খেল ধেমালি পৰিচালনা কৰিলো তাত নিশ্চয় অনিচ্ছাকৃত ভুল ত্ৰুটি থোৰ হৈ যাব পাৰে। মই ভাবো, ছাত্ৰ-ছাত্ৰী বন্ধুবৰ্গই এই ক্ষেত্ৰত সহানুভূতিশীল মনোভাৱ গ্ৰহণ কৰিব।

মহাবিদ্যালয়ত মোৰ কাৰ্য্যকাল ছোৱাত প্ৰথম বেডমিন্টন, টেবুলটেনিচ, কেৰম, ডবা, চাইনিজ, চেকাৰ আদি খেল বিলাক সুন্দৰ সপ্তাহত পৰিচালনা কৰিব লগা হৈছিল। এই খেলবিলাক পৰিচালনাত মহাবিদ্যালয়ৰ শিক্ষা গুৰু শ্ৰীযুত মানিক বৰুৱা উক্ত বিভাগৰ উপদেষ্টা হিচাবে থাকি আৰু লগতে সমূহ শিক্ষক শিক্ষয়িত্ৰীয়ে যি সহায় সহানুভূতি আগবঢ়ালে তাৰ বাবে সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। দ্বিতীয়তে যি সকল অংশ গ্ৰহণ কাৰীয়ে খেলত যোগদান দি সহায় কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন থাকিল। এইখিনিতে এটা কথা উনুকীয়াই থওঁ যে আমাৰ মহাবিদ্যালয়ত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰী থকা স্বত্বেও খেলত অংশ গ্ৰহণ কাৰীৰ সংখ্যা নিচেই নগন্য। এইটো বৰ পৰিতাপৰ বিষয়, সেয়ে মই আশাকৰো ভবিষ্যতে ছাত্ৰ-ছাত্ৰীয়ে বন্ধুয়ে খেলত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ সুনাম অক্ষুন্ন ৰাখিব।

অৱশেষত সকলো সময়তে মোক সহায় সহযোগ কৰা বন্ধু সকললৈ মোৰ আন্তৰিক মৰম আৰু কৃতজ্ঞতা যাচিলো আৰু লগতে মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

**শ্ৰী মৃন্ময় পাল**
**লঘু খেল বিভাগৰ সম্পাদক**
**সোণাৰি মহাবিদ্যালয়**

# সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৮৭/৮৮ চন

জয়ন্তয়াতে যোৱা ছয়বছৰীয়া আন্দোলনত যি সকল মহাত্যাগী স্বদেশ প্ৰেমীয়ে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি অসমী আইৰ বুকুত হাঁহি হাঁহি প্ৰাণ আহুতি দিলে সেই সকল বীৰ শহীদৰ মহান আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। লগতে ১৯৮৭/৮৮ চনৰ বাবে সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ উন্নয়ন মূলক কাম কাজ কৰাত আগ ভাগ লবলৈ সুযোগ দিয়াৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ হিয়াভৰা শুভেচ্ছা আৰু শলাগৰ শৰাই আগবঢ়াইছো। মোৰ কাৰ্য্যকালছোৱাত বিভিন্ন দিশত দিহা পৰামৰ্শ তথা সহায় সহযোগ আগ বঢ়োৱা বাবে সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি অধ্যাপিকা ৰতিপ্ৰভা গগৈ, অধ্যাপক তুলসী গগৈ, অধ্যাপক বিনন্দ মহন, অধ্যাপক ৰবীন কোঁৱৰে যি অকৃত্ৰিম সহায় আগবঢ়ালে তেখেত সকলৰ ওচৰত মই চিৰ ঋণী হৈ ৰলো।

মোৰ কাৰ্য্যকালৰ প্ৰথম কাৰ্য্যসূচী আছিল তাৰিখৰ পৰা তাৰিখলৈ অনুষ্ঠিত হোৱা ক্ৰীড়া সপ্তাহ। ১১-.-৮৮ তাৰিখে সাহিত্য আৰু তৰ্ক বিভাগৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ ফলাফল সমূহ এনেধৰণৰ।

অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা

১ম— শ্ৰীমতী জুৰি দেৱী ( স্নাতক ২য় বাৰ্ষিক )
২য়— শ্ৰীমতী মিনু গগৈ ( " )
৩য়— ১। শ্ৰীমতী জ্যোৎস্নালী বৰুৱা ( " )
২। শ্ৰীতপন কুমাৰ গগৈ ( প্ৰাক স্নাতক ২য় বাৰ্ষিক )

ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা

১ম—শ্ৰীমতী জুৰি দেৱী ( স্নাতক ২য় বাৰ্ষিক )
২য়—শ্ৰীমতী মাধুদেৱী ( স্নাতক ১ম বাৰ্ষিক )
৩য়— ১। শ্ৰীপ্ৰশান্ত বৰগোহাই ( প্ৰাক স্নাতক ১ম বাৰ্ষিক )
২। শ্ৰীঅচিন্ত্য কুমাৰ দিহিঙ্গীয়া ( স্নাতক ২য় বাৰ্ষিক )

তৰ্ক প্ৰতিযোগিতা

বিষয়ঃ— সদনৰ মতে, "ভাৰতে আনৱিক অস্ত্ৰ তৈয়াৰ কৰিব লাগে"।

১ম— শ্ৰীঅতুল ৰাজকোঁৱৰ ( বিঃ ) ( স্নাতক ১ম বাৰ্ষিক )
২য় - শ্ৰীমহেশ গহ্লকা ( সঃ ) ( স্নাতক ৩য় বাৰ্ষিক )
৩য়— শ্ৰীমতী পাপৰি গগৈ ( সঃ ) ( স্নাতক ১ম বাৰ্ষিক )

কুইজ প্ৰতিযোগিতা

প্ৰথম দল

১। শ্ৰীপ্ৰদীপ কুমাৰ গগৈ ( স্নাতক ৩য় বাৰ্ষিক )
২। শ্ৰীমহেশ গহ্লকা ( " )

৩। শ্ৰীঅলক পাল ( স্নাতক ৩য় বাৰ্ষিক )
৪। শ্ৰীগিৰিণ গগৈ ( স্নাতক ২য় বাৰ্ষিক )

দ্বিতীয় দল

১। শ্ৰীপীতাম্বৰ চৰাইমূৰীয়া (স্নাতক ২য় বাৰ্ষিক )
২। শ্ৰীঅচিন্ত্য কুমাৰ দিহিঙ্গীয়া ( „ )
৩। শ্ৰীৰঞ্জন গগৈ । ( স্নাতক ৩য় বাৰ্ষিক )
৪। শ্ৰীতপন গগৈ । ( প্ৰাক স্নাতক ২য় বাৰ্ষিক )

তৃতীয় দল ( দুটা )

ক) ১। শ্ৰীৰাজীৱ মহন বৰুৱা (স্নাতক ১ম বাৰ্ষিক)
২। শ্ৰীমতী অৰুন্ধতি গগৈ ( „ )
৩। শ্ৰীমতী কল্পনা বৰুৱা ( „ )
৪। শ্ৰীমনোজিৎ দেৱ । ( „ )

খ) ১। শ্ৰীতপন ভট্ট । ( স্নাতক ৩য় বাৰ্ষিক )
২। শ্ৰীপ্ৰবীন বৰুৱা । ( „ )
৩। শ্ৰীমৃন্ময় পাল । (স্নাতক ২য় বাৰ্ষিক)
৪। শ্ৰীঋতুপৰ্ন গগৈ । (প্ৰাক স্নাতক ২য় বাৰ্ষিক )

গল্প প্ৰতিযোগিতা

১ম—শ্ৰীঅৰুণ কুমাৰ বৈৰাগী ( প্ৰাক স্নাতক ২য় বাৰ্ষিক )
২য়—শ্ৰীমতী জুৰি দেৱী ( স্নাতক ২য় বাৰ্ষিক)
৩য়—শ্ৰীমতী মঞ্জুমণি পাল ( „ )

প্ৰবন্ধ প্ৰতিযোগিতা

বিষয় :—বৰ্তমান যুৱমানসিকতা

১ম—শ্ৰীপীতাম্বৰ চৰাইমুৰীয়া ( স্নাতক ২য় বাৰ্ষিক )
২য়—শ্ৰীমতী জুৰি দেৱী ( „ )
৩য়—শ্ৰীমতী কল্পনা বৰুৱা ( স্নাতক ১ম বাৰ্ষিক )

অসমীয়া কবিতা প্ৰতিযোগিতা—

১ম— শ্ৰীঅৰুণ কুমাৰ বৈৰাগী । ( প্ৰাক স্নাতক ২য় বাৰ্ষিক )
২য়— ১। শ্ৰীপুষ্প গগৈ (স্নাতক ১ম বাৰ্ষিক)
২। শ্ৰীমতী হীৰা গগৈ ( প্ৰাক স্নাতক ১ম বাৰ্ষিক )
৩। শ্ৰীমতী অঞ্জুমণি পাল ( স্নাতক ১ম বাৰ্ষিক )

ইংৰাজী কবিতা প্ৰতিযোগিতা

প্ৰথম— শ্ৰীঅচিন্ত্য কুমাৰ দিহিঙ্গীয়া ( স্নাতক ২য় বাৰ্ষিক )

ৰচনা প্ৰতিযোগিতা

বিষয় :— অসমৰ লোক সংস্কৃতি

১ম—শ্ৰীমতী কল্পনা বৰুৱা । ( স্নাতক ১ম বাৰ্ষিক )
২য়—শ্ৰীপীতাম্বৰ চৰাইমুৰীয়া ( স্নাতক ২য় বাৰ্ষিক )
৩য়—শ্ৰীপঙ্কজ বিকাশ গগৈ ( প্ৰাক স্নাতক ১ম বাৰ্ষিক )

মহাবিদ্যালয়ত মোৰ দ্বিতীয় কাৰ্য্যসূচী হল ১১।১০।৮৮ তাৰিখৰ নৱাগতা আদৰণি সভাৰ উপলক্ষে অনুষ্ঠিত কৰা প্ৰবন্ধ, গল্প আৰু ৰচনা প্ৰতিযোগিতা । এই প্ৰতিযোগিতাৰ ফলাফল সমূহ এনেধৰণৰ ।

প্ৰবন্ধ প্ৰতিযোগিতা

বিষয় :—"বৰ্তমান অসমীয়া সমাজ ব্যৱস্থাত শংকৰদেৱৰ স্থান" ।

১ম—শ্ৰীমতী জুৰি দেৱী (স্নাতক ৩য় বাৰ্ষিক)
২য়—শ্ৰীমতী নীলিমা বৰা (স্নাতক ১ম বাৰ্ষিক)
৩য়—শ্ৰীমতী মনিষা ভাগৱতী ( স্নাতক ২য় বাৰ্ষিক )

গল্প প্ৰতিযোগিতা

১ম – শ্ৰীমতী ৰঞ্জুমণি শইকীয়া ( প্ৰাক স্নাতক ২য় বাৰ্ষিক )
২য়—শ্ৰীমতী জুৰি দেৱী (স্নাতক ৩য় বাৰ্ষিক)



৩য়—কুমাৰী অঞ্জু ভাণ্ডাৰী (স্নাতক ২য় বাৰ্ষিক)

ৰচনা প্ৰতিযোগিতা

বিষয় :— "পাৰিপাৰ্শ্বিকতা আৰু কৰ্তব্য"

১ম —শ্ৰীমতী কল্পনা বৰুৱা (স্নাতক ২য় বাৰ্ষিক)
২য়—শ্ৰীপঙ্কজ বিকাশ গগৈ ( প্ৰাক স্নাতক ২য় বাৰ্ষিক)

মোৰ কাৰ্য্য কালছোৱাত ১৩।১১।৮৮ তাৰিখে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয় । অংশ গ্ৰহণ কৰিছিল শ্ৰীদীপক শৰ্ম্মা ( সপক্ষে ) শ্ৰীঅতুল ৰাজকোঁৱৰ ( বিপক্ষে ) তৰ্কৰ বিষয় আছিল সদনৰ মতে, "সংযুক্ত ৰাষ্ট্ৰৰ ভিত্তিত অসম পুনৰ সংগঠন কৰিলে অসমৰ জাতিৰ সমস্যা সমাধান হব নোৱাৰে" ।

এই খিনিতে অতি দুখেৰে জনাব লগা হল যে ২২—১১—৮৮ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এখনি "তৰ্ক আৰু আকস্মিক বক্তৃতা" প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল । দুভাৰ্গ্যজনক, উক্ত প্ৰতিযোগিতাত কোনো এজন ছাত্ৰ-ছাত্ৰী উপস্থিত থকা দেখা নগল । সেইদিনা প্ৰতিযোগিতাখন নাকচ কৰিব লগা হল । সেইয়ে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি বিনম্ৰ অনুৰোধ যাতে পৰৱৰ্তী কাৰ্য্য সুচীত সকলোৱে যোগদান কৰে ।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ যৱনিকা পেলালো ।

জয়তু সোনাৰি মহাবিদ্যালয়
শ্ৰীডিম্ব ৰাজকোঁৱৰ
সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক
সোনাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

৩। শ্ৰীঅলক পাল (স্নাতক ৩য় বাৰ্ষিক)
৪। শ্ৰীগিৰিণ গগৈ (স্নাতক ২য় বাৰ্ষিক)

দ্বিতীয় দল

১। শ্ৰীপীতাম্বৰ চৰাইমূৰীয়া (স্নাতক ২য় বাৰ্ষিক)
২। শ্ৰীঅচিন্ত্য কুমাৰ দিহিঙ্গীয়া ( „ )
৩। শ্ৰীৰঞ্জন গগৈ। (স্নাতক ৩য় বাৰ্ষিক)
৪। শ্ৰীতপন গগৈ। (প্ৰাক স্নাতক ২য় বাৰ্ষিক)

তৃতীয় দল (ভুটা)

ক) ১। শ্ৰীৰাজীৱ মহন বৰুৱা (স্নাতক ১ম বাৰ্ষিক)
২। শ্ৰীমতী অৰুন্ধতি গগৈ ( „ )
৩। শ্ৰীমতী কল্পনা বৰুৱা ( „ )
৪। শ্ৰীমনোজিৎ দেব। ( „ )

খ) ১। শ্ৰীতপন ভট্ট। (স্নাতক ৩য় বাৰ্ষিক)
২। শ্ৰীপ্ৰবীন বৰুৱা। ( „ )
৩। শ্ৰীমৃন্ময় পাল। (স্নাতক ২য় বাৰ্ষিক)
৪। শ্ৰীঋতুপৰ্ন গগৈ। (প্ৰাক স্নাতক ২য় বাৰ্ষিক)

গল্প প্ৰতিযোগিতা

১ম—শ্ৰীঅৰুণ কুমাৰ বৈৰাগী (প্ৰাক স্নাতক ২য় বাৰ্ষিক)
২য়—শ্ৰীমতী জুৰি দেৱী (স্নাতক ২য় বাৰ্ষিক)
৩য়—শ্ৰীমতী মঞ্জুমণি পাল ( „ )

প্ৰবন্ধ প্ৰতিযোগিতা

বিষয়:—বৰ্তমান যুৱমানসিকতা

১ম—শ্ৰীপীতাম্বৰ চৰাইমূৰীয়া (স্নাতক ২য় বাৰ্ষিক)
২য়—শ্ৰীমতী জুৰি দেৱী ( „ )
৩য়—শ্ৰীমতী কল্পনা বৰুৱা (স্নাতক ১ম বাৰ্ষিক)

অসমীয়া কবিতা প্ৰতিযোগিতা—

১ম— শ্ৰীঅৰুণ কুমাৰ বৈৰাগী। (প্ৰাক স্নাতক ২য় বাৰ্ষিক)
২য়— ১। শ্ৰীপুষ্পা গগৈ (স্নাতক ১ম বাৰ্ষিক)
২। শ্ৰীমতী হীৰা গগৈ (প্ৰাক স্নাতক ১ম বাৰ্ষিক)
৩। শ্ৰীমতী অঞ্জুমণি পাল (স্নাতক ১ম বাৰ্ষিক)

ইংৰাজী কবিতা প্ৰতিযোগিতা

প্ৰথম— শ্ৰীঅচিন্ত্য কুমাৰ দিহিঙ্গীয়া (স্নাতক ২য় বাৰ্ষিক)

ৰচনা প্ৰতিযোগিতা

বিষয়:— অসমৰ লোক সংস্কৃতি'

১ম—শ্ৰীমতী কল্পনা বৰুৱা। (স্নাতক ১ম বাৰ্ষিক)
২য়—শ্ৰীপীতাম্বৰ চৰাইমূৰীয়া (স্নাতক ২য় বাৰ্ষিক)
৩য়—শ্ৰীপঙ্কজ বিকাশ গগৈ (প্ৰাক স্নাতক ১ম বাৰ্ষিক)

মহাবিদ্যালয়ত মোৰ দ্বিতীয় কাৰ্য্যসূচী হল ১১।১০।৮৮ তাৰিখৰ নৱাগত আদৰণি সভাৰ উপলক্ষে অনুস্থিত কৰা প্ৰবন্ধ, গল্প আৰু ৰচনা প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ ফলাফল সমূহ এনেধৰণৰ।

প্ৰবন্ধ প্ৰতিযোগিতা

বিষয়:—"বৰ্তমান অসমীয়া সমাজ ব্যৱস্থাত শংকৰদেৱৰ স্থান"।

১ম—শ্ৰীমতী জুৰি দেৱী (স্নাতক ৩য় বাৰ্ষিক)
২য়—শ্ৰীমতী নীলিমা বৰা (স্নাতক ১ম বাৰ্ষিক)
৩য়—শ্ৰীমতী মনিষা ভাগৱতী (স্নাতক ২য় বাৰ্ষিক)

গল্প প্ৰতিযোগিতা

১ম—শ্ৰীমতী ৰঞ্জুমণি শইকীয়া (প্ৰাক স্নাতক ২য় বাৰ্ষিক)
২য়—শ্ৰীমতী জুৰি দেৱী (স্নাতক ৩য় বাৰ্ষিক)



৩য়—কুমাৰী অনু ভাৰ্বী (স্নাতক ২য় বাৰ্ষিক)

ৰচনা প্ৰতিযোগিতা

বিষয়:— "পাৰিপাৰ্শ্বিকতা আৰু কৰ্তব্য"

১ম—শ্ৰীমতী কল্পনা বৰুৱা (স্নাতক ২য় বাৰ্ষিক)
২য়—শ্ৰীপঙ্কজ বিকাশ গগৈ (প্ৰাক স্নাতক ২য় বাৰ্ষিক)

মোৰ কাৰ্য্য কালছোৱাত ১৩।১১।৮৮ তাৰিখে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত অনুস্থিত হোৱা সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয়। অংশ গ্ৰহণ কৰিছিল শ্ৰীদীপক শৰ্মা (সপক্ষে) শ্ৰীঅতুল ৰাজকোঁৱৰ (বিপক্ষে) তৰ্কৰ বিষয় আছিল সদনৰ মতে, "সংযুক্ত ৰাষ্ট্ৰৰ ভিত্তিত অসম পুনৰ সংগঠন কৰিলে অসমৰ জাতিৰ সমস্যা সমাধান হব নোৱাৰে"।

এই খিনিতে অতি দুখেৰে জনাব লগা হল যে ২২—১১—৮৮ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এখনি "তৰ্ক আৰু আকস্মিক বক্তৃতা" প্ৰতিযোগিতা অনুস্থিত কৰা হৈছিল। দুৰ্ভাগ্যজনক, উক্ত প্ৰতিযোগিতাত কোনো এজন ছাত্ৰ-ছাত্ৰী উপস্থিত থকা দেখা নগল। সেইদিনা প্ৰতিযোগিতাখন নাকচ কৰিব লগা হল। সেইয়ে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি বিনম্ৰ অনুৰোধ যাতে পৰৱৰ্তী কাৰ্য্য সুচীত সকলোৱে যোগদান কৰে।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ যৱনিকা পেলালো।

জয়তু সোনাৰি মহাবিদ্যালয়
শ্ৰীডিম্ব ৰাজকোঁৱৰ
সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক
সোনাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

# প্ৰতিবেদন

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা

কাৰ্য্যকালৰ সামৰণি নৌ পৰোতেই হাতত কলম তুলি ল'ব লগা হ'ল প্ৰতিবেদন দিয়াৰ মানসেৰে। এইয় প্ৰতিবেদন প্ৰকৃত ভাবে নহ'ব, হ'ব মাথোন মোৰ কাৰ্য্যকালৰ ভিতৰত সম্পাদন কৰা কিছুমান কামৰ খতিয়ান।

যোৱা ১৯৮৮ চনৰ ৮ জানুৱাৰী তাৰিখে পত্ৰ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে মনোনীত হওঁ। আৰু ২৮ জানুৱাৰীৰ দিনা দায়িত্বভাৰ গ্ৰহণ কৰো। সেই দিনাৰে পৰা মই ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে ছাত্ৰী সকলক বহুতো সুবিধা দিব লাগিছিল; কিন্তু মোৰ কাৰ্য্যকালৰ প্ৰথম ভাগত ছাত্ৰী সকলক বিশেষ কোনো সুবিধা দিব নোৱাৰিলোঁ। ইয়াৰো কাৰণ নোহোৱা নহয় অৱশ্যে। আমাৰ কাৰ্য্যকালৰ সময় ছোৱাতে মহাবিদ্যালয় খণ্ডৰ পুনৰ নিৰ্মাণৰ কাম হাতত লয় আৰু সেই কামৰ বাবে প্ৰয়োজনীয় কিছুমান বস্তু যেনে বাটাম, চিমেণ্ট আদি ছাত্ৰী জিৰণি কোঠাৰ নামত যিটো কোঠা আছে তাতেই থবলৈ লয় গতিকে ছাত্ৰী সকলৰ সুবিধাৰ অৰ্থে মই একো কাম হাতত লব পৰা নাছিলো। পাচত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ যোগেদি কোঠাটো কিছু পৰিমাণে খালী কৰি জিৰণি কোঠাৰ উপযোগী কৰি তোলা হ'ল। মহাবিদ্যালয়খনৰ মাজতীয়াৰে পৰাই ছাত্ৰী সকলে বহুতো অসুবিধা ভোগ কৰি আহিছে। বহিবলৈ ভাল ডেস্ক বেঞ্চ নাই, খেলা-ধূলা কৰিব পৰা কোনো খেলৰ সামগ্ৰী নাই, গৰমৰ দিনৰ বাবে বিজুলী বিচনী নাই, বাতৰি কাকত এখন নাই, তদুপৰি অতি প্ৰয়োজনীয় খোৱা পানীৰ ব্যৱস্থা নাই। ইমানবোৰ অভাৱ ছাত্ৰী সকলে আগৰে পৰাই অনুভৱ কৰি আহিছে। মানুহৰ অভাৱৰ সীমা নাই, কৈ থাকিলে অন্ত নহব। যি কি নহওঁক মোৰ কাৰ্য্যকালৰ অন্তিম ভাগত হলেও ছাত্ৰী সকলৰ সুবিধাৰ বাবে কেইখোৰমান ডেস্ক বেঞ্চ, এখন কেৰম বৰ্ড যোগাৰ কৰিলো। এখন বাতৰি কাকত (দৈনিক জনমভূমি) ৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰোপৰি ছাত্ৰী সকলৰ বিশেষ সুবিধাৰ লগতে জিৰণি কোঠাটোৰ সৌন্দৰ্য্যৰ বাবে দুৱাৰ-খিৰিকি সমূহত পৰ্দা লগোৱা হ'ল। মোৰ কাৰ্য্যকালত ছাত্ৰী সকলে আন কেইবছৰতকৈ কিঞ্চিত হ'লেও সুবিধা পাইছে বুলি মোৰ ধাৰণা। এই খিনিতে এটি অনুৰোধ যে মোৰ কৰিবলগীয়া কিবোৰ কাম মই কৰিব নোৱাৰিলোঁ মোৰ পাছৰ গৰাকী সম্পাদিকাই সেই সমূহ পূৰণ কৰিব বুলি আশা কৰিলো।

বিভিন্ন সময়ত বিভিন্ন দিহা পৰামৰ্শ দি মোৰ কাৰ্য্য সমূহ সফল ভাবে ৰূপায়ণ কৰাৰ সুবিধা দিয়াৰ বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত মই চিৰ কৃতজ্ঞ।



মহাবিদ্যালয়ৰ অন্য এজন কৰ্মকৰ্ত্তা কমলদালৈ ও (দত্ত) মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। তাৰোপৰি দীপা, ৰীতা, মাধু, ভানু, শশী, ইন্দ্ৰানী, অসমী, অজন্তা, ৰঞ্জনা এই সকল মোৰ সহপাঠীয়ে মই হাতত লোৱা প্ৰতিটো কাৰ্য্যতে সহায় আগবঢ়োৱাৰ বাবে মোৰ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিলো। যিখন একতা সভাৰ জৰিয়তে আমাৰ নিজ নিজ কৰ্ত্তব্য পালন কৰিবলৈ সুবিধা পালেঁ। তাৰ সকলো সদস্য সদস্যালৈ অভিনন্দন জনালেঁা।

ছাত্ৰী জিৰণি কোঠাৰ বাবে যি খিনি লাগতিয়াল বস্তু সেই সমূহ অতি সোনকালে যাতে ছাত্ৰী সকলে পায় তাৰ বাবে এই প্ৰতিবেদনৰ যোগেদিয়েই অধ্যক্ষ মহোদয়ৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। শেষত মহাবিদ্যালয়ৰ প্ৰত্যেক জন শিক্ষাগুৰুলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ আৰু প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক শুভেচ্ছা জনালোঁ। অজানিতে যদি কিবা ভুল-ত্ৰুটি ৰৈ গ'ল তাৰ বাবে ছাত্ৰ ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা বিচাৰিলোঁ।

শ্ৰীমনীষা ভাগৱতী

সম্পাদিকা : ছাত্ৰী জিৰণি কোঠা

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰথম বুৰনিতে দীৰ্ঘদিনীয়া অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত প্ৰাণ-আহুতি দিয়া মোৰ জ্ঞাত অজ্ঞাত বীৰ শ্বহীদ সকলৈ অশ্ৰু অঞ্জলি জ্ঞাপন কৰিলো। লগতে চিৰদিনৰ বাবে পংগু হোৱা বীৰ দেশপ্ৰেমীক সকললৈ জনাইছো সশ্ৰদ্ধ প্ৰণাম।

বিগত বছৰটোত সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে দায়িত্ব বহন কৰিবলৈ সুবিধা দিয়াৰ বাবে সমূহ ছাত্ৰ ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে বছৰটোত দায়িত্ব পালনত সহায় কৰা বাবে মোৰ বিভাগীয় উপদেষ্টা মহোদয় অধ্যাপক শ্ৰীযুত জীৱেন্দ্ৰ শইকীয়া ছাৰলৈ আন্তৰিক শলাগৰ শৰাই যাচিছোঁ।

যোৱা ১৯৮৮ চনৰ জানুৱাৰী মাহৰ ২৮ তাৰিখে এটি শুভ মুহূৰ্তত শপত গ্ৰহণ কৰি সুচাৰুৰূপে কাম কৰি যাবলৈ সোণাৰি মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ আগত প্ৰতিজ্ঞাবদ্ধ হওঁ। সেয়ে মোৰ কাৰ্য্য-ক্ৰমণিকা প্ৰথম আৰম্ভ হয়। ইং ৯/২/৮৮ তাৰিখৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত প্ৰথম পৰ্য্যায়তে একাংশ ছাত্ৰ ছাত্ৰীৰ সহায় সহযোগত খেলপথাৰখন চাফ-চিকুণ কৰাৰ লগতে অসমান ঠাইবোৰ সমান কৰা হয়। মহাবিদ্যালয়ৰ আন বিভাগীয় সম্পাদক সকলৰ লগতে সহায় সহযোগত বাৰ্ষিক ক্ৰীড়া সপ্তাহটো পৰিচালনা কৰো। বিগত বছৰ বিলাকৰ দৰেই মোৰ কাৰ্য্য কালছোৱাত ও সমাজ সেৱাৰ প্ৰতিযোগিতা পাতিছিলো। এই প্ৰতিযোগিতাত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছিলে। মাননীয় তত্বাৱধায়ক সকলে বিচাৰ কৰি লবাৰ শ্ৰী দিলীপ মহন আৰু ছোৱালীৰ শ্ৰীমতী মঞ্জুৰেখা শইকীয়াক বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক সেৱিকা হিচাপে নিৰ্বাচিত কৰি বঁটা প্ৰদান কৰে। এই বছৰৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহটি কুচ-কাৱাজৰ দ্বাৰা উদ্বোধন কৰা হয়। কুচ-কাৱাজৰ নেতৃত্ব দিছিলে শ্ৰী মতী মিনু গগৈয়ে। আৰু আন আন অংশ গ্ৰহণ কাৰী হ'ল, মিছ মণিমালা মহন, হুনুমণি বুঢ়াগোহাঁই, বীণা বুঢ়াগোহাঁই, পাৰুল গগৈ, অঞ্জু গগৈ, মঞ্জুৰেখা শইকীয়া, জুৰি সন্দিকৈ, জ্যোতি বড়া, বিভা গগৈ, নিলীমা ৰবা, পুৰবী গগৈ, মঞ্জুলা কাকতি, দীপালি ফুকন, বীনা তেলী, কৰবী গোহাঁই, নিবেদা চাহু, ইভা শ্যাম, সোনমণি গগৈ, জ্যোতি বৰগোহাঁই, শ্ৰী ভিম্ব ৰাজকোঁৱৰ, ৰাজু হুৱৰী, ৰাজীৱ মহন বৰুৱা, অচিন্ত্য দিহিঙ্গীয়া, গুণ গগৈ, এই সকলোকে সমাজসেৱা ভৱৰুৰ পৰা মান পত্ৰ প্ৰদান কৰা হয়।

মহাবিদ্যালয়ৰ সমাজ সেৱা সম্পাদক



হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ লগে লগে মনত বহুতো কাম কৰিবলৈ কল্পনা কৰিছিলো। কিন্তু মনত ভবাৰ দৰে কামবিলাক পূৰ্ণৰূপ নাপালে। ইয়াৰ মূলতে দুটা মুখ্য কাৰণ নিহিত হৈ আছে। প্ৰথম কাৰণটো হল মহাবিদ্যালয়ৰ অৰ্থনৈতিক দিশত জুকলা। মহাবিদ্যালয়ৰ ধন অভাৱ হোৱাৰে পৰা আজি পৰ্যন্ত পাঠাগাৰৰ বাবে শ্ৰেণীকোঠাকে আদি কৰি ছাত্ৰ জিৰণি চৰা পুথিভঁৰাল ইত্যাদি বিলাক সম্পূৰ্ণ হৈ উঠা নাই। তেনেস্থলত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ দিশটো এৰি বাহিৰা কিছুমান সমাজ সেৱাত ব্ৰতী হবলৈ মন নগল। কিছু লোকৰ দ্বাৰা জানিবলৈ পাইছো যে এইবাৰ সমাজ সেৱাৰ সম্পাদকৰ বিশেষ কোনো উল্লেখনীয় কাম নহল" মই আগতেই উল্লেখ কৰিছো যে আমাৰ মহাবিদ্যালয়ৰ অৰ্থৰ নাটনি বুলি মই মহাবিদ্যালয়ৰ ভিতৰচৰা মুখ্য বুলি আৰু বাহিৰৰ সমাজ সেৱাৰ কাম বিলাক গৌণ বুলি বিবেচনা কৰি মৰ বিশেষ আগনাবাঢ়িলো। সেয়ে বাহিৰা সমাজ সেৱাত মোৰ কাম হোৱাত বিশেষ কিতি লাভ কৰিব নোৱাৰিলো।

দ্বিতীয় কাৰণটো হৈছে — আমাৰ মহাবিদ্যালয়ৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীৰে সমাজ সেৱাৰ প্ৰতি বিৰোপ মনোভাব। মই বিগত বছৰত সমাজ সেৱাৰ সম্পাদক হিচাপে থাকি ছাত্ৰ ছাত্ৰী সকলৰ সমাজ সেৱাৰ প্ৰতি সচেতনতা কিমান আছে সেইকথা উপলব্ধি কৰিলো। সমাজ সেৱনো কি? এই বিষয়ে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে জানিও নজনাৰ ভাও ধৰে। তেওঁলোকে ভাবে যেকি পাঠ্য ক্ৰমত আৱদ্ধ থকা জ্ঞান কণ অৰ্জন কৰিব পাৰিলেই তেওঁ জীৱনৰ জ্ঞানৰ সমাপ্তি ঘটে বুলি। নহলেনো কিয় এটা কাম কৰিবলৈ যদি লোৱা হয় ছাত্ৰ ছাত্ৰী সকলৰ সহায় সহযোগ বিচাৰিলে পোনেই কয় সম্পাদক গঠন কৰি দিছো সম্পাদকে কৰিব বুলি। এই প্ৰতিবেদনৰ মাধ্যমত সেই সকল ছাত্ৰ ছাত্ৰীক জনাব বিচাৰিছো যে সম্পাদক থাকিলেই সম্পাদকে অকলে কামটো কৰিব নোৱাৰে। মই এটি সাধাৰণ উদাহৰণৰ সহায়ত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলক জনাব বিচাৰিছো যে — পোক পৰুৱা, পশু পক্ষীবো সমাজ আছে, সিইত যে সংগবদ্ধ ভাৱ প্ৰমান আমি নিতৌ দেখিছোহক। সিইতে সংগবদ্ধ হৈ যিদৰে উমৈহতীয়া কামবোৰ কৰে সি বাস্তৱতে মানুহৰ অনুকৰণীয়। কোনো এটা পৰুৱাই যদি তাৰ খাদ্য পোক এটা মৰি থকা দেখে তেতিয়া পৰুৱাটোৱে যদি অকলে পোকটো কাঢ়িয়াই নিব নোৱাৰে, তেতিয়া সি দৈ তাৰ সমাজক খবৰ দিয়ে। কিছু সময়ৰ পাছত দেখা যায় লানি নিছিগা পৰুৱাৰ দল। লানি পাতি সিইত আটায়ে

গাঁতৰ পৰা ওলাই আহি সেই পোকটো ভাতি লৈ যায়, কাৰণ সেই পোকটো হল সিহঁতৰ উমৈহতীয়া খাদ্যৰ সামগ্ৰী। এতেকে দেখা যায় পৰুৱাৰ সমাজেও একতাৰ বলত সংঘবদ্ধ হৈ ভোকক আহাৰ বিপদক জনবদ্ধ হৈ জীয়াই আছে। সেই দৰে আমাৰ ছাত্ৰ-ছাত্ৰী সকলেও সম্পাদকক কামটো কৰিব বুলি এৰি নিদি সমভাৱে দলবদ্ধ হৈ যি কোনো কাম কৰাৰ প্ৰতি অগ্ৰাধিকাৰ হব লাগে। কাৰণ সমাজৰ যি কোনো কাম ব্যক্তিকেন্দ্ৰিক নহয়, ই সমাজৰ উমৈহতীয়া উপাদান।

আন বাহিৰা সমাজ সেৱাৰ দিশলৈ বাদেও, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ কিছুমান কাম অকলে বিভাগীয় সম্পাদকে কৰিব ধুপ কয় এই কথাত মই জোৰ দি কওঁ যে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ কাম বিলাক যদি সম্পূৰ্ণকৈ গঢ়ি তোলা হয় তেতিয়াহলে ইয়াত সম্পাদক জনৰ পেট নভৰে যদিও ইয়াৰ ভৱিষ্যতে মহাবিদ্যালয় খনৰ, লগতে দেশৰ, সমাজৰহে উন্নতি হব। যিহেতু এনেকুৱা এখন মহাবিদ্যালয়ে যুগে যুগে শিক্ষা দি শ-শ জন দেশৰ, সমাজৰ ধৰণী স্বৰূপ ব্যক্তিক জন্ম দিছে আৰু দি থাকিব। মহাবিদ্যালয়খন মাত্ৰ কেইটামান বছৰৰ বাবে নহয়, ই এটি স্থায়ী অনুষ্ঠান, গতিকে মই কব বিচাৰিছো যে পৰৱৰ্তী কালত আমাৰ মহাবিদ্যালয়ৰ সমাজ সেৱা কামত বা যি কোনো দিশত মাত্ৰ সম্পাদকে কৰিব বুলি গা-এৰা- নিদি উমৈহতীয়া ভাৱে সকলো ছাত্ৰ-ছাত্ৰীয়ে উৎসাহ উদ্দীপনাৰে যি কোনো দিশতে আগবাঢ়ি যাব। এইয়া মোৰ প্ৰতিবেদনৰ দ্বাৰা কাতৰ অনুৰোধ জনালো।

সদৌ শেষত পৰৱৰ্তী সম্পাদকে যেন নিস্বাৰ্থ ভাৱে মহাবিদ্যালয় খনৰ উন্নতিৰ হকে কাম কৰি যায়, তাকে আশা কৰি আৰু মোৰ মৰমৰ অনুষ্ঠান এই মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ যৱনিকা পেলালোঁ।

"ধন্যবাদ"

"জয় আই অসম"

জয়তু সোণাৰি মহাবিদ্যালয়।

শ্ৰী প্ৰশান্ত বৰগোহাঁই

— + —

# সংগীত সম্পাদকৰ প্ৰতিবেদন।

পৰম শ্ৰদ্ধাভাজন শিক্ষা গুৰু বৃন্দ, মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী বৰ্গ।

প্ৰথমতেই সোণাৰি মহাবিদ্যালয়ৰ সংগীত সম্পাদক হিচাপে প্ৰতিবেদন লিখাৰ প্ৰাক মুহূৰ্তত আপোনালোকলৈ আন্তৰিক শ্ৰদ্ধা আৰু বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

চিৰ চেনেহী অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ বিসৰ্জন দিয়া শত সহস্ৰজন বীৰ শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী নিবেদন কৰিছোঁ। ১৯৮৭/৮৮ বছৰটোৰ বাবে সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংগীত সম্পাদক হিচাবে মোক নিৰ্বাচিত কৰি সংগীত তথা সাংস্কৃতিক দিশত সেৱা কৰি যাবৰ বাবে যি বহুমূলীয়া সুবিধা দিলে তাৰ বাবে আপোনালোক সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰাথমিক বিদ্যালয় পৰা সদৌ অসম মইনা পাৰিজাতকে আদি কৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত আছো। সেয়েহে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত সম্পাদকৰ ভাৰ লবলৈ আগবাঢ়ি আহিছিলো। কিন্তু যি আশা কৰি কাৰ্য্যভাৰ লৈছিলো সেই আশা যেন আশা হৈয়েই থাকিল। কাৰণ বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ ছাত্ৰী সকলৰ উৎসাহ উদ্দীপনা পৰিলক্ষিত নহল। অধ্যক্ষে তাৰ বাবে আমি প্ৰয়োজনীয় সুবিধাও দিব পৰা নাছিলো।

মোৰ কাৰ্য্যকালৰ প্ৰথম কাম হল মহাবিদ্যালয় সপ্তাহৰ সংগীত প্ৰতিযোগিতা। কাৰ্য্যভাৰ গ্ৰহণ কৰা এটা সপ্তাহৰ পিছতেই মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। গতিকে ইমান কম দিনৰ ভিতৰতে এনে এটা গধুৰ দায়িত্ব পালন কৰাটো কিমান কষ্টকৰ হ'ব পাৰে? তথাপি সংগীত তথা সাংস্কৃতিক দিশটোৰ প্ৰতি গভীৰ আস্থা থকাৰ বাবে মই সদায় কষ্ট কৰি যাবলৈ প্ৰতিজ্ঞাবদ্ধ। কিন্তু বৰ দুখেৰে লিপিবদ্ধ কৰিছো আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগীৰ কথা। যিটো যুগত পৃথিৱীৰ ইখন দেশে সিখন দেশৰ লগত সংস্কৃতিৰ যোগেদি বন্ধুত্বৰ এনাজৰীডাল কটকটীয়া কৰি ৰাখিবলৈ সক্ষম হৈছে তেনে এটা সময়ত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰতিযোগীতাৰ অভাৱ হোৱাটো পৰিতাপৰ কথা। অন্যহাতে প্ৰতিযোগী সকলেই দৰ্শক হোৱাটো দুখৰ বিষয়। সেয়েহে মই আগন্তুক ছাত্ৰ-ছাত্ৰী সকলক ভৱিষ্যতে এনে এটা দুৰৱস্থা আতৰাবলৈ অনুৰোধ কৰিছো।

এই খিনিতে মহাবিদ্যালয়ৰ অভাৱ অভিযোগৰ বিষয়ে উল্লেখ কৰিলো। মহাবিদ্যালয়ত যি কেইপদ বাদ্য যন্ত্ৰ আছে সচাঁকৈয়ে দুখ লগা। হয়তু আগন সংগীত সম্পাদক তথা সংগীত প্ৰেমী ছাত্ৰ ছাত্ৰী সকলে নাই মোমাইতকৈ কণা মোমাই ভাল বুলি তাকে

অব্যৱহিত যদিও ব্যৱহাৰ কৰি আহিছিল। অৱশেষে মোৰ কাৰ্য্যকালত এখন নতুন হাৰ্মনিয়ম এজোৰ তবলা আৰু এটা মাৰকাছ কিনি আনো। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে মোক যথেষ্ট সহায় কৰিছিল। অন্য বছৰৰ দৰে এই বছৰ পৰা হয়তু বাদ্য যন্ত্ৰৰ বাবে সংগীত সম্পাদকে হাবাথুৰি খাব নালাগে। কিন্তু সংগীত বিভাগৰ বাদ্য যন্ত্ৰ, ষ্টেজ আদি সু-সংৰক্ষণ নথকাৰ বাবে সোনকালেই নষ্ট হৈ যায়। সেয়েহে এই প্ৰতিবেদনৰ যোগেদি বিভাগীয় কৰ্তৃপক্ষক দৃষ্টি গোচৰ কৰালো।

মহাবিদ্যালয় বঁটা বিতৰণী সভাৰ দিনা এখন মুকলি সভা পতা হৈছিল। এই মুকলি সভাত আমি ছাত্ৰ-ছাত্ৰী সকলে লগ হৈ "সম্প্ৰীতিৰ এনাজৰী" নামৰ এখনি নৃত্য নাটিকা কৰিছিলো। এই নৃত্য নাটিকা খনি মইয়েই ৰচনা আৰু পৰিচালনা কৰিছিলো। নৃত্য নাটিকা খনি আতক ধুনীয়া হোৱাৰ বাবে স্থানীয় দৰ্শক শ্ৰীযুত বিকাশ ভাগৱতী আৰু শ্ৰীযুত চন্দন গগৈৰ পৰা ট্ৰফী অৰ্জ্জন কৰিছিলো। তাৰ বাবে মহাবিদ্যালয় তথা মোৰ ফালৰ পৰা তেখেত সকলৈ ধন্যবাদ থাকিল। সদৌ শেষত মোৰ কাৰ্য্যকালৰ প্ৰতিটো পদক্ষেপত সহায় সহযোগ আগবঢ়োৱা সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। বহুতো দিহা পৰামৰ্শৰে কৰ্ত্তব্য পালনত সহায় কৰা বাবে সংগীত বিভাগৰ উপদেষ্টা মহোদয়, মাননীয় শ্ৰীযুত ৰণজিৎ গোহাঁই আৰু শ্ৰীযুক্তা নিলা বৰুৱা বাইদেউলৈ মোৰ বিনম্ৰ শ্ৰদ্ধা নিবেদন কৰিলো। মহাবিদ্যালয় সপ্তাহৰ সংগীত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰা শ্ৰীমতী ৰীতা গোহাঁই, মাধু দেৱী, অঞ্জুমনি শইকীয়া, পৰাগমনি বুঢ়াগোহাঁই, জীতেন্দ্ৰ নাথ কোঁৱৰ, মানজিৎ দেৱ, স্বপন দত্ত, জাকিৰ হুচেইন, পঙ্কজ গগৈ, অচিন্ত্য দিহিঙ্গিয়া, ডিস্ব ৰাজকোঁৱৰ, নিত্যানন্দ বাইলুং, হুলেন বৰগোহাঁই, গুনকান্ত গগৈ মনিমালা মহন, আদিত্য বৰঠাকুৰলৈ ধন্যবাদ থাকিল। মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা গায়িকাৰ সন্মান পোৱা শ্ৰীমতী ৰীতা গোহাঁইলৈ বিশেষ ভাৱে ধন্যবাদ থাকিল।

শেষত সোণাৰি মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনাৰে মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো। ধন্যবাদ।

শ্ৰীডিম্বেশ্বৰ কোঁৱৰ
সম্পাদক, সংগীত বিভাগ
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

সম্পাদকীয়

# প্ৰতিবেদন

# সম্পাদকীয়

ছাত্ৰ-ছাত্ৰী সকল একোখন দেশৰ অমূল্য সম্পদ। ভৱিষ্যতত দেশৰ গুৰি ধৰোতা। এই ছাত্ৰ শক্তি বৃহৎ শক্তি। তেওঁলোকৰ জাতীয় চেতনাই দেশবাসীক/বিশ্ববাসীক চমক খোৱাই তোলা অনেক উদাহৰণ আছে। আমাৰ অসমৰ ছাত্ৰ সমাজ জাতীয়তা বোধ আৰু আত্ম চেতনাৰ বাবে সকলোৰে প্ৰশংসাৰ পাত্ৰ। প্ৰাক স্বাধীনতাৰ কালৰ পৰা অসমৰ ছাত্ৰ সমাজে আৰ্থিক, সামাজিক, শিক্ষা, সাহিত্য-সংস্কৃতি আদি বিভিন্ন দিশৰ বিকাশত বিভিন্ন ভূমিকা গ্ৰহণ কৰি অৰিহণা যোগাই আহিছে। এসময়ত কলিকতাত পঢ়ি থকা অৱস্থাতো এচাম ছাত্ৰই সাহিত্য সংস্কৃতিৰ আন্দোলনৰ মাধ্যমেদি অসমৰ ভাষা, সাহিত্য-সংস্কৃতি আদি দিশত অনা অভাৱনীয় পৰিবৰ্ত্তনৰ কথা আজিও অসমবাসীয়ে পাহৰিব নোৱাৰে। স্বাধীনতা আন্দোলন, তেল শোধনাগাৰ আন্দোলন, ভাষা আন্দোলনত অসমৰ ছাত্ৰ সমাজে সক্ৰিয় ভূমিকা গ্ৰহন কৰি জাতীয়তা বোধৰ সুন্দৰ চানেকি উদ্ভৱ পুৰুষ'ল ৰাখি গ'ল। যোৱা ছাছৰীয়া বিদেশী বিতাৰণৰ আন্দোলনত অসমৰ ছাত্ৰ সমাজৰ সবল নেতৃত্ব দেখি বিশ্ববাসীও চমক খাই উঠিল। অসমৰ ৰাজনৈতিক পৰিবেশ সলনি হয়। ছাত্ৰ সমাজৰ অশেষ নিৰ্য্যাতন ভোগ, আত্মত্যাগৰ পাছত। ঐক্য শান্তি, প্ৰগতিৰ মহা মন্ত্ৰৰে দীক্ষিত হৈ নতুন ৰাজনৈতিক আঞ্চলিক দলৰ নতুন চৰকাৰ অসম গন পৰিষদ গঠন হ'ল। ছাত্ৰ সমাজৰ এনে দায়বদ্ধতাৰ মানসিকতাই দেশৰ জন গনক বহু আনন্দ দিয়ে। দেশত ঐক্য, শান্তি, প্ৰগতি প্ৰতিষ্ঠিত হ'ল। এনে সামাজিক দায়বদ্ধতা তেওঁলোকৰ ভৱিষ্যতৰ উন্নতিৰ সোপান বুলি কৰ পাৰি। কিন্তু আজি এনে দায়বদ্ধ ছাত্ৰ সমাজৰ বিকৃত মানসিকতাই বৰ্ত্তমান সমাজৰ সমাজ সচেতন আৰু চিন্তাশীল লোক সকলক ভবাই তুলিছে। পৰীক্ষাত অসৎউপায় অৱলম্বন কৰি উত্তীৰ্ন হোৱাৰ চিন্তা কৰে। যি সমাজে দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰে সেই সমাজেই আজি দুৰ্নীতিৰ কৰাল গ্ৰাসত সোমাই পৰে।

বৰ্ত্তমান সময়ৰ পৰি প্ৰেক্ষিতত পৰিবেশ পৰিস্থিতি আৰু সমাজৰ সম্পুৰ্ণ প্ৰভাৱ আজিৰ যুৱ ছাত্ৰ সকলৰ নৈতিক পাঠনিত পৰিছে। যুৱ মানসিকতা বিকৃত কৰাৰ মূলতে আছে আমাৰ সমাজৰ বিভিন্ন দিশ সমুহ। আজিৰ এচাম ছাত্ৰ ছাত্ৰীয়ে "শিষ্টাচাৰ" বোলা শব্দটো সম্পুৰ্ন পাহৰি পেলোৱাৰ দৰেই হৈছে। মদ, ভাং, কানি, বিড়ি, চিগাৰেট আদি ৰাগিয়াল বস্তু সেৱন কৰিছে। সুৰাপান কৰিছে, সস্তীয়া হিন্দী ইংৰাজী বোলছবি চাইছে, ৰাস্তাই ঘাটে মাই ভনী সদৃশ ছোৱালীক অশ্লীল ইংগিত দিছে। বয়োজ্যেষ্ঠ সকলক শ্ৰদ্ধা সম্মান কৰাৰ

পৰিবৰ্ত্তে অৱমাননা, অৱহেলা, অপমান, আৰু ইতিকিংহে কৰা দেখা যায়। বাটৰ কাষত হোটেলৰ এচুকত বহি জুম বান্ধি নানা ধৰণৰ অশ্লীল আড্ডা পিটে। হাঁহি খিকিন্দালি, অশ্লীল উৎকট শব্দইহে এই আড্ডা বোৰত স্থান পায়। আমাৰ ছাত্ৰ সমাজৰ এই যে চিন্তা শক্তিহীন আৰু নীচ ক্ৰিয়া কাণ্ড এই বোৰে ইয়াকে সূচায় যে বৰ্ত্তমান আমাৰ সমাজ খনলৈ বেয়াকৈয়ে অন্ধকাৰ নামি আহিছে। আজি ছাত্ৰ সমাজৰ নৈতিক স্খলন, চাৰিত্ৰিক অধঃপতনৰ উৎস হিচাপে আমাৰ সমাজ ব্যৱস্থা জড়িত হৈ আছে। বাটে-পথে ভণ্ডামী, গোণ্ডামী কৰি ফুৰা মনোবৃত্তিৰ বহুতো যুৱক যুৱতী নিজৰ দেশখনৰ, নিজৰ সমাজ খনৰ, নিজৰ জাতিটোৰ কথা চিন্তা কৰা বাদেই নিজেনো কি এই কথাকে নাজানে। আজি কিছু দিনৰ আগতে সোণৰ অসম গঢ়াৰ দৃঢ় সংকল্প হাতত লোৱা নিস্বাৰ্থ দেশ প্ৰেমিক স্বৰ ছাত্ৰ সকলৰ মাজৰে এক বৃহৎ সংখ্যাকে যিদৰে অবাটে যাব লাগিছে তাক দেখি সমূহ অসমীয়া জন গণৰ মনত আজি প্ৰশ্নৰ উদয় হৈছে এই চাম যুৱক - যুৱতী ছাত্ৰ - ছাত্ৰীয়ে কেনেকুৱা এখন নতুন অসমৰ গঢ় দিব? শিক্ষাক অগ্ৰাহ্য কৰা, পঢ়া-শুনাত ধাউতি নোহোৱা, সস্তীয়া সংস্কৃতিক আদৰি লোৱা এই উশৃংখল চামটোৱে কেনেকুৱা এখন সমাজ গঢ়িব? ? ? ? ?

সেয়েহে আজিৰ ছাত্ৰ সমাজে এই মানসিকতা নিজে সম্বৰণ কৰি এই বদনাম নিজে অন্ত পেলাব লাগিব। নহলে এই প্ৰক্ৰিয়াই দেশৰ সমগ্ৰ ছাত্ৰ সমাজৰ ক্ষতি সাধন কৰাৰ লগতে দেশৰো অপূৰণীয় ক্ষতি সাধন হ'ব। গতিকে ছাত্ৰ সমাজে আত্ম-নিয়ন্ত্ৰণৰ মাজেদি নিজৰ দায়িত্ব বোধ পালন কৰি এনে মানসিকতা অন্ত পেলাবলৈ যৎপৰোনাস্তি চেষ্টা কৰাতো সকলোৱে বাঞ্চা কৰে।

স্পষ্ট ভাৱে ক'বলৈ গ'লে বৰ্ত্তমান অসম চৰকাৰে ৰাজ্য খনৰ স্বাৰ্থত বিশেষ কাম কৰিব পৰা নাই। চৰকাৰী নীতিৰ লগতে নেতৃত্বৰ দক্ষতা, সাধুতা, ইচ্ছা আদিৰ অভাৱ ভালকৈ পৰিলক্ষিত হয়। বিভিন্ন গোট, সম্প্ৰদায়ৰ আন্দোলন বোৰ শীৰ্ষলৈ উঠিল। যি কোনো কথাতে অঞ্চল ভিত্তিক দাবীলৈ "বন্ধ" পালনৰ প্ৰৱনতাই পূৰ্ণ বিকাশ লাভ কৰিছে। ভ্ৰাতৃ ঘাটি সংঘৰ্ষৰ সূত্ৰ পাত হৈছে দেখা যায় যে বৰ্ত্তমান আমাৰ ৰাজনৈতিক পৰিস্থিতি এক দেদুল্যমান অৱস্থাত পৰিনত হৈছেহি।

আমাৰ অসমৰ অৰ্থনীতি কৃষি প্ৰধান হ'লেও খাদ্যৰ ক্ষেত্ৰত আমদানি ওপৰত নিৰ্ভৰ কৰিব লগা হয়। ৰাজ্যৰ বিভিন্ন এলেকাৰ অৰ্থনৈতিক উন্নয়নৰ বৈষম্য বাঢ়িছে। অৰ্থনৈতিক শক্তি আৰু সম্পদ এহাতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ হাতত আৰু আনহাতে কেইটামান ব্যৱসায়ী সংস্থাৰ হাতত থুপ খাই



পৰা বাবে এক অসামাজিক অৰ্থনীতি ক্ৰমান্বয়ে শক্তিশালী হৈ উঠা দেখা গৈছে। ফলস্বৰূপে ব্যক্তিৰ আৰ্থিক উন্নতি গৌন হৈ পৰিছে সেয়ে বৰ্ত্তমান সময়ৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ অৰ্থনৈতিক স্বাৰ্থৰ অনুকূলে অষ্টম পৰিকল্পনাৰ আঁচনি সমূহ নিষ্ঠাৰে ৰূপায়ন কৰাটো অতিশয় প্ৰয়োজন।

অসমত প্ৰতিবছৰে হোৱা বান পানী এক ভয়ংকৰ আৰু ভয়াবহ সমস্যা। প্ৰতিবছৰে একাধিক বাৰ হোৱা বানপানীয়ে অসমৰ বাইজক অতীষ্ঠ কৰি তুলিছে। অপৰিকল্পিত ভাৱে দিয়া মথাউৰিয়ে জনগনৰ দুৰ্দশা দুগুন বৃদ্ধিহে কৰে। ১৯৮৭ চনত বানপানীৰ ফলত প্ৰায় ৫৩ লোকৰ মৃত্যু হয়। আৰু ৪৭,৯১ ০৩২ জন মানুহ ক্ষতিগ্ৰস্ত হয়। দেখা যায় দিনক দিনে বান পানীৰ প্ৰকোপ বেঢ়ি হে আহিবলৈ ধৰিছে। অৱশ্যে এই সমস্যা সমাধানৰ বাহিৰত নহয়। অৰ্থৰ অভাৱতে হওক বা চৰকাৰৰ অৱহেলাৰ বাবেই হওক ইয়াক সমাধান কৰিব পৰা নাই। কিন্তু অতি সোন কালে যথোপযুক্ত ব্যৱস্থা গ্ৰহন নকৰিলে কেই বছৰ মানৰ পাছলৈ গোটেই অসম বানপানীৰ তলত থাকিব লাগিব। গতিকে এই ক্ষেত্ৰত কৰ্ত্তৃপক্ষ সজাগ হোৱা দৰকাৰ।

১৯৮৬ চনত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰৱৰ্ত্তন কৰা হয়। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা যায়— এই আঁচনিবোৰ ছাত্ৰ সকলক পৰীক্ষাত উত্তীৰ্ন হ'বৰ বাবে লোৱা একোটা পৰীক্ষাহে। ছাত্ৰৰ বৌদ্ধিক, আধ্যাত্মিক, মানসিক বিকাশত সহায়ক সুস্থিৰ শিক্ষানীতি প্ৰৱৰ্ত্তন কৰাটো উচিত বুলি ভবা হয়। আনফালে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্য্যায়ত পাঠ্যপুথি প্ৰকাশন পৰিষদে নিৰ্দ্দিষ্ট অসমত ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় কিতাপৰ যোগান ধৰিব নোৱাৰে। অসম চৰকাৰে তিনিবছৰীয়া ডিগ্ৰী পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিলে, কিন্তু কিছুমান বিষয়ৰ পাঠ্যক্ৰমৰ কিতাপ আজিও পাবলৈ নাই। অসমীয়া মাধ্যমৰ কিতাপৰ কথা বাদেই ইংৰাজী মাধ্যমৰো পাবলৈ নাই। যি সীমিত কিতাপ যোগান ধৰে সেইখিনিয়ে ছাত্ৰ-ছাত্ৰীৰ অভাৱ পূৰণ কৰিব নোৱাৰে। তেতিয়া হ'লে ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ উপায় কি হ'ব পাৰে সেইটো সকলোৱে অনুমেয়। এইবোৰ বিষয়ৰ প্ৰতি কৰ্ত্তৃপক্ষ সজাগ হোৱাটো নিতান্তই বাঞ্চনীয়।

আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অনুপাতত সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই কম। তাৰোপৰি ১৯৭০ চনত স্থাপিত হ'লেও আমাৰ মহাবিদ্যালয় খন এতিয়াও চালুকীয়া হৈয়ে আছে। যাৰ বাবে বহু সময়ত প্ৰয়োজনীয় অৰ্থৰ অভাৱ হৈ পৰে। সেয়ে আমাৰ আগৰ জন সম্পাদকৰ ( ১৯৮৭ ৮৮ ) সম্পাদনাত প্ৰকাশ পাবলগীয়া মুখ্যপত্ৰখনিৰ কাম-কাজ

অৰ্থৰ অভাৱতে আধকৰা হৈ ৰয় । সেইবাবে আমাৰ সংখ্যাটোৰ লগতে ১৯৮৭-৮৮ চনৰ শাখাটোও সন্নিবিষ্ট কৰি যুটীয়া ভাৱে প্ৰকাশৰ দিহা কৰা হয় । মুখপত্ৰখান নিৰ্দ্দিষ্ট সময়তকৈ বহুত পলমকৈহে আপোনালোকৰ হাতত দিব পাৰিছো । তাৰ বাবে আমি অতি দুখ অনুভৱ কৰিছো । লগতে আপোনালোক সদৌটিৰে ওচৰত আমি কৰযোৰে ক্ষমা প্ৰাৰ্থনা বিচাৰিছো । সকলোৰে দৰেই আমিও আলোচনী বিভাগৰ সম্পাদিকা হৈয়ে ভাবিছিলো — আমাৰ সম্পাদনাত প্ৰকাশ পাব লগীয়া সংখ্যাটো অলপ বিশেষ ভাৱে প্ৰকাশ কৰিম । কিন্তু মনৰ ভবা কথা মনতে মাৰ গ'ল । বিভিন্ন খোল মেলিৰ হেতু সেইটো হৈ নুঠিল । বিভিন্ন অসুবিধাৰ বাবেই হওঁক বা নিৰ্বাচিত নোহোৱাৰ বাবেই হওঁক কিছুমান প্ৰবন্ধ, গল্প, কবিতা বাদ পৰিল । তাৰ বাবে সেই বন্ধু-বান্ধৱী সকল হতাশ নহবৰ বাবে অনুৰোধ জনালো ।

এই সুযোগতে যি সকল শুভাকাংক্ষী বন্ধু বান্ধৱীৰ উৎসাহে আমাক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হৈ মহাবিদ্যালয়ৰ কাম কাজ কৰাত সুবিধা দিলে তেওঁলোকলৈ আমাৰ হিয়া ভৰা মৰম আৰু আন্তৰিক কৃতজ্ঞতা যাচিলো । মুখপত্ৰখনিৰ বাবে গল্প, প্ৰবন্ধ আৰু কবিতা সমূহ বাচনি কৰি দিয়াৰ বাবে আমাৰ শ্ৰদ্ধাৰ অধ্যাপিকা শ্ৰীযুক্তা ৰতি প্ৰভা গগৈ বাইদেউক আৰু অধ্যাপক শ্ৰীযুত ৰিনন্দ মহন চাৰক আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো । আমাৰ আন্তৰিক কৃতজ্ঞতা থাকিল — বিভাগীয় উপদেষ্টা সকললৈ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই দেৱলৈ । কৃতজ্ঞতা থাকিল — শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা চাৰলৈ ।

আমাৰ প্ৰতিটো কামতে সহায় আগবঢ়োৱা কাৰ্য্যনিৰ্বাহকৰ উপসভাপতি শ্ৰী যুত অতুল ৰাজকোঁৱৰ, তপন, প্ৰফুল্ল, ঋতু, মনিদীপ, ভুপেন ইতলৈ আমাৰ হিয়াভৰা কৃতজ্ঞতা থাকিল । আন্তৰিক ধন্যবাদ থাকিল — মহাবিদ্যালয়ৰ প্ৰতি গৰাকী বন্ধু-বান্ধৱীলৈ ।

পৰৱৰ্ত্তী সংখ্যাবোৰে আমাৰ কল্পনাক বাস্তৱত ৰূপায়ন কৰি নতুনত্ব আৰু পৰিৱৰ্ত্তন কঢ়িয়াই আনক । সদৌ শেষত পুনৰ বাৰ আলোচনী খন প্ৰকাশত পলম হোৱাৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগিছো । লগতে অন্যান্য ভুল ত্ৰুটীৰ বাবেও ক্ষমা বিচাৰি সোণাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো ।

"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

শ্ৰীমতী কল্পনা বৰুৱা
সম্পাদিকা — আলোচনা বিভাগ
১৯৮৮-৮৯ চন

# মোৰ কাৰ্য্যকাল আৰু সোণাৰি মহাবিদ্যালয়

শ্ৰী অতুল ৰাজ কোঁৱৰ
উপ-সভাপতি ছাত্ৰ একতা সভা

সোণাৰি মহাবিদ্যালয়ৰ সাংবিধানিক নীতি অনুসৰিয়েই ১৯৮৮/৮৯ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই উপসভাপতি পদটিৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো । মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক উক্ত পদটিৰ বাবে নিৰ্ব্বাচিত কৰি একতা সভাৰ হৈ কাম কৰাৰ সুযোগ দিলে । এই খিনিতে মই আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈকে ধন্যবাদ জ্ঞাপন কৰিলো ।

উক্ত নিৰ্বাচনৰ মধ্যে নৱ নিৰ্বাচিত সকলো বিভাগৰ বিষয় ববীয়া সতে আমি ১৭/১২/৮৮ তাৰিখত কাৰ্য্যভাৰ হাতত লওঁ । অনেক দায়িত্ব আৰু কৰ্ত্তব্য সন্মুখত লৈ আমি নতুন একতা সভাই কাৰ্য্যভাৰ হাতত লোৱাৰে পৰাই কাৰ্য্যকালত অনেক সমস্যাৰ সন্মুখীন হওঁ । তথাপিও নিজৰ কৰণীয় খিনিত যত্নৰ ত্ৰুটি নকৰাকৈয়ে ইবিলাকৰ সমাধানকল্পে পাৰ্য্যমানে চেষ্টা চলাওঁ ।

চৰাইদেউ মহকুমাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান সোণাৰি মহাবিদ্যালয় । বৃহৎ এটা এলেকাৰ ছাত্ৰ-ছাত্ৰী সকলৰ এই মহাবিদ্যালয় খনেয়েই শিক্ষা গ্ৰহণৰ প্ৰাণ কেন্দ্ৰ । এই কথা অনস্বীকাৰ্য্য যে আমাৰ মহাবিদ্যালয়ৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই গ্ৰাম্যবাসী । সামাজিক অৰ্থনৈতিক দিশত বিভিন্ন ভাৱে ৰুগ্ন গ্ৰাম্যবাসী ছাত্ৰ-ছাত্ৰী সকলক মহাবিদ্যালয় খনিয়ে যিখিনি সা সুবিধা আগবঢ়াব লাগিছিল সেইখনি হয়তু সম্পুৰ্ণ ভাৱে আগবঢ়াব পৰা নাই । তথাপিও ১৯৭০ চনতে স্থাপিত এই চালুকীয়া শিক্ষানুষ্ঠানটিৰ কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰিবলৈ আকুণ্ঠ প্ৰয়াস কৰা দেখা গৈছে । অন্য লগৰে পৰা মহাবিদ্যালয় খনিৰ ঘণীভূত সমস্যাই বহুতো হিতাকাংক্ষী লোকৰে দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে । অঞ্চলটিৰ বহুতো ৰাইজৰ সহযোগিতাৰে আমাৰ মহাবিদ্যালয় খনিয়ে বৰ্ত্তমান অৱস্থাত উপনীত হব পাৰিছে ।

প্ৰথম অৱস্থাৰ তুলনাত বৰ্ত্তমান এই মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বহুগুণে বৃদ্ধি পাইছে । এইটো সময়ৰ পৰিবৰ্ত্তনীয় সোঁতত জনসংখ্যা বৃদ্ধিৰ একমাত্ৰ চাপ নহয় । ইয়াৰ অন্যতম কাৰণ হ'ল ক্ৰমাগত ভাৱে মহাবিদ্যালয় খনিয়ে বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰী সকলক আকৰ্ষণ কৰিব পৰা অন্য এক গুণ । অসমৰ অন্যান্য আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে দেখুওৱা ফলাফলৰ তুলনাত

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী-ছাত্ৰীসকলৰ ফলাফলৰ মানদণ্ড অধিক আগবঢ়া নহয় যদিও ক্ৰমাগত ভাৱে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও সু-নাম অৰ্জন কৰিব পাৰিছে। এই মহাবিদ্যালয়ৰ পৰাই প্ৰাক্ স্নাতক শাখাত অসমৰ প্ৰথম দহজনৰ ভিতৰত স্থান পোৱা ছাত্ৰও উলাইছে। তথাপিও এই কথা কব লাগিব যে এইটো সন্তোষজনক হব পৰা নাই।

আমাৰ মহাবিদ্যালয়ৰ এটা শৈক্ষিক বতাৱৰণ গঢ়ি উঠিছে যদিও ই পূৰ্ণাংগ ৰূপ পোৱা নাই। এই ক্ষেত্ৰত আমাৰ শিক্ষাগুৰু সকলে যি গুৰুভাৰ মুৰ পাতি লব লগা হৈছে সিয়েই হয়তু যথেষ্ট হোৱা নাই। ইয়াৰ লগতে জড়িত আৰ্থ সামাজিক দিশৰ লগতো কৰ্তৃপক্ষই অহৰহ সংগ্ৰাম চলাব লগা হৈছে। যিহেতু আমাৰ মহাবিদ্যালয়ে এতিয়াও সুস্থ শৈক্ষিক পৰিবেশ এটা গঢ়ি তুলিবলৈ বহুতো কৰণীয় আছে, তেনে স্থলত কৰ্তৃপক্ষৰ যিমান দায়িত্ব আছে তাৰ তুলনাত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ দায়িত্ব আৰু কৰ্ত্তব্যও কোনো গুণে কম নহয়।

তেনে এক জটিল মুহুৰ্ত্তত্তেই এই মহাবিদ্যালয়ৰ এজন ছাত্ৰ হিচাবে কৰণীয় খিনিৰ কথা প্ৰায়ে ভাবিবলৈ বাধ্য হৈছিলো। আনহাতে ১৯৮৮/৮৯ চনৰ সাধাৰণ নিৰ্বাচনত উপসভাপতি হিচাবে যি গুৰুভাৰ গ্ৰহণ কৰিব লগা হৈছিল তেনেস্থলত আমাৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ কলেৱৰ দুগুণে বৃদ্ধি পালে। আমাৰ কাৰ্য্যকালত মহাবিদ্যালয় খনিৰ বাবে কি কৰিব পাৰিলো তাৰ বিচাৰ কৰাতো অৱশ্যেই সমীচীন নহব। একতা সভাৰ বিষয়-ববীয়া সকলৰ লগত প্ৰায়ে মহাবিদ্যালয় খনিৰ অভাৱ অভিযোগৰ কথা আলোচনা কৰি ইবিলাকৰ ইতিবাচক সমধান কৰ্‌লে চেষ্টা চলাইছিলো।

আমাৰ কাৰ্য্যকালত মহাবিদ্যালয়খনিৰ বাবে বিন্দুমাত্ৰ অৱদানেৰে আমি কাৰ্য্যকাল সামৰিব লগা হৈছিল। সাধাৰণ সম্পাদক আৰু মহাবিদ্যালয়ৰ কতৃপক্ষৰ সহায় সহযোগিতাৰ লগতে একতা সভাৰ সমুহ বিষয় ববীয়াৰ আকুণ্ঠ প্ৰচেষ্টাতে মহাবিদ্যালয়খনৰ প্ৰবেশদ্বাৰ স্থায়ীভাৱে নিৰ্ম্মান কৰিব পৰা গৈছিল। আনহাতে ইয়াৰ প্ৰবেশ পথটিত মেৰামেটি কৰিব পৰা গৈছিল। আমাৰ কাৰ্য্যকালতেই আন এক মহান কাৰ্য্যৰ সিদ্ধান্ত লোৱা হৈছিল। সেইটো হ'ল মহাবিদ্যালয়ৰ চোতালত এটি শ্বহীদবেদী নিৰ্ম্মান, কিন্তু দুখৰ বিষয় যে এই কাম সম্পূৰ্ণ কৰিবলৈ আমি সক্ষম হব নোৱাৰিলো।

যিকি নহওঁক জন্ম লগ্নৰে পৰা আমাৰ মহাবিদ্যালয়ে নানা ঘাট প্ৰতিঘাট। মাজেদি আগুৱান হব লাগিছে। এই খিনিতে আমাৰ মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিষয়ে দু-আষাৰ নকলেও লেখাটি সম্পূৰ্ণ নহব।



নিজে এজন ছাত্ৰ হৈয়ো ছাত্ৰ-ছাত্ৰী সকলৰ বিষয়ে কবলৈ যোৱাতো অৱশ্যেই ভুল। তথাপিও মহাবিদ্যালয়খনিত শিক্ষাৰ পাঠনি মেলাৰ পৰা মোৰ যি কণমান অভিজ্ঞতা হল তাকেই এই সুযোগতে লিপিবদ্ধ কৰিলো।

এখন মহাবিদ্যালয়ৰ গৌৰৱৰ মহান সম্পদ আৰু উন্নতিৰ অক্ষয় কণলা হ'ল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বই এখন মহাবিদ্যালয়ৰ গৌৰৱ আৰ্জিব পাৰে। আনহাতে এইটোৱে মহাবিদ্যালয় খনিক উন্নতি স্থানও অৱস্থান কৰাব পাৰে।

গতিকে এনে দিশলৈ লক্ষ্য ৰাখি কব পৰা যায় যে ছাত্ৰ ছাত্ৰী সকলৰ মহাবিদ্যালয় খনিৰ প্ৰতি সীমাহীন দায়িত্ব আৰু কৰ্ত্তব্য আছে।

ছাত্ৰ ছাত্ৰী সকলে কেৱল পুথিগত শিক্ষা গ্ৰহন কৰিলেই শ্ৰেষ্ঠলোকৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ ওৰ নপৰে নিশ্চয়। এজন ছাত্ৰই নীতিগত শিক্ষাৰ লগতে খেলা-ধুলা সামাজিক আদি দিশতো সচেতনতা হোৱাৰ প্ৰয়োজন আছে। যাৰ দ্বাৰা এখন মহাবিদ্যালয়ৰ গৌৰৱ কীৰ্ত্তি অক্ষুণ্ণ হব। আনহাতে বিভিন্ন সমাজসেৱা আদিৰ যোগেদিও ছাত্ৰ-ছাত্ৰী সকলে নিজৰ দায়িত্ববোধ প্ৰদৰ্শন কৰাৰ লগতে মহাবিদ্যালয় খনিৰ সৰ্বাঙ্গীন উন্নতি কৰ্‌লে সহায় কৰিব পাৰে।

সেয়েহে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলেও উপৰোক্ত দিশাসমূহৰ প্ৰতি লক্ষ্যৰাখি কৰ্ত্তব্যৰত হলেহে মহাবিদ্যালয়খনিৰ প্ৰগতিত সহায়ক হব বুলি মই অন্ততঃ বিশ্বাস ৰাখো। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সৰহ সংখ্যকেই খেলা-ধুলাৰ প্ৰতি অনীহা প্ৰকাশ কৰা দেখা যায়। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰিয়া সপ্তাহত যোগদান কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যালৈ লক্ষ্য ৰাখিয়েই এই কথা ব্যক্ত কৰিলো। এইটোৱে নিশ্চয় মহাবিদ্যালয় খনিৰ প্ৰগতিৰ অন্তৰায় হিচাবে দেখা দিব। ছাত্ৰ-ছাত্ৰী সকলৰ খেলা-ধুলাৰ প্ৰতি অনীহা জন্মাৰ ইচ্ছাকৃত কাৰণেই একমাত্ৰ কাৰণ নহয় ইয়াৰ লগতে আমাৰ সামাজিক দায়বদ্ধতাত পৰি অভিত চৰ্চ্চাৰ পৰা বঞ্চিত হোৱাটোও ইয়াৰ অন্যতম কাৰণ।

আমাৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন তৰ্ক প্ৰতিযোগিতা, সাহিত্য চৰ্চা ইত্যাদিৰ লগতে নানা ধৰণৰ সভা সমিতি আদিতো সক্ৰিয় অংশগ্ৰহণ কৰাৰো মোৰ বোধেৰে এক মহান দায়িত্ব আৰু কৰ্ত্তব্য। যিটো আমাৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত পুনৰূপত্ত দেখা পোৱা নাযায়।

আমাৰ কাৰ্য্যকালত আমি যিখিনি কৰিব নোৱাৰিলো তাৰ বাবে আমি মহাবিদ্যালয় খনিৰ ওচৰত সদায়ে ধনী হৈ ৰ'লো। আশা ৰাখো আমাৰ ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰী সকলে মহাবিদ্যালয় খনিৰ সৰ্বতু প্ৰকাৰৰ

উন্নতি কল্পে আহোপুৰুষাৰ্থ কৰিব।

শেষত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত যে এক সৌহাৰ্দ্যপূৰ্ণ মনোভাব বিৰাজ আছিল তাক স্বীকাৰ কৰিলো। ক্ৰমাগত ভাৰে সমাজত বাঢ়ি অহা জটিল অগ্নিগৰ্ভা পৰিস্থিতিৰ মাজত এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা একতাই নিশ্চয় মহাবিদ্যালয় খনিৰ খ্যাতি অক্ষুন্ন ৰাখিব। যিটো প্ৰশংসনীয় তথা ভবিষ্যততো ই কাৰ্য্য। সভ্যতাৰ উচ্চ শিখৰত থাকিও বৰ্ত্তমান সমাজত যি বিকৃত যুৱ মানসিকতাই গা কৰি উঠিছে তাৰ প্ৰতিও আমাৰ ছাত্ৰ-ছাত্ৰী সকল অচেতন হোৱা উচিত। অৱশ্যে ইয়াৰ প্ৰভাৱ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দেখা পোৱা নাছিলো। এই সুযোগতে মই আমাৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈও সশ্ৰদ্ধ প্ৰণাম যাচিলো। যিসকলৰ কৃপাতেই গোহৰৰ অভিমুখে বাট বুলিলো সেই সকল শিক্ষা গুৰু আমাৰ চিৰ নমস্য হৈ ৰব। শেষত সোণাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ। জানিও বা অজানিও ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনীয়। লগতে মোৰ লেখাটিৰ মাজতো যিখিনি ত্ৰুটি বিচ্যুতি হৈ গৈছে তাৰ বাবেও সকলোৰে ওচৰত ত্ৰুটি মাৰ্জনাৰ বাবে বিনম্ৰ আবেদন জনালো।

জয়তু সোণাৰি মহাবিদ্যালয়!

— x —

# সাধাৰণ সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন। ১৯৮৮-৮৯ চন।

প্ৰতিবেদনৰ পাতনিতে সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী আৰু শিক্ষাগুৰু সকললৈ আন্তৰিক শুভেচ্ছা ও সশ্ৰদ্ধ প্ৰণাম জনাইছো। ১৯৮৮/৮৯ চনৰ বছৰটোত মোক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয় খনিৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক সেৱা কৰিবলৈ সুবিধা দিয়াৰ বাবে এই ক্ষণতে সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালৰ বছৰটোত একতা সভালৈ নিৰ্বাচিত হোৱা সকলো বিষয়ববীয়া মোক যি সহায়ৰ হাত আগ বঢ়াইছিল সকলোলৈকে মই ধন্যবাদ জ্ঞাপন কৰিলো।

আমাৰ কাৰ্য্যকাল:

সোণাৰি মহাবিদ্যালয়ৰ ১৯৮৮-৮৯ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদক হিচাপে জয়ী হৈ ১৭-১২-৮৮ তাৰিখে আমি সকলো ন-পুৰণি বিষয়ববীয়াৰ সন্মুখত সাংবিধানীক নিয়মেৰে গুৰু দায়িত্বভাৰ গ্ৰহণ কৰো। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আমি সৰ্ব্বপ্ৰথম পদক্ষেপ হিচাপে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰো ১৯ জানুৱাৰীৰ পৰা ৩০ জানুৱাৰীলৈকে প্ৰথম দিনা ক্ৰীড়া সপ্তাহ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱে। ক্ৰীড়া সপ্তাহত সাংস্কৃতিক অনুষ্ঠানৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। এইবাৰ ক্ৰীড়া সপ্তাহৰ প্ৰতিযোগিতা বিলাকৰ মান উচ্চখাপৰ আছিল। সমূহ ছাত্ৰ ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকাৰ সহযোগত ক্ৰীড়া সপ্তাহ আনন্দ আৰু ব্যস্ততাৰে সামৰণি পৰে। শেষৰ দিনা ৩০ জানুৱাৰী ৮৯ তাৰিখে অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱৰ সভাপতিত্বত ক্ৰীড়া সপ্তাহৰ বঁটা বিতৰণী সভাখনি অনুষ্ঠিত হয়। উক্ত সভালৈ বিশিষ্ট অতিথি হিচাপে চৰাইদেউ মহকুমা ন্যায়িক দন্দাধীশ শ্ৰীযুত ৰমেন্দ্ৰ কুমাৰ ৰাজখোৱা আৰু ভাগৱতী প্ৰসাদ বৰুৱা সোৱণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত বিষ্ণু প্ৰসাদ দত্ত দেৱক নিমন্ত্ৰণ কৰা হয়। ছাত্ৰ-ছাত্ৰী তথা খেলুৱৈ সকলৰ প্ৰতি উদ্দেশ্যে সকলে ক্ৰীড়াৰ বাস্তৱ প্ৰয়োজনীয়তা আৰু ছাত্ৰ ছাত্ৰীৰ পঢ়া শুনাৰ মাজেৰে ইয়াৰ উন্নতি সাধন কৰা সম্পৰ্কে বহুমূলীয়া বক্তব্য ডাঙি ধৰে।

পৰম্পৰাগত ভাৱে প্ৰতিবছৰে পাতি অহা শ্ৰী শ্ৰী সৰস্বতী পূজা মোৰ কাৰ্য্যকালতো ১০ ফেব্ৰুৱাৰী ৮৯ তাৰিখে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ

সহযোগত নাম প্ৰসঙ্গৰে শ্ৰী শ্ৰী সৰস্বতী মাতৃৰ চৰণত এপাহি গন্ধপুষ্প অৰ্পন কৰো। ১১ আৰু ১২ ফেব্ৰুৱাৰী ৮৯ তাৰিখে আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশনৰ সংগে কাৰ্য্যসূচীতে আমি ছাত্ৰ-ছাত্ৰী সকলে অংশ গ্ৰহণ কৰো। তাৰোপৰি নতুনক আদৰি পুৰণিক বিদায় দিয়াৰ নিয়মকে সাৰোগত কৰি ২৪ মে, ৮৯ তাৰিখে মহাবিদ্যালয়ৰ শেষাত্ত বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰী সকলক বিদায় সম্ভাষণ জনাওঁ। প্ৰতিবছৰে পালন কৰি অহাৰ দৰে ২ চেপ্তেম্বৰ ৮৯ তাৰিখে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৰ উপস্থিতিত এখনি আলোচনা চক্ৰৰে শ্ৰী শংকৰ দেৱৰ তিথি পালন কৰো। ১৬ চেপ্তেম্বৰ ৮৯ তাৰিখে সমগ্ৰ দেশৰ লগতে আমাৰ মহাবিদ্যালয়তো বিশ্বকৰ্ম্মা পূজা পালন কৰো। নেদেখাক দেখাৰ হেপাহেৰে মনক সম্পূৰ্ণকৈ জনাৰ মানসেৰে মধুময় কল্পনাক বাস্তৱত ৰূপায়ন কৰাৰ হেপাহেৰে যি সকল নবাগত ছাত্ৰ-ছাত্ৰীয়ে আমাৰ মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিছিল সেই নবাগত সকলক আমাৰ মাজত আকোৱালি লোৱাৰ বাবে আদৰণি সভাখন ২৩ চেপ্তেম্বৰ ৮৯ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই দেৱৰ সভাপতিত্বত অনুষ্ঠিত হয়। উক্ত সভালৈ আমি নিমন্ত্ৰণ কৰা বিশিষ্ট অতিথি সকল আছিল শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত শ্ৰীযুত প্ৰণৱ কুমাৰ খাউণ্ড চৰাইদেউ মহকুমাৰ মহকুমাধিপতি ডা. অজয় সিং আৰু সদৌ অসম ছাত্ৰ সন্থাৰ বাজিক কাৰ্য্য নিৰ্বাহকৰ সদস্য শ্ৰীযুত উমেশ গগৈ। অতিথি সকলৰ সাৰুৱা বক্তব্য আৰু বিভিন্ন ধৰণৰ গীত মাত পৰিৱেশনেৰে নবাগত আদৰণি সভাখনি সমাপ্তি ঘটে। মোৰ কাৰ্য্যকালতো বিগত ছয়বছৰীয়া অসম আন্দোলনত শ্বহীদ হোৱা আমাৰ মহাবিদ্যালয়ৰ শ্বহীদ পুতুল গগৈ আৰু ইমতিয়াজউদ্দিন আহমেদৰ সোঁৱৰণীত প্ৰতিবছৰে অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয় (ডিব্ৰুগড় বিশ্ববিদ্যালয়) তৰ্ক প্ৰতিযোগিতাখনি ৪ অক্টোবৰ ৮৯ তাৰিখে অনুষ্ঠিত কৰা হয়। ১০ খন মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰা উক্ত প্ৰতিযোগিতাত গড়গাওঁ মহাবিদ্যালয়ে প্ৰথম স্থান আৰু গোলাঘাট বাণিজ্য মহাবিদ্যালয়ে দ্বিতীয় পুৰস্কাৰ লাভ কৰে। শেষত মহাবিদ্যালয়ৰ অধ্যক্ষই পুৰস্কাৰ সমূহ বিতৰণ কৰে। মোৰ কাৰ্য্যকালত সদৌ অসম ছাত্ৰ সন্থাৰ দ্বাৰা আহ্বান কৰা প্ৰতিটো কাৰ্য্যসূচীতে আমি নিষ্ঠা সহকাৰে মহাবিদ্যালয়ৰ তৰফৰ পৰা সহায় সহযোগ তথা কাৰ্য্যসূচী সকল কৰি তোলাত অংশ গ্ৰহণ কৰিছিলো। ১০ ডিচেম্বৰ ৮৯ তাৰিখে সদৌ অসম ছাত্ৰ সন্থাই আহ্বান কৰা শ্বহীদ দিৱস কাৰ্য্যসূচী মহকুমা ছাত্ৰ সন্থাৰ যোজনাত আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হয়। মোৰ কাৰ্য্যকালতেই



আমাৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা শ্ৰীযুক্তা নীলা বৰুৱাক নগাৱলৈ বদলি হৈ যোৱাত ৮ ডিচেম্বৰ ৮৯ তাৰিখে এখনি বিদায় সভা পাতি বিদায় জনাওঁ। ৩ অক্টোবৰ ৮৯ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ৺ললিত বৰুৱাৰ অকাল মৃত্যুত এখনি শোক সভা অনুষ্ঠিত কৰি বিদেহী আত্মাৰ সদগতিৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ অভিযোগ বিলাক দূৰ কৰিবৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগত আলোচনা কৰি সমস্যা বিলাক সমাধানৰ বাবে আগবাঢ়িছিলো। বিশেষকৈ মহাবিদ্যালয়লৈ অহা যোৱা কৰা ৰাস্তাটো আমি ইটা ভাটা আৰু বাগানৰ পৰা ইটা আৰু কয়লা আনি অহা-যোৱাৰ উপযোগি কৰি তুলিছিলো। মহাবিদ্যালয়ৰ জিৰণী কোঠা, ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস খেল পথাৰ আদি উন্নতিৰ বাবে চেষ্টা কৰিছিলো আৰু তাত মহাবিদ্যালয়ে চৰকাৰৰ তৰফৰ পৰা কোনো ধৰণৰ অনুদান নোপোৱাত আৰু বিভিন্ন অসুবিধাৰ বাবে সম্পূৰ্ণ সকল হব পৰা নাছিলো। আমাৰ কাৰ্য্যকালতেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সমূহৰ প্ৰতিনিধি সভাত যোগেদি আমাৰ মহাবিদ্যালয়ত বুৰঞ্জী আৰু ইংৰাজী বিষয় দুটা সন্মান বিষয় হিচাবে খুলিবলৈ অনুমতি দিবলৈ আৰু মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ বাবে অনুদান আগবঢ়াবলৈ উপাচাৰ্য্য মহোদয়লৈ স্মাৰক পত্ৰ প্ৰদান কৰো। দুখৰ বিষয় মোৰ কাৰ্য্যকালত এই অসম্পূৰ্ণ কাম বিলাক পৰৱৰ্ত্তী কাৰ্য্যনিৰ্বাহকক সমাধা কৰিবৰ বাবে অনুৰোধ জনালো।

আমাৰ কৰণীয়া

আমাৰ মহাবিদ্যালয়ৰ অভাৱ দূৰীকৰণ আৰু উৎসাহিক বাতাৱৰণ সৃষ্টিৰ ক্ষেত্ৰত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ সহযোগ আৰু দিহা পৰামৰ্শ আমাৰ প্ৰয়োজন। শ্ৰেণীবিলাক অনিয়ম হোৱাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকক আৰু শিক্ষকে ছাত্ৰ-ছাত্ৰীক দোষাৰোপ কৰিলেও আমাৰ মহাবিদ্যালয়ত ১ ঘণ্টাৰ পিছৰ পৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা হয়। মহাবিদ্যালয়ৰ পূৰ্ণ শৈক্ষিক বাতাৱৰণ সৃষ্টি কৰিবলৈ হ'লে পৰস্পৰে পৰস্পৰৰ লগত সদ্ভাৱ স্থাপন কৰি পৰস্পৰৰ কামত সহযোগ কৰি উৎসাহ যোগাব লাগিব। এই ক্ষেত্ৰত মই নতুনকৈ নিৰ্ব্বাচিত হোৱা কাৰ্য্যনিৰ্বাহকৰ বিষয়ববীয়া সকলক আমি যি খিনি সম্পূৰ্ণ কৰিব নোৱাৰিলোঁ তাক আলোচনাৰ মাধ্যমেৰে সম্পূৰ্ণ কৰিবৰ বাবে অনুৰোধ জনালো। লগতে মহাবিদ্যালয়ত পাৰস্পৰিক সহযোগ আনিবলৈ

চেষ্টাৰ ত্ৰুটি নকৰিবৰ বাবে অনুৰোধ জনালো।
শলাগৰ শৰাই

মোৰ কাৰ্য্যকালত কাৰ্য্য পৰিচালনাৰ ক্ষেত্ৰত সহায় সহযোগ আগবঢ়োৱাৰ বাবে শলাগৰ শৰাই প্ৰথমে মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত গোলাপ বৰগোহাঁই, উপাধ্যক্ষ শ্ৰীযুত সুৰেশ দাস, বিভাগীয় উপদেষ্টা, হিচাব পৰীক্ষক মহোদয় আৰু শিক্ষাগুৰু সকলৈ তাৰ পিচতে ছাত্ৰ একতা সভাৰ উপ-সভাপতি শ্ৰীযুত অতুল ৰাজকোঁৱৰ প্ৰমুখ্যে মোৰ সহকৰ্মী একতা সভাৰ বিভাগীয় সম্পাদক সম্পাদিকা সকলৈ। আৰু মোৰ কাৰ্য্যকালত সকলো ক্ষেত্ৰতে সহায় সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ। প্ৰয়োজনীয় সময়ত আপোনালোক সকলোৱে দিহা পৰামৰ্শ আৰু সহযোগ তথা ছাত্ৰ-ছাত্ৰী সকলৰ যি অকুণ্ঠ সহায়ৰ জৰিয়তে মোক কৰ্তব্য পালন কৰাত প্ৰেৰণা যোগাইছিল সেয়েহে মই সকলোৰে ওচৰত চিৰকৃতজ্ঞ হৈ ৰলো।

সদৌ শেষত পৰৱৰ্ত্তী বাকী থকা কাৰ্য্যকালত সকলোৱে সহযোগ কামনা কৰা হল। কাৰ্য্যকালৰ অতীত সকলোৱে বিচাৰ্য্য বিষয় হৈ থাকিল।

মোৰ কাৰ্য্যকালত অবাঞ্চিত বাধা বিঘিনি অতিক্ৰম কৰিবলগীয়া হোৱাত যি সকলৰ ওচৰত অনিচ্ছাকৃত দোষ ত্ৰুটি হৈ গ'ল সেই সকলৰ ওচৰত ক্ষমা বিচাৰিলো।

শেষত শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ মঙ্গল কামনা কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো।

জয় আই অসম

জয়তু সোণাৰি মহাবিদ্যালয়
ছাত্ৰ একতা সভা

ইতি
বিনীত
শ্ৰীতপন কুমাৰ গগৈ
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
সোণাৰি মহাবিদ্যালয়।

— + —

## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ঃ—
## ১৯৮৮-৮৯

জয় জয়তে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ জিৰণি কোঠাৰ সম্পাদক ৰূপে সেৱা আগবঢ়াবলৈ সুযোগ কৰি দিয়াৰ বাবে মহাবিদ্যালয় খনৰ সকলো ছাত্ৰ ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। অৱশ্যে মোৰ এই বছৰেকীয়া কাৰ্য্যকালটিত ছাত্ৰ-ছাত্ৰী বন্ধু বৰ্গৰ আশা-আকাংক্ষা বাস্তৱত ৰূপ দিব পাৰিছো নে নাই তাৰ বিচাৰ আপোনালোকৰ হাতত। সেয়েহে প্ৰতিবেদনৰ প্ৰাৰম্ভনিতে মই মোৰ জ্ঞাতে বা অজ্ঞাতে কৰা সকলো ভুলৰ বাবে মহাবিদ্যালয়ৰ সদৌটিৰে ওচৰত ক্ষমা ভিক্ষাহে মাগিছো।

শিৱসাগৰ জিলাৰ উত্তৰ পূব দিশত অৱস্থিত সোণাৰি মহাবিদ্যালয়খন এই সু-বৃহৎ অঞ্চলটোৰ একমাত্ৰ তথা চালুকীয়া অনুষ্ঠান। এই মহাবিদ্যালয়ত যথেষ্ঠ সংখ্যক ছাত্ৰ ছাত্ৰীয়ে উচ্চ শিক্ষা আহ্বানৰ সোণালী সপোনক বাস্তৱক ৰূপায়িত কৰাৰ মানসেৰে ভৰ্ত্তি হয়হি। এই ক্ষেত্ৰত প্ৰয়োজন এটি সৰ্বাঙ্গ-সুন্দৰ ছাত্ৰ জিৰণি কোঠাৰ। এটা সৰ্বাঙ্গ-সুন্দৰ ছাত্ৰ জিৰণি কোঠাৰ অবিহনে যথেষ্ঠ বিনি বাধাৰ সন্মুখীন হ'ব লগীয়া হৈ আহিছে। সেয়েহে মোৰ অগ্ৰজ সম্পাদক সকলৰ দৰে ময়ো এটি ছাত্ৰ জিৰণি কোঠা নিৰ্মানৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত চেষ্টা প্ৰয়োগ কৰি পৰিশেষত এটা বাঁহ-খেৰৰ জিৰণি কোঠা নিৰ্মাণত সফলতা লাভ কৰিবলৈ সক্ষম হৈছো। অৱশ্যে এই বিনি কৰিয়েই মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ আশানুৰূপ উন্নতি হৈছে বুলি মই দাবী কৰি নোৱাৰো।

এই খিনিতে উল্লেখ কৰিলে ভাল হ'ব যে মহাবিদ্যালয় খনৰ শৈক্ষিক পৰিবেশ বিনষ্ট নহ'বলৈকে মহাবিদ্যালয় খনত উন্নত মানদণ্ডৰ এটি ছাত্ৰ জিৰণি কোঠাৰ প্ৰয়োজন আছে। সেয়েহে মহাবিদ্যালয়ত থকা ছাত্ৰ জিৰণি কোঠাটোলৈ আৱশ্যক অনুসৰি বেঞ্চ, চকী, মেজ আদি সামগ্ৰী সমূহৰ যোগান ধৰিবলৈ এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কতৃপক্ষৰ ওচৰত বিনম্ৰ অনুৰোধ জনাইছো।

উল্লেখযোগ্য যে ছাত্ৰ সকলে জিৰণিৰ সময়ৰূপ অযথা খৰচ নকৰি সৎ ব্যৱহাৰ কৰিব পৰাকৈ ছাত্ৰ জিৰণি কোঠালৈ বিভিন্ন আলোচনী, বাতৰি কাগজ আদিৰ যোগান ধৰিবৰ বাবে মহাবীদ্যালয় কৰ্তৃপক্ষক অনুৰোধ কৰা হৈছিল। কিন্তু অতি পৰিতাপৰ কথা যে মহাবিদ্যালয় কৰ্তৃপক্ষই এই ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা বৰ্ত্তমানেও লোৱা দেখা নগ'ল এই খিনিতে অপ্ৰাসংগিক হ'লেও আন এটা

কথা ও উল্লেখ কৰি যাব বিচাৰো যে সোনাৰি মহাবিদ্যালয়ে খেলা ধূলাৰ ক্ষেত্ৰত বিভিন্ন ঠাইত হোৱা প্ৰতিযোগিতা সমূহত এক উল্লেখনীয় স্থান অধিকাৰ কৰি আহিছে। কিন্তু দুখৰ বিষয় মহাবিদ্যালয়খনত খেলিব পৰাকৈ যথেষ্ঠ খিনি সুবিধাৰ অভাৱ। সেয়েহে ছাত্ৰ সকলে জিৰণিৰ সময়কনৰ সৎ ব্যৱহাৰ কৰিব পৰাকৈ দ্বিতীয় ব্যৱস্থা ৰূপে ছাত্ৰ জিৰণি কোঠাত খেলাৰ সামগ্ৰী সমূহৰ যোগান ধৰিবলৈ কৰ্তৃপক্ষক টানি অনুৰোধ জনাও।

এই নৱ নিৰ্মিত ছাত্ৰ জিৰণি কোঠাটো বিশেষ ব্যৱহাৰোপযোগী হোৱা বাবেই জিৰণি কোঠাত ছাত্ৰৰ উপস্থিতি তেনেই নগন্য হৈ আছে। সেয়েহে জিৰণি কোঠাৰ পৰিসৰ বৃদ্ধি কৰি লগতে বিজুলী বাতিৰ যোগান ধৰি ছাত্ৰ সকলৰ শাৰীৰিক ও মানসিক উৎকৰ্ষ সাধনৰ বাবে কামত খটুৱালে আমাৰ দৰে দুখীয়া ছাত্ৰ সকল নিশ্চয় উপকৃত হ'ব।

এই খিনিতে উল্লেখিয়াই যাও যে মহাবিদ্যালয় খনৰ উন্নতিৰ ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই পালন কৰি অহা সহানুভূতি সূচক ভূমিকা বিশেষ মন কৰিব লগীয়া। ইয়াৰোপৰি মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী সকলে আমাৰ জিৰণি কোঠাৰ সকলো বস্তুকে নিজ জ্ঞান কৰি ব্যৱহাৰ কৰিলেহে আমি আমাৰ নিৰ্দ্দিষ্ট লক্ষ্যত উপনীত হ'ব পাৰিম। নিয়মানুবৰ্ত্তিতাৰ ভৱিষ্যতে ছাত্ৰ জিৰণি কোঠাৰ সুবিধা খিনি ভোগ কৰি নিপুনতাৰ পৰিচয় দিব পাৰিলেহে ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এক সুনিপুন আদৰ্শ ছাত্ৰ জিৰণি কোঠাৰ ইতিহাসত মচিব নোৱাৰাকৈ লিখি যাব পাৰিম।

মোৰ কাৰ্য্য কালটিত ছাত্ৰ জিৰণি কোঠা বিভাগটো সূচাৰু ৰূপে পৰিচালনা কৰাত বিভিন্ন দিহা পৰামৰ্শ, সহায় সহযোগ আগবঢ়োৱা সকলো ছাত্ৰ-ছাত্ৰী, মাননীয় শিক্ষক বৃন্দ তথা অধ্যক্ষ মহোদয়লৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

সোনাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
দীৰ্ঘ জীৱি হওঁক :—
এই কামনাৰে ——

শ্ৰী প্ৰদীপ চন্দ্ৰ বকলিয়াল
সম্পাদক — ছাত্ৰ জিৰণি কোঠা

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ—

জয় জয়তেই সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আৰু শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ১৯৮৮-৮৯ চনৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ বাবটো চলাই নিবৰ বাবে মোক যি সকল বন্ধু বান্ধবীয়ে আন্তৰিক মৰম, উৎসাহ উদ্দীপনাৰে সহায় সহযোগিতা আগবঢ়ালে সেই সকললৈ পুনৰাই মোৰ আন্তৰিক ধন্যবাদ যাচিলো। লগতে মোৰ কাৰ্য্যকালৰ ভিতৰত অনিচ্ছাকৃত ভাৱে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবেও এই প্ৰতিবেদনৰ যোগেদি বন্ধু বান্ধৱী সকলৰ ওচৰত মই ক্ষমা বিচাৰিছো।

